
# কৰ্ষণ

২০১৯-২০২০ বৰ্ষ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী



তত্ত্বাৱধায়ক
ড° অবিনাশ ভবালী

সম্পাদিকা
প্ৰিয়াংকী বৰুৱা



**মহাবিদ্যালয়ৰ পৰিয়ালবর্গ**

বাঁওফালৰ (বহি) পৰা ক্রমে ঃ শ্রীজুলি ঠাকুৰীয়া (গ্রন্থাগাৰিকা), শ্রীদেৱিতা কেম্প্রাই, শ্রীবিজু বৰা, শ্রীশান্তনু বৰদলৈ, ড° সোমনাথ বৰা, ড° কমল চন্দ্র শইকীয়া (উপাধ্যক্ষ), ড° নৃপেন চন্দ্র দাস (অধ্যক্ষ), শ্রীআকাশী ভূঞা, ড° মল্লিকা বৰা, ড° আহাদুজ জামান, ড° ঘনশ্যাম টাইড, ড° অবিনাশ ভৰালী।

বাঁওফালৰ (থিয় হৈ) পৰা ক্রমে ঃ শ্রীভার্গৱ দাস, ড° পুণ্য লতা গোহাঁই, ড° চন্দনা ডেকা, ড° ৰঞ্জিতা কাকতি ৰায় চৌধুৰী, শ্রীলালপিংময়ী হাংচান, শ্রীআফছানা পাৰবিন, শ্রীশ্রদ্ধাঞ্জলি ভট্টাচার্য্য, শ্রীজিতা ৰঞ্জন শইকীয়া, ড° জাহাংগীৰ আলম হুছেইন, শ্রীঅংকুৰ প্রতিম মহন্ত, মঃ আমিৰ ছোহেল ৰচিদ, শ্রীঅংকুৰ বনিয়া



**মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ সৈতে কার্যালয়ৰ সদস্যবৃন্দ**

বাঁওফালৰ (বহি) পৰা ক্রমে ঃ শ্রীমেঘালী গায়ন (কার্যালয় সহায়িকা), ড° কমল চন্দ্র শইকীয়া (উপাধ্যক্ষ), ড° নৃপেন চন্দ্র দাস (অধ্যক্ষ), শ্রীপল্লৱ প্রতিম শইকীয়া (হিচাপ ৰক্ষক)

বাঁওফালৰ (থিয় হৈ) পৰা ক্রমে ঃ শ্রীচন্দন শইকীয়া (গ্রন্থাগাৰ সহায়ক), মোঃ আনোৱাৰ হুছেইন (কার্যালয় সহায়ক), শ্রীপ্রীতি প্রতিম গোস্বামী (কার্যালয় সহায়ক), শ্রীকেশৱানন্দ বৰা (কার্যালয় সহায়ক), শ্রীনৱজ্যোতি গায়ন (৪র্থ বর্গ কর্মচাৰী), শ্রীজিতুমণি বৈৰাগী (গ্রন্থাগাৰ সহায়িকা), শ্রীভূপেন বৰা (৪র্থ বর্গ

# কর্ষণ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ■ ২০১৯-২০

তত্ত্বাৱধায়ক
ড° অবিনাশ ভৰালী

সম্পাদনা
প্রিয়াংকী বৰুৱা

# কৰ্ষণ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী,২০১৯-২০ চন

সম্পাদনা সমিতি
সভাপতি
ড° নৃপেন চন্দ্ৰ দাস, অধ্যক্ষ, ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
তত্বাৱধায়ক
ড° অবিনাশ ভৰালী
সম্পাদিকা
প্ৰিয়াংকী বৰুৱা
শিক্ষক-সদস্য
ড° কমল চন্দ্ৰ শইকীয়া, ড° মল্লিকা বৰা, জুলি ঠাকুৰীয়া, শ্ৰদ্ধাঞ্জলি ভট্টাচাৰ্য্য
ছাত্ৰ-সদস্য
হিমাশ্ৰী শইকীয়া, চিদানন্দ বৰা, জ্ঞানদীপ বৰা

প্ৰকাশক
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা
প্ৰচ্ছদৰ শিল্পকৰ্ম
মালবিকা মুণ্ডা

প্ৰচ্ছদসজ্জা ঃ মনোজ ৰাজকুমাৰ
শিল্পসজ্জা আৰু আৰ্হিপাঠ ঃ হেমন্ত কুমাৰ বৰা
অক্ষৰ বিন্যাস
জ্যোতিকা বৰা, শৰৎ বৰা

মুদ্ৰক
'বিবিধ' আৰু 'কুঁহি গ্ৰাফিক্স এণ্ড প্ৰিণ্টিং', লাওখোৱা পথ, মাজৰ আটী, নগাঁও-২

কৰ্ষণত প্ৰকাশিত ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিসমূহ মৌলিক বুলিয়েই প্ৰকাশ কৰা হৈছে।
এইক্ষেত্ৰ কিবা বিসংগতি থাকিলে তাৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়



২০১৯-২০২০ বৰ্ষত সমগ্ৰ বিশ্বতে
ক'ৰোনা মহামাৰিয়ে ত্ৰাসৰ সৃষ্টি কৰাৰ সময়ত
মানৱ জাতিৰ সেৱাত নিয়োজিত হৈ
মৃত্যুক আঁকোৱালি লোৱা দেশৰ চিকিৎসক,
চিকিৎসাকৰ্মী আৰু প্ৰশাসনিক বিষয়াসকলৰ সৌঁৱৰণত
এই বৰ্ষৰ কৰ্ষণ উৎসৰ্গা কৰা হ'ল

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
**Vice Chancellor**
Phone : 91-361-2570412 (O), 2570408
Fax : 91-361-2675515
E-mail ID : vc@ gauhati.ac.in
pjhandique@rediffmail.com



## শুভেচ্ছা-বাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে, অইন বছৰৰ দৰে এইবেলিও ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালৰ বাৰ্ষিক মুখপত্ৰ 'কৰ্ষণ' প্ৰকাশৰ যো-জা কৰা হৈছে।

শিক্ষানুষ্ঠানৰ মুখপত্ৰখনি ছাত্ৰ-ছাত্ৰীসকলৰ দাপোণস্বৰূপ, যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশ হোৱাৰ লগতে অনুষ্ঠানটিৰ লক্ষ্য আৰু আদৰ্শ প্ৰতিফলিত হয়।

মই আশা কৰিছোঁ, ছাত্ৰ-ছাত্ৰীসকলৰ উন্নতমানৰ লিখনিয়ে পঢ়ুৱৈ সমাজক উপকৃত কৰাৰ লগতে অসমীয়া ভাষা-সাহিত্যলৈ অনবদ্য বৰঙণি আগবঢ়াব। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বিষয়ত আলোকপাত কৰি নতুন প্ৰজন্মক সঠিক পথত আগবাঢ়িবলৈ অনুপ্ৰেৰণা দিয়ক— তাৰেই কামনা কৰিলোঁ।

মুখপত্ৰখনৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিলোঁ।

(অধ্যাপক প্ৰতাপজ্যোতি হান্দিকৈ)
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

তাৰিখ ঃ ৫-১-২১

**Address** : Gopinath Bardoloi Nagar
Jalukbari, Guwahati -781014
Assam : India

Phone : 03612570412

Web : www. gauhati.ac.in



# অধ্যক্ষৰ একলম

> বহু মানৱীয় প্ৰমূল্যৰ এতিয়া পৰিৱৰ্তন ঘটিছে। গোটেই পৃথিৱীখনেই এতিয়া বজাৰ। এই বজাৰেই এতিয়া বহু পৰিমাণে নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণ কৰিছে দেশৰ শাসনতন্ত্ৰ আৰু সমাজব্যৱস্থা।

এতিয়া দুৰ্যোগৰ সময়। সমগ্ৰ বিশ্বজুৰি চলা ক'ৰোনা মহামাৰিৰ ত্ৰাস আৰু প্ৰভাৱত সমগ্ৰ মানৱ জাতি আজি দুৰ্যোগগ্ৰস্ত। আমাৰ দেশ তথা ৰাজ্য অসম ইয়াৰ ব্যতিক্ৰম নহয়। আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে অৰ্থনীতিৰ অসংঘবদ্ধ খণ্ড (Unorganized sector) আৰু শিক্ষাখণ্ড (Education sector) এই ক্ষতিৰ জোৰা-টাপলি মাৰিবলৈ বিভিন্ন প্ৰকাৰে চেষ্টা চলোৱা হৈছে যদিও যিখিনি ক্ষতি হ'ল সেইখিনিৰ কোনোকালে সম্পূৰ্ণ ক্ষতিপূৰণ সম্ভৱ নহয়। এতিয়াও ক'ৰোনা মহামাৰিৰ প্ৰকোপ কমা নাই আৰু দেশৰ অৰ্থনীতি আৰু মানুহৰ মনৰ শংকা দূৰ হোৱা নাই। এনে পৰিপ্ৰেক্ষিতত শিক্ষা, স্বাস্থ্য আৰু বহু গুৰুত্বপূৰ্ণ ক্ষেত্ৰত বহু কথা অপৰিষ্কাৰ আৰু অনিশ্চিত হৈয়ে আছে। শিক্ষাক্ষেত্ৰত Online ব্যৱস্থাৰ জৰিয়তে কিছুমান পৰীক্ষা চলি আছে। Online vs offline শিক্ষাৰ সম্পৰীক্ষাত বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল অৱধাৰিতভাৱে practical ৰ subject ৰ নিচিনা ব্যৱহাৰ হৈছে। উপায় নাই। এয়া যে সমগ্ৰ বিশ্ব তথা দেশৰ দুৰ্যোগৰ সময়। কিন্তু এইটো নিশ্চয় পৰৱৰ্তী যুগত এই দুঃসময়ৰ ইতিহাসত লিখিত হ'ব যে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে খাটিখোৱা মানুহখিনি আৰু আমাৰ দেশ আৰু জাতিৰ ভৱিষ্যৎ ছাত্ৰ-ছাত্ৰীসকল। একাংশ ছাত্ৰ-ছাত্ৰীয়ে যোৱা প্ৰায় দুবছৰ ধৰি স্কুল নোযোৱাকৈ 'অ, আ' নিলিখাকৈ-নিশিকাকৈয়ে ওপৰৰ শ্ৰেণীলৈ উন্নীত হৈছে। মহাবিদ্যালয়ৰ এক গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়লৈ নোযোৱাকৈয়ে Online পদ্ধতিৰেই ক্লাছকেইটামান কৰি আৰু পৰীক্ষা দি ওপৰৰ শ্ৰেণীলৈ উন্নীত হৈছে। এইটো কথা প্ৰতিপন্ন হৈছে যে Online শিক্ষাব্যৱস্থা offline শিক্ষা ব্যৱস্থাৰ alternative হ'ব নোৱাৰে। এতিয়া Online আৰু offline ৰ blended ব্যৱস্থা চলি আছে যদিও offline ৰ নিচিনা ফলপ্ৰসূ হোৱা নাই।

গতিকে আমাৰ দেশৰ কথা নক'লোঁৱেই বা আমাৰ ৰাজ্যৰ হাজাৰ হাজাৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী নিজৰ ভৰিত থিয় হোৱাৰ, প্ৰকৃত মানুহ হোৱাৰ শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হ'ল ক'ৰোনা মহামাৰিৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা শিক্ষাখণ্ডৰ সংকটৰ বাবে, এইচাম ছাত্ৰ-ছাত্ৰী গ্ৰন্থ অধ্যয়ন তথা সংস্কৃতিৰ পৰা বিচ্ছেদিত হ'ব লগা হ'ল। এনে য় আমাৰ

অসমীয়া সমাজত এতিয়া গ্ৰন্থ-সংস্কৃতি নাই বুলিয়ে ক'ব পাৰি; যিখিনি আছিল তাকো ক'ৰোনা মহামাৰিৰ প্ৰকোপে প্ৰায় নোহোৱা কৰিলে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সহজলভ্য ধনৰ নিচিনাকৈ সহজলভ্য 'জ্ঞান'ৰ জৰিয়তে পৰীক্ষাৰ ডেওনা পাৰ হোৱাতহে গুৰুত্ব দিয়া যেন লাগিছে। এনেধৰণৰ ব্যৱস্থা আৰু চিন্তা-চৰ্চা যদি বেছি দিনলৈ চলিবলৈ হয়, আমাৰ জাতিটোৰ বাবে বিপদজনক কথা হ'ব। এইটো কথা স্পষ্টভাৱে প্ৰতিপন্ন হৈছে যে কিতাপ নপঢ়া জাতি এটা নিজৰ মেৰুদণ্ড পোন কৰি বেছি দিনলৈ থিয় হৈ থাকিব নোৱাৰে। নিজস্ব চিন্তা-চৰ্চা (Original thinking) আমাক লাগিবই। আনৰ ধাৰ কৰা পিঠাৰে আমি সদায় বিহু পাতিব নোৱাৰে।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বেছি পঢ়া-শুনা নকৰে, গভীৰ অধ্যয়ন (Serious reading) তেওঁলোকৰ নাই। কথাখিনি বোধহয় সঁচা। ছাত্ৰ-ছাত্ৰীক দোষাৰোপ কৰাৰ আগতে নিজৰ গাতো টুকুৰিয়াই চোৱা উচিত আমিনো তেওঁলোকক কি পথ দেখুৱাইছোঁ। আমি গ্ৰন্থমেলালৈ নে বাণিজ্যমেলালৈ গৈ বেছি সন্তুষ্টি লাভ কৰোঁ? আমি গ্ৰন্থাগাৰলৈ নে আড্ডালৈ বেছি যাওঁ? ছাত্ৰ-ছাত্ৰীয়ে কাক বেছি অনুকৰণ কৰে— পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীক নে অইন কাৰোবাক? কথাবোৰ ভাবি চাবৰ হ'ল।

বহু মানবীয় প্ৰমূল্যৰ এতিয়া পৰিবৰ্তন ঘটিছে। গোটেই পৃথিৱীখনেই এতিয়া বজাৰ। এই বজাৰেই এতিয়া বহু পৰিমাণে নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণ কৰিছে দেশৰ শাসনতন্ত্ৰ আৰু সমাজ-ব্যৱস্থা। বজাৰৰ ধামখুমীয়াত যদি আমাৰ ছাত্ৰ-ছাত্ৰীৰ নিজস্ব চিন্তাৰ গজালি নেমেলে আমাৰ জাতীয় অস্তিত্ব অচিৰেই বিপন্ন হ'ব। পৰিবৰ্তন অৱশ্যম্ভাৱী। সংস্কৃতিত পৰিবৰ্তন আৰু পৰিবৰ্ধন থাকিবই। নহ'লে কোনো জাতিৰ ভৱিষ্যৎ নাই। সেইবুলি পৰিবৰ্তনৰ নামত নিজৰ জাতিৰ সকলো সাংস্কৃতিক প্ৰমূল্য বাদ দিলে জাতি হিচাপে নিজস্ব চিন-মোকাম একেবাৰে নোহোৱা হৈ যাব। এইবোৰ কথা আমাৰ ছাত্ৰ-ছাত্ৰীসকলে গমি-পিটি চাবৰ হ'ল। আনে দিয়া ৰঙীন চছমা আঁতৰাই বাস্তৱৰ মুখামুখি হ'বৰ হ'ল।

প্ৰকৃত শিক্ষাৰ উদ্দেশ্য বা লক্ষ্য ছাত্ৰ-ছাত্ৰীক চিন্তা কৰিবলৈ শিকোৱা। এনে শিক্ষা পালেহে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বুজি পাব তেওঁলোকৰ বা দেশৰ সমস্যানো কি আৰু এই সমস্যা সমাধানৰ সূত্ৰ কি? বোধহয় বৰ্তমান প্ৰচলিত আমাৰ শিক্ষা-ব্যৱস্থাত এনে ধৰণৰ শিক্ষাৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত। নতুন শিক্ষানীতি ২০২০ য়ে এক আশাৰ বতৰা কঢ়িয়াই লৈ আনিছে আমাৰ দেশৰ শিক্ষাখণ্ডলৈ যিয়ে প্ৰকৃত মানৱ সম্পদ সৃষ্টিৰ জৰিয়তে দেশ আৰু স্বজাতিৰ শান্তি আৰু প্ৰগতিত অভূতপূৰ্ব অৰিহণা যোগোৱাৰ লগতে সমগ্ৰ মানৱ জাতিৰ বাবে ভাতৃত্বমূলক আদৰ্শ দাঙি ধৰিব—বসুধৈৱ কুটুম্বকম্।

ড° নৃপেন চন্দ্ৰ দাস

কৰ্ষণ



# তত্ত্বাৱধায়কৰ একাষাৰ

বিদ্যালয় বা মহাবিদ্যালয়ৰ আলোচনীখন হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সুপ্ত বৌদ্ধিক প্ৰতিভাসমূহ প্ৰতিফলিত কৰা এখন দাপোণস্বৰূপ,যত তেওঁলোকৰ বিভিন্ন সাহিত্যকৃতিৰ প্ৰকাশ ঘটে। শিক্ষানুষ্ঠানত পাঠ্যপুথিৰ জ্ঞানৰ লগতে অন্যান্য বিষয়ৰ পুথি অধ্যয়নৰ যি জিজ্ঞাসা ছাত্ৰ- ছাত্ৰীৰ মাজত দেখা যায় তাক বৃদ্ধি কৰাৰ আঁৰত আলোচনীখনৰ যথেষ্ট ভূমিকা থাকে। কাৰণ বহুক্ষেত্ৰত বহিৰ্মুখী ব্যক্তিত্বৰ উপৰি মহাবিদ্যালয়ত কিছু অন্তৰ্মুখী ব্যক্তিত্বৰ ছাত্ৰ ছাত্ৰী দেখা পোৱা যায়। তেওঁলোকে সাধাৰণতে মনৰ মাজত থকা কথাবোৰ বিভিন্ন লিখনিৰ জৰিয়তে প্ৰকাশ কৰিব বিচাৰে। এইক্ষেত্ৰত আলোচনীখনত যদিহে তেনে অন্তৰ্মুখী ছাত্ৰ ছাত্ৰীসকলৰ লিখাসমূহ প্ৰকাশ পাই তেনে ই পৰোক্ষভাৱে তেওঁলোকক সামাজিক হোৱাত সহায় কৰে।

ছাত্ৰ-ছাত্ৰীসকল হ'ল ভৱিষ্যৎ ভাৰতৰ স্বপ্ন ৰচোঁতা। তেওঁলোকৰ মনত ন ন ভাবনাৰ জোৱাৰ দেখা পোৱা যায়, যিবোৰ তেওঁলোকে বিভিন্ন মাধ্যমত প্ৰকাশ কৰিব বিচাৰে কিন্তু প্ৰায়ে এইক্ষেত্ৰত তেওঁলোকে সংকোচ কৰা দেখা যায়। মহাবিদ্যালয়ৰ আলোচনীখনে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাহিত্যৰ বহল পৃথিৱীখনত খোজ দিয়াৰ তেওঁলোকৰ যি প্ৰচেষ্টা সেয়া তেওঁলোকে অতি সহজে নিজৰ মহাবিদ্যালয়ৰ আলোচনীত আৰম্ভ কৰিব পাৰে। কোনো লেখা আলোচনীখনত প্ৰকাশ হোৱাৰ লগে লগে তেওঁলোকে আনন্দ পোৱাৰ লগতে মানসিকভাৱেও নিজৰ

লিখাসমূহ অন্য আলোচনী বা পুথিত প্ৰকাশ কৰাৰ মনোবল দৃঢ় হোৱাত ই সহায় কৰে। এইক্ষেত্ৰত তেওঁলোকৰ লিখাসমূহ চালি-জাৰি চাই শুদ্ধৰূপত প্ৰকাশ কৰিবলৈ দিহা পৰামৰ্শ দিবৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী তথা অভিজ্ঞ ব্যক্তিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। যাৰ বাবে অন্যান্য আলোচনীতকৈ বিদ্যালয় তথা মহাবিদ্যালয়ৰ আলোচনী তত্বাৱধায়কৰ দায়িত্বও কিছু ক্ষেত্ৰত অধিক গুৰুত্বপূৰ্ণ। এই গুৰুদায়িত্ব অতি বিশ্বাসেৰে মোক দিয়াৰ বাবে মহাবিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰী তথা শিক্ষকবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সমগ্ৰ বিশ্বতে covid19 অতিমাৰি হৈ থকাৰ পৰিস্থিতিত মহাবিদ্যালয়খনৰ আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত কিছু অসুবিধৰো সন্মুখীন হৈছিলোঁ যদিও সকলোৰে সহযোগিতা আৰু ইলেকট্ৰনিক মাধ্যমৰ সুবিধাতে সেই কাৰ্য যথাসাধ্য সুকলমে সমাপ্ত কৰিব পৰা হল। এইক্ষেত্ৰত ছাত্ৰ একতা সভাৰ সমূহ সদস্য আৰু বিশেষকৈ সাধাৰণ সম্পাদক আৰু আলোচনী শাখাৰ সম্পাদিকাই মোক বিভিন্ন ক্ষেত্ৰত সহায় কৰিছিল। ২০১৯-২০ বৰ্ষত ড° বি কে বি মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত কবিতা, গল্প আৰু প্ৰবন্ধৰ এখন অনলাইন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এইক্ষেত্ৰত আমি বিচৰা ধৰণেই অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল আৰু বিচাৰকমণ্ডলীয়ে সুবিবেচনাৰে প্ৰতিযোগীসকলৰ বিভিন্ন লেখাসমূহ বিচাৰ কৰি স্থান দিছিল। বহুক্ষেত্ৰত আগৰ তুলনাত শিক্ষা-ব্যৱস্থাত বিষয়বস্তুৰ পৰিসৰ বৃদ্ধি পোৱাৰ লগে লগে ছাত্ৰ- ছাত্ৰীৰ মাজত বাহিৰা পুথি অধ্যয়নৰ সংখ্যা কম হৈছে বুলি ভবা হয় যদিও অতিমাৰিৰ এই সময়ছোৱাত অনলাইনত বহু ধৰণৰ লেখা পঢ়িবলৈ পোৱা বা নব প্ৰজন্মৰ দ্বাৰা ই-আলোচনী প্ৰকাশ কৰাৰ সংখ্যা একেবাৰে নগণ্য নাছিল। ই সাহিত্যৰ বৃহৎ ক্ষেত্ৰখনলৈ আশাৰ সঞ্চাৰ কৰাৰ লগতে এক ইতিবাচক দিশ হিচাপে পৰিলক্ষিত হৈছে।

কোনো আলোচনীৰ তত্বাৱধায়ক হিচাপে মই যথেষ্ট অভিজ্ঞ নহয় যদিও পাৰ্যমানে ছাত্ৰ- ছাত্ৰীসকলৰ ভুল- ত্ৰুটিবোৰ শুদ্ধ কৰি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছোঁ। তথাপি যদি অজানিতে কিবা ভুল-ভ্ৰান্তি ঘটিছে তেন্তে সকলোৰে ওচৰত মই ক্ষমাপ্ৰাৰ্থী। মহাবিদ্যালয়ৰ জয়যাত্ৰাৰ শুভকামনাৰে——

ড° অবিনাশ ভৰালী

# সম্পাদকীয় কলম



জয় জয়তে মই যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ কষ্ট, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ে জন্ম লাভ কৰিছিল, সেইসকল ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ আৰু আমাক শিক্ষাদান কৰাৰ লগতে বাহিৰা দিশত আগবঢ়াই নিয়াত সহায় কৰা শিক্ষাগুৰুলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

'মই সুপ্ত শীতল গ্ৰহ হোৱাতকৈ এটা উজ্জ্বল উল্কা হ'ম
আৰু সেই উল্কাৰ প্ৰতিটো কণা দীপ্ত হৈ থাকিব।
মই কেৱল বাচি থাকিবলৈ সময় নষ্ট নকৰোঁ
সেইখিনি সময় মই কামত লগাম
মই হ'ম এক লাভ, লোকচান নহওঁ
মই হ'ম।' — ড° ভবেন্দ্ৰ নাথ শইকীয়া

এনেধৰণৰ চিন্তাবোৰৰ আঁত ধৰিয়ে আলোচনীখনৰ প্ৰতিখিলা পাত সোণালী কৰি তুলিবলৈ মানস কৰা হৈছে। আমি জানো, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিটো লেখাতেই আহে অপৈণত হাতৰ পৰশ। আমাৰ ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভবিষ্যতৰ আপুৰুগীয়া সম্পদ। কেৱল পাঠ্যপুথিৰ মাজতেই সীমাবদ্ধ হৈ নাথাকি সাহিত্যৰ দাপোণৰ পিনেও দৃষ্টি নিক্ষেপ কৰিব লাগিব। এখন আলোচনীৰ জৰিয়তে ভবিষ্যতে একোজন লিখক, বিশিষ্ট সাহিত্যিকৰ জন্ম হ'ব পাৰে।

নব নব চিন্তাধাৰাৰে মহাবিদ্যালয়ৰ আলোচনীখন পৰ্যায়ক্ৰমে বৰ্তমানৰ অৱস্থাত উপনীত হৈছেহি। মহাবিদ্যালয়ৰ 'কৰ্ষণ' আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিকশিত কৰা আৰু জাগ্ৰত প্ৰতিভাক বিকশিত কৰাৰ এক মাধ্যম হিচাপে জনা যায়। কিছু নতুন সংযোজনেৰে পূৰ্বৰ বিষয়সমূহৰ লগত সংগতি ৰাখি আলোচনীখন প্ৰকাশ কৰিব বিচাৰিছোঁ। জাতি-ধৰ্ম, বৰ্ণ-নিৰ্বিশেষে উজ্জীৱিত হৈ থকা ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়খন কেৱল শৈক্ষিক দিশতে নহয়, সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি সকলো দিশতে আগবঢ়া, আলোচনীৰ অন্তৰ্ভাগত সেইসমূহ উল্লেখ কৰি দেখুওৱা হৈছে।

মই মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদিকাৰূপে শপত গ্ৰহণ

কৰাৰ পিছৰ পৰাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশটোৰ লগতে সাহিত্যৰ দিশত কেনেদৰে তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ জাগ্ৰত কৰিব পাৰে, তাৰ বাবে প্ৰচেষ্টা চলাওঁ। সেই গতিকে মহাবিদ্যালয়ৰ ২০১৯-২০ সপ্তাহ সমাৰোহত সাহিত্যৰ লগত জড়িত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা যেনে— প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা, গল্প, কবিতা, প্ৰবন্ধ ইত্যাদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰি মই সকলো দিশত সাফল্য হৈছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বহুখিনি সহায়-সহযোগিতা লাভ কৰিছিলোঁ। কিন্তু দুৰ্ভাগ্যবশতঃ আমাৰ ২০১৯-২০ বৰ্ষৰ সপ্তাহ সমাৰোহৰ পিছতেই গোটেই দেশতেই লকডাউনৰ ঘোষণা কৰে। সেইবাবে মহাবিদ্যালয় আমি কোনো আনুষ্ঠানিক কাৰ্যসূচী হাতত ল'ব পৰা নাছিলোঁ। কিন্তু লকডাউনৰ সময়ছোৱাতে সাহিত্য বিভাগৰ পৰা সমূহ ছাত্ৰ একতা সভাৰ সদস্যসকলৰ সহযোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ মাজত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন মাধ্যমত প্ৰবন্ধ, গল্প, কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এইক্ষেত্ৰত বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি লাভ কৰোঁ। কৰণীয় বহুত আছিল কিন্তু সম্পূৰ্ণ কাৰ্যকালৰ সময়তে লকডাউনৰ প্ৰভাৱৰ বাবে ফলপ্ৰসূ ভালদৰে কৰিব নোৱাৰিলোঁ। কেৱল আলোচনী বিভাগৰ কৰ্মতে সীমাবদ্ধ নাথাকি ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত কৰা বিভিন্ন অনুষ্ঠান, মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ অনুষ্ঠান, মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ দ্বাৰা আয়োজিত কৰা কোনোধৰণৰ অনুষ্ঠানত সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। আলোচনী সম্পাদিকা হিচাপে এখন সৰ্বাংগসুন্দৰ আলোচনী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আগবঢ়াই দিয়াটো মোৰ দায়িত্ব। নজনাকৈ বৈ যোৱা ভুল-ক্ৰটিবোৰৰ মাজেৰে আপোনাসবৰ মাজলৈ ২০১৯-২০ বৰ্ষৰ আলোচনীখন আগবঢ়াইছোঁ। কিমানদূৰ সফল হৈছোঁ সেয়া আপোনাসবৰ বিচাৰ্য।

কৃতজ্ঞতাৰ একেষাৰ

সোণালী জয়ন্তী বৰ্ষ গৰকা ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ 'কৰ্ষণ' আলোচনীখন প্ৰকাশ কৰিবৰ বাবে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মোক আলোচনী সম্পাদিকাৰূপে নিৰ্বাচিত কৰাৰ বাবে আপোনাসবৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লোঁ। দায়িত্বভাৰ লোৱাৰ পৰা আলোচনীখন প্ৰকাশ হোৱালৈকে সকলো সময়তে মোৰ পথ প্ৰদৰ্শক পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক ড° অবিনাশ ভৰালী ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সকলো সময়ত সু দিহা-পৰামৰ্শৰে সহায় কৰা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুক আলোচনীৰ মাধ্যমেৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আলোচনীখনৰ বাবে শুভেচ্ছাবাণী প্ৰদান কৰি আমাক কৃতাৰ্থ কৰাসকলক।

ইয়াৰ উপৰি মোক বিভিন্ন সময়ত সু দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা কৰা কেইজনমান দাদা-বাইদেউৰ নাম উল্লেখ নকৰিলে হয়তো ভুল হ'ব। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সহঃ সাধাৰণ সম্পাদক ৰাজশেখৰ বৰা, প্ৰাক্তন সভাপতি পিংকুমনি বৰা, প্ৰাক্তন সাধাৰণ সম্পাদক সিদ্ধাৰ্থ শংকৰ দাস, প্ৰাক্তন সভাপতি নয়নজ্যোতি গায়ন, প্ৰাক্তন ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চিৰঞ্জিত মেধি আৰু প্ৰাক্তন ছাত্ৰ চন্দন দাস, ৰঞ্জিত ৰাজখোৱা আৰু প্ৰাক্তন ছাত্ৰী নাছিৰা খাতুন, প্ৰাক্তন সমাজসেৱা সম্পাদিকা কংকনা বৰা, প্ৰাক্তন তৰ্ক সম্পাদিকা ছেহনাজ বেগম। এইসকল দাদা-বাইদেউক এই আলোচনীৰ মাধ্যমেৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ মোৰ বন্ধুবৰ্গ, ছাত্ৰ একতা সভাৰ সমূহ সদস্যক; যিয়ে আলোচনীখন প্ৰকাশ কৰাত আৰু বিভিন্নধৰণৰ আলোকচিত্ৰ সংগ্ৰহৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে। শেষত আলোচনীখনৰ বাবে লিখনি আগবঢ়াই প্ৰেৰণা দিয়া সকলোকে অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

'মানুহ মাত্ৰেই ভুল'— সদৌ শেষত আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অজানিতে হোৱা ভুল-ক্ৰটিবোৰ ক্ষমা মাৰ্জনীয় কৰিব বুলি আশা ৰাখিছোঁ লগতে বিভিন্ন কামত সহায়ৰ হাত আগবঢ়োৱাসকলৰ নাম পৃথকে পৃথকে উল্লেখ কৰিব নোৱৰা বাবে ক্ষমা বিচাৰিছোঁ। মহাবিদ্যালয়ৰ উন্নতিৰ কামনাৰে মই মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয় আই অসম

**প্ৰিয়াংকী বৰুৱা**

আলোচনী সম্পাদিকা

# সূচীপত্ৰ




**প্ৰবন্ধ**

সপোন, সম্ভাৱনা আৰু সংশয় ▸ **ড° হিৰণ্য কুমাৰ নাথ** ১৭

পুৰণিগুদামৰ সাংস্কৃতিক ঐতিহ্য ▸ **ড° ভুপেন শইকীয়া** ২২

ভাৰতৰ আনুষ্ঠানিক শিক্ষা সম্পৰ্কে যৎকিঞ্চিত ▸ **বিপুল কুমাৰ ৰাভা** ২৪

নগাঁওৰ নাট্যকাৰ ৰূপৰাম শইকীয়াৰ জীৱন সংগ্ৰাম ▸ **জ্ঞানদীপ হাজৰিকা** ২৭

দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ জৈব-বৈচিত্ৰ্য ▸ **প্ৰিয়াংকী বৰুৱা** ৩০

মাজুলীৰ মুখা শিল্প ▸ **বিপ্ৰজিত হাজৰিকা** ৩৩

অৰণ্য মানৱ যাদৱ পায়েং ▸ **বিদিশা শৰ্মা** ৩৫

সমন্বয়ৰ উৎসৱ জোনবিল মেলা ▸ **হৰিপ্ৰিয়া হাজৰিকা** ৩৭

ঐতিহ্যমণ্ডিত কলিয়াবৰত স্থাপিত সত্ৰসমূহৰ চমু বিৱৰণ ▸ **ৰুমী গোস্বামী** ৪০

চম্পাৱতী জলপ্ৰপাত ▸ **হিমাদ্ৰী শইকীয়া** ৪৫

প্ৰতিবন্ধকতা ▸ **মানসী খাকলাৰী** ৪৭

**বিশেষ লেখা**

অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত মাতৃভাষাৰ প্ৰয়োজনীয়তা

▸ **চাজিনা ইয়াচমিন** ৪৮

▸ **লুনা ভূঞা** ৫২

▸ **লনী শইকীয়া** ৫৫

ক'ৰোনা মহামাৰি, অসমৰ অৰ্থনীতি আৰু ইয়াৰ পুনৰুদ্ধাৰ

▸ **বীথিকা দাস** ৫৯

▸ **সীমা বেজবৰুৱা** ৬২

▸ **অৰ্পণা কলিতা** ৬৬

**সাক্ষাৎকাৰ**

সাক্ষাৎকাৰ ঃ বেদান্ত বিকাশ বৰা ৬৮

সাক্ষাৎকাৰ ঃ দীপাৱলী কুৰ্মি ৭৪

Interview : Asmita Rekha Bora ৭৮


গল্প

জীৱন জিন্দাবাদ ▸ **খিজুমণি শইকীয়া** ৮২

জাৰজ ▸ **চিৰঞ্জিৎ মেধি** ৮৬

সেন্দুৰে আঁকা ছবি ▸ **চাজিনা ইয়াচমিন** ৮৯

হেপাঁহৰ ঘৰখন ▸ **লনী শইকীয়া** ৯১

মানৱীয়তা ▸ নয়নমণি গায়ন ৯৭
জীৱন অনুপম ▸ জেচমিন চুলতানা ৯৯
ব্যোম ▸ ত্ৰিদিপ বৰা ১০১
নিষ্ঠুৰ নিয়তি ▸ তনশ্ৰী বৰা ১০৩
মানৱীয়তা ▸ পংখীমণি শইকীয়া ১০৪
অভিজাত্যৰ প্ৰলেপ ▸ চাজিনা ইয়াচবিন ১০৬

## কবিতা



স্বপনজ্যোতি ওজা ▸ ১১০
আবু চাফিন ▸ ১১০
ৰিমা মুদৈ ▸ ১১১
ভাস্কৰজ্যোতি ভূঞা ▸ ১১১
নৱজ্যোতি ভূঞা ▸ ১১২
জিমলি কাকতি ▸ ১১২
মমতাজ বেগম ▸ ১১৩
মৃণ্ময়জ্যোতি বৰা ▸ ১১৩
কুঁৱলী বৰা ▸ ১১৪
ৰমজান আলী ▸ ১১৪
জবামণি বৰা ▸ ১১৫
ত্ৰিদিপ বৰা ▸ ১১৫
নিকিতা চক্ৰবৰ্তী ▸ ১১৬
সুৰজ নায়ক ▸ ১১৬
ৰীথিকা দাস ▸ ১১৭
স্নেহা দে ▸ ১১৮
প্ৰীতিৰেখা শইকীয়া ▸ ১১৮


## English

Mahi Chandra Miri : The Man behind Kaziranga
▸ **Dr. Ghanashyam Taid** ১২০
The New Farms Act 2020 and Farmer's Protest
▸ **Ajay Kumar Subba** ▸ ১২৩
Quiz ▸ **Pranab Biswas** ১২৮



ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৯-২০ বৰ্ষৰ সম্পাদকসকলৰ বাৰ্ষিক প্ৰতিবেদন ▸ ১২৯
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৯-২০ বৰ্ষ ▸ ১৪৩
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ সপ্তাহ সমাৰোহৰ ফলাফলসমূহ ▸ ১৪৪
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন কবিতা, গল্প আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফলসমূহ ▸ ১৪৮

# প্ৰবন্ধ
# আৰু
# সাক্ষাৎকাৰ






# সপোন, সম্ভাৱনা আৰু সংশয়

হিৰণ্য কুমাৰ নাথ

১৯৭০-৮০ৰ দশক। ঠেলামৰাৰ আকাশত মাজে-সময়ে ভাৰতীয় বিমান বাহিনীৰ বিমান উৰে। যাত্ৰীবাহী বিমানৰ সৈতে পাৰ্থক্য নাজানো। বয়স মোৰ দহ নে বাৰ। নলে-গলে লগা বন্ধু ফকৰুক এদিন তাৰে এখনলৈ আঙুলিয়াই ক'লোঁ— ডাঙৰ হ'লে বিমানত উঠি বিলাতলৈ যাম। ... আমাৰ ঘৰৰ ফটো এলবামত পৰিয়ালৰ ঘনিষ্ঠ শ্ৰদ্ধাৰ দুলাল শৰ্মাৰ লণ্ডনত বিলাতী বন্ধুৰ সৈতে এজাক পাৰৰ মাজত উঠা ৰঙীন ছবি এখন আছিল। তেখেতে বিলাতত পঢ়ি অসমলৈ ঘূৰি অহাৰ কিছুদিন পাছত মঙলদৈৰ আমাৰ ঘাইঘৰত তেখেতক লগ পাইছিলোঁ। ক'ব নোৱাৰাকৈয়ে এই দুখন ছবিয়ে এখন দ্বিমাত্ৰিক আৰু আনখন ত্ৰিমাত্ৰিক মনৰ গহনত মচিব নোৱৰা ছাপ পেলাইছিল।

মঙলদৈৰ সমীপৱৰ্তী বৰনগাঁৱত মোৰ জন্ম যদিও দেউতাৰ চাকৰিসূত্ৰে আমাৰ পৰিয়ালটোৱে ১৯৭৪ ৰ পৰা ১৯৮৫ চনলৈ প্ৰায় এঘাৰ বছৰকাল বৰ্তমান শোণিতপুৰ জিলাৰ ঠেলামৰাত কটায়। দেউতাৰ অফিচ কোঠাৰ লগতে দুটা কোঠাৰ চৰকাৰী ঘৰ এটাত মা-দেউতা, ভাইটি আৰু ভণ্টিৰে মোৰ শৈশৱ আৰু কৈশোৰ অতিবাহিত হয়। মই ষষ্ঠ শ্ৰেণীত পঢ়ালৈকে আমাৰ ঘৰত বিজুলী বাতি নাছিল। ঠেলামৰাতেই মই পঢ়াশলীয়া শিক্ষা গ্ৰহণ কৰোঁ।

ঠেলামৰাত কিতাপৰ দোকান নাছিল। চৰকাৰী কামত দেউতা তেজপুৰলৈ গ'লে কিতাপ আনিবলৈ খাতিছিলোঁ। কোনোবাদিনা কিতাপৰ দোকানলৈ গৈ বাছি-বিচাৰি কিতাপ অনাৰ সময় নেপাইছিল। দেউতাৰ দুই-এজন ডেকা সহকৰ্মীক কুটৰিছিলোঁ। মঙলদৈৰ পৰা মামা-খুৰাহঁত আহিলে উভতি যাবৰ সময়ত কিবা কিনি খাবলৈ দি যোৱা এটকা-দুটকা অথবা সঞ্চয় পাত্ৰত গোটাই থোৱা খুচুৰা পইচাবোৰ একগোট কৰি কিতাপ আনি দিবৰ কাৰণে পইচা দিছিলোঁ। পাছলৈ সাঁচতীয়া পইচাৰে অসম প্ৰকাশন পৰিষদৰ পৰা ডাকযোগে অৰ্ডাৰ কৰি বহু কিতাপ কিনোঁ। এতিয়া বৃত্তিগতভাৱে কিতাপ পঢ়াটো এটা আৰ্জিত প্ৰবৃত্তি (second natur) যদিও তাহানিৰ আগ্ৰহটো জানিবা অধিক তীব্ৰতৰ আছিল।

বিভিন্ন ভাষা, ধৰ্ম আৰু জনগোষ্ঠীৰ লোকে বসবাস কৰা ঠেলামৰা আৰ্থ-সামাজিক দিশত পিছপৰা আছিল। আমি পঢ়াকালত স্কুলৰ আন্তঃগাঁথনি আছিল শোচনীয় আৰু প্ৰয়োজন অনুসাৰে শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা তাকৰ। মই ওপৰৰ শ্ৰেণী নোপোৱালৈকে উচ্চ ইংৰাজী খণ্ডৰ প্ৰাদেশিকৰণো হোৱা নাছিল।

কিতাপ-আলোচনী পঢ়াৰ অপৰিসীম আগ্ৰহ তেতিয়া। যোগাযোগ আজিৰ দৰে সুচল নাছিল বাবে সঘনে নতুন সমল নাপাওঁ। আবেলি গুৱাহাটীৰ পৰা তেজপুৰলৈ উলটি অহা চৰকাৰী বাছখনৰ খিৰিকীৰে জয়মোহন সেনৰ দোকানৰ সমুখত দলিয়াই থৈ যোৱা দৈনিক অসমৰ একপি সন্ধিয়া আমাৰ ঘৰলৈ আহে। প্ৰতিটো খবৰ সমান গুৰুত্বৰে পঢ়োঁ। সেই অভ্যাসটো দিল্লীত থকালৈকে আছিল। বাতৰিবোৰৰ উপৰি কাকতখন পঢ়ি ভাষাৰ শুদ্ধ ৰূপটো শিকিব পাৰি বুলি বিশ্বাস কৰিছিলোঁ। আমাৰ স্কুলৰ পুথিভঁৰালত ১৭০ খন মান কিতাপ আছিল। তাৰ প্ৰায় এক চতুৰ্থাংশেই ভাস্কৰ ছিৰিজৰ কিতাপ। ড° হীৰেন গোহাঁইৰ সাহিত্য আৰু চেতনাৰ লেখীয়া কঠিন বিষয়বস্তুৰ কিতাপো আছিল দুই এখন। পঢ়াৰ তাড়নাত স্কুলৰ তলৰ শ্ৰেণীতেই সেয়াও পঢ়িছিলোঁ।

ঠেলামৰাত কিতাপৰ দোকান নাছিল। চৰকাৰী কামত দেউতা তেজপুৰলৈ গ'লে কিতাপ আনিবলৈ খাটিছিলোঁ। কোনোবাদিনা কিতাপৰ দোকানলৈ গৈ বাচি-বিচাৰি কিতাপ অনাৰ সময় নাপাইছিল। দেউতাৰ দুই-এজন ডেকা সহকৰ্মীক কুটুৰিছিলোঁ। মঙলদৈৰ পৰা মামা-খুৰাহঁত আহিলে উভতি যাবৰ সময়ত কিবা কিনি খাবলৈ দি যোৱা এটকা-দুটকা অথবা সঞ্চয় পাত্ৰত গোটাই থোৱা খুচুৰা পইচাবোৰ একগোট কৰি কিতাপ আনি দিবৰ কাৰণে পইচা দিছিলোঁ। পাছলৈ সাঁচতীয়া পইচাৰে অসম প্ৰকাশন পৰিষদৰ পৰা ডাকযোগে অৰ্ডাৰ কৰি বহু কিতাপ কিনো। এতিয়া বৃত্তিগতভাৱে কিতাপ পঢ়াটো এটা আৰ্জিত প্ৰবৃত্তি (second natur) যদিও তাহানিৰ আগ্ৰহটো জানিবা অধিক তীব্ৰতৰ আছিল।

ঠেলামৰাত বৃহৎসংখ্যক বাংলাভাষী লোক আছিল। আমাক দৈনিক অসম দিয়া দোকানখনে বাংলা ভাষাৰ দুই-এখন আলোচনীও আনিছিল। অসমীয়া ভাষাত পঢ়িবলৈ নতুন সমল নাথাকিলে সেই আলোচনীবোৰো মাজে-সময়ে পঢ়িবলৈ চেষ্টা কৰোঁ। পঢ়িব পাৰোঁ, সম্পূৰ্ণকৈ বুজি নাপাওঁ। প্ৰান্তিক প্ৰকাশ হোৱাৰে পৰা সেই দোকানখনে প্ৰান্তিকো আনি দিছিল। এসময়ত গেলামালৰ দোকানৰ পৰা দাইল, চেনি ভৰাই অনা পুৰণি বাতৰি কাকতৰ ঠোঙাবোৰ ফালি বহলকৈ মেলি লৈ তাত থকা বাতৰি, প্ৰবন্ধবোৰো পঢ়িছিলোঁ। নামমাত্ৰ মাচুল দি ডাকযোগে অৰ্ডাৰ কৰি আনি পঢ়া দুখন আলোচনী আছিল— ছোভিয়েট দেশ আৰু নামটো পাহৰিছোঁ। খ্ৰীষ্টিয়ানধৰ্মী কোনো সংগঠনে প্ৰকাশ আৰু প্ৰচাৰ কৰা, প্ৰধানকৈ খ্ৰীষ্টিয়ান ধৰ্মৰ কাহিনী থকা এখন মাহেকীয়া পুস্তিকা। সুন্দৰ ছপা আৰু ছবিৰ ছোভিয়েট দেশৰ গল্প-প্ৰবন্ধবোৰে ৰাছিয়াৰ সাহিত্য আৰু লেনিনগ্ৰাফ ছেইণ্ট পিটাৰ্ছবাৰ্গ, ভলাডিভষ্টক, ৰিগা ইত্যাদি ঠাইৰ প্ৰতি আমাৰ মনত এক বুজাব নোৱৰা আকৰ্ষণৰ সৃষ্টি কৰিছিল। মনে মনে ভাবিছিলোঁ— যাব পৰা হ'লে।

বছৰেকত এবাৰ বা দুবাৰ মঙলদৈৰ ঘাইঘৰলৈ যোৱাটো আমাৰ পৰিয়ালৰ এটা পৰম্পৰা হৈ পৰিছিল। তেতিয়া নিজে দোকানলৈ গৈ কিতাপ কিনাৰ সুযোগ পাইছিলোঁ। সাত-আঠদিনৰ সেইবন্ধবোৰত এদিন ককাদেউতা বা বাইদেউ (ককাদেউতাৰ ছোৱালী)হঁতৰ লগত টাউনলৈ (মঙলদৈ চহৰলৈ) যোৱা আৰু কিতাপ কিনাটো আছিল অন্যতম কাৰ্যসূচী। চক্ৰৱৰ্তী ব্ৰাদাৰ্ছ আছিল মঙলদৈ চহৰৰ আটাইতকৈ ডাঙৰ কিতাপৰ দোকান। ককাদেউতা, দেউতা, মামা, খুৰাহঁতে দিয়া পইচাৰে কিতাপ কিনিছিলোঁ।

খোৱা-বোৱা, পিন্ধা-উৰা, থকা-মেলাৰ ক্ষেত্ৰত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব মা-দেউতাৰ। অপ্ৰয়োজনীয় বিলাসিতা আৰু ব্যয়বহুলতা পছন্দ নকৰিছিল। সীমিত উপাৰ্জনেৰে মাৰ্জিত ৰুচিৰ কাপোৰ-কানি কিনি দিছিল। সাধাৰণতে ভাইটি আৰু মোৰ কাৰণে একেধৰণৰ কাপোৰ কিনিছিল। ভৰিত পিন্ধিবলৈ চেণ্ডেল অথবা ফিটা মৰা চেণ্ডেল শ্বু। এবাৰ বোধহয় জোতা লাগে বুলি খাটনি ধৰাত কেনভাচৰ জোতা এযোৰ আনি দিছিল। মই মুঠেই সন্তুষ্ট নহ'লোঁ। স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে শুদা ভৰিৰে অথবা চেণ্ডেল পিন্ধিয়েই অহা-যোৱা কৰিছিল যদিও এজন ছাত্ৰই মাজে-সময়ে চামৰাৰ জোতা পিন্ধি আহিছিল। মোৰ মনৰ অসন্তুষ্টি আছিল তেনে জোতা পিন্ধিবলৈ নোপোৱাৰ। পিছে দেউতাক কেনেকৈ কওঁ? অৱশ্যে তেনে অসন্তুষ্টিৰ কোনো নেতিবাচক প্ৰভাৱ পঢ়া-শুনাত পৰা নাছিল।



১৯৫৮ চনত ঠেলামৰা হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত পঞ্চম স্থানত উত্তীৰ্ণ হওঁ। ভাল ফল আশা কৰিছিলোঁ যদিও প্ৰথম দহজনৰ ভিতৰত স্থান লাভ কৰাটো অপ্ৰত্যাশিত আছিল। পৰৱৰ্তী পৰ্যায়ত গুৱাহাটীৰ কটন কলেজত (বৰ্তমানৰ কটন বিশ্ববিদ্যালয়) পঢ়াৰ সিদ্ধান্ত হ'ল। ক'লো— কলা শাখাত পঢ়িম। গণিতত ৰাপ আছিল; সেয়ে গণিত থাকিব, লগতে পৰিসংখ্যা, অৰ্থনীতি আৰু তৰ্কশাস্ত্ৰ। ষ্টেণ্ড কৰা ল'ৰা, তাতে দুয়োখন গণিততে (সাধাৰণ আৰু উচ্চ) ৯৯ শতাংশতকৈ নম্বৰ পাই কলা শাখাত পঢ়িব? বহুতৰে প্ৰশ্ন— কিয়? সেই সময়ত দুই-এঠাইত সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা দিয়াৰ মন আছে বুলি কৈছিলোঁ। সেইটো শুনি বহুতে কলা শাখাত অধ্যয়ন কৰাৰ সিদ্ধান্তক যুক্তিযুক্ত বুলি মত পোষণ কৰিছিল।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱালৈকে জীৱনত মই মাত্ৰ দুবাৰ গুৱাহাটীলৈ গৈছিলোঁ। এবাৰ দেউতাৰ লগত চিৰিয়াখানা চাবলৈ আৰু আনবাৰ ককাদেউতাৰ লগত ৰাজ্যিক সংগ্ৰহালয় আৰু বিমানকোঠ চাবলৈ। জীৱনকালত কোনোদিন বিমানত নুঠিলেও বিমানৰ প্ৰতি ককাদেউতাৰ বৰ বিশেষ আকৰ্ষণ আছিল। মনে মনে বোধহয় আশা কৰিছিল— আমি ডাঙৰ হৈ বিমানত উঠি দেশ-বিদেশ ভ্ৰমণ কৰিম। ককাদেউতাৰ সেই প্ৰচ্ছন্ন ইচ্ছাই মোৰ সৰুকালিৰ সপোনতো সাৰপানী যোগাইছিল। সেই ককাদেউতাই কটনত মই নামভৰ্তি কৰাবলৈ যোৱাৰ আগেয়ে গুৱাহাটীৰ পাণবজাৰত থকা সেই ঐতিহ্যমণ্ডিত কলেজখনৰ এলেকাটো চিনাকি কৰি দিয়াৰ উদ্দেশ্যে মোক এদিন গুৱাহাটীলৈ লৈ গৈছিল। খোজ কাঢ়ি সেই বৃহৎ এলেকাটো পুংখানুপুংখ ৰূপে দেখুৱাইছিল। দুপৰীয়া সুৰদেৱী হোটেলত ভাত খুৱাইছিল। নামভৰ্তিৰ আগে আগে ককাদেউতাই মঙলদৈৰ ঢাকেশ্বৰী বস্ত্ৰালয়ৰপৰা এযোৰ কাপোৰ আৰু দিলীপ শ্বু ষ্টʼৰৰ পৰা মোৰ জীৱনৰ প্ৰথমযোৰ চামৰাৰ ক'লা জোতা কিনি দিছিল। তেনেকৈয়ে অৱশেষত চামৰাৰ জোতা পিন্ধাৰ মোৰ আশা পূৰণ হৈছিল।

কটন কলেজত নামভৰ্তি কৰাৰ পাছত মই মহেন্দ্ৰনাথ ডেকা ফুকন ছাত্ৰাবাসত থাকিবলৈ লওঁ। তেতিয়া অৱশ্যে আবাসটিৰ নাম আছিল— কটন দুমহলীয়া ছাত্ৰাবাস বা ডি এছ হোষ্টেল। আৰম্ভণিতে আবাসত থকা ছাত্ৰসকলৰ কিছুমান কৰ্ম-কাণ্ডই মনতে অংকন কৰি অনা কটনৰ ভাল ল'ৰাৰ ছবিখনত আউল লগালে। কিছুমানে নিয়মীয়াকৈ পঢ়া-শুনা নকৰে, কিছুমানে প্ৰায়ে ক্লাছলৈ নাযায়, কিছুমানে অলপ পঢ়িয়েই ভাল ফল দেখুৱায়, আন কিছুমানে আকৌ বহুত পঢ়িয়েই ভাল ফল নাপায়। অৱশ্যে সেই বিচিত্ৰ জীৱনশৈলীৰ সৈতে নিজকে খাপ খুৱাই ল'বলৈ বেছি সময় নালাগিল। অনতিপলমে আৱিষ্কাৰ কৰিলোঁ যে প্ৰত্যেকৰে পঢ়া-শুনাৰ পদ্ধতি ভিন্ন। যিদৰেই নপঢ়োঁ পাঠ্যক্ৰমৰ কথাবোৰ খৰচি মাৰি আয়ত্ত কৰাটো গুৰুত্বপূৰ্ণ। পঢ়াৰ ক্ষেত্ৰত শ্ৰেণীৰ বাহিৰত যিসকল শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় বিচাৰিছিলোঁ— সেইসকলে বিনা বাক্যব্যয়ে সহায় কৰিছিল। এদিন এটা হৃদয় চুই যোৱা ঘটনা ঘটিছিল। সিদিনা দেওবাৰ; আবেলি পৰত কোনোবা আবাসী হয়তো ওলাই গৈছে, আন কোনোবা শুইছে বা আড্ডা মাৰিছে। মই দুদিনমান আগতে লিখি চাবলৈ দিয়া কিবা এটা প্ৰশ্নৰ উত্তৰ পঢ়ি নিজৰ মন্তব্য দি উত্তৰৰ বহীখন ঘূৰাই দিবলৈ মোক বিচাৰি আবাসলৈ আহিছে— দৰ্শন শাস্ত্ৰৰ অধ্যাপক প্ৰয়াত অনিমেষ মেধি ছাৰ। শিক্ষকতা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ছাৰে দেখুওৱা দায়বদ্ধতাই মোৰ অন্তৰাত্মা চুই গৈছিল। নিজকে সৌভাগ্যবান বুলি ভাবোঁ। ক'ৰবাত যেন শিক্ষক হোৱাৰ বাসনা তীব্ৰতৰ হৈ পৰিছিল। মন কৰিবলগীয়া এই যে মই দিল্লী বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতেও অনুৰূপ ঘটনা এটা ঘটিছিল।

কটন কলেজত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ক্ষেত্ৰত অত্যন্ত প্ৰতিভাশালী কিছুমান ছাত্ৰ-ছাত্ৰী লগ পোৱাৰ সৌভাগ্য হৈছিল। এতিয়া পৃথিৱীৰ বিভিন্ন ঠাইৰ নামী-দামী শিক্ষানুষ্ঠানলৈ যোৱা আৰু সেইবোৰত সময় কটোৱাৰ পাছত মাজে মাজে ভাব হয় যেন ইমানবোৰ প্ৰতিভাৰ সমাহাৰ হোৱা দ্বিতীয়খন শিক্ষা প্ৰতিষ্ঠান ভাৰতবৰ্ষতেই নহয় সমগ্ৰ বিশ্বতেই নাই।

ছাত্ৰ জীৱনত মোক সমজুৱাভাৱে কথা কোৱাৰ ভয়ে (few of public speaking) পীড়া কৰিছিল। সেই ভয় অথবা সংকোচৰ কাৰণে শ্ৰেণীত শিক্ষকে প্ৰশ্ন সুধিলে জনা কথাবোৰো শুদ্ধকৈ বা সংগতি লগাই ক'ব পৰা নাছিলোঁ। কটন কলেজলৈ আহি মই শিক্ষাৰ মাধ্যম অসমীয়াৰ পৰা ইংৰাজীলৈ সলনি কৰিছিলোঁ। ইংৰাজী ভালকৈ লিখিব-পঢ়িব পাৰিছিলোঁ যদিও সলসলীয়াকৈ ক'ব নোৱৰাৰ কাৰণে শ্ৰেণীত বা বহু মানুহৰ সমুখত কথা কোৱাৰ সংকোচবোধ বাঢ়িছিল। দিল্লীলৈ

আহি সেয়া আৰু বাঢ়িছিল কাৰণ আন সকলোৱে ইংৰাজী অথবা হিন্দীত কথা পাতিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰলৈ আহি যেতিয়া দেখিলোঁ যে ইংৰাজী ভালকৈ ক'ব নোৱৰা অথবা নতুনকৈ ক'বলৈ শিকাসকলৰ কথাও ইয়াৰ মানুহে গুৰুত্ব সহকাৰে শুনি বুজিবলৈ চেষ্টা কৰে, তেতিয়া সেই সংকোচ লাহে লাহে আঁতৰিবলৈ আৰম্ভ কৰিলে। মযো উপলব্ধি কৰিলোঁ যে শিক্ষকতা কৰিবলৈ হ'লে সেই ভয়ৰ পৰা মুক্ত হ'ব লাগিব। ২০০০ চনত গৱেষণাৰ ছাত্ৰ হৈ থকা কালতে মোক যেতিয়া এটা শ্ৰেণী সম্পূৰ্ণ স্বতন্ত্ৰভাৱে পঢ়ুৱাবলৈ দিলে, মোৰ ওপৰত ন্যস্ত কৰা সেই দায়িত্ব আৰু বিশ্বাসে মোৰ মনলৈ নতুন আত্মবিশ্বাস আনিলে।

১৯৮৭ চনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ কলা শাখাত অসমৰ ভিতৰত প্ৰথম হৈ মই উত্তীৰ্ণ হওঁ। পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পূৰ্বে মোৰ অগ্ৰজ সুৰেশ নাথ (বৰ্তমান কটন বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ সহযোগী অধ্যাপক) আৰু প্ৰয়াত দিলীপ নাথৰ সৈতে দিল্লীলৈ যাওঁ। উদ্দেশ্য ঠাই চোৱা আৰু পৰীক্ষাৰ ফলাফল যদি সময়মতে ঘোষণা কৰে তেনেহ'লে দিল্লী বিশ্ববিদ্যালয়ৰ কলেজসমূহত নাম ভৰ্তিৰ চেষ্টা কৰা। সেয়া আছিল মোৰ জীৱনৰ প্ৰথম ৰেলযাত্ৰা। দূৰ সম্পৰ্কীয় দাদা এজনৰ সহায়ত আমি ৰেল ষ্টেচনৰ পৰা পোনেই দিল্লী বিশ্ববিদ্যালয়লৈ গৈ তাত সেই সময়ত পঢ়ি থকা অসমৰ ছাত্ৰ কেইগৰাকীমানক লগ পাওঁ। তেওঁলোকৰ আগ্ৰহ আৰু পৰামৰ্শমতেই ফলাফল নোহোৱাকৈয়ে আবেদন প্ৰ-পত্ৰ জমা দিওঁ। সৌভাগ্যক্ৰমে নামভৰ্তিৰ প্ৰথম তালিকা ঘোষণা কৰাৰ এদিন পাছতেই অসমত আমাৰ পৰীক্ষাৰ ফলাফল ওলায়। এজন বন্ধুৰ দেউতাকে মোৰ নম্বৰৰ তালিকাখন সেইদিনাৰ বিমান যোগে দিল্লীৰ অসম ভৱনলৈ পঠিয়াই দিয়াৰ ব্যৱস্থা কৰে। শ্ৰীৰাম কলেজ অৱ কমাৰ্চৰ অৰ্থনীতিত সন্মানসহ স্নাতক পাঠ্যক্ৰমত মোৰ নামভৰ্তি হয়। কিছুদিন পাছৰে পৰা মই মহাবিদ্যালয়খনৰ ছাত্ৰাবাসত থাকিবলৈ লওঁ।

দিল্লীলৈ আহি পোনতে ভাষাৰ সমস্যাৰ সন্মুখীন হ'লোঁ। ইংৰাজী অথবা হিন্দী কোনোটো ভাষাই সলসলীয়াকৈ ক'ব নোৱাৰিছিলোঁ। টিভি আৰু চিনেমা চাই হিন্দী আৰু ইংৰাজী ভাষা ক'বলৈ শিকাৰ সুবিধাও নাছিল। ঠেলামৰাত থকালৈকে টিভি দেখাই নাছিলোঁ। সেই বয়সলৈ গণি গণি ছবিঘৰত তিনি বা চাৰিখন অসমীয়া ছবি, এবাৰ বাদৰ বয় বিড়ি কোম্পানীয়ে স্থানীয় সাপ্তাহিক বজাৰত বিজ্ঞাপনৰ কাৰণে আহি আমাৰ এল পি স্কুলৰ বাকৰিত নদিয়া দেখুওৱা সীতা ঔৰ গীতা আৰু হাইস্কুলত ভাড়া কৰি আনি ভিডিঅ' টেপত দেখুওৱা ৰিচাৰ্ড এটেনবৰ'ৰ গান্ধী ছবিৰ বাহিৰে আন ছবি দেখা নাছিলোঁ। কটনৰ আবাসত টিভি নাছিল। টিভিত খেল বা ছবি চাব খুজিলে আমাৰ কিছুমান আবাসীয়ে সেইসময়ৰ অধীক্ষক প্ৰিয়লাল পাঠক ছাৰৰ বাসভৱনলৈ গৈ চাইছিল। মই যোৱা নাছিলোঁ। খেলা-ধূলাত মোৰ বিশেষ ৰাপ নাছিল, আজিও নাই। কটনত থকা সময়ছোৱাত ছবিঘৰলৈ গৈ চোৱা ছবিৰ সংখ্যাও তেনেই নগণ্য। কাজেই টিভি-ছবি চাই কথিত হিন্দী অথবা ইংৰাজী শিকা হোৱা নাছিল।

শ্ৰীৰাম কলেজ হোষ্টেলত থাকিবলৈ লোৱাৰ কিছুদিন পাছতে এটা আমোদজনক ঘটনা ঘটিছিল। এদিন সন্ধিয়া হোষ্টেলৰ কৰিড'ৰেৰে আহি থাকোঁতে বিপৰীত দিশৰ পৰা আহি থকা মোৰ অগ্ৰজ আবাসী এজনে 'হাই' (Hi) বুলি মাত লগালে। তেতিয়ালৈকে মোৰ সেই শব্দটোৰ সৈতে পৰিচয় নাই। সম্ভাষণসূচক হেল্ল'ৰ সেইটো যে কথিত ৰূপ সেই কথা নাজানিছিলোঁ। হোষ্টেলত ৰেগিং চলি আছে। কিবা এটা উত্তৰ নিদিলেও বিপদ। অথচ ছাত্ৰজনে কি ক'লে মই বুজি পোৱা নাই। মই চুটি-চাপৰ কাৰণে বহুতে মোক মোৰ উচ্চতাৰ কথা সোধে। সেয়ে ভাবিলোঁ— মোৰ হাইট্ মানে উচ্চতাৰ কথা সুধিছে। কৈ দিলোঁ— ফাইভ্ ফীট্ থ্ৰী ইঞ্চিজ বুলি। ল'ৰাজনে ইতিমধ্যে মোক পাৰ হৈ আনটো দিশে গৈ আছিল। মোৰ উত্তৰটো শুনি ৰ'ল আৰু সুধিলে— হোৱাট্? মই দোহাৰিলোঁ— ফাইভ্ ফীট্ থ্ৰী ইঞ্চিজ। ল'ৰাজনে হো-হোৱাই হাঁহি তাতেই বহি পৰিল। পিছদিনা ক্লাছলৈ গৈ গম পালোঁ যে কাহিনীটো সমগ্ৰ কলেজতে ভাইৰেল হৈ গৈছে। মোক দেখি কেইজনমানে ফিচিঙা-ফিচিঙি কৰিছে। লাজ লাগিছিল, হীনমন্যতাত ভুগিছিলোঁ, কিন্তু তাৰ নেতিবাচক প্ৰভাৱ মোৰ পঢ়া-শুনা আৰু আনবোৰ দিশত পৰিবলৈ দিয়া নাছিলোঁ। পঢ়া-শুনা একাগ্ৰমনে কৰিছিলোঁ কাৰণে শিক্ষক-শিক্ষয়িত্ৰীসকলে আগ্ৰহ কৰিছিল। বিশেষকৈ আমাক পৰিসংখ্যা আৰু অৰ্থনৈতিক ব্যৱস্থা (Economic Systems) পঢ়ুওৱা পংকজ বুটালিয়াৰ (ভাৰতৰ এগৰাকী আগশাৰীৰ কথাছবি নিৰ্মাতা) শিক্ষণশৈলী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা দায়বদ্ধতাই আমাক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। তেখেতেই মোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ এদিন মোৰ হোষ্টেলৰ কোঠাত উপস্থিত হৈছিলহি।


কৈশোৰ-যৌৱনৰ দোমোজা-খোকোজাবোৰে যে আমনি কৰা নাছিল তেনে নহয়। আজি উভতি চালে ভাবোঁ যে পঢ়াশুনাৰ বাহিৰেও জীৱনত প্ৰয়োজনীয় কিছুমান শিক্ষা হৈছিল দিল্লীত থকা দিনবোৰত। সেই সময়ত এটা নতুন পৰিৱেশত সমস্যা, খোকোজাৰ সৃষ্টি হোৱাটো খুবেই স্বাভাৱিক। আজিকালিৰ দৰে ফোন-ইণ্টাৰনেটৰ জৰিয়তে যোগাযোগৰ সুচল ব্যৱস্থা নাছিল। সেয়ে দেউতা-মাক কিবা সুধিব লগা থাকিলে বা দূৰৈত থকা অভিজ্ঞ জ্যেষ্ঠজনৰ পৰা পৰামৰ্শ ল'ব লগা থাকিলে চিঠিৰেহে জনাব লাগিছিল। সেই চিঠিৰ উত্তৰ পাবলৈ বহু কিছুদিন বা সপ্তাহ, মাহ পৰ্যন্ত ৰ'ব লগা হৈছিল। কিছুমান কথাত সিমান দিন ৰোৱাৰ অৱকাশ নাছিল। সেয়ে নিজেই চিন্তা কৰি কিছুমান সিদ্ধান্ত ল'ব লগা হৈছিল। অৰ্থাৎ, স্বতন্ত্ৰভাৱে চিন্তা কৰিবলৈ শিকিছিলোঁ।

দিল্লী বিশ্ববিদ্যালয়ৰ মূল চৌহদৰ কলেজৰ আবাসবোৰৰ ভিতৰত আমাৰ আৱাসৰ মাহিলী খৰচ কিছু বেছি আছিল। তাহানিৰ দিনতে পাঁচ/চাৰে পাঁচশ টকা দিব লাগিছিল। জেপখৰচ মিলাই মাহে ন্যূনতম এহেজাৰ টকাৰ প্ৰয়োজন হৈছিল। প্ৰতিবছৰে পঢ়া-শুনাৰ মাচুলৰ বাবদ বাৰশমান দিব লগা হৈছিল। বুজিছিলোঁ ১৪/১৫ হেজাৰ টকাৰ সেই বছৰেকীয়া খৰচটো দেউতাৰ কাৰণে এটা বুজন অংক। সেয়ে শ্ৰীৰামত পঢ়ি থকা দিনৰে পৰা মই অংশকালিন কাম কৰিছিলোঁ। কলেজৰ চুইমিং পুলৰ তত্বাৱধায়কৰ কাম, ঘৰুৱা শিক্ষকতা, বিজ্ঞাপন এজেঞ্চীৰ কাম আৰু পাছলৈ আকাশবাণীৰ দিল্লী কেন্দ্ৰৰ পৰা অসমীয়া বাতৰি পঢ়িও অতিৰিক্ত আয় উপাৰ্জন কৰিছিলোঁ। প্ৰয়াত পৰাগ কুমাৰ দাসৰ সম্পাদনাত ওলোৱা বুধবাৰ কাকতত শিক্ষা আৰু বৃত্তি সম্পৰ্কে প্ৰবন্ধ লিখিও মাজে-সময়ে মাননি পাইছিলোঁ।

স্নাতক পৰীক্ষাত আশা কৰামতে ফলাফল হোৱা নাছিল। বিশেষকৈ তৃতীয় বৰ্ষৰ ফলাফলে মোক আচৰিত আৰু হতাশ কৰিছিল। কিন্তু আটাইতকৈ ডাঙৰ বিপৰ্যয়টো আহিল দিল্লী স্কুল অৱ ইক'নমিক্সত স্নাতকোত্তৰ পৰীক্ষাত ৫১ শতাংশ নম্বৰ পাই কথমপি দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাত। কলেজৰ শিক্ষক হোৱাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্ধাৰণ কৰি দিয়া ন্যূনতম অৰ্হতা আহৰণ কৰিব নোৱাৰিলোঁ। এটা সপোন যেন নিমিষতে খানবান হৈ গ'ল। দুই-এজনে অসংবেদনশীল মন্তব্য কৰিলে। বেংকৰ চাকৰি বিচৰাৰ পৰামৰ্শ দিলে। আন এজনে দক্ষিণ ভাৰতৰ কোনোবা এখন বিশ্ববিদ্যালয়ৰ পৰা ডাকযোগে স্নাতকোত্তৰ পাঠ্যক্ৰমটো পুনৰ সম্পূৰ্ণ কৰাৰ উপদেশ দিলে। নিজৰ আত্মবিশ্বাসত গৰাখহনীয়া আৰম্ভ হ'ল। আন বহুতে কৰাৰ দৰে বাতৰি কাকত, আলোচনীৰ জগতত চাকৰি বিচাৰিলোঁ। দেউতাই অৱশ্যে মোৰ ওপৰত থকা বিশ্বাস পুনৰ দোহাৰিলে। চিঠিত লিখিলে— উঠা-নমাবোৰ জীৱনৰ দৰকাৰী পৰিঘটনা।

কিছু খেলিমেলিৰ মাজতে মই দিল্লীৰ National Institute of Public Finance and Policy ত এটা অস্থায়ী চাকৰি পালোঁ। তাতে কাম কৰি থকা সময়তে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ অধ্যাপক অৰুনীন্দ্ৰ ভাটক লগ পাওঁ। তেখেতে মোৰ আতিগুৰি লৈ JNU ৰ গৱেষণা পাঠ্যক্ৰমৰ প্ৰৱেশিকা পৰীক্ষা দিয়াৰ বাবে উৎসাহিত কৰে। সেইমৰ্মে পৰীক্ষা আৰু সাক্ষাৎকাৰ দি ১৯৯৪ চনত অৰ্থনীতিৰ এম ফিল/পি এইচ ডি পাঠ্যক্ৰমত ভৰ্তি হওঁ। অধ্যাপক ভাটেই পাছত আমেৰিকা যুক্তৰাষ্ট্ৰলৈ অহাৰ পৰামৰ্শ দিয়ে। JNUত কটোৱা এম ফিলৰ দুবছৰ, পৰীক্ষাৰ ফলাফলত বিধ্বস্ত মোৰ শৈক্ষিক জীৱনৰ পুনৰ্সংস্থাপনৰ সময়। সংশয়বোৰ লাহে লাহে আঁতৰি গৈছিল; আত্মবিশ্বাস পুনৰ উভতি আহিছিল। ভাৰতত নহ'লেও পৃথিৱীৰ ক'ৰবাত শিক্ষকতা কৰিব পাৰিম বুলি বিশ্বাস হৈছিল। সেই সময়তে JNU ৰ আন্তৰ্ৰাষ্ট্ৰীয় বাণিজ্য বিভাগৰ অধ্যাপক অসমৰ আলোকেশ বৰুৱাই তেখেতৰ গৱেষণা প্ৰকল্পত কাম কৰিবলৈ সুবিধা দিয়াই নহয়, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্ববিদ্যালয়সমূহত আবেদন কৰাতো প্ৰভূত সহায় কৰিছিল। ১৯৯৬ চনত তিনিখন বিশ্ববিদ্যালয়ত নামভৰ্তিৰ কাৰণে বাছনিত উঠিছিলোঁ। ডালাছ চহৰত থকা চাউদাৰ্ন মেথ'ডিষ্ট ইউনিভাৰ্ছিটীয়ে সম্পূৰ্ণ খৰচ বহন কৰাৰ দায়িত্ব লৈছিল। সেইবছৰে আগষ্টৰ ১৯ তাৰিখে মই আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাটিত ভৰি দিছিলোঁহি।

■ *হিৰণ্য কুমাৰ নাথ আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছ প্ৰদেশৰ হাণ্টভিলত অৱস্থিত ছেম্ হিউষ্টন ষ্টেইট ইউনিভাৰ্ছিটীৰ অৰ্থনীতি বিভাগৰ অধ্যাপক*



পুৰণিগুদামৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ
বাপুজী পুথিভঁৰাল আৰু বাপুজী ভৱন

# পুৰণিগুদামৰ সাংস্কৃতিক ঐতিহ্য

ড° ভূপেন শইকীয়া

পঢ়াশলীয়া ভূগোলৰ পাঠ্যপুথিৰ 'কি ক'ত কিয় বিখ্যাত'ত পুৰণিগুদামৰ বিষয়ে এইযাৰ কথা লিখা আছিল— 'এখন ভদ্ৰ, সংস্কৃতিবান লোকৰ বাসস্থান।' পুৰণিগুদাম যে সাংস্কৃতিকতাৰ এক চহকী ঠাই এই কথাৰ পৰাই কিছু অনুমান কৰা সহজ। অৱশ্যে পুৰণিগুদাম নামটোহে অৰ্বাচীন। উনৈছ শতিকাৰ তৃতীয়টো দশকতহে ঠাইখন 'পুৰণিগুদাম' ৰূপে পৰিচিত হয়, যেতিয়া ব্ৰিটিছসকলে নগাঁও জিলাৰ প্ৰথম সদৰ স্থাপন কৰে আৰু দুবছৰৰ পিছতে ৰঙাগড়ালৈ তুলি লৈ যায়।

ঐতিহাসিকভাৱে বিভিন্ন ঠাইৰ পৰা আহি গাঁও পাতি বসবাস কৰাৰ ফলতেই পুৰণিগুদাম অঞ্চলটো গঢ় লৈ উঠিছিল। বিভিন্ন জাতি-ধৰ্ম-সম্প্ৰদায়ৰে গঠিত জনসমষ্টি ইয়াৰ প্ৰধান বৈশিষ্ট্য। ঠাইখনৰ মাজেৰে বৈ যোৱা কলং নদীখনে অঞ্চলটোক দুটা সাংস্কৃতিক বলয়ত বিভক্ত কৰিছে। কলঙৰ দক্ষিণ পূৱফালে থকা আলিবাটৰ কাষে কাষে হীৰা, কুমাৰ, সূতাৰ, সোণাৰি, চাংমাই, মৰিয়া, তেলিয়া আদি বৃত্তিয়ালৰ বসতি। মোমাই তামুলী বৰবৰুৱাই কলিয়াবৰৰ পৰা এহেজাৰ পাইক আনি পুৰণিগুদামত সংস্থাপিত কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। আহোমৰ ৰাজত্ব কালতে মাজুলীৰ ৰজাঘৰীয়া সত্ৰকেইখনমানেও অঞ্চলটোত খাত পাইছিল আৰু তেনেদৰে সত্ৰ গঢ় লৈ উঠিছিল। অৱশ্যে ব্ৰহ্মচাৰী সত্ৰখন স্বতন্ত্ৰভাৱীয়াকৈ প্ৰতিষ্ঠা হৈছিল। অঞ্চলটোত শিল্প-সংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰৰ ক্ষেত্ৰত এই সত্ৰসমূহৰ প্ৰভূত অৰিহণা আছে। শঙ্কৰী কৃষ্টি-সংস্কৃতিৰ চৰ্চা পুৰণিগুদাম অঞ্চলৰ এক অন্যতম বৈশিষ্ট্য।

হাজাৰী বা বাৰখেলীয়া ভাওনা, ওজাপালি, পুতলা ভাওনা, ৰাস, গায়ন বৈৰাগী চুকৰ পানীতোলা ভাওনা, মাঘ মাহৰ ৰাতি পতা ব'ৰাগী নাম, ব্ৰহ্মচাৰী সত্ৰৰ হীৰা-নাট, মাঘৰ বিহুৰ পুৱা কলং নৈত মাখী উটুওৱা আদি পুৰণিগুদাম অঞ্চলৰ সাংস্কৃতিক ঐতিহ্য।

পুৰণিগুদামৰ দুৰ্গা পূজাৰো এক বিশেষত্ব আছে। ইয়াৰ দুৰ্গা পূজাৰ লগত সেইবেলা খনিকৰ ওৰফে লেশধৰ শৰ্মাৰ নাম জড়িত হৈ আছে। ১৯০২ চনতেই শৰ্মাদেৱে কাঠেৰে নিৰ্মাণ কৰা প্ৰতিমাই অসমৰ ভিতৰতে শ্ৰেষ্ঠ স্থান লাভ কৰিলে। এতিয়াও এই কাঠৰ প্ৰতিমা পুৰণিগুদামৰ দুৰ্গা পূজাৰ মূল আকৰ্ষণ। দুৰ্গা পূজাৰ লগতে সংগতি ৰাখি পুৰণিগুদামৰ প্ৰেছ ক্লাবে অনুষ্ঠিত কৰা শিশু গ্ৰন্থমেলাখনেও ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে। অঞ্চলটোৰ সাহিত্য সংস্কৃতিৰ ই আন এক বৈশিষ্ট্য।

অসমৰ নাট্যজগতত পুৰণিগুদামৰ এক সুকীয়া স্থান আছে। উনৈছ শতিকাৰ শেষ দশকত যেতিয়া নগাঁও তথা সমগ্ৰ অসমতে মঞ্চাভিনয়ে মানুহক বৰকৈ আকৰ্ষিত কৰা নাছিল তেতিয়াই হেমোৰাম বৰুৱাৰ উদ্যোগত পুৰণিগুদাম নাট্যসমাজে পাতনি মেলিছিল। তেখেতৰ চেষ্টাৰ ফলতেই দুৰ্গা পূজাৰ মণ্ডপতে মঞ্চাভিনয় সূচনা হয়। কুৰি শতিকাৰ প্ৰথমভাগত পুৰণিগুদাম লাইআটী সত্ৰৰ সত্ৰাধিকাৰ ৰুদ্ৰকান্ত গোস্বামীদেৱে নাট্যমোদী যুৱকসকলৰ সহযোগত বৰ্তমান ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ কাষতে এটি খেৰ-বাঁহৰ ৰঙ্গমঞ্চ সাজি উলিয়াইছিল। সেই মঞ্চতে তেখেতৰ দ্বাৰা ৰচিত খেমেলীয়া নাট 'বত্ৰিছ লক্ষ্মীয়া দৰা-কইনা' মঞ্চস্থ হৈছিল। এই অঞ্চলৰে শিল্পী বিপিন বৰুৱাই ১৯৩৪ চনত নাট্যাচাৰ্য ব্ৰজনাথ শৰ্মাৰ 'অসম কহিনুৰ অপেৰা পাৰ্টি'ৰ পৃষ্ঠপোষকতা কৰাৰ লগতে সহ-অভিনয়ৰ ক্ষেত্ৰত্ৰো ভূমিকা গ্ৰহণ কৰিছিল। পুৰণিগুদামতে ফুলেশ্বৰী দাস, সৰ্বেশ্বৰী কোচ আৰু দিনমায়ে (গোলাপী) মঞ্চত সহ-অভিনয় কৰি নতুন দিগন্তৰ সূচনা কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ত ল'ৰাবজাৰ ভাৱত ভেৰভেৰীৰ নৰেন্দ্ৰনাথ বৰদলৈয়ে অভিনয় কৰাটো উল্লেখযোগ্য। নাটকৰ ক্ষেত্ৰত পুৰণিগুদামে এতিয়াও অতীতৰ সেই গৌৰৱ আৰু সুনাম অক্ষুণ্ণ ৰাখিছে। 'ৰূপালীম', 'ৰংগালয়', 'নাটাম' আদি অনুষ্ঠানে নাটকৰ সেই ধাৰা জীয়াই ৰাখিছে। 'অবিনশ্বৰ গোষ্ঠী', 'অনিৰ্বাণ গোষ্ঠী', 'নৱৰংগ', 'কুশীলৱ', 'কলং কলা কেন্দ্ৰ' আদি অনুষ্ঠানে সাহিত্য-সংস্কৃতিৰ উন্নতি আৰু প্ৰসাৰৰ হকে কাম কৰি আহিছে। ১৯৪৮ চনত স্থাপন হোৱা 'বাপুজী ভৱন আৰু পুথিভঁৰাল'ৰো এই ক্ষেত্ৰত অৰিহণা অপৰিসীম।


অসমীয়া সংস্কৃতি বিহু উৎসৱ পালনতো পুৰণিগুদামৰ এক চহকী ঐতিহ্য আছে। কলঙৰ দাঁতিত টকা, পেঁপা-গগনাৰ ছেৱে ছেৱে ডেকা-গাভৰুসকলে বিহু নাচিছিল। চলচলি আৰু ম'হপৰাৰ মাজখণ্ডত এখন ডাঙৰ বিহুতলিত মুকলি বিহু হৈছিল। জালজৰি বিলৰ পাৰত মুঢ়ানি আৰু পথাৰৰ আগ গাঁৱৰ পিছফালৰ পুখুৰীৰ পাৰতো বিহু পাতিছিল। কুৰি শতিকাৰ আগভাগতে চলচলি ব্ৰাহ্মণ গাঁৱত জন্মগ্ৰহণ কৰা পুৱাই ওজা আছিল বিখ্যাত ঢুলীয়া আৰু বিহুগীততো পাকৈত। বাদ্যশিল্পী হিচাপে থানেশ্বৰ বায়নৰো সুনাম আছিল। ব্ৰিটিছৰ আমোলত যেতিয়া এচাম ইংৰাজী শিক্ষাৰে শিক্ষিত অসমীয়াই বিহুক অশ্লীল বুলি কৈছিল আৰু তেওঁলোকৰ পৰামৰ্শমতে চৰকাৰে বিহুক নিষিদ্ধ কৰিব খুজিছিল তেতিয়া নগাঁও কাছাৰীৰ কৰ্মচাৰী তথা হালোৱাগাঁৱৰ আনন্দ দাসৰ নেতৃত্বত মইমত টাটিভা, ভনীয়েক চেনীমাইৰ লগতে যোৱা যুৱক-যুৱতীৰ দলটোৱে চাহাবৰ সন্মুখত বিহু নৃত্য-গীত প্ৰদৰ্শন কৰি প্ৰভাৱিত কৰিছিল। ককাই-ভনীয়ে একেলগে মৰা বিহু যে অশ্লীল নহয় সেই কথাত চাহাব পতিয়ন যোৱাৰ বাবে অসমীয়াৰ বাপতি সাহোন বিহু ৰক্ষা পৰিল।

বিহুৰ দৰে বনগীত সুৰীয়া গীতক জনপ্ৰিয় কৰি তোলা লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱাৰ জন্ম পুৰণিগুদামৰে ভীমৰ গাঁৱত। 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ', 'হয়েৰা জেতুকী বাই চুলিবোৰ পকালি, দাঁতবোৰ সৰালি পৰৰ ঘৰে ঘৰে নামগুণ গাই' আদিৰ দৰে বহুল সমাদৃত গীতৰ গীতিকাৰ, গায়ক ৰুদ্ৰ বৰুৱাই অসমৰ থলুৱা নৃত্যগীত, নাট-ভাওনা পৰিৱেশনতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বিভিন্ন নাটকৰ জটিল চৰিত্ৰ আৰু কেইবাখনো অসমীয়া কথাছবিত তেখেতে অভিনয় কৰি প্ৰশংসিত হৈছিল।

কৃষ্টি-সংস্কৃতিৰ দৰে ভাষা-সাহিত্যৰ ক্ষেত্ৰতো পুৰণিগুদাম লেখত ল'বলগীয়া। জোনাকী যুগৰ কবি ৰত্নেশ্বৰ মহন্ত, লাইআটী সত্ৰৰ সত্ৰাধিকাৰ কবি ৰুদ্ৰকান্ত গোস্বামী, অসম সাহিত্য সভাৰ প্ৰথম শিৱসাগৰ অধিৱেশনৰ কাৰ্যনিৰ্বাহক সদস্য, ব্যংগ লেখক মোছলেউদ্দিন আহমেদ, গীতা পুথিৰ ৰচক লীলাধৰ দেৱ শৰ্মা, নাট্যকাৰ গোপীকান্ত শইকীয়া, পথেকীয়া কাকত 'মোৰ দেশ' আৰু সাময়িকী 'নামঘৰ'ৰ প্ৰকাশত তথা 'চেনীদৈ গাভৰু' শীৰ্ষক বিহুগীতৰ সংকলক লীলাধৰ হাতীশইকীয়া আদিয়ে ভাষা-সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা আগবঢ়াই থৈ গৈছে।

কেৱল নৃত্য-গীত, নাটক-বোলছবি আদিয়েই সংস্কৃতি নহয়। সংস্কৃতি হৈছে মানুহৰ জীৱন শৈলীৰ এক সামগ্ৰিক ৰূপ। সভ্যতা, কৃষ্টি-সংস্কৃতি এনে এক জটিল, ঘনীভূত ৰূপ যিয়ে জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-আচৰণ, নৈতিক গুণ, অভ্যাস আদিক সামৰি লয়। বিভিন্ন সময়ত আহি বসতি স্থাপন কৰা বিভিন্ন জনপদে পুৰণিগুদামত এনে এক চহকী সাংস্কৃতিক ঐতিহ্য গঢ়ি তোলাটো কেৱল জিলাখনৰ বাবেই নহয় সমগ্ৰ অসমৰ বাবেই গৌৰৱৰ কথা।

■ *ড° ভূপেন শইকীয়া ড° বি কে বি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ*



# ভাৰতৰ আনুষ্ঠানিক শিক্ষা সম্পৰ্কে যৎকিঞ্চিত

বিপুল কুমাৰ ৰাভা

**জীৱনৰ** প্ৰতিটো অভিজ্ঞতাই শিক্ষা। এই অৰ্থত, ব্যতিক্ৰমক বাদ দি, প্ৰতিজন মানুহেই প্ৰতিদিনেই কিবা নহয় কিবা অভিজ্ঞতা আৰ্জন কৰি শিক্ষা লাভ কৰি থাকে। কাৰণ, জীৱিত অৱস্থাত চেতনা থকালৈকে মানুহে নতুন নতুন অভিজ্ঞতাৰ মুখামুখি হৈ থাকে। সেইকাৰণে কোৱা হয় শিক্ষা এক



জীৱনজোৰা প্ৰক্ৰিয়া। এই প্ৰবন্ধটোত ভাৰতৰ প্ৰেক্ষাপটত আধুনিক আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ বিষয়েহে চমুকৈ আলোচনা কৰা হৈছে।

ব্ৰিটিছে ভাৰতত শাসন কৰিবলৈ লোৱাৰ পাছতেই দেশখনত আধুনিক আনুষ্ঠানিক শিক্ষাৰ প্ৰচলন আৰু প্ৰসাৰ ঘটিছিল। অৱশ্যে, ভাৰতত আধুনিক আনুষ্ঠানিক শিক্ষা প্ৰচলনৰ আঁৰত তেওঁলোকৰ কিছুমান বিশেষ উদ্দেশ্য আছিল। সেই উদ্দেশ্যত তেওঁলোকে সফলো হৈছিল। ব্ৰিটিছে যি উদ্দেশ্যেৰে শিক্ষাৰ বিস্তাৰ কৰিছিল দেশখনে স্বাধীনতা লাভ কৰাৰ পাছতো (সত্তৰ দশকলৈ) প্ৰায় একেবোৰ উদ্দেশ্যই অব্যাহত আছিল। ব্ৰিটিছৰ আৰ্হিত প্ৰচলন হৈ থকা শিক্ষা ব্যৱস্থা ভাৰতীয়সকলৰ বাবে ভাল আছিল নে বেয়া আছিল সেয়া আন এক বিষয়। সি যি কি নহওক,



১৯৭৬ চনত ভাৰতৰ সংবিধানৰ ৪২ সংখ্যক সংশোধনীত শিক্ষাক ৰাজ্যিক সূচীৰ (State List) পৰা উঠাই উমৈহতীয়া (Concurrent List) অন্তৰ্ভুক্ত কৰাৰ পাছৰ পৰাই দেশখনৰ শিক্ষা ব্যৱস্থাত লাহে লাহে নতুন ধৰণৰ সংকটত পৰিবলৈ ধৰিলে। ১৯৯১ চনৰ পৰা ভাৰতে বজাৰ ব্যৱস্থাক আঁকোৱালি লোৱাৰ পাছত শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সংকটৰ মাত্ৰা বৃদ্ধি পাবলৈ ধৰে।

ভাৰতৰ আধুনিক শিক্ষা-ব্যৱস্থাৰ এটা সীমাবদ্ধতা হ'ল— শিক্ষাৰ্থীসকলৰ ব্যক্তিগত ইচ্ছা (Personal Interest) আৰু বৃত্তিগত জীৱনৰ (Professional Life) মাজত ক্ৰমাগত ব্যৱধান বৃদ্ধি। দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছতে শিক্ষাৰ্থীসকলে এই পাৰ্থক্যৰ সৈতে মুখামুখি হয়। আমাৰ সমাজত এনে এটা বদ্ধমূল ধাৰণা গঢ়ি উঠিছে যে পঢ়া-শুনাত চোকা ল'ৰা-ছোৱালীয়ে বিজ্ঞান শাখাত পঢ়িব লাগে আৰু ডাক্তৰ বা ইঞ্জিনীয়াৰৰ দৰে বৃত্তিত নিজকে নিয়োজিত কৰিব লাগে। ইফালে ল'ৰাটোৰ বা ছোৱালীজনীৰ ব্যক্তিগত ইচ্ছা যিয়েই নহওক। নিজৰ ইচ্ছা অনুসৰি বৃত্তি এটাত নিয়োজিত হ'বলৈ পালে সংশ্লিষ্ট ল'ৰাটো বা ছোৱালীজনীয়ে সেই বৃত্তিটোৰ দিশত যিমান উত্তৰণ ঘটাব পাৰিব, ইচ্ছা বিৰুদ্ধ বৃত্তিত যে নোৱাৰিব তাত কোনো সন্দেহ নাই। ব্যাখ্যাৰ প্ৰয়োজন নাই যে শিক্ষক বিনিয়োগ বুলি ধৰি লোৱাৰ পাছত ব্যক্তিগত ইচ্ছা আৰু বৃত্তিগত জীৱনৰ মাজৰ দূৰত্ব অধিক বৃদ্ধি পাবলৈ ধৰে।

আনুষ্ঠানিক শিক্ষা ব্যক্তিগত খণ্ডৰ প্ৰবেশ ঘটাৰ ফলত সমগ্ৰ দেশতে শিক্ষা সম্পৰ্কীয় সামগ্ৰিক নীতি-নিয়ম সঠিকভাৱে পালন নকৰি কাঠফুলাৰ দৰে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান গঢ়ি উঠিবলৈ ধৰিলে। পৰিৱেশ এনে হৈছে যে দেশৰ প্ৰশাসন ব্যৱস্থাই ব্যক্তিগত শিক্ষানুষ্ঠানসমূহক নিয়ন্ত্ৰণ কৰিব নোৱৰা হৈ পৰিছে। সম্প্ৰতি ভাৰতত এনে বহুত ব্যক্তিগত শিক্ষানুষ্ঠান আছে যিবোৰক দেশৰ শিক্ষা সম্পৰ্কীয় কৰ্তৃপক্ষই বহিষ্কৃতৰ তালিকাত (Black List) অন্তৰ্ভুক্ত কৰিবলৈ বাধ্য হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission, চমুকৈ UGC), সৰ্বভাৰতীয় প্ৰযুক্তি শিক্ষা পৰিষদ (All India Council for Technical Education, চমুকৈ AICTE) আদি শিক্ষা সম্পৰ্কীয় অনুষ্ঠানৰ website সমূহ খুলি চালেই ইয়াৰ প্ৰমাণ পোৱা যায়। তেনে শিক্ষানুষ্ঠানসমূহে (Black Listed) প্ৰথমে পতিয়ন নিয়াব খোজে যে তেওঁলোক সমাজৰ কল্যাণৰ বাবে কাম কৰি আৰু মুনাফা অৰ্জন কৰা তেওঁলোকৰ উদ্দেশ্য নহয়। কিন্তু, লাহে লাহে প্ৰমাণ পোৱা যায় যে শিক্ষাৰ নামত এইবিলাক শিক্ষানুষ্ঠান (?) ধন ঘটা উপায়ৰ (Means) বাহিৰে আন একো নহয়। সাধাৰণতে, গাঁও (Urban) আৰু অৰ্ধ চহৰৰ (Semi-urban) ছাত্ৰ-ছাত্ৰীসকল এইবোৰ শিক্ষানুষ্ঠানৰ চিকাৰ হয়।

ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানসমূহে সন্মুখীন হোৱা এটা গুৰুত্বপূৰ্ণ সমস্যা হ'ল প্ৰশাসনৰ দ্বাৰা অত্যধিক নিয়ন্ত্ৰণ। আৰ্থিক অনুদানৰ পৰা আৰম্ভ কৰি শিক্ষক, কৰ্মচাৰীলৈকে ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানসমূহক প্ৰয়োজনতকৈ অধিক হেঁচি ধৰিবলৈ প্ৰয়াস কৰাৰ ফলত এই শিক্ষানুষ্ঠানসমূহে স্বাধীনভাৱে চিন্তা-চৰ্চা কৰি নিজস্বভাৱে আগবাঢ়ি যোৱাত বাধাৰ সৃষ্টি কৰিছে। দুটা সম্পূৰ্ণ বেলেগ আদৰ্শৰ ৰাজনৈতিক দলে সলনাসলনিকৈ চৰকাৰ গঠন কৰি থাকিলে শিক্ষা





কৰ্ষণ ■ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ■২০১৯-২০

সম্পৰ্কীয় নীতি নিৰ্দেশনাবিলাক সঘনে বিপৰীতধৰ্মী হোৱাৰ ফলত ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানসমূহ এটা সুনিৰ্দিষ্ট গতিত আগবঢ়াই নিয়াত অসুবিধাৰ সৃষ্টি কৰে। তদুপৰি, সমগ্ৰ দেশতে একে ধৰণৰ পাঠ্যক্ৰম বা একে শিক্ষা নীতি প্ৰয়োগ কৰাৰ প্ৰৱণতা বৃদ্ধি পাবলৈ ধৰিছে। বুজাত অকণো অসুবিধা নাই যে এই ব্যৱস্থাত আঞ্চলিক বিষয়সমূহে গুৰুত্ব হেৰুওৱাৰ প্ৰবল সম্ভাৱনা আছে। কাৰণ, ভাৰতৰ দৰে বিচিত্ৰতাৰে ভৰপূৰ দেশ এখনত শিক্ষাৰ ক্ষেত্ৰত 'একে নীতি সকলোতে উপযুক্ত (One size fits for all)' ফলৱতী নহয়।

ব্যক্তিগতই হওক বা ৰাজহুৱা শিক্ষানুষ্ঠানেই হওক, ব্যক্তিগত কোচিং চেণ্টাৰসমূহে বৰ্তমানৰ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ ওপৰত কিছুমান প্ৰশ্ন আনি দিছে। প্ৰথমে ব্যক্তিগত শিক্ষানুষ্ঠানত পঢ়া ল'ৰা-ছোৱালীৰ প্ৰসংগই ধৰা যাওক। ইমান ধন খৰচ কৰি ল'ৰাজনক বা ছোৱালীজনীক ব্যক্তিগত শিক্ষানুষ্ঠানত পঢ়াৰ সুবিধা কৰি দিয়াৰ পাছতো সিহঁতক আকৌ ব্যক্তিগত কোচিং চেণ্টাৰত বেলেগকৈ কিয় পঢ়াব লগা হয়? ধৰি লোৱা হ'ল যে ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানত ঠিকমতে ক্লাছবিলাক নহয়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবিলাকততো সেই সমস্যা নাই। আচলতে ব্যক্তিগত শিক্ষানুষ্ঠানেই হওক বা ৰাজহুৱা শিক্ষানুষ্ঠানেই হওক, আনুষ্ঠানিক শিক্ষাৰ প্ৰতি ভাৰতীয় মানুহৰ বিশ্বাস ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে।

ভাৰতৰ আধুনিক আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত জীৱনমুখী শিক্ষাৰ অভাৱ আছে বুলি এটা সাধাৰণ ধাৰণা আছে। আন কথাত, ভাৰতৰ শিক্ষা ব্যৱস্থাত তাত্ত্বিক শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। ধাৰণাটো একেবাৰে মিছা নহয়। শেহতীয়াকৈ জীৱনমুখী প্ৰায়োগিক শিক্ষা সম্প্ৰসাৰণৰ উদ্দেশ্যে চৰকাৰে দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। চহৰ/অৰ্ধচহৰবোৰত দ্ৰুতগতিত দক্ষতা বিকাশ কেন্দ্ৰসমূহ গঢ়ি তোলা হৈছে। এই ব্যৱস্থা নিশ্চিতভাৱে আদৰণীয়। অৱশ্যে, এই ব্যৱস্থাৰো কিছুমান সীমাবদ্ধতা দেখা গৈছে। উদাহৰণস্বৰূপে, দক্ষতা বিকাশ কেন্দ্ৰসমূহে যিমান সংখ্যক লোকক দক্ষতা প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল, অতি কম সংখ্যক লোককহে ব্যৱস্থাটোত সামৰি ল'ব পাৰিছে। দক্ষতা বিকাশ কেন্দ্ৰবোৰৰ পৰা দক্ষতা আহৰণ কৰাৰ পিছত অতি কম সংখ্যক লোকেহে নিয়োজিত হ'বলৈ সক্ষম হৈছে (এই হাৰ ২০ শতাংশৰ বেছি নহয়)। অনুপযুক্ত দক্ষতা প্ৰদান এই ব্যৱস্থাটোৰ আন এটা উল্লেখযোগ্য সীমাবদ্ধতা।

ভাৰতৰ আধুনিক শিক্ষা ব্যৱস্থাই Wisdom ক অগ্ৰাধিকাৰ দিব নোৱাৰালৈকে শিক্ষা ব্যৱস্থাটো সংকটৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব বুলি দাবী কৰিব পৰা নাযায়। 'নতুন শিক্ষানীতি, ২০২৯' এ এই সমস্যাবোৰক কেনেদৰে সমাধান কৰিব পাৰিব সেয়া সময়তহে গম পোৱা যাব।

আনুষ্ঠানিক শিক্ষাক বিনিয়োগ হিচাপে ধাৰণা কৰি লোৱাৰ ফলত শিক্ষাই ইয়াৰ প্ৰকৃত উদ্দেশ্যৰ পৰা আঁতৰি অহা পৰিলক্ষিত হৈছে। বহুক্ষেত্ৰত তথ্য ভাণ্ডাৰকে শিক্ষা (যাক ইংৰাজীত information আৰু knowledge হিচাপে জনা যায়) বুলি গ্ৰহণ কৰাৰ বাবে জ্ঞানৰ (Wisdom) ধাৰণা তল পৰাৰ উপক্ৰম হৈছে। অৱশ্যে, ইয়াৰ অৰ্থ এইটো নহয় যে Knowledge বা Information ৰ প্ৰয়োজন নাই। যি হাৰত শিক্ষিতৰ হাৰ বাঢ়িছে, যদি এই অগ্ৰাধিকাৰ পালেহেঁতেন, সেই হিচাপত সমাজত আজি আমি দেখি থকা ইমান খেলিমেলিৰ সৃষ্টিয়েই নহ'লহেঁতেন। ভাৰতৰ আধুনিক শিক্ষা ব্যৱস্থাই Wisdom ক অগ্ৰাধিকাৰ দিব নোৱাৰালৈকে শিক্ষা-ব্যৱস্থাটো সংকটৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব বুলি দাবী কৰিব পৰা নাযায়। 'নতুন শিক্ষানীতি, ২০২৯' এ এই সমস্যাবোৰক কেনেদৰে সমাধান কৰিব পাৰিব সেয়া সময়তহে গম পোৱা যাব। ⏭

■ *বিপুল কুমাৰ বাড়া গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক*





১৯৬৮ চনত বৰজহাত অনুষ্ঠিত একাংকিকা নাট প্ৰতিযোগিতাত তেওঁৰ 'ধুমুহা' নাটকখনিয়ে শ্ৰেষ্ঠ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ শিশুক বৰ ভাল পাইছিল আৰু সেয়ে অংকীয়া নাটসমূহ তেওঁলোকৰ দ্বাৰা অসমৰ বিভিন্ন ঠাইত পৰিবেশন কৰিছিল যাৰ কাৰণে তেওঁ 'শিশুশিল্পী' ৰূপেও আখ্যায়িত হৈছিল।

# নগাঁওৰ নাট্যকাৰ ৰূপৰাম শইকীয়াৰ জীৱন সংগ্ৰাম

জ্ঞানদীপ হাজৰিকা

**মহাপুৰুষ** শংকৰদেৱৰ অমৰ কৃষ্টিক হৃদয়ত থাপন কৰি নিৰন্তৰ সাধনাৰে ইয়াৰ উৎকৰ্ষ তথা প্ৰচাৰ-প্ৰসাৰৰ বাবে প্ৰতিদিনেই তেখেতে যুঁজ দিছিল। লোক-সংস্কৃতিৰ গৱেষক, পণ্ডিত বৰেণ্য ড° বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ ব্যাখ্যাত অসমীয়া সমাজত 'নামঘৰ'ৰ যি গুৰুত্ব তাক মৰ্মে মৰ্মে উপলব্ধি কৰা এগৰাকী অত্যন্ত সংবেদনশীল সত্ৰীয়া শিল্পী হিচাপে তেওঁ নিজকে নিৰ্মাণ কৰিছিল আৰু তাকে কৰিবলৈ গৈ কিছু লোকৰ স্থিতাৱস্থাৰ বিৰুদ্ধে থিয় দিব লগা হৈছিল। কিন্তু যিয়ে গুণীৰ মূল বুজি পাই, তেওঁলোকে তেখেতক ঠিকেই বুজিছিল।

প্ৰচণ্ড মানসিক শক্তি আৰু দৃঢ়তা, বিস্ময়কৰ পৰিশ্ৰম শক্তি আৰু সহিষ্ণুতা তথা অনিৰ্বাপিত অনুসন্ধিৎসু মনন-চৈতন্য শক্তিৰ ৰূপৰাম শইকীয়াদেৱে ১৯৩৭ চনৰ ১২ অক্টোবৰত (কাতিমাহ) নগাঁও জিলাৰ এখন অতি পিছপৰা গ্ৰাম্য অঞ্চল এফলিয়াবড়িত জন্মগ্ৰহণ কৰে। তেওঁ পঞ্চম মানৰ পৰা নৱমমানলৈ হাইস্কুলীয়া শিক্ষা শিক্ষাবিদ আনন্দ কলিতাৰ ঘৰতে থাকি চকলাঘাট

হাইস্কুলত লাভ কৰে। কিন্তু ১৯৫৫ চন মানত দশম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ পাছতেই নৱ প্ৰতিষ্ঠিত কুজীডাঁহ হাইস্কুললৈ আহে আৰু ইয়াৰ পৰাই মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চ শিক্ষা লাভ কৰাৰ পাছত তেখেতে ১৯৬০ চনৰ পৰা ১৯৯৭ চনলৈ সুদীৰ্ঘ ৩৭টা বছৰ শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত অসমীয়া বিষয় শিক্ষক হিচাপে নিজ কৰ্তব্য পালন কৰি সহস্ৰ শিশুৰ মাজত জ্ঞানৰ জ্যোতি বিলাই মানৱ সম্পদ গঢ়াত যথেষ্ট বৰঙণি আগবঢ়াইছিল। এনে কৰ্ম ব্যস্ততাৰ মাজতো তেখেত আছিল শঙ্কৰী কলা-কৃষ্টিৰ সাধক। একেধাৰে কবি, নাট্যকাৰ, সাহিত্যিক, অংকীয়া নাটৰ গৱেষক, অভিনেতা, সু-পৰিচালক, আবৃত্তিকাৰ আৰু এজন সু-বক্তা। সঁচাকৈ এজন ব্যক্তি অনেক গুণৰ অধিকাৰী হোৱাটো সাধাৰণ কথা নহয়। সমগ্ৰ জীৱনেই তেওঁ সমাজ সেৱাত ব্ৰতী আছিল। তেখেতে অভিনয় জগতত বহুক্ষেত্ৰত সম্মানীয় আসনো অলংকৃত কৰিছিল। পাঁচশ বছৰ ধৰি অসমৰ গাঁও-ভূঁই ৰজন্‌জনাই থকা অংকীয়া ভাওনাৰ প্ৰতি যি আধুনিক যুগৰ পশ্চিমীয়া আদৰ্শই ভাবুকি কঢ়িয়াই আনিছিল তাক মৰ্মে মৰ্মে উপলব্ধি কৰি অংকীয়া ভাওনাৰ আৰ্হিত অসমীয়া ভাওনাক নতুন ৰূপত সজাই-পৰাই পুনৰ জনপ্ৰিয় কৰি তোলাৰ প্ৰচেষ্টা হাতত লৈছিল আৰু তাকে কৰিবলৈ গৈ অষ্টম শ্ৰেণীৰ পৰাই সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী শইকীয়াদেৱে জীৱনযাত্ৰাত বহু কেইখন অংকীয়া নাটৰ আৰ্হিত ৰচিত নাট, সামাজিক একাংকিকা নাট, একক অভিনয়, নৃত্য-নাটিকা, কবিতা পুথি আৰু পৌৰাণিক নাট সমাজৰ বাবে দান কৰি থৈ গৈছে।

**অংকীয়া নাটৰ আৰ্হিত ৰচিত নাট্যসম্ভাৰ ঃ**

১) মেঘনাদ বধ (ৰামায়ণৰ পদবন্ধৰ পৰা)
২) অমৃত মন্থন (ভাগৱতৰ পদবন্ধৰ পৰা)
৩) সতী-বেউলা (মনসা কাব্যৰ পদবন্ধৰ পৰা)
৪) বঘাসুৰ বধ (মহাভাৰতৰ পদবন্ধৰ পৰা)
৫) পাৰ্থ পৰাজয় (বভ্ৰুবাহন, মহাভাৰতৰ পদবন্ধৰ পৰা)
৬) স্যমন্তক হৰণ (ভাগৱত, কীৰ্তনৰ পদবন্ধৰ পৰা)
৭) কংস বধ (শিশু উপযোগী)
৮) শ্ৰীশ্ৰীশঙ্কৰদেৱৰ শিশুলীলা
(ৰামচৰণ ঠাকুৰৰ গুৰু চৰিত্ৰ পদবন্ধৰ পৰা)
৯) অভিমূন্য বধ
(শিশু উপযোগী, মহাভাৰত পদবন্ধৰ পৰা)
১০) অন্ধমুনিৰ অভিশাপ
১১) দ্ৰৌপদীৰ বেণীবন্ধন
১২) প্ৰদ্যুম্ন হৰণ (বিষ্ণু পুৰাণ পদবন্ধৰ পৰা)
১৩) ধৃতৰাষ্ট্ৰৰ দিগ্বিজয় যাত্ৰা ঃ গজকেতু বধ
(মহাভাৰতৰ বিজয়পৰ্ব পদবন্ধৰ পৰা)
১৪) কলংক মোচন
১৫) জৰাসন্ধ
১৬) বভ্ৰুবাহন
১৭) সত্ৰাজিতৰ দৰ্প চূৰ্ণ।

**সামাজিক একাংকিকা নাট্যসম্ভাৰ ঃ**

১) পুৰণি খামত নতুন চিঠি
২) কিয়
৩) হয়নে
৪) নতুন পথ
৫) সেতু বন্ধন
৬) কেন্দ্ৰবিহীন বৃত্ত (প্ৰতীকধৰ্মী)
৭) বান বিভীষিকা
৮) ধুমুহা
৯) ৰূপালী জয়ন্তী
১০) যমৰাজৰ মন্ত্ৰী চিলেকচন (প্ৰতীকধৰ্মী)

**একক অভিনয় ঃ**

১) প্ৰতিধ্বনি
২) জয়ধ্বনি
৩) হাঁহিৰে এটি জীৱন্ত কাহিনী
৪) এটি বিপ্লৱী কবিতাৰ এটি নাটকীয় মুহূৰ্ত

**নৃত্য-নাটিকা ঃ**

১) প্ৰদুম্ন হৰণ (অমিত্ৰাক্ষৰ ছন্দত)

**কবিতা পুথি ঃ**

'হিয়াৰ কিনিনি'

**পৌৰাণিক নাটক ঃ**

পাৰ্থ পৰাজয় (অমিত্ৰাক্ষৰ ছন্দত)

ব্ৰজাৱলী ভাষাৰ প্ৰয়োগেৰে মূল কাহিনী ভাগৱত-মহাভাৰতৰ আধাৰত ৰচিত নাটসমূহে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভূয়সী প্ৰশংসা লাভ কৰিছে। ২০১৫-১৬ নাট্যবৰ্ষত অসমৰ 'শিৰোমণি' পুতলা থিয়েটাৰত তেখেতৰ দ্বাৰা ৰচিত 'যমৰজাৰ মন্ত্ৰী চিলেকচন' নাটখনিয়ে দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯৩ চনত 'অসম সাহিত্য সভা' মৰিগাঁও অধিৱেশনত অসমীয়া ভাষাৰ অন্যতম প্ৰদৰ্শনী দল হিচাপে আমন্ত্ৰিত হৈ 'মেঘনাদ বধ' নাটখনিয়ে অধিৱেশনৰ বাকৰিত ৰাইজৰ ব্যাপক সমাদৰ লাভ কৰিছিল। শইকীয়াদেৱৰ অন্যতম ব্যতিক্ৰমধৰ্মী সৃষ্টি গুৰুজনাৰ শিশুলীলাক লৈ ৰচিত 'শ্ৰীশ্ৰীশঙ্কৰদেৱৰ শিশুলীলা' নাটখনিৰ জৰিয়তে থোৰতে মহাপুৰুষজনাৰ অলৌকিকতাৰ সম্যক জ্ঞান পাব পাৰি। 'শ্ৰীশ্ৰীশঙ্কৰদেৱৰ শিশুলীলা' নাটখনি পঢ়ি আপ্লুত হৈ শিক্ষাবিদ আনন্দ কলিতাই কৈছিল, "নাট্যকাৰ ৰূপৰাম শইকীয়াদেৱৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱৰ শিশু লীলা' নাটখনি পঢ়িলোঁ। নাটখনত অংকীয়া নাটৰ লক্ষণ দুটি ফুটি উঠিছে। নাট্যকাৰে নাটখনৰ উপস্থাপন সুন্দৰকৈ কৰিছে। গীত আৰু নাটকীয় ব্ৰজাৱলী ভাষাশৈলী সংৰক্ষণ হৈছে। নাট্যকাৰৰ উদ্দেশ্য আৰু শ্ৰম সাৰ্থক হৈছে।"

১৯৬৮ চনত বৰজহাত অনুষ্ঠিত একাংকিকা নাট প্ৰতিযোগিতাত তেওঁৰ 'ধুমুহা' নাটকখনিয়ে শ্ৰেষ্ঠ সম্মান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ শিশুক বৰ ভাল পাইছিল আৰু সেয়ে অংকীয়া নাটসমূহ তেওঁলোকৰ দ্বাৰা অসমৰ বিভিন্ন ঠাইত পৰিৱেশন কৰিছিল যাৰ কাৰণে তেওঁ 'শিশুশিল্পী' ৰূপেও আখ্যায়িত হৈছিল।

অসম কলেজ শিক্ষক সন্থাৰ ৫৭ সংখ্যক অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'সমলয়'ত 'নগঞা নাট্যকাৰ ঃ এক জৰীপ' শীৰ্ষক প্ৰবন্ধটিয়ে সেই সময়ত সকলোৰে দৃষ্টি আকৰ্ষিত কৰিছিল যদিও পাছলৈ বিশিষ্ট সমালোচক শ্ৰীযুত গুণ শইকীয়াদেৱে জৰীপটো সম্পূৰ্ণ ধৰ্মী নহয় বুলি মুকলিকৈ প্ৰকাশ কৰিছিল। তেওঁৰ চাৰিটা কবিতা ক্ৰমে 'কৱচ', 'মাধৱদেৱ', মোজামিলৰ স্মৃতিত—'আহা সৰে মিলি গাওঁ অসমী গান' আৰু প্ৰয়াত অনিল শৰ্মাৰ স্মৃতিত 'শ্ৰদ্ধাঞ্জলি' উল্লেখযোগ্য। 'শ্ৰদ্ধাঞ্জলি' কবিতাটি ১৯৮০ চনত শংকৰী কলা-কৃষ্টিৰ গৱেষণা গ্ৰন্থত প্ৰকাশ পাইছিল।

'কৰ্মই ধৰ্ম' বাণীৰে নিজকে সমাজৰ নামত উছৰ্গা কৰি ১৯৯৭ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণসকলক বঁটা প্ৰদানৰ উদ্দেশ্যৰে মাত্ৰ ৩০০০ টকাত 'ৰূপৰাম শইকীয়া ন্যাস' নামে এটি 'ন্যাস' জন্ম দিছিল। তেখেতে কণ কণ ছাত্ৰ-ছাত্ৰীক উন্নত শিক্ষা দিয়াৰ উদ্দেশ্যৰে ২০০৮ চনত অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত 'গোসাঁইবড়ি আঞ্চলিক আদৰ্শ জাতীয় বিদ্যালয়' নামেৰে এটা শিক্ষানুষ্ঠানো গঢ়ি তুলিছিল য'ত অনুষ্ঠানটিৰ প্ৰধান শিক্ষক হিচাপে পেঞ্চনৰ কিঞ্চিৎ ধনেৰে বিদ্যালয়ত সেৱা আগবঢ়োৱাসকলক বৰঙণি দিছিল।

'নিজৰ কাম ভগৱানৰ ওচৰত বিশ্বাস ৰাখি কৰি যোৱা, ফলাফলৰ কথা নাভাবিবা' শীৰ্ষক উপদেশবাণীয়েই তেওঁৰ জীৱনৰ মূলমন্ত্ৰ আছিল।

সামাজিক, ধৰ্মীয়, শৈক্ষিক, আৰ্থিক সকলো অনুষ্ঠানতেই মূল মানুহ হিচাপে থিয় দি অহা এই মহান গুণৰ অধিকাৰী গুণনিধি-সত্ৰীয়া শিল্পী ৰূপৰাম শইকীয়াদেৱৰ ২০১১ চনৰ ১জানুৱাৰীত ৭৪ বছৰ বয়সত শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ স্বৰ্গাভিমুখী হয়।

অতিকৈ পৰিতাপৰ বিষয় এয়ে যে তেখেতে দি থৈ যোৱা মহান সৃষ্টিৰাজিক আজি পৰ্যন্ত অঞ্চলটোৰ দুই এটা স্থানীয় অনুষ্ঠানৰ বাদে ৰাজ্য চৰকাৰে প্ৰচাৰ কিম্বা সংৰক্ষণৰ হেতু প্ৰচেষ্টা হাতত লোৱা দেখা নাই। সামাজিক ব্যক্তি হিচাপে আমাৰ অনুভৱ হয়, তেখেতে জীৱন্ত কালতেই ৰাজ্যিক কিম্বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ উচ্চমানেৰে সম্বৰ্ধিত হ'বই লাগিছিল। পিছে চৰকাৰী ৰঙা ফিটাৰ মেৰপাকে গুণ কিম্বা মনীষাক কেৰেপ নকৰে বাবেই যোগ্যজন সদায় বঞ্চিত হৈ আহিছে। গতিকে আশা ৰাখিছোঁ এই ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে অৱহেলা নকৰি নিষ্ঠা সহকাৰে তেওঁৰ সৃষ্টিক সংৰক্ষণ কৰাৰ লগতে অসমৰ পাঠক সমাজৰ বাবে মুকলি কৰাৰ দিহা কৰে।

উৎস ঃ অমৃত ৰূপকাৰ, ২০১১

■ জ্ঞানদীপ হাজৰিকা স্নাতক পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ

# দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ-বৈচিত্ৰ্য

প্ৰিয়াংকী বৰুৱা




দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান অসমৰ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত অৱস্থিত। ই বৃহত্তৰ দিহিং-পাটকাই বৰ্ষাৰণ্যৰ কিছু অংশ। এই ৰাষ্ট্ৰীয় উদ্যানক বিস্তৃতি তথা ঘন বনাঞ্চলৰ বাবে ইয়াক 'পূবৰ আমাজান' বুলিও আখ্যা দিয়া হয়। ২০০৪ চনৰ ১৩ জানুৱাৰী তাৰিখে দিহিং-পাটকাইক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়া হয়। ডিগবৈ বন সংমণ্ডলৰ ডিৰাক বনাঞ্চল, আপাৰ দিহিং সংৰক্ষিত বনাঞ্চল আৰু ডিব্ৰুগড় বন সংমণ্ডলৰ জয়পুৰ সংৰক্ষিত বনাঞ্চল এলেকা লৈ দিহিং-পাটকাই বন্যপ্ৰাণী অভয়াৰণ্য গঠিত হৈছে। এই বৰ্ষাৰণ্যখন অসমৰ তিনিখন জিলা অৰ্থাৎ ডিব্ৰুগড়, তিনিচুকীয়া আৰু শিৱসাগৰৰ প্ৰায়



৫৭৫ বৰ্গ কি.মি. জুৰি বিস্তৃত হৈ আছে। এই বনাঞ্চলৰ এটা অংশ অসম চৰকাৰে বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰে আৰু বাকী অংশ ডিব্ৰু-দেওমালি হস্তী প্ৰকল্পৰ অন্তৰ্ভুক্ত। এই বনাঞ্চল প্ৰকৃততে অৰুণাচল প্ৰদেশৰ টিৰাপ আৰু চাংলাং জিলা পৰ্যন্ত বিয়পি আছে। দিহিং পাটকাই অভয়াৰণ্যৰ বনাঞ্চল হৈছে অসম উপত্যকাৰ ক্ৰান্তীয় চিৰসেউজ বনাঞ্চল। এই বনাঞ্চলখন অসমৰ একেলেথাৰিয়ে থকা নিম্ন অঞ্চলৰ সমতলীয় ভূমিৰ একমাত্ৰ বৰ্ষাৰণ্য লগতে সমগ্ৰ বনাঞ্চল মিলি ই ভাৰতৰ সৰ্ববৃহৎ ক্ৰান্তীয় বৰ্ষাৰণ্য







বুলি পৰিগণিত হৈছে। ২০২০ চনৰ ১৩ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নতিকৰণৰ পিছত ইয়াৰ মাটিকালি ২৩১.৬৫ বৰ্গ কি.মি. বৃদ্ধি কৰা হয়।

এতিয়া আমি দিহিং-পাটকাইৰ জৈৱ-বৈচিত্ৰ্যৰ বিষয়ে কিছু কথা আলোচনা কৰোঁ—

**উদ্ভিদকুল ঃ**

ইয়াত মূলতঃ চিৰসেউজীয়া বনাঞ্চল, নৈ-উপনৈ, জলাহভূমি আদি দেখা যায়। উল্লেখযোগ্য উদ্ভিদ প্ৰগতিবোৰ হৈছে— হোলোং, মেকাই, ধুনা, উৰিয়াম, নাহৰ, চামকঁঠাল, ভেৰ, শলগ, ঔটেঙা, ডিমৰু ইত্যাদি। তদুপৰি ইয়াত নানা প্ৰকাৰৰ ঢেঁকীয়া জাতীয় উদ্ভিদ, অৰ্কিড, লতা-জাতীয় উদ্ভিদ আদি দেখা পোৱা যায়। থাঁহজাতীয় উদ্ভিদৰ ভিতৰত Garcinia lanceaefolia, Michelia muni, Baccaureu supida, Bischgfia javanica, Myristica limifolia আদি প্ৰধান প্ৰজাতি।

দিহিং-পাটকাই বৰ্ষাৰণ্য উৎসৱে বিশ্বৰ সকলো প্ৰান্তৰ পৰা পৰ্যটকক আকৰ্ষণ কৰে। এই উৎসৱে জৈৱ বৈচিত্ৰ্যৰ উপৰি সাংস্কৃতিক দিশবোৰক প্ৰতিনিধিত্ব কৰে। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানখনৰ বিষয়ে ইয়াৰ জৈৱ-বৈচিত্ৰ্যৰ বিষয়ে আলোচনা কৰি থাকিলে হয়তো সমাপ্ত নহ'ব।





অৰ্কিড ঃ

অৰ্কিড বৈচিত্ৰ্যৰ বাবে দিহিং-পাটকাইৰ বনাঞ্চল অতি প্ৰখ্যাত। বৰ্তমানলৈকে ৪৫ গোত্ৰৰ প্ৰায় ১০১ বিধ অৰ্কিডৰ প্ৰজাতি দেখিবলৈ পোৱা যায়। ইয়াৰে ৭৯ বিধ epiphytic, ২১ বিধ স্থলজ আৰু এবিধ saprophyte। তদুপৰি এই অৰ্কিডসমূহৰ আঠবিধ সংকটাপন্ন, ১৫ বিধ বিপদসংকুল, ৫ বিধৰ সংকট আসন্ন আৰু ২৮ বিধ ভংগুৰ হিচাপে শ্ৰেণী বিভক্ত কৰা হৈছে। এই অৰ্কিডসমূহৰ ভিতৰত "Thrixspermum acuminatissimum" নামৰ প্ৰজাতিটো ভাৰতত প্ৰথমবাৰৰ বাবে পোৱা গৈছে। তদুপৰি ৯ বিধ অন্য অৰ্কিড যেনে— Bulbophylum, Ebulbum, Chrysoglessum erraticum, C. robinsonii, Eria connate, E. Pudica, Heteria affinis, Thelasis pygmea, Taeniophyllum crepidiforme আৰু Zeuxine Clandestine অসমত প্ৰথমবাৰৰ বাবে পোৱা গৈছে।


প্ৰাণীকুল ঃ

দিহিং-পাটকাইৰ প্ৰাণীকুলৰ বৈচিত্ৰ্যও অন্য এক লক্ষণীয় দিশ। ইয়াত বৰ্তমানলৈকে ৪৩ বিধ স্তন্যপায়ী প্ৰাণী, ৪৭ বিধ সৰীসৃপ আৰু ৩১০ বিধ পখিলাৰ প্ৰজাতি পোৱা গৈছে। ২০১১ চনৰ পৰিসংখ্যা অনুসৰি এই এলেকাত ২০৪ টা হাতী আছে। ইয়াত সচৰাচৰ দেখিবলৈ পোৱা স্তন্যপায়ী প্ৰাণীবোৰ হ'ল— হলৌ বান্দৰ, লাজুকী বান্দৰ, গাহৰিনেজীয়া বান্দৰ, সেন্দূৰী বান্দৰ, টুপীমূৰীয়া বান্দৰ, হাতী, টেকীয়াপতীয়া বাঘ, নাহৰফুটুকী বাঘ, কনীয়া ম'হ, পেংগ'লিন ভালুক, কেকেটুৱা, গোধাফুটুকী বাঘ, শৰপহু, সুগৰি পহু, সোণালী মেকুৰী আদি।

চৰাই-চিৰিকটি ঃ

দিহিং পাটকাই বৰ্ষাৰণ্যত ২৯৩ বিধ চৰাইৰ প্ৰজাতি সম্পৰ্কে তথ্য পোৱা গৈছে। এই চৰাইসমূহে ৫১ বিধ পৰিয়ালৰ ১৭৪ গোত্ৰৰ অন্তৰ্ভুক্ত। ইয়াত দেখা যায় ৬৩.৭% স্থানীয় চৰাই, ২৩.১% শীতকালৰ পৰিভ্ৰমী চৰাই, ২.৫% গ্ৰীষ্মকালৰ পৰিভ্ৰমণকাৰী। ইয়াৰে ১৩ বিধ চৰাইৰ প্ৰজাতি সংকটাপন্ন, যেনে— পাটি শগুণ, দেওহাঁহ, হাড়গিলা, Greater spotted Eagle, Lesser Adjudant, Beautiful Nuthatch, Marsh Babbler, Tawny-breasded, Wren Babbler, White-cheeked Hill Partridge, Great Hornbill, Brown Hornbill, Oriental Darter and Painted Strock আদি। অন্যান্য চৰাইবোৰ হৈছে— <u>Kal¬</u> Pheasant Grey Peacock Preasant, Besra, Black Baza, Slender-billed Vulture, Osprey Great, Hornbill Wreathed Hornbill আৰু Common Hill Myna ইত্যাদি। অভয়াৰণ্যখনকে ধৰি গোটেই অঞ্চলটোত নেচাৰ্ছ বেকন, ব'ম্বে নেচাৰেল হিষ্ট্ৰী চ'ছাইটি আৰু বাৰ্ড লাইফ ইন্টাৰনেচনেল নামৰ সংস্থাকেইটাই একত্ৰিতভাৱে অধ্যয়ন চলাইছিল। সেই অধ্যয়নৰ পিছত অঞ্চলটো Important Bird Area Site বুলি প্ৰতিপন্ন কৰা হয়।

দিহিং-পাটকাই বৰ্ষাৰণ্য উৎসৱে বিশ্বৰ সকলো প্ৰান্তৰ পৰা পৰ্যটকক আকৰ্ষণ কৰে। এই উৎসৱে জৈৱ বৈচিত্ৰ্যৰ উপৰি সাংস্কৃতিক দিশবোৰক প্ৰতিনিধিত্ব কৰে। দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানখনৰ বিষয়ে ইয়াৰ জৈৱ-বৈচিত্ৰ্যৰ বিষয়ে আলোচনা কৰি থাকিলে হয়তো সমাপ্ত নহ'ব। ওপৰত ইয়াৰ কিছু আভাসহে দাঙি ধৰা হৈছে।




■ প্ৰিয়াংকী বৰুৱা চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী









# মাজুলীৰ মুখা শিল্প

বিপ্ৰজিত হাজৰিকা

মুখা হৈছে মানৱ ইতিহাসৰ অতি প্ৰাচীন কালৰ পৰা সাম্প্ৰতিক সময়লৈকে বহুল ব্যৱহৃত আৰু প্ৰচলিত শব্দৰ এক কাৰু কলা শিল্প, যি বিভিন্ন সময়ত মানৱ সভ্যতাৰ বিভিন্ন দৃষ্টিকোণক প্ৰতিনিধিত্ব কৰি আহিছে। মূলতঃ এক বাস্তৱিক আৱৰণত কাৰুকাৰ্যক বুজালে প্ৰতীকী বা আক্ষৰিক অৰ্থ মুখাই মানুহৰ মুখৰ আঁৱত লুকাই ৰখা বিভিন্ন চৰিত্ৰৰাজিকো সদৰ্থক আৰু নঞৰ্থক দুই অৰ্থতে দৰ্শাই আহিছে, মুখাৰ আঁৰৰ মুখ এই কথাষাৰিয়ে তাকে বুজাই পৰোক্ষভাৱে।

প্ৰাচীনকালত গুহাত বাস কৰা দিনৰ পৰাই মুখাৰ ব্যৱহাৰৰ আভাস পোৱা যায়, জীৱ-জন্তুৰ চিকাৰ কৰাৰ সময়ত সিহঁতৰ কাষ চাপিবৰ বাবে গছৰ ডাল-পাত আৰু অন্যান্য প্ৰাকৃতিক উপাদানেৰে নিজকে ঢাকি ৰাখিবৰ কাৰণে সৃষ্টি কৰি লোৱা আৱৰণকে মুখাৰ আদিম অৱস্থা বুলি ঠাৱৰ কৰিব পাৰি। মুখাৰ উৎপত্তি সম্পৰ্কে সবিশেষ জনা নাযায় যদিও বিশ্ব মানৱ সংস্কৃতিৰ ক্ৰমবিকাশৰ পৰম্পৰাগত বিজ্ঞ মনীষীসকলৰ বিশ্লেষণৰ পৰা ফ্ৰান্সৰ কোনো গুহাত অত প্ৰাচীন কালৰ কিছুমান মুখা পিন্ধা চিকাৰীৰ চিত্ৰ পোৱাৰ কথা জানিব পাৰি। গ্ৰীক আৰু ৰোমতো আত্মৰক্ষাৰ কাৰণে মুখা ব্যৱহাৰ কৰাৰ আভাস পোৱা যায়। খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ আগত গ্ৰীক দেশৰ সৈনিকসকলে এবিধ মুখা সংলগ্ন শিৰস্ত্ৰাণ ব্যৱহাৰ কৰিছিল। ইতিহাস লিপিবদ্ধ হোৱাৰ পূৰ্বে মানৱ সভ্যতা শিক্ষিত হোৱাৰ আগৰ (preliterate) সমাজত মুখাৰ ব্যৱহাৰ সম্পৰ্কে বহু সময়ত পুৰাতাত্ত্বিক দ্ৰব্য-সামগ্ৰী, চিত্ৰ আদিৰ অধ্যয়নৰ দ্বাৰা এটা আভাস পাব পাৰি যে মুখাই

এটা সভ্যতাৰ বুৰঞ্জীৰ সাক্ষ্য বহন কৰে। আফ্ৰিকাত মুখা ব্যৱহাৰৰ এটা কাৰণ হ'ল তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ লগত সংযোগ স্থাপন। মুখাৰ ইংৰাজী প্ৰতিশব্দ mask শব্দটো লেটিন শব্দ 'mascus' আৰু 'chew' শব্দৰ পৰা আহিছে। যাৰ অৰ্থ হ'ল চয়তান বা ভূত। গ্ৰীকসকলে মুখা মূলতঃ থিয়েটাৰসমূহত ব্যৱহাৰ কৰে নাটকৰ বাবে। ইয়াৰ উপৰি ৰেণেছাঁ যুগৰ সময়ত মুখাৰ ব্যাপক ব্যৱহাৰ হয়। ভেনিচ কাৰ্নিভেলৰ এহেজাৰ বছৰ পুৰণা উদ্‌যাপন Venetien mask হ'ল আজি পৰ্যন্ত মূল ব্যৱহাৰ। এই কাৰ্নিভেল হ'ল মুখাৰ প্ৰতিষ্ঠাপক।

বিশ্বখ্যাত ভেনিচ কাৰ্নিভেলৰ সময়ত ভেনিচ মুখাৰ বহুল প্ৰচাৰ আৰম্ভ হয়। 'Venetien mask' মুখাৰ সৃষ্টিয়ে এশ বছৰ পুৰণি কাৰ্নিভেলক অনন্যতা প্ৰদান কৰিছে।



অসমতো মুখা অতি প্ৰাচীনকালৰ পৰাই ব্যৱহৃত হৈ আহিছে বুলি জনা যায়। প্ৰাচীনকালৰ মুখাবোৰ সাধাৰণতে কাঠৰ পৰাই তৈয়াৰ কৰা হৈছিল। জীৱ-জন্তুৰ ছাল আৰু অনান্য প্ৰাকৃতিক সামগ্ৰীৰে তৈয়াৰ কৰা মুখা ক্ষণস্থায়ী বাবে কাঠেৰে তৈয়াৰ কৰা মুখাৰ বাবে অন্য ধৰণেৰে তৈয়াৰ কৰা মুখা কম দেখা যায়। পাহাৰী জনগোষ্ঠীৰ লোকসকলৰ চাংঘৰ বা মৰংঘৰ আদি ৰাজহুৱা ঠাইত বহুত সযতনে ৰখা মুখা দেখিবলৈ পোৱা যায়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া ভাওনা, গীত, বাদ্য-নৃত্য আদি চাৰু-কাৰু ক'লাৰে নিৰ্মিত এক শিল্প ৰূপেই নহয়, নিৰক্ষৰ লোকক আখৰ চিনোবাৰ আকৰ্ষণ স্বৰূপে পৰিগণিত হৈছিল। মুখাশিল্পৰ প্ৰথম প্ৰদৰ্শনৰ নিদৰ্শন স্বৰূপে ৰামচৰণ ঠাকুৰকৃত গুৰু চৰিত পুথিখনকে সাক্ষীৰূপে গ্ৰহণ কৰিব পৰা যায়। চৰিত পুথিত থকা পদসমূহৰ পৰাই ঠাৱৰ কৰিব পৰি যে মহাপুৰুষজনাই বাঁহৰ কাঠিৰে মুখা সাজি ভাওনা ঘৰত দেখুওৱা প্ৰথমজন শিল্পী।

মুখাশিল্প হৈছে অসমৰ বৈচিত্ৰ্যপূৰ্ণ লোককলা। শ্ৰীমন্ত শঙ্কৰদেৱে মাজুলীৰ চামগুৰি সত্ৰত প্ৰথমে ভাওনা পৰিবেশনৰ বাবে মুখা শিল্পৰ প্ৰবৰ্তন কৰিছিল। পৰৱৰ্তী সময়ত চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত কুশকান্ত দেৱগোস্বামীয়ে মুখাশিল্পক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়াস চলাইছিল। অসমৰ মুখাশিল্পই তেওঁৰ জৰিয়তে ইণ্ডোনেছিয়াত যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

ইয়াৰ পিছত সত্ৰাধিকাৰজনে পৃথিৱীৰ আন আন দেশত মুখাশিল্প প্ৰদৰ্শন কৰি বিশ্বদৰবাৰত এই শিল্পক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা লগতে সন্মান লাভ কৰিবলৈও সক্ষম হৈছিল। বৰ্তমান সময়ত প্ৰসন্ন গোস্বামীদেৱে মাজুলীৰ চামগুৰি সত্ৰত এই শিল্প জীয়াই ৰাখিবলৈ প্ৰয়াস কৰিছে। প্ৰসন্ন গোস্বামীৰ লগতে তেওঁৰ তিনিজন ককাই-ভাই আৰু ভতিজাক কেইজনো মুখাশিল্পৰ লগত জড়িত। বৰ্তমান সময়ত বিদেশী পৰ্যটকসকলে মাজুলীৰ চামগুৰি সত্ৰলৈ গৈ মুখাশিল্প প্ৰদৰ্শন কৰাৰ লগতে নিজৰ ঘৰত সজাই ৰাখিবৰ বাবে তথা সংগ্ৰহালয়ত সংৰক্ষণৰ বাবে ক্ৰয় কৰি লৈ যায়। যাৰ ফলত মাজুলীৰ মুখাশিল্পই বহিৰ্বিভাগত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। চৰকাৰে মুখাশিল্পৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে যদিও বহুখিনি ব্যৱস্থা হাতত লৈছে যদিও সেইয়া পৰ্যাপ্ত নহয়। চৰকাৰে মুখাশিল্পৰ লগতে শিল্পীসকলক বিভিন্ন ধৰণে সাহায্য প্ৰদান কৰি অসমৰ এই আপুৰুগীয়া শিল্পবিধ জীয়াই ৰখাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা উচিত। এই ক্ষেত্ৰত অসমৰ বাহিৰেও এই শিল্পবিধৰ গুৰুত্ব অনুধাৱন কৰি অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে।

মুঠৰ ওপৰত মুখাৰ ব্যৱহাৰ আৰু মুখাৰ শিল্পই বিভিন্ন সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তৰ সংস্কৃতি, জীৱন শৈলী আৰু মনোৰঞ্জনৰ বিভিন্ন দিশক উপস্থাপন কৰি আহিছে। সময় অনুসৰি মুখাৰ পৰম্পৰাগত সৃষ্টি আৰু ব্যৱহাৰৰ প্ৰয়োগ সলনি হোৱাৰ লগতে আধুনিক প্ৰযুক্তি আৰু উন্নত কাৰিকৰীৰ কৌশলেৰে নতুনত্ব আনিছে। পৰম্পৰাগত থলুৱা পদ্ধতিৰ পৰিবৰ্তে কৃত্ৰিম আৰু অত্যাধুনিক পদাৰ্থৰ মুখাই গোলকীয়কৰণৰ জৰিয়তে ব্যৱসায়িক দিশেৰেও বজাৰ আৰু প্ৰতিযোগিতাৰ দ্বাৰা বিভিন্ন সময়ত মুখাৰ ক্ষেত্ৰখনত প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। পৰম্পৰাগত শৈলীৰ এই মুখা শিল্পৰ আকৰ্ষণ সদায় যাতে একে থাকক বা কমি নাযায় এয়াই প্ৰণিধানযোগ্য হৈ ৰওক।

■ *বিশ্বজিত হাজৰিকা দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ*





# অৰণ্য মানৱ যাদৱ পায়েং

বিদিশা শৰ্মা

বিশাল অঞ্চলজুৰি থকা অৰণ্যখন যাদৱ পায়েঙৰ সন্মানাৰ্থে 'মুলাই কাঠনি' নামেৰে নামকৰণ কৰা হৈছে। ১৯৮০ চনৰ পৰাই তেখেতে অৰণ্য সৃষ্টিৰ অভিযান আৰম্ভ কৰে। মুলাই কাঠনি অৰণ্যখন তেখেতৰ অশেষ কষ্টৰ ফলতে সৃষ্টি হৈছে। বৰ্তমান সেই অৰণ্যখনত বহুতো মূল্যবান গছ-গছনি যেনে— অৰ্জুন, এজাৰ, কৰৈ, মজ, শিমলু আদি লগতে বহু প্ৰজাতিৰ প্ৰাণীৰ ভিতৰত— গঁড়, টেকীয়াপতীয়া বাঘ, হৰিণা, বিভিন্ন ধৰণৰ পৰিভ্ৰমী চৰাই আদি পোৱা যায়। তেখেতৰ এই কষ্টৰ ফলতহে আজি এইখন অৰণ্যই এই অৱস্থা পাইছেহি।

আজিৰ পৰা প্ৰায় কিছু বছৰ আগতে নতুন দিল্লীত অৱস্থিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেওঁক 'ভাৰতৰ অৰণ্য মানৱ' (Forest Man of India) উপাধি প্ৰদান কৰিছে। তেওঁক ২০১৫ চনৰ ২৬ জানুৱাৰীৰ দিনা পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হয়। অশেষ কষ্টৰ ফলতহে বৰ্তমান যাদৱ পায়েঙে এই সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে।

১৯৭৯ চনত ষোল্ল বছৰ বয়সত যাদৱ পায়েঙে বানপানীয়ে উটুৱাই অনা বহু সাপ মৃত্যু মুখত পৰা প্ৰত্যক্ষ কৰিছিল আৰু অন্তৰত বহুত দুখ পাইছিল। তেতিয়াই ১৯৮০ চনত গোলাঘাট জিলাৰ বন বিভাগে ককিলামুখৰ পৰা ৫ কিলোমিটাৰ দূৰত ঔৰণামুখ চাপৰিত ২০০ হেক্টৰ অঞ্চলত বৃক্ষৰোপণৰ আঁচনি গ্ৰহণ কৰিছিল। এই গোটেই আঁচনিখনৰ কাম সম্পূৰ্ণ হওঁতে প্ৰায় পাঁচ বছৰ লাগিছিল। কিন্তু এই পাঁচ বছৰৰ ভিতৰতে এই প্ৰকল্পটোত কাম কৰি থকা বহুতো কৰ্মী আঁতৰি গৈছিল। একমাত্ৰ যাদৱ পায়েঙে এই কামটোৰ লগত শেষলৈকে জড়িত

আছিল আৰু তেওঁ বহুতো বৃক্ষ ৰোপণ কৰি তাৰ প্ৰতিপালনৰ কাম আৰম্ভ কৰিছিল। সেইখনেই বৰ্তমান 'মুলাই কাঠনিবাৰী' বুলি নাম থোৱা বিখ্যাত অৰণ্যখন। যাদৱ পায়েঙৰ উপনাম আছিল মুলাই আৰু সেই নামৰ অনুসৰিয়ে অৰণ্যখনৰ নাম 'মুলাই কাঠনিবাৰী' বুলি নামকৰণ কৰা হয়। বৰ্তমানে অৰণ্যখনৰ প্ৰায় ৫৫০ হেক্টৰ মাটিত কেৱল বাঁহ গছেই আছে।


সঁচাকৈয়ে ইমান কষ্ট, ইমান ধৈৰ্যৰ বলতহে যাদৱ পায়েঙে আজি সেই অৰণ্যখনক বৰ্তমানৰ অৱস্থালৈ আনিছে। তেখেতৰ এই কষ্টক, ধৈৰ্যক আমি সন্মানেৰে সুঁৱৰিছোঁ।

কিন্তু কেইবছৰমান আগতে চোৰাং চিকাৰীয়ে হাবিখনত থকা গঁড় হত্যা কৰিবলৈ চেষ্টা চলাই যদিও যাদৱ পায়েঙে বন বিভাগক এই কথা অৱগত কৰে আৰু বন বিভাগে আহি চোৰাং চিকাৰীয়ে পাতি থোৱা বিভিন্ন বস্তু জব্দ কৰে। যাদৱ পায়েঙে এই হাবিখনক আৰু ভালকৈ চোৱা-চিতা কৰিবলৈ লগতে অসমৰ আন আন ঠাইতো এই কাম আৰম্ভ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। তেখেতৰ বৰ্তমানৰ লক্ষ্য ব্ৰহ্মপুত্ৰ নদীৰ আন এটা চাপৰিত গছ ৰোৱা আৰু প্ৰতিপালন কৰা।

যদি অসমৰ প্ৰতিজন ব্যক্তিয়ে যাদৱ পায়েঙৰ দৰে মনোভাবেৰে একো একোটা লক্ষ্যৰে আগবাঢ়ে তেনেহলে অসমখন সঁচাকৈয়ে সৌন্দৰ্যৰে ভৰি পৰিব। অসমৰ হাবিত পোৱা মূল্যবান গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি আদিবোৰ হত্যা কৰা প্ৰতিজন হত্যাকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ

১৯৭৯ চনত যোল্ল বছৰ বয়সতে যাদৱ পায়েঙে বানপানীয়ে উটুৱাই অনা বহু সাপ মৃত্যু মুখত পৰা প্ৰত্যক্ষ কৰিছিল আৰু অন্তৰত বহুত দুখ পাইছিল। তেতিয়াই ১৯৮০ চনত গোলাঘাট জিলাৰ বন বিভাগে ককিলামুখৰ পৰা ৫ কিলোমিটাৰ দূৰত ঔনামুখ চাপৰিত ২০০





হেক্টৰ অঞ্চলত বৃক্ষৰোপণৰ আঁচনি গ্ৰহণ কৰিছিল। এই গোটেই আঁচনিখনৰ কাম সম্পূৰ্ণ হওঁতে প্ৰায় পাঁচ বছৰ লাগিছিল। কিন্তু এই পাঁচ বছৰৰ ভিতৰতে এই প্ৰকল্পটোত কাম কৰি থকা বহুতো কৰ্মী আঁতৰি গৈছিল।

ব্যৱস্থা গ্ৰহণ কৰা উচিত। এই নিৰীহ জীৱবোৰক হত্যা কৰাৰ অধিকাৰ কিন্তু আমাৰ কাৰো নাই। আমি প্ৰতিজন ব্যক্তিয়ে যাদৱ পায়েঙৰ আদৰ্শৰে অনুপ্ৰাণিত হওঁ তেতিয়াহলে আমাৰ সমাজৰ পৰা গঁড় হত্যা, হাতী দাঁত, বাঘৰ ছাল আদি কাটি লৈ যোৱা চোৰাং চিকাৰীৰ সংখ্যা কমি যাব।

অশেষ কষ্ট আৰু ধৈৰ্যৰ বলতে তেখেতে ভাৰত চৰকাৰৰ পৰা বহুতো সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২০২০ চনত তেখেতক ১২৮ সংখ্যক 'কমনৱেল্থ পইন্টছ্ অৱ লাইট এৱাৰ্ড' বঁটাৰ বাবে নিৰ্বাচন কৰা হয়। পৰিৱেশ সুৰক্ষালৈ আগবঢ়োৱা স্বেচ্ছামূলক অৱদানৰ বাবে দ্বিতীয় ৰাণী এলিজাবেথে তেখেতক এই স্বীকৃতি দিয়ে। ২০২০ চনৰ ১১ মাৰ্চত ব্ৰিটিছ্ উপ-উচ্চায়ুক্ত নিক্‌লিয়ে তেখেতক আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰে।

আহকচোন আমি সমাজৰ প্ৰতিজন ব্যক্তিয়ে আমাৰ অসমখনক সৌন্দৰ্যৰে ভৰপূৰ কৰি তোলোঁ। প্ৰতিজনে যাদৱ পায়েং ডাঙৰীয়াৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমাৰ নতুন প্ৰজন্মকো এই আদৰ্শ দেখুৱাও। তেতিয়াহে আমাৰ অসমখন ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বতে জিলিকি উঠিব।

■ বিদিশা শৰ্মা দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী









# সমন্বয়ৰ উৎসৱ জোনবিল মেলা

হৰিপ্ৰিয়া হাজৰিকা

**অসমৰ** এটা অতি আকৰ্ষণীয় উৎসৱ হ'ল জোনবিল মেলা। এই জোনবিল মেলা মৰিগাঁও জিলাৰ মধ্যৱৰ্তী অঞ্চলৰ জাগীৰোডৰ পৰা উত্তৰে তিনি কিলোমিটাৰ দূৰত্বত অৱস্থিত জোনবিলৰ পাৰত অনুষ্ঠিত হয়। প্ৰতি বছৰৰ মাঘ বিহুৰ পিছৰ সপ্তাহত এই জোনবিল মেলা অনুষ্ঠিত হয়। প্ৰায় ৫০০ বছৰ পুৰণি জোনবিল মেলা জোনবিলৰ পাৰত আজিও বৰ্তি আছে।

তিৱা জনগোষ্ঠীৰ লোকসকলৰ এক জাতীয় ইতিহাস হৈছে জোনবিল মেলা। এই মেলাৰ বিশেষ তাৎপৰ্য হৈছে পাহাৰত বসবাস কৰা তিৱা লোকসকলে তাত উৎপাদিত বিভিন্ন থলুৱা খাদ্য ভৈয়ামত বসবাস কৰা তিৱা অথবা অন্য জনগোষ্ঠীয় লোকসকলে তৈয়াৰ কৰা পিঠা, সান্দহ, শুকান মাছ আদিৰ সৈতে বিনিময় কৰে। জোনবিল মেলাক পাহাৰ-ভৈয়ামৰ লোকসকলৰ সমন্বয়ৰ যোগসূত্ৰ বুলি কোৱা হয়। জাতি, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলোৱে দ্ৰব্য সামগ্ৰী বিনিময় কৰে।

সেয়ে এই মেলাক সম্প্ৰীতিৰ মেলা বুলিও কোৱা হয়। গোভা দেওৰজাৰ দিনৰ পৰা জোনবিল মেলা অনুষ্ঠিত হোৱা বুলি কোৱা হয়। এবাৰ ৰজা-ৰাণী ফুৰিবলৈ যাওঁতে এখন বিলৰ কাষ পাইছিল। বিলখনৰ ফটফটীয়া পানীখিনিত জোনৰ পোহৰ পৰি জিলিকি উঠিছিল। তাকে দেখি ৰজা-ৰাণীৰ মনত আনন্দ লাগিছিল আৰু তেতিয়া ৰজাই ৰাণীক কৈছিল, 'হেৰে চুনাই পিল হওদ' অৰ্থাৎ এই বিলখন জোনটোৰ দৰে। তিৱা ভাষাত চুনাই মানে হৈছে জোন। এই চুনাই পিলৰ পৰাই অপভ্ৰংশ হৈ চুনাই পিল—জনাই পিল—জোনবিল হোৱা বুলি এক কিংবদন্তি আছে।

ভৌগোলিক দৃষ্টিকোণৰ পৰা দেখা যায় যে জোনবিলখনৰ আকৃতি কাঁচি জোনটোৰ দৰে, সেইবাবে হয়তো বিলখনৰ নাম জোনবিল হ'ব পাৰে।

জোনবিল মেলাৰ বিষয়বস্তু হৈছে বিনিময় প্ৰথা। বৰ্তমান একবিংশ শতিকা। এই শতিকাত টকা-পইচাৰে ক্ৰয়-বিক্ৰয় কৰা সময়ত জোনবিল মেলাত থলুৱা খাদ্য দ্ৰব্যৰে আদান-প্ৰদান কৰা দেখা যায়।

পাহাৰৰ তিৱা লোকসকলে উৎপাদন কৰা খাদ্য, শস্য, কৃষি সামগ্ৰী যেনে কচু, হালধি, জলকীয়া, বাঁহগাজ, ঠেকেৰা,

লাও, শালধুনা আদি ভৈয়ামৰ লোকসকলৰ সান্দহ, পিঠা, মাছ আদিৰ সৈতে বিনিময় কৰে। এই বিনিময় মেলাত বহু দূৰ-দূৰণিৰ জনগোষ্ঠীয়েও অংশ গ্ৰহণ কৰে। তাৰ ভিতৰত গাৰো, কাৰ্বি, জয়ন্তীয়া আদি। বিনিময় প্ৰথা আৰম্ভ হোৱাৰ সমান্তৰালভাৱে সেই মেলাৰ কাষত কুকুৰাযুঁজ আৰম্ভ কৰা হয়। এই কুকুৰাযুঁজ খেলখনো ৰজাৰ দিনৰ পৰা চলি অহা এক প্ৰথা।

জোনবিল মেলাৰ ইতিহাস চালে দেখা যায় যে গৱেষকসকলে পশ্চিম নগাঁও আৰু মায়াঙকে ধৰি গোভা ৰাজ্যৰ কথা স্মৰণ কৰে। গোভা ৰাজ্যৰ পুৰণি বাসিন্দাসকলে অৰ্থাৎ তিৱা বা লালুং সম্প্ৰদায়ৰ মানুহসকল। এই গোভা ৰাজ্যৰ সম্প্ৰীতিৰ নিদৰ্শন জোনবিল মেলাৰ সম্বন্ধে কাহিনী আছে। গং বাং লালুঙৰ সাঁচিপতীয়া পুথিৰ পৰা উদ্ধাৰ কৰা কাহিনী মতে, তিৱাসকলে জয়তা ৰাজ্যৰ উত্তৰাঞ্চলত বাস কৰিছিল।





তাৰে এটা পৰিয়ালত লাং বৰ আৰু লুং বৰ নামৰ দুজন ভাই-ককাইৰ জন্ম হৈছিল। লাং বৰ আছিল চিকাৰপ্ৰিয় মানুহ। লাং বৰে চিকাৰ কৰি ফুৰোঁতে এদিন জয়তা ৰাজ্যৰ ৰাজধানী চৌহদত সোমাই পৰিছিল। তেওঁ নিজৰাৰ ঘাটত জয়তা কুমাৰী হিলালী আৰু অন্যান্য মহিলাসকলে স্নান কৰিবলৈ অহা দেখিছিল। কেইবাবাৰো সাক্ষাৎ হোৱাৰ পিছত লাং বৰ আৰু হিলালীৰ এই পৰিচয় প্ৰেম-প্ৰণয়ত পৰিণত হয়। অহুকাণে-পহুকাণে এই কথা জয়তা ৰজাৰ কাণত পৰাত তেওঁ খঙত অগ্নিশৰ্মা হৈ লাং বৰক সেনাপতিৰ হতুৱাই বন্দী কৰে। তাৰ পিছত ৰাজধানীত বিচাৰ সভা বহুৱাই লাং বৰক শাস্তি হিচাপে বলি দিয়াৰ ৰায় দিয়ে। কিন্তু জয়তা ৰজাৰ মৰমৰ জীয়ৰী হিলালীৰ প্ৰাৰ্থনাত লাং বৰক সেনাপতিৰ পদত অধিষ্ঠিত কৰে। শেষত জয়তা ৰাজ্যৰ দাঁতি কাষৰীয়া উত্তৰ অঞ্চলটো দান কৰি গোভা নৈৰ পাৰৰ ফুলগুৰিত ৰাজদৰবাৰ পাতি উত্তৰে কপিলীলৈকে ভূ-খণ্ড অৰ্পণ কৰিলে। তিৱা সংস্কৃতিৰ ৰূপৰেখা নামৰ গ্ৰন্থত লেখক গৱেষক লোকেশ্বৰ





> জাগীৰোডৰ জোনবিলৰ পাৰত প্ৰতি মাঘ মাহৰ আৰম্ভণিতে অনুষ্ঠিত জোনবিল মেলাত প্ৰাচীন অৰ্থনীতিত বিশেষ গুৰুত্ব লাভ কৰা বিনিময় প্ৰথা আজিও বৰ্তি বা প্ৰচলিত হৈ আছে।



গগৈৰ মতে লাং বৰক ৰজাই দিব খোজা শাস্তিৰ কথা শুনি ৰাজকুঁৱৰী হিলালী কেইবাদিনো ভাত-পানী নাখাই শুকাই-ক্ষীণাই যাবলৈ ধৰিলে।

এদিন হিলালী মূৰ্ছা গৈ হঠাৎ মাটিত ঢলি পৰিল। একমাত্ৰ জী হিলালীৰ এনে অৱস্থা দেখি মাকো মূৰ্ছা গ'ল। ৰাজ্যত হাহাকাৰ লাগিল। ৰজাই নানা বেজ-জ্ঞানী লগালে, কিন্তু সুফল নহ'ল। জয়তাৰ নাৰীয়ে কান্দি কান্দি গছৰ পাত সৰাই ৰাজ্যৰ চাৰিওফালে কান্দোনৰ ৰোল শুনি জয়তা ৰজাৰ মন মুকলি হ'ল আৰু হঠাৎ ৰাজসভা বহুৱাই লাং বৰক বলি দিয়াৰ আদেশ প্ৰত্যাহাৰ কৰিলে। কিছুদিনৰ পিছত ৰজাৰ আদেশত লাং বৰক সেনাপতি পদত অধিষ্ঠিত কৰিলে। জয়তাৰ প্ৰথামতে ঘৰ-জোঁৱাই হ'লে জোঁৱাইক সম্পত্তিৰ একাংশ দিব লাগে। সেয়ে জয়তা ৰাজে বৃদ্ধবয়সত ৰাজদৰবাৰ পাতি ঘৰ জোঁৱাইয়েকক ৰাজ্যৰ একাংশ অৰ্পণ কৰিলে। লাং বৰৰ ৰাজ অভিষেক অনুষ্ঠানত মাঘবিহুত সাতদিনৰ পিছত অনুষ্ঠিত হৈছিল, যি অভিষেক পৰৱৰ্তীকালত বিহু উৎসৱ আৰু পিছত মেলালৈ ৰূপান্তৰিত হৈছিল। সেয়ে গোভা ৰাজ্যৰ তিৱাসকলে মাঘবিহুৰ উৰুকাৰ সাতদিনৰ পিছত শনি আৰু দেওবাৰে মেলা অনুষ্ঠিত কৰি আহিছে। লাং বৰৰ পিছত ৰজা জোনসিঙৰ দিনত ৰাজ্যৰ মধ্যস্থলত এখন বিলৰ পাৰত মহা আড়ম্বৰে মেলা উদ্‌যাপন কৰা হয়।



গোভা ৰজাৰ সংৰক্ষিত বিল ৰূপে ধাৰ্য কৰা এই বিলৰ নাম ৰজাজনৰ নাম অনুসৰি জোনবিল হয়। মাঘ বিহুৰ উৰুকাৰ পিছৰ বৃহস্পতিবাৰৰ সন্ধিয়াৰ পৰাই ৰজা ঘৰৰ আদেশ ক্ৰমে জোনবিলত গোভা ৰাজ্যৰ প্ৰজাই সমূহীয়াভাৱে মাছ ধৰে। ইয়াৰ প্ৰতিজন মাছুৱৈৰ পৰা কিছু মাছ ৰজা ঘৰত মাননি হিচাপে দি যোৱা প্ৰথা প্ৰচলন আছে। জোনবিল মেলাত ডা-ডাঙৰীয়া, বিষয়া, ঢুলীয়া, কালীয়া সমন্বিতে ৰাজদৰবাৰ পাতি বহা আৰু কৰ-ভাৰ গ্ৰহণ কৰাৰ ৰীতি আজিও প্ৰচলন আছে। দৰবাৰত ৰাজ পাটৰ বৰবৰুৱা, বৰদলৈ, তামুলী আদি বিষয়া উপস্থিত থাকে। আনহাতে জোনবিল মেলাত বিহুৰ খাদ্যৰ বিনিময় কৰিবলৈ কৃষিজাত সামগ্ৰীৰ মেটমৰা বোজাৰে পাহাৰৰ মামা-মামীহঁত নামি আহে আৰু উভতি যাওঁতে পিঠা, সান্দহ, শুকান মাছ আদিৰ মেটমৰা বোজা লৈ পাহাৰলৈ উভতে। পাহাৰৰ তিৱাসকলে ভৈয়ামৰ তিৱা বাইজৰ দৰে ৰঙালী, কঙালী আৰু ভোগালী বিহু উদ্‌যাপন নকৰে। পাহাৰৰ তিৱা জনজাতীয় লোকসকলে জোনবিল মেলাৰ পৰা বিনিময় প্ৰথাৰে গোটাই নিয়া সান্দহ-পিঠা, পৰিয়ালবৰ্গই মিলি মাঘ বিহু উৎসৱৰ দিনকেইটা খাই বৈ বিহু উদ্‌যাপনৰ আনন্দ উপভোগ কৰে।

জাগীৰোডৰ জোনবিলৰ পাৰত প্ৰতি মাঘ মাহৰ আৰম্ভণিতে অনুষ্ঠিত জোনবিল মেলাত প্ৰাচীন অৰ্থনীতিত বিশেষ গুৰুত্ব লাভ কৰা বিনিময় প্ৰথা আজিও বৰ্তি বা প্ৰচলিত হৈ আছে। আধুনিক মুদ্ৰাৰ প্ৰচলনে এই প্ৰথাৰ গুৰুত্ব কমালেও পাহাৰ-ভৈয়ামৰ লোকসকলৰ জন-জীৱন আৰু লোক-সংস্কৃতিৰ আঁহে আঁহে জোনবিল মেলা আজিও বিৰাজমান হৈ আছে। জোনবিলৰ পাৰত অনুষ্ঠিত হোৱা শতিকা পুৰণি জোনবিল মেলা অসমবাসীৰ বাবে এক গৌৰৱৰ থল।

আশা কৰোঁ, বৰ্তমান আধুনিক ৰজাৰ ব্যৱস্থাত এই জোনবিল মেলাৰ তাৎপৰ্য কেতিয়াও হেৰাই নাযায়।

■ হৰিপ্ৰিয়া হাজৰিকা দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী



# ঐতিহ্যমণ্ডিত কলিয়াবৰত স্থাপিত সত্ৰসমূহৰ চমু বিৰৰণ

ৰূপী গোস্বামী

নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰৰ অন্যতম মাধ্যম আছিল সত্ৰানুষ্ঠানসমূহ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত নৱ বৈষ্ণৱ আন্দোলনৰ ঢৌৱে সমগ্ৰ অসমতে এক নৱ জাগৰণৰ সূচনা কৰিলে। জাতি-ধৰ্ম নিৰ্বিশেষে তেওঁৰ প্ৰৱৰ্তিত ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈয়ে কলিয়াবৰতো এই ধৰ্মৰ প্ৰভাৱত গঢ়ি উঠিল বিভিন্ন সত্ৰ-নামঘৰ।

কলিয়াবৰত ঊনবিংশ শতিকাৰ আগলৈকে ছয়অৰা এখন সত্ৰ অৰ্থাৎ ২৫ খন সত্ৰ আছিল যদিও পৰৱৰ্তী সময়ত প্ৰব্ৰজন সূত্ৰেই হওক বা অন্য কাৰণতেই হওক বৰ্তমান ৩৬ খন সত্ৰ কলিয়াবৰত আছে আৰু কেইখনমান সত্ৰ কলিয়াবৰ পৰা স্থানান্তৰিত হৈ অন্য ঠাইত প্ৰতিষ্ঠা হৈছেগৈ। এতিয়া আমি কলিয়াবৰৰ সত্ৰসমূহৰ চমু বিৰৰণ দাঙি ধৰিবলৈ আগবাঢ়িছোঁ।

**জখলাবন্ধা সত্ৰ ঃ**

৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষত জখলাবন্ধা সত্ৰ অৱস্থিত। আহোম স্বৰ্গদেউ খোৰা ৰজাৰ ৰাজত্ব কালত ১৫৫৮ খ্ৰীঃ শ্ৰীশ্ৰীজখলাবন্ধা সত্ৰভাগ প্ৰতিষ্ঠা হৈছিল। ইয়াৰ প্ৰতিষ্ঠাপক আছিল কৃষ্ণানন্দ। এই সত্ৰৰ বিশেষ আকৰ্ষণ হৈছে চাৰি হস্তযুক্ত শিলৰ মূৰ্তি। এই সত্ৰত দৌল গোবিন্দৰ মূৰ্তি আছে বাবে এই সত্ৰক দৌল গোবিন্দ সত্ৰ বুলিও কয়। এই মূৰ্তিৰ আগত কল উছৰ্গা কৰিলে আচিনাই ভাল হয়। সেইবাবেই এই গোসাঁইৰ আন এটা নাম আচিনাই গোসাঁই।

**শ্ৰীশ্ৰীশ্যামকানু সত্ৰ ঃ**

পূবথৰীয়া মৌজাৰ লাঙি ৰাজহ গাঁৱত শ্ৰীশ্ৰীশ্যামকানু সত্ৰ অৱস্থিত। এই সত্ৰভাগ প্ৰতিষ্ঠা হৈছিল ১৬১৮ খ্ৰী. (১৫৪০ শক)। সতানন্দদেৱৰ দ্বিতীয় পুত্ৰ মহাকৃষ্ণৰ পুত্ৰ ৰামচৰণ আতাৰ সাধুতাত মুগ্ধ হৈ মোমাই তামুলী বৰবৰুৱাই কলিয়াবৰৰ চিলাবন্ধা বিলৰ পাৰত এই সত্ৰভাগ সজাইছিল। ৰামচৰণৰ পুত্ৰ শ্যামকানু আতাৰ নাম অনুসৰিয়েই এই সত্ৰৰ নাম শ্ৰীশ্ৰীশ্যামকানু সত্ৰ হয় বুলি প্ৰবাদ আছে। এই সত্ৰৰ উপাস্য মূৰ্তি বংশীবাদনৰ মূৰ্তি (কৃষ্ণ)। এই সত্ৰত থকা পুথিসমূহ যেনে— ভাগৱত, গুণমালা, বুঢ়াভাষ্য ইত্যাদি।

**শ্ৰীশ্ৰীপুৰণিগড় (পুৰণিঘৰ) সত্ৰ ঃ**

কমতাৰ ৰজাই অনা সাতঘৰ কায়স্থৰ অন্যতম সদানন্দৰ বংশধৰ সতানন্দ ওৰফে দেৱী দাস। সতানন্দৰ মৃত্যুৰ পাছত চাৰিপুত্ৰ— জয়কৃষ্ণ, মহাকৃষ্ণ, তাহিকৃষ্ণ আৰু শ্ৰীকৃষ্ণ। ডফলাৰ আক্ৰমণত চাৰিওজন ভাতৃ উত্তৰ পাৰৰ পৰা কলিয়াবৰ পাইহি। চাৰিওজনে বেলেগ বেলেগ সত্ৰ পাতে। জয়কৃষ্ণদেৱে প্ৰথমে জয়সাগৰৰ পাৰত খুঁটা মাৰি সত্ৰ পাতে যদিও কিছুদিন পিছত পূবথৰীয়া অঞ্চললৈ গৈ গড় মাৰি সত্ৰ পাতে। এই সত্ৰৰ উপাস্য বিগ্ৰহ কলীয়া গোসাঁই। ইয়াৰ উপৰি শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পদশিলা সত্ৰত বিৰাজমান।

**শ্ৰীশ্ৰীআমগুৰি কৰতিপাৰ পুৰণি সত্ৰ ঃ**

এই সত্ৰভাগ প্ৰতিষ্ঠিত হৈছে কলিয়াবৰ চতিয়াল মৌজাত। আহোম ৰজা জয়ধ্বজ সিংহৰ দিনত কলিয়াবৰৰ খৰভী বৰুৱা গাঁৱত এজোপা প্ৰকাণ্ড আমগছৰ ওচৰত ১৬৫০ খ্ৰী.ত এই সত্ৰ স্থাপন কৰিছিল। এই সত্ৰৰ প্ৰতিষ্ঠাপক আছিল শ্ৰীৰাম আতাৰ পুত্ৰ পৰমানন্দদেৱ। এই সত্ৰখনত আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত স্থাপন হোৱা চতুৰ্ভূজ ৰামদেৱ মূৰ্তি আৰু কলীয়া বংশীবাদন মূৰ্তি আছে। ৪০ খন সাঁচিপতীয়া পুথি, ১২০ গছ বন্তি জ্বলাব পৰা গছা আমগুৰি কৰতিপাৰ পুৰণিসত্ৰৰ আপুৰুগীয়া সম্পদ। সত্ৰৰ আন এটা ডাঙৰ সম্পদ হৈছে সাতপুৰা মাহ-চাউল ধৰা বৰ শৰাইখন।

**শ্ৰীশ্ৰীআমগুৰি কৰতিপাৰ ন-সত্ৰ ঃ**

শ্ৰীশ্ৰীআমগুৰি কৰতিপাৰ পুৰণি সত্ৰৰ অধিকাৰ যদুদেৱৰ নাতিৰ পুত্ৰ বসুদেৱে এই পুৰণি সত্ৰৰ পৰা ওলাই আহি এমাইলমান আঁতৰত চতিয়াল মৌজাৰ খৰভী বৰুৱা চুবৰ পূবত নতুনকৈ ১৮৫৪ খ্ৰী. (১৭৭৬ শক)ত এই সত্ৰভাগ প্ৰতিষ্ঠা কৰে। সেয়েহে এই সত্ৰভাগৰ নাম হ'ল কৰতিপাৰ ন-সত্ৰ। সত্ৰখনৰ উল্লেখযোগ্য পুথি হ'ল ৰত্নাকৰ।

**শ্ৰীশ্ৰীদক্ষিণপাট দেৱৰ সত্ৰ ঃ**

চতিয়াল মৌজাৰ জখলাবন্ধাত শ্ৰীশ্ৰীদক্ষিণপাট দেৱৰ সত্ৰ প্ৰতিষ্ঠিত। আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই বনমালীদেৱৰ অলৌকিক ৰূপ-গুণৰ কথা শুনি তেখেতক কোচ ৰাজ্যৰ পৰা কলিয়াবৰলৈ আনি ১৬৫৩ খ্ৰী. (১৫৭৫ শক)ত কলিয়াবৰত এই সত্ৰ স্থাপন কৰি বনমালী দেৱক ৰখাৰ দিহা কৰিছিল। বনমালী দেৱৰ নামেৰে সত্ৰৰ নাম দেৱৰ সত্ৰ হয়। এই সত্ৰখনত দৌলৰ ভিতৰত শ্ৰীশ্ৰীনৃসিংহ আৰু শ্ৰীশ্ৰীবাসুদেৱক বেলেগে বেলেগে প্ৰতিষ্ঠা কৰি ৰখা হৈছে।

**শ্ৰীশ্ৰীবাঘৰ গঞা বা কঁহুৰাতলী সত্ৰ ঃ**

মাজুলীৰ কঁহুৰাতলীত সত্ৰ পাতোতে পুৰুষোত্তমদেৱে এটা বাঘৰ নেজত ধৰি ঘূৰাই মাৰি পেলাইছিল বাবেই সত্ৰৰ নাম বাঘৰ গঞা। শ্ৰীশ্ৰীবাঘৰ গঞা বা কঁহুৰাতলী সত্ৰভাগ পুৰুষোত্তম আতাৰ উত্তৰপুৰুষ হেমকান্তদেৱে চতিয়াল মৌজাৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত সৰুভগীয়াত। এই সত্ৰভাগত এতিয়াও সংৰক্ষিত হৈ আছে বহতো পুৰণি কীৰ্তন পুথি, সাঁচিপতীয়া গীতা, দশম আদিৰ উপৰি সত্ৰখনৰ উপাস্য বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি।

**শ্ৰীশ্ৰীবৰভকতি সত্ৰ ঃ**

পূবথৰীয়া মৌজাৰ দুলাল মাধৱ দেবালয়ৰ সমীপত এই সত্ৰ অৱস্থিত। জয়কৃষ্ণৰ পুত্ৰ বলাই আতাই পুৰণিগড় সত্ৰৰ পৰা আহি স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰাজত্বত ১৬৬৭ খ্ৰী.ত এই সত্ৰভাগ প্ৰতিষ্ঠা কৰে। সতানন্দদেৱৰ গুৰু প্ৰদত্ত 'বৰভকত' সম্মানৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ তেওঁৰ নাতি বলাইৰাম দেৱে সত্ৰৰ নাম বৰভকতি ৰাখে। এই

সত্ৰভাগত কেইখনমান সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে। এই সত্ৰৰ বিগ্ৰহ লাৰুৱা গোপাল, বংশীবাদন মূৰ্তি আৰু উপাস্য মূৰ্তি কলীয়া গোসাঁই হোৱাৰ বাবে সত্ৰৰ থানভাগ কলিয়া গোসাঁই থান নামেৰে জনাজাত।

**শ্ৰীশ্ৰীভলাগুৰি সত্ৰ :**

শ্ৰীশ্ৰীভলাগুৰি সত্ৰভাগ ৰামগোবিন্দদেৱে ১৬৭১ খ্ৰী. (১৫৯৩ শক)ত প্ৰতিষ্ঠা কৰিছিল। পূৱথৰীয়া মৌজাৰ পূৱথৰীয়া গাঁৱত এই সত্ৰ অৱস্থিত। ইয়াৰ পূৰণি নাম আছিল ভেদেলী ভাণ্ডাৰ বা ভেদেলী ভঁৰাল। ভলা গছৰ কাষত সত্ৰ পতা কাৰণে এই সত্ৰভাগৰ নাম ভলাগুৰি বুলি এক প্ৰবাদ আছে। এই সত্ৰত থকা সম্পদসমূহ হ'ল প্ৰকাণ্ড ডবা, কাঁহ, ছয় খলপীয়া সিংহাসন, সত্ৰৰ উপাস্য দেৱতা মূৰ্তি কলীয়া গোসাঁই।

**শ্ৰীশ্ৰীবিহিমপুৰ সত্ৰ :**

কুঁৱৰীটোলৰ ওচৰৰ কলঙৰ দক্ষিণ দিশত অৱস্থিত। গুৰুজনাৰ সৰু নাতি চতুৰ্ভুজ ঠাকুৰদেৱৰ আজ্ঞাপৰ এইভাগ সত্ৰ মাজুলীৰ পৰা গংগাৰাম আতা আহি বিহিমপুৰ সত্ৰ প্ৰতিষ্ঠা কৰিছিল ১৭১১ খ্ৰী. (১৬৬৩ শক)ত।

**শ্ৰীশ্ৰীচামগুৰি সত্ৰ :**

শ্যামগছক কেন্দ্ৰ কৰি এই সত্ৰ প্ৰতিষ্ঠা হৈছিল বাবে সত্ৰৰ নাম শ্যামগুৰি বা পিছলৈ চামগুৰি সত্ৰ হ'ল। চক্ৰপাণি আতাৰ পুত্ৰ ধৰ্মনাৰায়ণ নগাঁৱৰ মেৰবিল আশ্ৰমত সত্ৰ স্থাপন কৰিছিল। তেখেতৰ পুত্ৰ বিষ্ণু দাস। বিষ্ণুদাসৰ পুত্ৰ বিশ্বম্ভৰ আতাই পূৱথৰীয়াত ১৭৪৮ খ্ৰীঃ (১৬৫০ শক)ত এই সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰত শংকৰদেৱৰ পাদুকা সংৰক্ষিত হৈ আছে। সত্ৰত ৬০ খনৰো অধিক সাঁচিপতীয়া পুথি আছে।

**শ্ৰীশ্ৰীগুৱনি সত্ৰ :**

বংশীগোপালদেৱৰ আজ্ঞাপৰ শ্ৰীপতি গুৱনি বা কৃষ্ণচৰণ দেৱেই সত্ৰৰ আদি গুৰু। শ্ৰীপতি গুৱনিৰ নাম অনুসাৰেই সত্ৰৰ নাম গুৱনি সত্ৰ ৰখা হয়। এই সত্ৰভাগ প্ৰতিষ্ঠা কৰা হৈছিল ১৭০৫ খ্ৰী. (১৬২৭ শক)ত। তাম্ৰপত্ৰখন মানৰ আক্ৰমণত নষ্ট হৈ যায়। তাম্ৰফলিত উল্লেখ থকা মতে সত্ৰৰ খাটিৰ মাটি ৬২ পুৰা।

**শ্ৰীশ্ৰীচিপহা (হাটবৰ) সত্ৰ :**

শ্ৰীশ্ৰীচিপহা সত্ৰ (হাটবৰ) ৰামচন্দ্ৰ দেৱে ১৭১৪ খ্ৰী.ত প্ৰতিষ্ঠা কৰিছিল। এই সত্ৰভাগ অৱস্থিত হৈছে কলিয়াবৰ চতিয়াল মৌজাৰ হাটবৰৰ নিচেই কাষত। এই চিপহা সত্ৰৰ নামটোৰ বহুতো কাহিনী জড়িত হৈ আছে। সত্ৰখনত পুৰণি ভাগৱত, কীৰ্ত্তন আদি পুথি সংৰক্ষণ কৰি ৰখা হৈছে।

**শ্ৰীশ্ৰীচিপহা সত্ৰ (সৰুভগীয়া) :**

চতিয়াল মৌজাৰ অন্তৰ্গত সৰুভগীয়াত এই চিপহা সত্ৰ (সৰুভগীয়া) প্ৰতিষ্ঠিত। অনন্তৰাম আছিল এই সত্ৰৰ প্ৰতিষ্ঠাপক। সত্ৰখনত সত্ৰীয়া পৰম্পৰা বিদ্যমান। সত্ৰখনত গুণমালা, কীৰ্ত্তন, দশম আৰু ভালেকেইখন চৰিত পুথি সংৰক্ষণ কৰি থোৱা আছে।

**শ্ৰীশ্ৰীচিপহা (বৰভগীয়া) সত্ৰ :**

পূৱথৰীয়া মৌজাৰ লাণ্ডি ৰাজহ গাঁৱত শ্ৰীশ্ৰীচিপহা (বৰভগীয়া) সত্ৰ অৱস্থিত। পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ কৃষ্ণচৰণৰ পুত্ৰ কমলাকান্তৰ পৰিনাতি বিষ্ণুচৰণে তেজপুৰত সত্ৰ প্ৰতিষ্ঠা কৰিছিল। সেই সত্ৰৰ ৰঙাচৰণ নামৰ এগৰাকীয়ে ওপৰ বৰভগীয়া উলুৱনিৰ ওচৰত সত্ৰ প্ৰতিষ্ঠা কৰে। সত্ৰৰ মূল সম্পদ বংশীবাদন মূৰ্তি। সত্ৰত ভাগৱত, দশম, কীৰ্ত্তন আদি পুথি আছে।

**শ্ৰীশ্ৰীবালিভূঁই বৰ এলেঙ্গী সত্ৰ :**

শ্ৰীশ্ৰীবালিভূঁই বৰ এলেঙ্গী সত্ৰ প্ৰতিষ্ঠিত হৈছে বৰভগীয়া মৌজাৰ উলুৱনি গাঁৱত। এই সত্ৰভাগ বাপুৰামদেৱৰ পুত্ৰ কৃষ্ণানন্দ আৰু দামোদৰ দেৱে ১৭৯৫ চনত প্ৰতিষ্ঠা কৰিছিল। সত্ৰৰ মূল সম্পদ বংশীবাদনৰ মূৰ্তি। সত্ৰত বহুকেইখন সাঁচিপতীয়া পুথি আছে। ইয়াৰ উপৰি তামৰ ফলি, তামৰ থাল, শিলৰ পতা, শিলৰ চাৰিকোণীয়া ৫ ফুট দীঘল খুঁটাও আছে।

**শ্ৰীশ্ৰীকাঠপাৰ সত্ৰ :**

শ্ৰীশ্ৰীকাঠপাৰ সত্ৰৰ প্ৰতিষ্ঠাপক আছিল পুৰুষোত্তম আতা। পূৱথৰীয়া মৌজাৰ বৰভকতি সত্ৰৰ কামতে এই সত্ৰ অৱস্থিত। কাঠপাৰ সত্ৰ স্থাপনৰ সময় আছিল ১৮৫৩ খ্ৰী. (১৭৭৫ শক)ত। শ্ৰীশ্ৰীকাঠপাৰ সত্ৰত এতিয়াও সংৰক্ষিত হৈ আছে পুৰুষোত্তম আতাৰ হস্তাক্ষৰৰ ঘোষাপুথি, গুণমালা, তেখেতৰ ৰচিত গীতা, ভটিমা, চপয় আদি। সাঁচিপতীয়া পুথিৰ ভিতৰত দ্বাদশ স্কন্ধ ভাগৱত আৰু অনাদি কাণ্ডনেই উল্লেখযোগ্য। এইভাগ কাঠপাৰ সত্ৰ (বৰভাগ) সাময়িকভাৱে পুৰুষোত্তম আতাৰ সৰু নাতি চিদানন্দ আতাৰ অধস্তন পুৰুষ বিশ্বনাথ আতাই বৰভাগৰ লগতে কাঠপাৰ (সৰুভাগ) সত্ৰ পাতিছিল। বৰ্তমান সৰুভাগ সত্ৰ নিশ্চিহ্ন হোৱাৰ পথত।

**শ্ৰীশ্ৰীমাধতাৰি (মাধৱ আতা) সত্ৰ :**

কলঙৰ উত্তৰ দিশে মাধতাৰি কিচামতত এই সত্ৰ প্ৰতিষ্ঠিত। ১৬৪৮ খ্ৰী. (১৫৭০ শক) ত মাধৱ আতাই সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰত ঐশ্বৰিক মহিমামণ্ডিত ৩৫০ বছৰীয়া সচিত্ৰ 'ৰাঙলু কীৰ্ত্তন' ভাগ আছে। জনামতে মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত সত্ৰৰ নামঘৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ১৯১২ চনত আৰু ১৯৩২ চনত হোৱা ভয়াবহ অগ্নিকাণ্ডত বিস্তৰ ক্ষতি হৈছিল।

**শ্ৰীশ্ৰীৰূপনাৰায়ণ পোৰাভেটি সত্ৰ :**

এই সত্ৰখন পূৱথৰীয়া মৌজাৰ মাধতাৰি কিচামতত অৱস্থিত। জয়কৃষ্ণৰ পুত্ৰ পূৰ্ণানন্দ আতাৰ দ্বিতীয় পত্নীৰ প্ৰথম পুত্ৰ ৰূপনাৰায়ণে সত্ৰ প্ৰতিষ্ঠা কৰে। মানৰ আক্ৰমণত সত্ৰৰ ঘৰ-দুৱাৰ পুৰি পেলোৱাৰ পাছত পুনৰ নিৰ্মাণৰ হেতু এই সত্ৰৰ নাম ৰখা হ'ল ৰূপনাৰায়ণ পোৰাভেটি সত্ৰ। সত্ৰৰ মূৰ্তিৰ লগতে ভালেমান সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে।

**শ্ৰীশ্ৰীৰূপনাৰায়ণ খামুচীয়া সত্ৰ :**

বৰভগীয়া মৌজাৰ খহনীয়া বিলৰ পাৰত এই সত্ৰ অৱস্থিত ৰূপনাৰায়ণ দেৱৰ দ্বিতীয় পুত্ৰ পদ্মনাৰায়ণ দেৱ। পদ্মনাৰায়ণ দেৱৰ কনিষ্ঠ পুত্ৰ ৰামচন্দ্ৰ দেৱে মূল পোৰাভেটি সত্ৰৰ পৰা আহি বৰভগীয়াত সত্ৰ স্থাপন কৰে। ৰামচন্দ্ৰ দেৱ ওখ, পাতল আৰু কংকালটো খামোচ মাৰি ধৰিব পৰা কাৰণেই ৰূপনাৰায়ণ খামুচীয়া সত্ৰ বুলি জনা যায়। সত্ৰত বহুতো আপুৰুগীয়া সম্পদ আছে। সত্ৰৰ আদ্যগুৰু সতানন্দ দেৱৰ জ্যেষ্ঠপুত্ৰ জয় কৃষ্ণদেৱ।

**শ্ৰীশ্ৰীৰূপনাৰায়ণ গোনামৰা সত্ৰ :**

পূৱথৰীয়া মৌজাৰ মাধতাৰি ৰাজহ গাঁৱত শ্ৰীৰাম আতাই ৰূপনাৰায়ণ গোনামৰা সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰৰ উপাস্য মূৰ্তি হৈছে বংশীগোপাল, অনন্ত নাৰায়ণৰ মূৰ্তি। ইয়াৰ উপৰি সত্ৰত গুৰু দুজনাৰ অংকীয়া নাট, গৰুড় পুৰাণ, শ্ৰীশ্ৰীমাধৱদেৱৰ নাম মালিকা আৰু ৰামচৰণ গুৰু চৰিতখন। সত্ৰভাগত গুৰুদুজনাৰ পদশিলা বিৰাজমান।

**শ্ৰীশ্ৰীনিকামূল সত্ৰ :**

বাপুৰামদেৱৰ পুত্ৰ মাধৱানন্দ শ্ৰীশ্ৰীনিকামূল সত্ৰৰ প্ৰতিষ্ঠাপক। এই সত্ৰভাগ প্ৰতিষ্ঠা কৰা হৈছে চতিয়াল মৌজাৰ ন-সত্ৰৰ সমীপত। শ্ৰীশ্ৰীনিকামূল মূল সত্ৰভাগ আছে তেজপুৰত। কলিয়াবৰত প্ৰতিষ্ঠা হোৱা শ্ৰীশ্ৰীনিকামূল সত্ৰ তেজপুৰৰ মূল সত্ৰৰ এক শাখাহে।

**শ্ৰীশ্ৰীখুন্দামৰা বা চেলেং সত্ৰ :**

কলঙৰ উত্তৰ দিশত মাধৱ আতা সত্ৰৰ সমীপত জয়কৃষ্ণদেৱৰ কনিষ্ঠ পুত্ৰ পদ্ম আতাই এই সত্ৰত স্থাপন কৰেহি। সেয়েহে সত্ৰখনৰ নাম চেলেংসত্ৰ হ'ল। স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত ৰজাৰ ম'হ যুঁজত এটা ম'হক খুন্দিয়াই ওফৰাই পেলাই চমক লগোৱাত স্বৰ্গদেউ সন্তুষ্ট হোৱাত সত্ৰৰ নাম দিলে খুন্দামৰা সত্ৰ। সত্ৰত কীৰ্ত্তন, দশম, গুণমালা, ৰত্নাৱলী আদি পুথি সংৰক্ষিত হৈ আছে।

**শ্ৰীশ্ৰীগোবিন্দ এলেঙ্গী সত্ৰ :**

সতানন্দৰ তৃতীয় পুত্ৰ ব্ৰাহ্মিকৃষ্ণৰ পৰিনাতি অনন্ত দেৱৰ পুত্ৰ গোবিন্দ দেৱে বৰভগীয়া মৌজাৰ কলঙৰ উত্তৰপাৰে উলুৱনি গাঁৱত এই শ্ৰীশ্ৰীগোবিন্দ এলেঙ্গী সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰভাগত স্থাপন কৰে চতুৰ্ভুজ মূৰ্তি আৰু ভাগৱত।

**শ্ৰীশ্ৰীআঁহতগুৰি সত্ৰ :**

মাজুলীত অৱস্থিত এই সত্ৰভাগৰ পৰাই আহি কলিয়াবৰত প্ৰতিষ্ঠা কৰিলে ৰামগোপালৰ দ্বিতীয়জন পুত্ৰ চাৰুচন্দ্ৰৰ নাতি কুসুম্বৰ ওৰফে ব'ৰাগী আতাই। শ্ৰীশ্ৰীআঁহতগুৰি সত্ৰ অৱস্থিত হৈছে পূৱথৰীয়া মৌজাৰ পূৱথৰীয়া গাঁৱত। এই সত্ৰৰ উপাস্য মূৰ্তি হৈছে কলীয়া গোসাঁই।

**শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰ :**

শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰ অৱস্থিত কলিয়াবৰ অঞ্চলৰ পূৱথৰীয়া মৌজাৰ লাণ্ডি ৰাজহ গাঁৱৰ কলং নদীৰ কাষত। এই সত্ৰভাগৰ প্ৰতিষ্ঠাপক আছিল শ্ৰীকৃষ্ণদেৱ। শ্ৰীকৃষ্ণদেৱে লেটুৰ ভূঞাৰ মাটিতে সত্ৰ স্থাপন কৰিলে বাবে সত্ৰৰ নাম হ'ল লেটুগ্ৰাম সত্ৰ। সত্ৰভাগত ভালেমান সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে।

**শ্ৰীশ্ৰীমুৰাৰি সত্ৰ :**

দুলাল-মাধৱৰ ওচৰত কলঙৰ উত্তৰ দিশত কনৌজৰ

পৰা আহি মুৰাৰি নামৰ এগৰাকী ব্ৰাহ্মণক আহোম স্বৰ্গদেউ শিৱ সিংহই ২০০ বিঘা ব্ৰহ্মোত্তৰ মাটি দি সত্ৰ স্থাপন কৰি দিছিল। তেওঁৰ নামৰ পৰাই সত্ৰৰ নাম মুৰাৰি সত্ৰ ৰখা হয়। যদিও সত্ৰখন ব্ৰহ্ম সংহতিৰ, সত্ৰৰ উপাস্য মূৰ্তি বংশীগোপাল। সত্ৰত ভালেকেইখন সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে।

**শ্ৰীশ্ৰীবৰসত্ৰ ঃ**

নিজ চিলাবন্ধা গাঁৱত এই সত্ৰ অৱস্থিত। ড° মহেশ্বৰ নেওগৰ মতে, অপুত্ৰক বাঞ্ছিৰাম দেৱে তেওঁলোকৰ পৰিয়ালৰ ৰুদ্ৰকান্ত দেৱক পোষ্যপুত্ৰ কৰি লৈছিল। প্ৰথমত নিশ্চয় বৰসত্ৰই ৰজাদিনীয়া অনুগ্ৰহ পাইছিল। বৰ্তমান সত্ৰৰ নামত ৩০ বিঘা মাটি আছে।

**শ্ৰীশ্ৰীগোবিন্দ নাৰায়ণ নতুন সত্ৰ ঃ**

শ্ৰীশ্ৰীগোবিন্দ নাৰায়ণ নতুন সত্ৰভাগ প্ৰতিষ্ঠা কৰিছিল হোৰোসা সত্ৰৰ জী-নাতি গিৰীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে ১৯৭৫ চনত। সত্ৰভাগ পূৱথৰীয়া মৌজাৰ কামাখ্যা গাঁৱত আছে।

**শ্ৰীশ্ৰীমাধৱ আতা সত্ৰ (দুলাল মাধৱ) ঃ**

মূল সত্ৰ শ্ৰীশ্ৰীমাধতাৰি (মাধৱআতা) সত্ৰৰ পৰা দুই কিলোমিটাৰমান আঁতৰি গৈ কলিয়াবৰৰ মুৰাৰি সত্ৰৰ ওচৰত দুলাল মাধৱত এই সত্ৰভাগ প্ৰতিষ্ঠা কৰে।

**শ্ৰীশ্ৰীবগাজন সত্ৰ ঃ**

শ্ৰীশ্ৰীবগাজন সত্ৰৰ প্ৰতিষ্ঠাপক আছিল কৰতি পাৰ সত্ৰৰ প্ৰতিষ্ঠাপক পৰমানন্দৰ পুত্ৰ মাধৱানন্দ। এই সত্ৰভাগ বৰভগীয়া মৌজাৰ কুঁৱৰীটোলত কলঙৰ দক্ষিণপাৰে। কথিত আছে যে মাধৱানন্দ সুন্দৰ লগতে প্ৰভাৱশালী লোক আছিল কাৰণে কালক্ৰমত তেখেতৰ গাৰ বৰণ অনুসৰি সত্ৰৰ নাম বগাজন সত্ৰ ৰখা হয়। সত্ৰভাগত বংশীগোপাল, লাড়ুৱা গোপাল, সুভদ্ৰা, বলোভদ্ৰৰ মূৰ্তি আছে।

**শ্ৰীশ্ৰীহোৰোসা বা গোবিন্দ মিশ্ৰ সত্ৰ ঃ**

কলং আৰু মিছা নদীৰ উত্তৰ দিশত নগাঁৱৰ ওচৰত হোৰোসা বা গোবিন্দ মিশ্ৰ বা ফৰিং মিশ্ৰ সত্ৰ অৱস্থিত। জয়ন্তীয়া ৰজাক বাধা দিয়া উদ্দেশ্যে স্বৰ্গদেউ ৰুদ্ৰসিংহই কিছুকাল মিছাত বাহৰ পাতি আছিল। এদিন গোবিন্দ আৰু কৃষ্ণ মিশ্ৰই ৰবতাল বজাই ঈশ্বৰ উপাসনা কৰি থকা শুনি খোজ-খবৰ লৈ তেওঁলোকৰ গুণত মুগ্ধ হৈ বিশেষ অনুগ্ৰহ দেখুৱাই তেওঁলোকক গুৰু আসন, নামঘৰ আৰু মণিকূট সজাই ৰাজেশ্বৰ শালেগ্ৰাম মূৰ্তি স্থাপন কৰোৱাই ৩০০ বিঘা মাটি দান দিলে। ভোৰতাল হোৰোস-হোৰোসকৈ শব্দৰে ঈশ্বৰ উপাসনা কৰা বাবে সত্ৰৰ নাম দিলে হোৰোসা সত্ৰ।

**শ্ৰীশ্ৰীবাকৰিয়াল সত্ৰ ঃ**

শ্ৰীশ্ৰীবাকৰিয়াল সত্ৰ বৰভগীয়া মৌজাৰ বৰভগীয়া গাঁৱত অৱস্থিত। পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ বাসুদেৱে এই সত্ৰভাগ স্থাপন কৰিছিল। বাসুদেৱৰ নাতি শ্ৰীকৃষ্ণকান্ত আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনতে কলিয়াবৰলৈ আহি বাকৰি মাটিত সত্ৰ স্থাপন কৰাৰ বাবে এই সত্ৰভাগৰ নাম হ'ল বাকৰিয়াল সত্ৰ। সত্ৰভাগৰ উপাস্য মূৰ্তি হৈছে শ্ৰীশ্ৰীবাসুদেৱ।

**শ্ৰীশ্ৰীগোনামৰা (চতিয়াল) সত্ৰ ঃ**

মূল সত্ৰ গোনামৰাৰ পৰা দুমাইলমান ভটিয়াই গৈ কলঙৰ দক্ষিণপাৰে চতিয়াল মৌজাৰ পুৰণি সত্ৰত এই শ্ৰীশ্ৰী গোনামৰা (চতিয়াল) সত্ৰ প্ৰতিষ্ঠা কৰে বিকাৰাম দেউৰ তৃতীয় পুত্ৰ কেশকান্তই।

**শ্ৰীশ্ৰীবালিসত্ৰ ঃ**

শ্ৰীশ্ৰীবালিসত্ৰ হৈছে পূৱথৰীয়া মৌজাৰ কলঙৰ উত্তৰ পাৰে বালি চাপৰিত। এই সত্ৰভাগ প্ৰতিষ্ঠা কৰিছিল বাপুৰাম দেৱে। শ্ৰীশ্ৰীবালিসত্ৰৰ উপাস্য মূৰ্তি হ'ল বামন গোসাঁই। এই মূৰ্তিভাগ হাতীমুৰাৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ ডুবিৰ পৰা আনি স্থাপন কৰা হৈছিল। শ্ৰীশ্ৰীবালিসত্ৰত আজিও বিদ্যমান এটি পুৰণি তুলসীৰ খুঁটা।

**শ্ৰীশ্ৰীদহঘৰ সত্ৰ ঃ**

ভৱানীপুৰীয়া শ্ৰীশ্ৰীগোপালদেৱৰ আজ্ঞাপৰ ধৰ্মাধিকাৰ নাৰায়ণদেৱে দিকৰা নৈৰ পাৰত দহঘৰ সত্ৰ প্ৰতিষ্ঠা কৰিছিল। নৈৰ দহটা ভাঁজত দহজন ভকতক থাকিবলৈ দিছিল বাবেই সত্ৰৰ নাম দহঘৰ হয়। ঊনবিংশ শতিকাৰ শেষাৰ্ধত নাৰায়ণদেৱৰ অধস্তন পুৰুষে পুৰণি গড় (ঘৰ) সত্ৰৰ লগতে কলিয়াবৰত এইভাগ সত্ৰ পাতেহি। এই সত্ৰৰ উপাস্য বিগ্ৰহ বংশীবদন মহাপ্ৰভু।

**সামৰণি ঃ** অসমৰ মধ্যমণি কলিয়াবৰত এই সত্ৰসমূহে সত্ৰীয়া সংস্কৃতিৰ ধ্বজা বহন কৰি আহিছে। সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত এই সত্ৰসমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আছে।

■ *ৰুণী গোস্বামী চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী*



এক পৌৰাণিক কিংবদন্তিৰ মতে চম্পাৱতীৰ মোহত মোহিত হৈ সৃষ্টিকৰ্তা ব্ৰহ্মাৰ পুত্ৰ ব্ৰহ্মপুত্ৰ চম্পাৱতীৰ প্ৰেমত পৰিছিল আৰু পাণিগ্ৰহণ কৰিবলৈ সাৰ্থক ৰূপ নাপাওঁতেই চম্পাৱতী শিলা হৈ পৰিল।



# চম্পাৱতী জলপ্ৰপাত


**হিমাদ্ৰী শইকীয়া**

**চম্পাৱতী** জলপ্ৰপাত হৈছে অসমৰ নগাঁও জিলাৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ নিলগত পূৰ্ব দিশত চাপানলা নামৰ গাঁৱত অৱস্থিত এটা বিখ্যাত জলপ্ৰপাত আৰু পৰ্যটনস্থলী। লগতে প্ৰাকৃতিক মনোমোহা দৃশ্যৰে পৰিবেষ্টিত নানান জনগোষ্ঠী আৰু অনেক ভাষাৰ মিলনভূমি। জলপ্ৰপাতটোৰ লগতে তাত ভ্ৰমণ কৰিবলৈ অহা বিভিন্ন পৰিভ্ৰমী চৰাই আৰু থলুৱা চৰাই সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু।

প্ৰায় ৩১০ ফুট উচ্চতাত অৱস্থিত এই চম্পাৱতী জলপ্ৰপাতৰ কুণ্ড বুলিও কোৱা হয়। এই জলপ্ৰপাতক ওপৰ কুণ্ড, মাজ কুণ্ড আৰু তল কুণ্ড হিচাপে তিনিটা ভাগত দেখা পোৱা যায়। ওপৰ কুণ্ডটো সমতলৰ পৰা প্ৰায় ২২৮ ফুট উচ্চতাত অৱস্থিত। পানীৰ সুঁতি ওপৰ কুণ্ডৰ পৰা প্ৰায় ৭ ফুট সমতলেৰে বৈ আহি দ্বিতীয়টো কুণ্ডৰ সৃষ্টি হৈছে। তৃতীয়টো কুণ্ড ইয়াৰ পৰা প্ৰায় ৭৫ ফুট তলত অৱস্থিত।

চাপানলাৰ উত্তৰ-পূৱ দিশত থকা কাৰ্বি আংলং পাহাৰৰ পৰা এই জলপ্ৰপাতটি বৈ আহিছে। চাপানলাত দেওবাৰে বহা সাপ্তাহিক বজাৰখনৰ প্ৰায়েই থলুৱাভাৱে উৎপাদিত সা-সামগ্ৰী বিক্ৰী কৰা হয়। পৰ্যটকসকলক এই বজাৰখনেও আকৰ্ষণ কৰে।

চাপানলাৰ চম্পাৱতী জলপ্ৰপাতৰ সৃষ্টি সম্পৰ্কে মুখ বাগৰি অহা কেইবাটাও কিংবদন্তিমূলক কাহিনী আছে। তাৰে এটা পৌৰাণিক কাহিনী হ'ল— চম্পক নামৰ ৰাজ্য এখনত হংসধ্বজ নামৰ ৰজা এজনে ৰাজত্ব কৰিছিল। হংসধ্বজ ৰজাৰ ৰাণীৰ নাম আছিল প্ৰভাৱতী। ৰজা হংসধ্বজ বিষ্ণুভক্ত আছিল। শ্ৰীকৃষ্ণৰ পদ ৰেণু পাবৰ বাবে তেওঁ সদায় আৰাধনা কৰিছিল। সেই সময়ত পঞ্চ-পাণ্ডৱে কুৰুক্ষেত্ৰ যুদ্ধত জয় লাভ কৰি অশ্বমেধ পাতি ঘোঁৰা এটি এৰি দিছিল। বিভিন্ন ৰাজ্যৰ মাজেৰে আগবাঢ়ি আহি যজ্ঞৰ ঘোঁৰা মুকলি কৰিবলৈ গৈ ৰাজপুত্ৰদ্বয়ৰ সৈতে যুদ্ধত অৱতীৰ্ণ হয়। যুদ্ধত পুত্ৰদ্বয়ে অৰ্জুনক হৰুৱাই বন্দী কৰে। অৰ্জুনে উপায়ন্তৰ হৈ ভগৱান শ্ৰীকৃষ্ণক স্মৰণ কৰে আৰু শ্ৰীকৃষ্ণই দ্বাৰকাৰ পৰা আহি দুই পুত্ৰ সুধনা আৰু সুৰথক মৃত্যুদণ্ডৰে দণ্ডিত কৰি মুক্তি প্ৰদান কৰে। ৰজা হংসধ্বজে পৰম পিতা পৰমেশ্বৰ শ্ৰীকৃষ্ণ বুলি জানি শৰণাপন্ন হৈ তেওঁৰ সুন্দৰী চম্পাৱতীৰ পাণি গ্ৰহণ কৰিবলৈ কাতৰ অনুৰোধ কৰে। শ্ৰীকৃষ্ণই সেই মুহূৰ্তত হংসধ্বজৰ জীয়ৰী চম্পাৱতীক পাণি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি ক'লে, 'মই চম্পাৱতীৰ পাণিগ্ৰহণ অহা মাঘ মাহৰ শুক্লা সপ্তমীৰ সূৰ্য উদয়ৰ আগমুহূৰ্তত (বৰ্তমান য'ত চম্পাৱতী জলপ্ৰপাত আছে) সেই ঠাইতহে পাণিগ্ৰহণ কৰিম বুলি কোৱাত ৰজাই



চম্পাৱতীৰ লগত অনেক লিগিৰা লিক্‌চৌৰ সৈতে সেই ঠাইত অকলে এৰি গুচি আহিল। সঠিক সময়ত শ্ৰীকৃষ্ণ সুদূৰ দ্বাৰকাৰ পৰা আহি জলপ্ৰপাতৰ নিৰ্মল জলধাৰাত দুয়োৰে স্নান কৰি মিলন সাগৰত ডুব যায়। চম্পাৱতীৰ নাম চিৰস্মৰণীয় কৰিবৰ বাবে জলপ্ৰপাতটোৰ নামকৰণ কৰে চম্পাৱতী জলপ্ৰপাত।

অন্য এক কিংবদন্তিৰ মতে, যেতিয়া হংসধ্বজ ৰজাৰ দুই পুত্ৰ অৰ্জুনৰ সৈতে যুদ্ধত লিপ্ত হৈছিল, তেতিয়া দুই পুত্ৰৰ অকাল মৃত্যুত ৰাণী প্ৰভাৱতী শোকত ম্ৰিয়মাণ হৈ পৰিল আৰু মৃত্যু বৰণ কৰিলে। মৃত্যুৰ পাছত মহাদেৱ শিৱই ৰাণীক এইবুলি বৰ দিলে যে তেওঁৰ চকুৰ পানীয়ে চম্পাৱতী জলপ্ৰপাতৰ পুণ্য জলধাৰা এটি সৃষ্টি কৰিব আৰু সেই জলধাৰাত কোনোবাই স্নান কৰিলে প্ৰভাৱতীক দৰ্শন কৰিব পাৰিব। তেতিয়াৰ পৰাই অদ্যপৰ্যন্ত চম্পাৱতীৰ জলৰাশিত স্নান কৰাৰ প্ৰথা চলি আহিছে। শিৱৰ দৰ্শন আৰু মনৰ কামনা পূৰণৰ অৰ্থে মানুহে আজিও ইয়াত স্নান কৰে আৰু সভক্তিৰে চাকি-বন্তি জ্বলায়।

অন্য এক পৌৰাণিক কিংবদন্তিৰ মতে চম্পাৱতীৰ মোহত মোহিত হৈ সৃষ্টিকৰ্তা ব্ৰহ্মাৰ পুত্ৰ ব্ৰহ্মপুত্ৰ চম্পাৱতীৰ প্ৰেমত পৰিছিল আৰু পাণিগ্ৰহণ কৰিবলৈ সাৰ্থক ৰূপ নাপাওঁতেই চম্পাৱতী শিলা হৈ পৰিল।

অতি প্ৰাচীন কালৰ পৰাই মাঘ মাহৰ শুক্লা ষষ্ঠীৰ দিনা অনেক যাত্ৰী চম্পাৱতী কুণ্ডলৈ আহে আৰু গোটেই নিশা নাম-কীৰ্তন কৰি শুক্লা-সপ্তমী তিথিত (সৰস্বতী পূজাৰ পাছদিনা) সূৰ্য উদয়ৰ আগ মুহূৰ্তত স্নান কৰি পুণ্য অৰ্জন কৰে। লোকবিশ্বাস অনুযায়ী সেই দিনা চাকি-বন্তি, ধূপ জ্বলালে মনোকামনা পূৰ্ণ হয়।

■ হিমাদ্ৰী শইকীয়া চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী



বিশ্ব প্ৰতিবন্ধী বৰ্ষৰ কাৰ্যসূচীৰ অন্তৰ্গত আঁচনিবোৰ ফলৱতী কৰিবৰ বাবে কেৱল চৰকাৰী প্ৰচেষ্টাই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন দেশৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ইয়াৰ লগত জড়িত ব্যক্তিসকলৰ সক্ৰিয়তা আৰু আশাশুধীয়া প্ৰচেষ্টাৰ।

# প্ৰতিবন্ধকতা

**মানসী খাকলাৰী**

মানুহ পৃথিৱীৰ শ্ৰেষ্ঠ জীৱ হ'লেও যিসকলে অবাধ বিচৰণৰ পৰা বঞ্চিত হয় সেই সকলেই হ'ল প্ৰতিবন্ধী। কিছুমান জন্মৰে পৰা বিকলাংগ নাইবা জন্মান্ধ আৰু কিছুমান হয়তো পৰৱৰ্তী জীৱনত পতিত হৈ প্ৰতিবন্ধী হয়।

বৰ্তমান যুগৰ সংগ্ৰামীসকলে প্ৰতিবন্ধিতাৰ এই অসহনীয় বোজা নীৰৱে ব'বলৈ ৰাজী নহয়। মানৱতাৰ ফালৰ পৰা অসহায় অক্ষম লোকসকলক সহানুভূতি আৰু সমবেদনা জনোৱা উচিত। এওঁলোকক সুস্থ আৰু সহজ জীৱনযাত্ৰাত প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে ১৯৮২ চনৰ ৩ ডিচেম্বৰ তাৰিখে 'বিশ্ব প্ৰতিবন্ধী বৰ্ষ' হিচাপে উদ্‌যাপন কৰিছিল যাতে প্ৰতিবন্ধীসকলে পৰাপক্ষত পৰমুখাপেক্ষী হৈ জীৱন নিৰ্বাহ কৰিব নালাগে।

এজন বিকলাংগ মানুহ আমাৰ দেশৰ উন্নতিৰ হেঙাৰ স্বৰূপ হ'ব নোৱাৰে। তেওঁক আমি বিভিন্ন সহায়-সহযোগিতা তথা প্ৰেৰণাৰে আগবঢ়ায় নিব লাগে। তেওঁ যে দুৰ্বল সেই কথাটো আমি জানিবলৈ দিব নালাগে। বিকলাংগ ব্যক্তিসকলৰ মাজত কিছু প্ৰতিভা থাকে। সেই প্ৰতিভাসমূহক উদগনি দিব লাগে। বিভিন্ন প্ৰতিভা যেনে— কোনোবাই গান গাব জানে, কোনোবাই নৃত্য কৰিব জানে আদি ধৰণৰ প্ৰতিভাসমূহক বিকাশ কৰিবলৈ তেওঁলোকক এখন মঞ্চৰ প্ৰয়োজন। আৰু সেই মঞ্চখন প্ৰস্তুত কৰাত সৰ্ব-সাধাৰণ লোকসকলে সহায় কৰিব লাগে।



তেওঁলোক বিকলাংগ যদিও তেওঁলোকৰ অন্তৰ্নিহিত শক্তি থাকে। যাৰ জৰিয়তে তেওঁলোকে আগুৱাই যাব পাৰে। বৰ্তমান বিভিন্ন ঠাই, টেলিভিচন আদিত দেখিবলৈ পোৱা যায় যে বিভিন্ন বিকলাংগ লোকসকল, বহুতো উচ্চস্তৰৰ পদত অধিষ্ঠিত হৈ দেশৰ উন্নতিৰ হকে কাম কৰি আছে। গতিকে তেওঁলোক এখন দেশৰ অভিশাপ হ'বই নোৱাৰে।

এই প্ৰতিবন্ধীসকলৰ বাবে উন্নত দেশবোৰে সুব্যৱস্থা কৰিছে। কিন্তু এচিয়া, আফ্ৰিকা আদিৰ দৰে অনুন্নত দেশসমূহৰ শোচনীয় অৰ্থনৈতিক অৱস্থাৰ কাৰণে যথোপযুক্ত ব্যৱস্থাৱলীৰ দিহা কৰিব পৰা নাই। আন কিছুমান আন্তৰ্জাতিক বৰ্ষৰ নিচিনাকৈ ই কেৱল (প্ৰতিবন্ধী দিৱস) বৰ্ষ পালনতে অন্ত নহয়, তাৰ বাবে ৰাষ্ট্ৰসংঘই সুকীয়া সচিবালয় স্থাপন কৰিছে। এই সচিবালয়ৰ পৰামৰ্শ অনুযায়ী ইয়াত অংশগ্ৰহণকাৰী দেশসমূহৰ নিজ নিজ ৰাষ্ট্ৰত একোটা জাতীয় আয়োগ গঠন কৰিছে। আৰু বিশ্ব প্ৰতিবন্ধী বৰ্ষৰ ফল যাতে স্থায়ী হয় তাৰ বাবে প্ৰচেষ্টা চলাই আছে। আমাৰ ভাৰত যুক্তৰাষ্ট্ৰও প্ৰতিবন্ধী বৰ্ষ উদ্‌যাপন কৰা ৰাষ্ট্ৰসমূহৰ ভিতৰত অন্যতম ৰাষ্ট্ৰ।

বিশ্ব প্ৰতিবন্ধী বৰ্ষৰ কাৰ্যসূচীৰ অন্তৰ্গত আঁচনিবোৰ ফলৱতী কৰিবৰ বাবে কেৱল চৰকাৰী প্ৰচেষ্টাই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন দেশৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ইয়াৰ লগত জড়িত ব্যক্তিসকলৰ সক্ৰিয়তা আৰু আশাশুধীয়া প্ৰচেষ্টাৰ।

■ মানসী খাকলাৰী প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

বিশেষ লেখা ১



# অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত অসমীয়া ভাষাৰ গুৰুত্ব

চাজিনা ইয়াচবিন

অসমীয়া সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। কোনো কোনো পণ্ডিতৰ মতে ভাৰতীয় সংস্কৃতি হ'ল যৌগিক সংস্কৃতি। সংস্কৃতিৰ সংজ্ঞা দিবলৈ গৈ নৃতত্ত্ববিদ এড্ৱাৰ্ড বাৰ্ণেট টইলাৰে কৈছিল, "সমাজৰ কলা-কৃষ্টি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।" ভাৰতৰ ভূ-খণ্ডৰ বিভিন্ন অংশত বাস কৰা জনসমষ্টিয়ে নিজাকৈ সংস্কৃতি এটাৰ বিকাশ ঘটায়। সেই আটাইবোৰ সংস্কৃতিৰ সমন্বয়েই হ'ল ভাৰতীয় সংস্কৃতিৰ প্ৰশাখা। ভাৰতৰ দৰেই অসমৰ ধৰ্ম আৰু ভাষা আৰ্যমূলীয়। গতিকে অসমৰো ধৰ্ম আৰু ভাষাত বিশেষকৈ আৰ্যপন্থিতা পৰিলক্ষিত হ'লেও অসমীয়া সংস্কৃতি বিশুদ্ধ কিন্তু নানা জাতি-উপজাতিৰ উপসংস্কৃতিৰ সমন্বয়হে।

ড' লীলা গগৈয়ে অসমৰ সংস্কৃতিনামৰ গ্ৰন্থত অসমীয়া সংস্কৃতিৰ বিষয়ে এইদৰে উল্লেখ কৰিছে—

"প্ৰাচীন অসমত বসবাস কৰা অষ্ট্ৰিক, মঙ্গোলীয় এই দুই জনসমষ্টিৰ সংস্কৃতিক উপাদান কোঁহে কোঁহে সোমাই থাকিলেও আজিৰ অসমীয়া সংস্কৃতিৰ বহিৰ্ৰঙ্গ আৰ্যমূলীয় তথা ভাৰতীয়ৰূপী; কিন্তু তাৰ মাজতেই অসমীয়া সংস্কৃতিৰ কেতবোৰ বৈশিষ্ট্য ধৰা পৰে।" গতিকে একেষাৰে ক'ব পাৰি যে জাতিগত সমন্বয়ৰ বাবেই হওক অথবা ভৌগোলিক পৰিৱেশৰ প্ৰভাৱতে হওক অসমীয়া সংস্কৃতিয়ে স্বকীয়তা ৰক্ষা



কৰি আহিছে। ভাৰতীয় সংস্কৃতি বিভিন্ন উপাদানৰে গঠিত হোৱা আৰ্হিতে অসমীয়া সংস্কৃতিত মঙ্গোলীয়, অষ্ট্ৰিক আৰু আৰ্য উপাদানৰ সমন্বয়ত গঢ় লৈ উঠিছে।



সাহিত্যৰথী বেজবৰুৱা

অসমীয়া সংস্কৃতিৰ মূলাধাৰ হ'ল অসমীয়া ভাষা। অসমীয়া ভাষা হ'ল সমন্বয়ৰ ভাষা। ড' লীলা গগৈৰ মতে— "অসমৰ শতকৰা নৱৈজন প্ৰাচীন বাসিন্দা মঙ্গোলীয় মূলৰ।" গতিকে প্ৰতিজন স্বকীয় মূলৰ ব্যক্তিৰ অথবা জন-সমষ্টিৰ নিজা নিজা ভাষা, দোৱান আদি আছিল। এই ভাষাৰ গঠনশৈলী ইউৰোপীয় ভাষাতকৈ সম্পূৰ্ণ পৃথক। তদুপৰি এই ভাষা আৰু দোৱানসমূহৰ ব্যাকৰণ, শব্দ আৰু শব্দোচ্চাৰণ ভাৰতীয় আন আন ভাষাতকৈ বহুগুণে সুকীয়া। এই ভাষাবোৰৰ মূল আছিল তিব্বত ধৰ্মী আৰু শ্যামী-চীন।

অসমীয়া ভাষা এই ভাষাসমূহৰ গাঢ় বৰঙণিৰ দ্বাৰাই গঠিত। প্ৰায় ৫০% শব্দ সংস্কৃত মূলীয় হ'লেও ফকৰা-যোজনা, খণ্ড-বাক্য, জতুৱা ঠাঁচ আদিৰ স'তে অসমীয়া ভাষা সম্পূৰ্ণভাৱে চহকী। প্ৰবচন, ফকৰা-যোজনা আদি সম্পূৰ্ণৰূপে জাতীয় জীৱনৰ ভেটিত গঢ় লৈ উঠিছে।

অসমীয়া ভাষাৰ ব্যৱহাৰ লিখিত সাহিত্যতকৈ মৌখিক সাহিত্যৰ ক্ষেত্ৰত তুলনামূলকভাৱে পূৰ্বৰে পৰা কৰা হৈছিল। সাহিত্যই লিখিত ৰূপ লোৱাৰ আগেয়ে মানুহৰ মুখে মুখে প্ৰচলিত বিভিন্ন ধৰণৰ মৌখিক সাহিত্যত অসমীয়া ভাষাৰ প্ৰয়োগ হৈ আহিছে। মৌখিক সাহিত্যবোৰ এক প্ৰকাৰ লোক-সাহিত্য আৰু ই অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। মৌখিক-সাহিত্যৰ পৰিসৰে কবিতা, সাধুকথা, গীত-পদ, জনশ্ৰুতি, ফকৰা-যোজনা, পটন্তৰ আদি সামৰি লয়। ভাষাই এই সাহিত্যৰ মূল উৎস কাৰণ এই সাহিত্যৰ সৃষ্টিয়ে মূলতঃ মানুহৰ মুখত প্ৰচলিত ভাষাৰ দ্বাৰা। সময়ৰ পৰিপ্ৰেক্ষিতত এই সাহিত্যৰ সাজ-সজ্জা অলপ সাল-সলনি হ'লেও অসমত ইয়াৰ মূল কিন্তু একেটাই — অসমীয়া ভাষা।

লোক-সংস্কৃতিৰ ক্ষেত্ৰতো অসমীয়া ভাষাই এক ব্যাপক ভূমিকা গ্ৰহণ কৰি আহিছে। অসমত বসবাস কৰা ভিন্ন নৃগোষ্ঠী যেনে কাৰ্বি, বড়ো, ৰাভা, দেউৰী, মিচিং, সোণোৱাল-কছাৰী, তিৱা আদি জনজাতিৰ উপৰি কোচ, কলিতা, নাথ, যোগী, কৈৱৰ্ত আদি জাতিগোটৰ সকলোৰে নিজা নিজা সংস্কৃতিৰ সমল আছে। উদাহৰণস্বৰূপে অসমীয়া ভাষাত ৰচিত বিহুগীত, বিয়াগীত, হুঁচৰি, নিচুকনি গীত, দেহবিচাৰৰ গীত, জিকিৰ আৰু জাৰী, ম'হ-খেদোৱা গীত, নাওখেলৰ গীত, মালিতা আদিৰ উপৰি জনগোষ্ঠীয় গীতসমূহেও অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে।

এই গীতসমূহৰ সংক্ষেপে উদাহৰণ দিব পাৰি—

আজান ফকীৰ আৰু তেওঁৰ অনুগামীসকলে জিকিৰবোৰ সৰল-সহজ ভক্তপ্ৰাণ ৰাইজে বুজি পোৱাকৈ অসমীয়া ভাষাত ৰচনা কৰিছিল যিবোৰ অসমীয়া সম্পদৰ ভঁৰাল এতিয়াও চহকী কৰি ৰাখিছে। যেনে—

'মনকে বান্ধিবা মনকে ছাটিবা
মনকে নিদিবা লাই
অবুজন মনকে বুজাব নোৱাৰি
যেনে গজমুৰী গাই।'

আকৌ,

'দুনিয়াই এদিনৰ দুনিয়াই দুদিনৰ
দুনিয়াই ফুলনি বাৰী
কতক ছলে বলে কৰ তই দুনিয়াই
ধৰিব খেৱালি মাৰি।'

ডাকৰ বচন অসমীয়া সংস্কৃতিৰ আন এক আপুৰুগীয়া সম্পদ। অসমৰ এগৰাকী কিংবদন্তি ডাকে কিছুমান নৈমিত্তিক কৰণীয়-অকৰণীয় কামৰ বিবৰণ অসমীয়া ভাষাতে জনসমাজলৈ আগবঢ়াই থৈ গৈছে। যেনে—

'আদাক দেখি উঠিল গা
কেতুৰিয়ে বোলে মোকে খা।'

আকৌ,

'আগেয়ে আছিলোঁ দুৱেৰী-মুৱেৰী
গোৱালে বুলিছিল আই
এতিয়া হ'লোঁ নেজ গোবৰী
গোহালিত নাপাওঁ ঠাই।'

অসমৰ প্ৰাণকেন্দ্ৰস্বৰূপ বিহুৰ লগত জড়িত বিহুগীতসমূহ অসমীয়া ভাষাতে লিখিত। এই বিহুগীতসমূহ অসমীয়া সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। এইখিনিতে অসমীয়া বিহুগীত এটালৈ মন কৰিব পাৰি—

'অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো।'

অসমত বহু পৰিমাণে প্ৰচলিত আৰু জনপ্ৰিয় আন এবিধ গীত হ'ল লোকগীত। এই গীতসমূহ বেছিভাগেই অসমীয়া ভাষাতেই ৰচিত। এই গীতসমূহ মূলত গোৱালপৰীয়া আৰু কামৰূপীয়া লোকগীত, এই দুই ভাগত ভগাব পাৰি। এই গীতসমূহো চলিত অসমীয়া ভাষাত লিখিত।

অসমৰ প্ৰচলিত গীত-মাতৰ উপৰি অসমীয়া ভাষাৰ এটা সুদীৰ্ঘ লিখিত সাহিত্যৰ ইতিহাসো আছে। জানিব পৰামতে, ১৩শ শতাব্দীত হেম সৰস্বতীয়ে *প্ৰহ্লাদ চৰিত্ৰ* ৰচনা কৰাৰে পৰা অসমীয়া লিখিত সাহিত্যৰ জয়যাত্ৰা আৰম্ভ হয়। তেতিয়াৰ পৰা আৰম্ভ কৰি






অসমীয়া সাহিত্যই কবিতা, উপন্যাস, চুটিগল্প, নাটক আদি সামৰি লৈ এক বৃহৎ কলেবৰ লাভ কৰিছে। ৯ম-১০ম শতিকাত লিখিত চৰ্যাপদসমূহক অসমীয়া ভাষাৰ পূৰ্বসূৰী বুলি ক'ব পাৰি। হেম সৰস্বতীৰ কালৰ পৰা আৰম্ভ কৰি অম্বিকাগিৰী ৰায়চৌধুৰী, আনন্দচন্দ্ৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, বিৰিঞ্চিকুমাৰ বৰুৱাকে আদি কৰি প্ৰতিজন অসমীয়া সাহিত্যিকে নিজৰ নিজৰ মৌলিক লেখনিৰে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ভঁৰাল চহকী কৰি গৈছে।

সংস্কৃতিৰ আন এক ধাৰক সামাজিক উৎসৱ-পাৰ্বণ আৰু ইয়াৰ লগত জড়িত পৰম্পৰা। ভাষায়ো এই সামাজিক উৎসৱ-পাৰ্বণত বিশেষ ভূমিকা লয়। উদাহৰণস্বৰূপে অসমৰ এক গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠান 'বিয়া'ত অসমীয়া ভাষাত ৰচিত কিছুমান বিশেষ গীত প্ৰচলিত। এই গীতসমূহক বিয়ানাম বোলে। উদাহৰণস্বৰূপে—

'মাৰাৰ অলংকাৰ থোৱা কাটি কৰি
দেউতাৰাৰ অলংকাৰ থোৱাহে।
ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ
কৰযোৰে কৰি লোৱাহে।।'

বিয়ানামৰ উপৰি অসমীয়া ভাষাত কিছুমান গীত-পদ, নাম-গুণ আদি প্ৰচলিত আছে যিবোৰ নানান মাংগলিক অনুষ্ঠান যেনে— অন্নপ্ৰাশন, জোৰোণ আদিত গোৱা হয়।







তদুপৰি অসমীয়া সমাজৰ আন এক আপুৰুগীয়া সম্পদ হ'ল নিচুকনি গীত। নিচুকনি গীতসমূহৰ দ্বাৰা অসমীয়া সমাজত মাকে কেঁচুৱাক টোপনি নিয়ায়। উদাহৰণস্বৰূপে—


'আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰিব
আমাৰে মইনাই বুটলি খাব।'

এইধৰণৰ বহু গীত অসমীয়াৰ মুখে মুখে প্ৰচলিত। মুখে মুখে প্ৰচলিত হোৱাৰ বাবেই এই গীতসমূহত কথিত ভাষাৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হয়। ভাষাৰ প্ৰভাৱৰ বাবে এক মৌখিক সাহিত্যৰ ঠাইভেদে তথা অঞ্চলভেদে শব্দ ৰীতি আৰু উচ্চাৰণ শৈলী বেলেগ হোৱাও দেখা যায়।

অসমীয়া ভাষাত ৰচিত অসমীয়া সম্পদসমূহে সমাজৰ সকলো শ্ৰেণীকে সামৰি লৈছে। ডেকা-গাভৰুৰ বাবে বিহু-গীত, বনগীত আদি ৰচিত হোৱাৰ বিপৰীতে গুৰুস্থানীয় ব্যক্তিসকলে উপভোগ তথা সৃষ্টি কৰিলে নাম-প্ৰসংগৰ। শিশুসকলো বাদ পৰি ৰোৱা নাই। শিশুসকলৰ বাবে অসমীয়া ভাষাত ৰচিত গীতবোৰ মূলত ক্ৰীড়াকেন্দ্ৰিক। উদাহৰণস্বৰূপে—

'ৰজাই হুকুম দিছে
এদিম ছেদিম বা
কি হুকুম দিছে
এদিম ছেদিম বা...।' *(ৰজা-ৰাণী খেল)*, অসম্পাদিত

এইধৰণৰ অশেষ সম্পদ আৰু পৰম্পৰাৰ প্ৰাণকেন্দ্ৰ হ'ল অসমীয়া ভাষা। অসমীয়া সংস্কৃতিৰ মেৰুদণ্ডস্বৰূপ অসমীয়া ভাষা অবিহনে অসমীয়া সংস্কৃতি কল্পনা কৰিব নোৱাৰি। অসমীয়া সংস্কৃতি মূলতঃ অসমীয়া ভাষাক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। ইয়াত আন উপাদান আছে যদিও অসমীয়া সংস্কৃতি আৰু পৰম্পৰাক একতাৰ ডোলেৰে কট্‌কটীয়াকৈ বান্ধি ৰাখিছে অসমীয়া ভাষাই। অসমত প্ৰচলিত মৌখিক সাহিত্যৰ পৰা লৈ বৰ্তমানৰ ৰূপকথালৈকে সকলোতে অসমীয়া ভাষাৰেই পয়োভৰ। গতিকে অসমীয়া ভাষাক বাদ দি অসমৰ সংস্কৃতিৰ প্ৰাণ নাই। যিদৰে নিজা বৈশিষ্ট্যসম্পন্ন বৃহত্তৰ অসমীয়া সংস্কৃতি সৃষ্টি হ'বলৈ অসমীয়া ভাষাৰ প্ৰয়োজন, সেইদৰে ইয়াক বিশ্বৰ আগত নিজা পৰিচয় দিবলৈ আৰু ভৱিষ্যৎ প্ৰজন্মলৈ আগবঢ়াই দিবলৈয়ো এই ভাষাৰ বহুল চৰ্চা আৰু বিকাশ হোৱাটো একান্ত বাঞ্ছনীয়। কোনো এটা জাতিৰ সংস্কৃতি বৰ্তি থাকিবলৈ তথা সেই সংস্কৃতিয়ে বৰ্ধন লাভ কৰিবলৈ সেই জাতিৰ নিজস্ব ভাষা জীয়াই থকাটো অত্যন্ত জৰুৰী অন্যথা এই সংস্কৃতিৰ পৰা শ্ৰব্য উপাদানসমূহ সম্পূৰ্ণৰূপে লোপ পাব। উদাহৰণস্বৰূপে অসমীয়া ভাষা লোপ পালে অসমীয়া সংস্কৃতিৰ সঠিক উমান পোৱা নাযাব তথা এই সংস্কৃতিত নিহিত ৰসো উদ্ধাৰ কৰিব পৰা নাযাব। সংস্কৃতিৰ অলংকাৰস্বৰূপ গীত-মাতবোৰ নিশ্চিহ্ন হৈ পৰিব। গতিকে


অৰুনোদই

১০ বৰ্ষ। মোং, শিৱসাগৰ, জানুআৰি, ১৮৫৫। নম্বৰ ১।
VOL. X. SIBSAGOR: JANUARY, 1855. NO. 1.

অৰুনোদই কাকতৰ এটি পৃষ্ঠা

অসমীয়া সংস্কৃতিক অধিক মোহনীয় আৰু প্ৰাণময় কৰি তুলিব হ'লে ভাষাৰ চৰ্চা আৰু বিকাশ অত্যন্ত অত্যাৱশ্যকীয়। এক কথাত অসমীয়া ভাষা অবিহনে জাতি আৰু ইয়াৰ সংস্কৃতি মেৰুদণ্ডহীন।

**প্ৰসংগপুথি ঃ**

১. ডাকৰ বচন, কিতাপ সমলয়
২. অসমৰ সংস্কৃতি, ড° লীলা গগৈ
৩. কৰ্ষণ, ২০১১-১২ বৰ্ষ
৪. চিন্তন, আহ্লাদ উল্লাহ, কাব্য-বাক্য সম্পাদনা
৫. ৰূপান্তৰ, সাহিত্য-সংস্কৃতি সমাজমূলক ও মহীয়া আলোচনী। সম্পাদক ঃ অজিত খাটনিয়াৰ

(মহাবিদ্যালয় সপ্তাহ সমাৰোহত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধ)

■ চাজিনা ইয়াচমিন স্নাতক ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী

বিশেষ লেখা ২


হেমচন্দ্ৰ বৰুৱা


# অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত মাতৃভাষাৰ প্ৰয়োজনীয়তা


লুনা ভূঞা
স্নাতক ষষ্ঠ ষাণ্মাসিক


অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত মাতৃভাষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিভিন্ন জাতি, জনগোষ্ঠীৰ সংস্কৃতিৰ সমলৰ সমাহৰণত অসমীয়া সংস্কৃতি আৰু পৰম্পৰা গঢ় লৈ উঠিছে। সংস্কৃতি আৰু পৰম্পৰা কোনো এটা নিৰ্দিষ্ট জাতি বা জনগোষ্ঠীৰ নহয়। অসমীয়া সংস্কৃতি আৰু পৰম্পৰা বুলিলে অসমীয়া জীৱন নিৰ্বাহ প্ৰণালীৰ সামগ্ৰিকতাক সাঙুৰি লয়। সামাজিক জীৱ হিচাপে মানুহে কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম, উৎসৱ-অনুষ্ঠান আদিৰ মাজেৰে জীৱন নিৰ্বাহ কৰে আৰু এই জীৱন নিৰ্বাহ প্ৰণালীৰ সামগ্ৰিক যৌগিক ৰূপটোৱেই হ'ল সংস্কৃতি। মানৱ জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈকে আঁত নিছিগাকৈ বৈ আহিছে সংস্কৃতি আৰু পৰম্পৰাৰ বোৱঁতী সুঁতি। অসমীয়া সংস্কৃতিও কোনো এটা নিৰ্দিষ্ট সময়ত গঢ় লোৱা সংস্কৃতি নহয়, ইয়াৰ ইতিহাস অতি প্ৰাচীন। শতাব্দীৰ পিছত শতাব্দী ধৰি ক্ৰমবিকাশৰ পথত আগবাঢ়ি আহিছে অসমীয়া সংস্কৃতি আৰু পৰম্পৰা। আদিম অৱস্থাত অসমৰ বুকুত আৰ্য, অনাৰ্য, মংগোলীয় তথা নানান জাতি-উপজাতি বসবাস কৰি তেওঁলোকৰ স্বকীয় সংস্কৃতিৰ উপাদনসমূহ আগবঢ়াই অসমীয়া সংস্কৃতিৰ পৰিপুষ্টি সাধন কৰিছে মাতৃভাষাৰ জৰিয়তে। পৰৱৰ্তী যুগত আহোম মোগলৰ



বিভিন্ন সংস্কৃতিৰ উপাদানৰ সমাহাৰে অসমীয়া সংস্কৃতিৰ বৰঘৰ বন্ধাত সহায় কৰিছে। আহোমৰ ৰাজত্বকালৰ সময়ছোৱাত অসমীয়া সংস্কৃতিৰ সৰ্বদিশত এটা সুশৃংখল ৰূপ ধাৰণ কৰে। এই সময়ছোৱা অসমীয়া সংস্কৃতিৰ ভেটি প্ৰতিষ্ঠাৰ যুগ বুলি কোৱা হয়।


হেমকোষ
HEMA KOSHA
AN ETYMOLOGICAL DICTIONARY
ASSAMESE LANGUAGE
HEMCHANDRA BARUA
CAPT. P. R. GURDON, I.S.C.,
Deputy Commissioner,
HEMCHANDRA GOSAIN,
2nd Deputy Collector.

অসমলৈ ব্ৰিটিছসকল অহাৰ লগে লগে অসমৰ ৰাজনৈতিক, সামাজিক আদি বিষয়ত পৰিৱৰ্তন হোৱাৰ লগতে আবহমান কাল ধৰি চলি অহা অসমীয়া সংস্কৃতিৰ প্ৰৱাহলৈ বহুমুখী পৰিৱৰ্তন আহিবলৈ ধৰে। পূৰ্বৰ সামাজিক ব্যৱস্থা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, খোৱা-লোৱা, পিন্ধা-উৰা ইত্যাদি সৰ্বদিশত নতুনত্বৰ প্ৰভাৱ পৰিলক্ষিত হয়। পুৰণিকলীয়া সংস্কৃতিৰ ওপৰত আধুনিক বহু কথাৰ প্ৰলেপ পৰে আৰু ক্ৰমশঃ পুৰণিকলীয়া সংস্কৃতি লুপ্তপ্ৰায় অৱস্থা হয়। এইদৰেই সংযোগ, বিয়োগৰ মাজেদি গঢ় ল'বলৈ ধৰে আধুনিক অসমীয়া সংস্কৃতিৰ। আধুনিক অসমীয়া সংস্কৃতি খৰতকীয়া গতিত ক্ৰমাৎ আধুনিকতাৰ ফালে আগবঢ়াই নিয়াৰ মূলতে হ'ল পুঁজিবাদী সমাজ-ব্যৱস্থা। এই সময়ছোৱাত মানুহে সংস্কৃতিৰ সমলবোৰ জীৱনৰ প্ৰয়োজনীয়তাৰ মাপকাঠিৰে জুখিবলৈ লয়। সাজ-পোছাক, অা-অলংকাৰ, ঘৰ-দুৱাৰ নিৰ্মাণ, খাদ্য প্ৰণালী ইত্যাদিৰো আধুনিকতাৰ স্পৰ্শ পৰে। খাৰখোৱা লোক বুলি পৰিচিত আজিৰ অসমীয়াই খাৰ খাব নজনা হ'ল। সাজ-পাৰৰ ক্ষেত্ৰতো অসমীয়া সংস্কৃতিৰ এক বিৰাট পৰিৱৰ্তন সাধন হয়। যি ৰিহা-মেখেলা পিন্ধিলেই অসমীয়া লোক বুলি পৰিচিত আছিল, সেই ৰিহা-মেখেলা বৰ্তমান অসমীয়া গাভৰুহঁতে চিনি নোপোৱা হ'ল। সমূহীয়া উৎসৱত অসমীয়া সাজ এযোৰ পৰিধান কৰাতকৈ জাক্‌জমক পোছাক এযোৰ পৰিধান কৰি নিজকে আধুনিক বুলি দেখুৱাবলৈ আমাৰ যুৱতীসকলে বেছি ভাল পোৱা হ'ল। পুৰণি অসমীয়াৰ ৰিহা, কাঁচলি, পোতেনি, দোপটী, ধুতি আদিৰ প্ৰচলন লাহে লাহে কমি আহিবলৈ ধৰে আৰু এইবোৰ ঠাই অধিকাৰ কৰে আধুনিক সাজ-পাৰসমূহে।

অসমীয়া সংস্কৃতিৰ আন এক বিষয় হ'ল ধৰ্ম। কিন্তু আধুনিকতাৰ পৰিপ্ৰেক্ষিতত অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ বিকাশত কোনো ধৰ্মৰে বাস্তৱমুখী আৰু সৃষ্টিমুখী বৰঙণি পৰিলক্ষিত নহয়। অসমৰ মধ্যযুগৰ সংস্কৃতি আছিল মূলতঃ ধৰ্মভিত্তিক। এই যুগৰ প্ৰায় সকলোবোৰ সংস্কৃতিৰ বিকাশৰ মূলতে আছিল ধৰ্মভিত্তিক। এই যুগৰ প্ৰায় সকলোবোৰ সংস্কৃতিৰ বিকাশৰ মূলতে আছিল ধৰ্মীয় প্ৰভাৱ। মধ্যযুগত ধৰ্মীয় প্ৰভাৱজনিত সাংস্কৃতিক অনুষ্ঠানৰ ভিতৰত বৈষ্ণৱ সত্ৰসমূহ সৰ্বশ্ৰেষ্ঠ। এই সত্ৰসমূহ আছিল তদানীন্তন সময়ৰ অসমীয়া সংস্কৃতিৰ বিকাশৰ মূল কেন্দ্ৰ।

আধুনিকতাৰ কবলত অসমীয়া সংস্কৃতিৰ বহুল পথাৰখন আগুৰি থকা উৎসৱ-অনুষ্ঠানবোৰতো এক বৃহৎ পৰিৱৰ্তন পৰিলক্ষিত হয়। অসমৰ জাতীয় উৎসৱ বিহু মূলতঃ গাঁওমুখী কৃষিধৰ্মী উৎস। কিন্তু আধুনিক বিহু নগৰমুখী। পূৰ্বতে বিহু উৎসৱত পালন কৰা লোকাচাৰ বৰ্তমান সময়ত পালন কৰা বিহুৰ সৈতে বহু পাৰ্থক্য দেখা যায়। বিহুক মহিমামণ্ডিত কৰিছে বিহুগীতবোৰে। অসমত অম্বুবাচী নিবৃত্তিৰ দিনা যি মেলা কামাখ্যা দেৱালয়ত উদ্‌যাপিত হয়, সি ভাৰত বিখ্যাত।

অসমীয়া সংস্কৃতিৰ আন এটা দিশ উজলাই ৰখা পৰিৱেশ্য কলাসমূহৰ ভিতৰত ওজাপালি, দেওধনী, ভাৱৰীয়া, ঢুলীয়া ইত্যাদি প্ৰধান। প্ৰাচীন সময়ত ইয়াৰ প্ৰচলন যথেষ্ট আছিল যদিও বৰ্তমান সময়ত ইয়াৰ সমাদৰ বহুখিনি হ্ৰাস পাইছে। অসমীয়া সমাজত পুতলা নাচৰ যথেষ্ট সমাদৰ আছিল। বৰ্তমান সময়ত ই লুপ্তপ্ৰায় অৱস্থাত। কালক্ৰমত অসমীয়া সংস্কৃতিত কথাছবি সংযোজিত হ'ল। পাশ্চাত্য নাটকৰ আৰ্হিৰে বিভিন্ন নাটক সৃষ্টি হ'ল। ক্ৰমশঃ মঞ্চজগতলৈ আন এক পৰিৱৰ্তন আহে আৰু সেয়া হ'ল আধুনিক ভ্ৰাম্যমাণ মঞ্চ। ভ্ৰাম্যমাণ দলসমূহে জাক-জমকতাৰে মনোমোহা নৃত্য, গীত আদি পৰিৱেশন কৰিব ধৰিছে।

অসমীয়া সংস্কৃতিত অন্তৰ্ভুক্ত হোৱা এটা প্ৰধান বিষয় গীত-নৃত্যৰ ক্ষেত্ৰতো এক বিৰাট পৰিৱৰ্তন আহিল। পূৰ্বতে জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ভূপেন হাজৰিকা আদি গীতিকাৰ, সুৰকাৰসকলে গীতৰ সুৰে হৃদয়ত যি মূৰ্চ্ছনা তুলিছিল, বৰ্তমান এনে অভিজ্ঞ শিল্পী তাকৰীয়া হৈ আহিছে। বৰ্তমানৰ সংগীত হৈ পৰিছে অধিক শ্ৰোতাক মনোৰঞ্জন দিব পৰা এটা বহল ভাষাৰ বজাৰ যোগান ধৰিব পৰা ব্যৱসায়িক শিল্প। বৰ্তমান শিল্পীসকলৰ গীতৰ সুৰত বাজি উঠে পাশ্চাত্যৰ সুৰ। আধুনিকতাৰ স্পৰ্শত অসমীয়া সংস্কৃতিলৈ শংকৰদেৱ-মাধৱদেৱৰ অৱদান বৰগীতসমূহৰ গীতৰ সুৰো পাশ্চাত্যৰ ফালে ঢাল খোৱা দেখা যায়। সময়ৰ সোঁতত অসমীয়া সংস্কৃতিৰ পৰিৱৰ্তন, পৰম্পৰাৰ পৰিৱৰ্তন হৈছে যদিও এতিয়াও সমাজ-জীৱনত ইয়াৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। বৰ্তমান সময়তো মানুহৰ মাজত বিহুকে ধৰি বিভিন্ন উৎসৱ-পাৰ্বণ, দেৱ-দেৱীৰ পূজা, বিবাহ কাৰ্য, মৃতকৰ আদ্যশ্ৰাদ্ধ, আই-সকাম, নামঘৰত অনুষ্ঠিত সেৱা-কাৰ্যত অসমীয়া পৰম্পৰা মানি চলা দেখা যায়।

অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত মাতৃভাষাৰ প্ৰয়োজনীয়তা অধিক। অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ লগত মাতৃভাষাৰ এক এৰাব নোৱৰা সম্পৰ্ক আছে। অসমীয়া সংস্কৃতি-পৰম্পৰা অবিহনে মাতৃভাষা আৰু মাতৃভাষা অবিহনে অসমীয়া সংস্কৃতি-পৰম্পৰা অৰ্থহীন। সাধাৰণ অৰ্থত ক'বলৈ গ'লে এটা আনটোৰ পৰিপূৰক। মাতৃভাষাই আমাক অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ লগত পৰিচয় ঘটায়। অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ লগত যোগসূত্ৰ স্থাপনৰ এক মাধ্যম হ'ল মাতৃভাষা। মাতৃভাষাৰ দ্বাৰা আমি বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতি আৰু পৰম্পৰা সম্পৰ্কে জ্ঞান সহজতে লাভ কৰিব পাৰোঁ। যিহেতু মাতৃভাষা হৈছে আমাৰ জ্ঞান আহৰণৰ মাধ্যম। মাতৃভাষা আমাৰ জন্মস্বত্বৰ দৰে। আমি জন্মলাভ কৰাৰ পাছত এই ভাষাৰ সৈতে চিনাকি হওঁ। এটি শিশুৱে জন্মলাভ কৰাৰ পাছত নিজ সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে মাতৃভাষাৰ জৰিয়তে পৰিচয় ঘটে। অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে মাতৃভাষাৰ এক নিজস্ব স্বকীয়তা আছে। ই অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ স্বাভিমান, আৱেগ আৰু সত্তা। অসমৰ আছে এক নিজস্ব চহকী সাংস্কৃতিক পৰিচয়। অসমীয়া সংস্কৃতি আৰু পৰম্পৰা গঢ় লৈ উঠিছে প্ৰায় ২০০০ বছৰ পূৰণি বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত। ভাষা, শিল্প, লোক-সংস্কৃতি, উৎসৱ, পৰিৱেশ, খাদ্য, লোক-সাহিত্য ইত্যাদিৰ দ্বাৰা পৰিৱেষ্টিত সমন্বয়ৰ দ্বাৰা গঢ়ি উঠে এটা জাতিৰ পৰিচয়। অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ অস্তিত্ব তেতিয়ালৈকেহে থাকিব যেতিয়ালৈকে মাতৃভাষাৰ অস্তিত্ব থাকিব। অসমীয়া সংস্কৃতি আৰু পৰম্পৰা চহকী কৰি ৰাখিছে মাতৃভাষাই। সেইহে মাতৃভাষাৰ সমৃদ্ধিৰ বাবে বেজবৰুৱা প্ৰমুখ্যে সচেতন অসমীয়াই দেহে-কেহে খাটিছিল, কিন্তু আজিৰ তথাকথিত অসমীয়াই মাতৃভাষাৰ স্বকীয়তা আৰু মৰ্যাদা অক্ষুণ্ণ হৈ নথকাৰ আশংকা কঢ়িয়াইছে। মাতৃভাষাটি এলাগী হৈ পৰিলে আমাৰ সংস্কৃতি, পৰম্পৰা, আমাৰ সত্তা, জাতীয় জীৱন, জাতীয় মূল্যবোধ, জাতীয় শক্তি এলাগী হৈ পৰিব। অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ উত্তৰণ ঘটাবলৈ মাতৃভাষা সমৃদ্ধিশালী কৰি তুলিব লাগিব। অসমীয়া ভাষাক বিদ্যায়তনিক মাধ্যমক আৰু সাহিত্যৰ ক্ষেত্ৰত আলোকসজ্জিত কৰি বিশ্বৰ দৰবাৰলৈ নিব পাৰি বুলি বিশ্বাস সেয়া আমাৰ প্ৰজন্মৰ সকলোৰে মনত সৃষ্টি কৰিব পাৰিলে অসমীয়া ভাষাৰ যি মৰ্যাদা সেয়া অক্ষুণ্ণ ৰখা সম্ভৱ হৈ পৰিব।

সংস্কৃতি আৰু পৰম্পৰা মানৱ জীৱনৰ অপৰিহাৰ্য অংগ। ই মানৱ জীৱনত ধাৰাবাহিকভাৱে চলি আহে। যিহেতু সময় পৰিৱৰ্তনশীল, সময়ৰ সোঁতত ইয়াৰ কিছু পৰিৱৰ্তন হোৱা দেখা যায়। পৰিৱৰ্তন ইতিবাচক আৰু নেতিবাচক। আমি ইতিবাচকখিনি গ্ৰহণ কৰিব লাগে। আধুনিকতাৰ যুগত মানুহে নতুনত্বৰ সোৱাদ ল'বলৈ ভাল পায়। তথাপিও ভাষাৰ জৰিয়তে সংস্কৃতি আৰু পৰম্পৰা জীয়াই ৰখাৰ দায়িত্ব আমাৰ। যুগৰ লগে লগে মানৱ সভ্যতা উন্নতিৰ দিশত আগুৱাবলৈ কেৱল পৰম্পৰাক যে খামুচি ধৰি থাকিব লাগিব তেনে নহয়। কিন্তু পৰিৱৰ্তন কেতিয়াও নিজৰ অস্তিত্ব ধ্বংসমুখী হ'ব নালাগে। আজিৰ অসমীয়া নিজৰ মাতৃভাষা, অসমীয়া সংস্কৃতি আৰু পৰম্পৰা, নিজৰ স্বকীয় মৌলিক উপাদানসমূহ সংৰক্ষিত কৰি নিজৰ জাতীয় অস্তিত্ব ৰক্ষা কৰাৰ সময় সমাগত। সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে আধুনিক এই দুয়োটাৰ সু-সমন্বয় কৰিব পাৰিলে অসমীয়া সংস্কৃতিৰ ইতিহাস সমৃদ্ধ হ'ব আৰু মাতৃভাষাই নিজস্ব স্বকীয়তা লাভ কৰিব।

(মহাবিদ্যালয় সপ্তাহ সমাৰোহত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধ)

■ পূনা ভূঞা স্নাতক ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী






বিশেষ লেখা
৩

# অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত মাতৃভাষাৰ প্ৰয়োজনীয়তা

**লনী শইকীয়া**

অসমীয়া তথা ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইংৰাজীত 'কালচাৰ' অৰ্থাৎ culture পদৰ সমৰ্থক ৰূপে সংস্কৃতি পদটো ব্যৱহাৰ কৰা দেখা যায়। 'সংস্কৃতি' পদটো সংস্কাৰৰ লগত বিশেষভাৱে জড়িত। যাৰ সংস্কাৰ হৈছে সিয়ে সংস্কৃতি। কোনো কোনোৱে সেয়েহে ইংৰাজী culture পদৰ পৰিভাষা ৰূপে 'কৃষ্টি' পদটোকে প্ৰয়োগ কৰে। সংস্কৃতি পদৰ দ্যোতনা অতিকৈ ব্যাপক। মানুহে বংশ পৰম্পৰা সমাজ পাতি বাস কৰিবলৈ লোৱাৰ ফলস্বৰূপে সামাজিক প্ৰাণী হিচাপে মানুহে বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম পৰম্পৰা আদি প্ৰবৃত্তিগতভাৱে শিকে। এই ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পৰম্পৰা আদিৰ সামগ্ৰিক ৰূপক সংস্কৃতি বুলিব পাৰি। সংস্কৃতি কিছুমান নিয়মৰ সংযুতি অথবা পৰিমাপক। এই সংযুতিবোৰে কোনো এখন সমাজৰ অংগীভূত ব্যক্তিসকলক প্ৰভাৱান্বিত কৰাৰ ফলস্বৰূপে সেই সমাজৰ অংগীভূত ব্যক্তিসকলৰ বাবে উপযুক্ত আৰু গ্ৰহণযোগ্য বিভিন্ন আচৰণৰ জন্ম হয়। এই আচৰণৰ সমষ্টিয়েই হ'ল সংস্কৃতি। সংস্কৃতিৰ পৰিসৰ অতি ব্যাপক। বহুতো মহান ব্যক্তিয়ে সংস্কৃতিৰ বিষয়ে মতবাদ আগবঢ়াইছে। জন জে হোনিংমানৰ দৃষ্টিত সংস্কৃতিৰ পৰিসীমাই বহুতো বিষয়ক সামৰি লয়। মানৱৰ দ্বাৰা সৃষ্ট শিল্পবস্তু, জনসাধাৰণৰ দ্বাৰা অভিব্যঞ্জিত ক্ৰিয়া-কলাপ আৰু তেওঁলোকৰ আদৰ্শ আৰু অনুভূতি আদিকেই সংস্কৃতি বুলিব

পাৰি। জনসাধাৰণৰ জীৱন পদ্ধতিয়েই সংস্কৃতি।

**সংস্কৃতিৰ বৈশিষ্ট্যসমূহ ঃ**

ক) মানৱ অভিজ্ঞতাত সংস্কৃতি বিশ্বজনীন, তথাচ ইয়াৰ স্থানীয় আৰু আঞ্চলিক ৰূপ লক্ষ্য কৰা যায়।

খ) সংস্কৃতি স্থবিৰ অথবা ই গতিশীল, অবিচ্ছিন্ন আৰু অবিৰত পৰিবৰ্তন ইয়াত স্পষ্ট।

গ) সংস্কৃতিয়ে আমাৰ জীৱন-গতি নিৰ্ধাৰণ আৰু ইয়াৰ পৰিস্ফুটিত সমল যোগালেও কেতিয়াবাহে ই আমাৰ সচেতন ভাব-চিন্তা প্ৰবেশ লাভ কৰিব পাৰে।

অসমীয়া সংস্কৃতিৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ পূৰ্বে ইয়াৰ ঐতিহাসিক, ভৌগোলিক, নৃতাত্ত্বিক, সামাজিক, ভাষাতাত্ত্বিক আদি বিভিন্ন দিশৰ ওপৰত আলোক সম্পাত কৰা অতিকে প্ৰয়োজনীয়। ধৰ্মীয় দৃষ্টিভংগীৰ ফালৰ পৰা অসমৰ অধিবাসীসকলক হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ, জৈন, শিখ আদি ভাগত ভগাব পাৰি। দ্বিতীয়তে, অসমৰ অধিবাসীসকলক জনজাতীয় অধিবাসী আৰু অজনজাতীয় অধিবাসী দুটা বহল শ্ৰেণীত বিভক্ত কৰা হয়। জনজাতীয় অধিবাসীসকলৰ ভিতৰত বড়ো, কছাৰী, কাৰ্বি, মিচিং, তিৱা বা লালুং, ডিমাচা, দেউৰী-চুতীয়া, হাজং, ৰাভা আদি উল্লেখযোগ্য। অজনজাতীয় অধিবাসীসকলৰ ভিতৰত ব্ৰাহ্মণ, কায়স্থ, কলিতা, কেওট, কোচ-ৰাজবংশী আদি বিভিন্ন অধিবাসীক সামৰিব পাৰি। জনজাতীয়সকলৰ অনেকে ধৰ্ম গ্ৰহণ কৰিছে। কিছুমানে পৰম্পৰাগত ধৰ্মীয় ৰীতি-নীতি অব্যাহতভাৱে ৰক্ষা কৰি আহিছে। ভাৰতৰ আন আন প্ৰান্তৰ দৰে অসমত জাতি আৰু জনজাতিৰ মাজত স্বল্পাৰ্থত পাৰ্থক্য নাই। অসমীয়া সংস্কৃতিত নৃ-গোষ্ঠীৰ সংস্কৃতিক সমল নিহিত হৈ থকা যায়। অসমীয়া সংস্কৃতি প্ৰকৃতাৰ্থত সমন্বয়ৰ সংস্কৃতি। অসমীয়াকৰণ প্ৰক্ৰিয়াৰ সংযোগত বৰ্তমানৰ অসমত বসবাস কৰা বিভিন্ন নৃ-গোষ্ঠী সংমিশ্ৰণত অসমীয়া সংস্কৃতিৰ মূল প্ৰবাহত নিমজ্জিত হৈছে। অসমৰ জনজাতি



ভাষা আন্দোলনৰ শ্বহীদ অনিল বৰা

আৰু অজনজাতি উভয়ে সংস্কৃতিক অনুবৰ্তন বা সংস্কৃতি গ্ৰহণ, সংহত আৰু সমাহৰণ প্ৰক্ৰিয়াৰ সংযোগত একীভূত হৈ এনে এক বিৰল আৰু অনুপম সংস্কৃতিৰ সৌধ নিৰ্মাণ কৰিছে— যাক সংমিশ্ৰিত অসমীয়া সংস্কৃতি আখ্যা দিব পাৰি। এই কাৰণেই অসমত জাতি আৰু জনজাতিৰ মাজত পাৰ্থক্য বিচাৰি পোৱা নাযায়।

অসমৰ অধিবাসীসকলৰ সৰহভাগেই কৃষক। তেওঁলোকৰ জীৱন-পদ্ধতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু জাগতিক দৃষ্টিভংগী পৰম্পৰা আশ্ৰয়ী। এইফালৰ পৰা অসমীয়া সংস্কৃতিত, লোক-সংস্কৃতিৰ বৈশিষ্ট্য প্ৰগাঢ়। জনজীৱনৰ সংযুতিৰ দৰে অসমীয়া সংস্কৃতিতো জনজাতীয় সংস্কৃতিৰ গভীৰ প্ৰভাৱ দেখা যায়। তেনেদৰে ইছলামিক প্ৰভাৱৰ গভীৰতাও অসমীয়া সংস্কৃতিয়ে অস্বীকাৰ কৰিব নোৱাৰে। বিশেষকৈ জিকিৰ, জাৰী, ব্যাসগোৱা ওজাপালিত স্থান পোৱা বাদচাহী গীত (অৰ্থাৎ কবীৰা গীত) আদিয়েই ইয়াৰ প্ৰমাণ। বিহু, ভথেলি, পাৱলা তোলা, দেউল, মহোহো আদি উৎসৱ-অনুষ্ঠানত জনজাতীয় প্ৰভাৱ স্বীকাৰ কৰিব লাগিব। অসমীয়া সংস্কৃতিৰ প্ৰত্যক্ষ বাহক অসমীয়া ভাষাৰ গঠনত জনজাতীয় সমল স্পষ্ট।

ভাষালৈ লক্ষ্য ৰাখি ক'ব পাৰি যে— আৰ্য ভাষা পৰিয়ালৰ অসমীয়া ভাষাই অসমৰ মানুহৰ প্ৰধান ভাষা। সৰহভাগ জনজাতিৰ লোকৰ ভাষা তিব্বতবৰ্মী ভাষা গোটত পৰে। কোনো কোনো জনগোষ্ঠী শ্যামীজ-চাইনীজ ভাষা পৰিয়ালৰ টাই ভাষা কয়। অষ্ট্ৰিক ভাষীলোকো অসমত আছে।

বহু কাল আগৰ পৰাই অসমত নানান জনগোটৰ লোকে বাস কৰি আহিছে। সেই কথা শ্ৰীমন্ত শংকৰদেৱৰ লিখনিত পোৱা যায়—

কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কংক গোৱাল।



অসম মলুক ৰজক তুৰুক
কুবাচ ম্লেচ চণ্ডাল।।


শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত চমাৰ, কুমাৰ, কমাৰ, সূতাৰ, বনিয়া, নট আদি জাতিৰ উল্লেখ পোৱা যায়। গুৰু চৰিতবোৰত ব্ৰাহ্মণ, কায়স্থ, কলিতা, কৈৱৰ্ত, তাঁতী, হীৰা, ধোবা, নাপিত, শালৈ আদি জাতিৰো উল্লেখ চকুত পৰে।

অসমীয়া অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম, বিলুপ্তি পথত অসমীয়া-পৰিচয়, অসমীয়া সংস্কৃতি সংৰক্ষণ ইত্যাদিৰ বিষয়ে হোৱা আলোচনা-বিলোচনা, আন্দোলন আদিৰ কথা, বিভিন্ন সময়ত নানান ঠাইত পঢ়িছোঁ-শুনিছোঁ। এনেবোৰ প্ৰসংগত নানান ধৰণৰ প্ৰশ্ন আছে। কোনো এটা ভাষাৰ অবিহনে একোটা জাতিৰ ৰক্ষা হ'ব নোৱাৰে। প্ৰত্যেকটো জাতিৰে নিজৰ মাতৃভাষাৰ জৰিয়তেহে সংস্কৃতি-পৰম্পৰাসমূহ সংৰক্ষণ কৰি ৰাখিব পাৰে। মাতৃভাষাৰ অবিহনে বা বেলেগ এটা ভাষাৰে নিজৰ সংস্কৃতি বচাই ৰখাটো বহু কঠিন হৈ পৰে। যিহেতু প্ৰত্যেকটো জাতিয়ে নিজৰ সকলো ব্যক্তিৰ লগত যিদৰে নিজৰ ভাষাটোৰে বাৰ্তালাপ কৰিবলৈ বেছি সুবিধা লাভ কৰে, বেলেগ ভাষাৰে নিজৰ সংস্কৃতি, কলা-কৃষ্টি আগুৱাই নিবলৈ বহু কষ্টকৰ হয়, সেয়ে অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত মাতৃভাষাৰ প্ৰয়োজনীয়তা অতি বেছি। প্ৰত্যেকে নিজৰ নিজৰ মাতৃভাষাত যিমানদূৰ সফল হ'ব, বেলেগ এটা ভাষাত সিমানদূৰ আগুৱাই যাব নোৱাৰিব। সেইবাবে প্ৰত্যেকে নিজৰ নিজৰ মাতৃভাষাটোক যথেষ্ট প্ৰাধান্য দিয়ে।

সংস্কৃতি এখন সমাজৰ জীৱন ধাৰণৰ প্ৰণালী বুলি কোৱা হয়। সংগ্ৰহালয়ত সজাই থোৱা বিভিন্ন সম্পদৰাজিয়ে সংস্কৃতিৰ কেইটামান দিশৰহে পৰিচয় দিব পাৰে, সমগ্ৰ দিশ সামৰিব নোৱাৰে। গুৱাহাটীত থকা ৰাজ্যিক সংগ্ৰহালয়ত অসমীয়া সংস্কৃতি সংৰক্ষণ কৰি ৰাখিব পৰা যায়। তেনে অনুষ্ঠান-প্ৰতিষ্ঠানযোগে অসমীয়া অমূল্য সাংস্কৃতিক সম্পদবোৰ নিশ্চয় সযতনে সংৰক্ষিত কৰি ৰাখিব পৰা যাব। তালৈ অসমীয়া সংস্কৃতিৰ বিষয়ে বহুতো কথা জনাৰ সুযোগ পোৱা যায়।

সকলো পুৰণি জাতিৰেই সাংস্কৃতিক উপাদানৰ উৎস গাঁৱত বিচাৰি পোৱা যায়। কাৰণ নগৰ সভ্যতা পত্তনৰ আগতে মানুহে গাঁৱত বাস কৰিছিল আৰু তেনে অৱস্থাতে একো একোটা জাতিয়ে পৰম্পৰাগত সংস্কৃতিৰ পাতনি মেলিছিল আৰু তাৰ মানুহৰ মাজতেই সেইবোৰ জীৱিত অৱস্থাত পৰিলক্ষিত হৈছিল। অসমীয়া সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। কাৰোবাক অসমীয়া সংস্কৃতিৰ লগত চিনাকি কৰি দিবলগীয়া হ'লে নগৰৰ সংগ্ৰহালয় আদি তেনে কোনো অনুষ্ঠান-প্ৰতিষ্ঠানলৈ লৈ যোৱা হ'ব অথবা গাঁৱলৈ লৈ যোৱা হয়, কেতিয়াবা অসমীয়া সংস্কৃতি সম্বন্ধে বিশেষভাৱে জ্ঞান থকা কোনো ব্যক্তিৰো ওচৰ চপা হয়, যাতে আলোচনাৰ মাজেৰে সেই বিষয়ে জনাব পাৰি। এইখিনি কথা যদি সত্য বুলি ধৰি লোৱা হয়, তেন্তে এইটোও মানিব লাগিব যে অসমীয়া সংস্কৃতি গাঁৱত জীৱিত হৈ আছে আৰু নগৰত সংগ্ৰহালয় আদিৰ চাৰিবেৰৰ মাজত সজ্জিত হৈ আছে। কথা-বতৰা, চাল-চলন, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সংস্কাৰ আদিও সংস্কৃতিৰ প্ৰধান অংগ বুলি আগতে উল্লেখ কৰি অহা হৈছে। সকলোবোৰ সংস্কাৰেই অন্ধ সংস্কাৰ নহয়। সকলোবোৰ সংস্কাৰ, ব্যৱহাৰ, অভ্যাস আদিক বৈজ্ঞানিক যুক্তিৰে বিশ্লেষণ কৰি পৰিত্যাগ কৰাটো বিজ্ঞানসম্মত হ'ব বুলি ক'ব নোৱাৰি। কিয়নো বৈজ্ঞানিক যুক্তিৰ লগত সাংস্কৃতিক প্ৰয়োজনীয়তা বা মূল্যবোধ বিচাৰ কৰি চাব লাগিব।

সংস্কৃতিৰ এটা প্ৰধান উপাদান হ'ল ভাষা। ভাষাৰ মাধ্যমেৰে এজন অসমীয়াৰ পৰিচয় পোৱা যায়। নগৰত বহুতো মাক-দেউতাকে নিজৰ সন্তানে ভালদৰে অসমীয়া ক'ব নোৱাৰে, লিখিব নাজানে, অলপ অলপ অসমীয়া পঢ়িব পাৰে বুলি আনন্দৰে কয় আৰু তাকে লৈ গৌৰব অনুভৱ কৰে। এনেদৰে জানো অসমীয়া সংস্কৃতি জীয়াই থাকিব? চাল-চলন, কথা-বতৰাৰ মাজেৰেও সংস্কৃতি প্ৰতিফলিত



DICTIONARY

ASSAMESE AND ENGLISH.

অসমিয়া আৰু ইংৰাজি

অভিধান।

COMPILED
BY
M. BRONSON,

1867.

হয়। এজন ব্যক্তিক সংস্কৃতিবান বুলি কোৱা হয়, যেতিয়া তেওঁ সমাজৰ দ্বাৰা নিৰ্ধাৰিত ৰীতি-নীতি অনুযায়ী আচৰণ কৰে। কিন্তু কেতিয়াবা দেখা যায় নগৰত কোনো যুৱক-যুৱতীয়ে অসমীয়া ধৰণে আচৰণ কৰিলে তেওঁলোকক গাঁৱলীয়া বুলি নগৰবোৰে ইতিকিং কৰে। এনে গাঁৱলীয়া লোকেই যে প্ৰকৃততে অসমীয়া সংস্কৃতি জীৱন্ত অৱস্থাত ৰাখিছে, সেইসকল লোকে উপলব্ধি কৰিব নোৱাৰে। অৰ্থাৎ তেওঁলোকেই অসমীয়া সংস্কৃতি সংৰক্ষণৰ বিষয়ে ডাঙৰ ডাঙৰ কথা ক'বলৈ দ্বিধাবোধ নকৰে।

যি ভাষাত পোনতে অমাত শিশুৰ মুখৰ মাত ফুটে, সেই ভাষা তাৰ তেজৰ লগত মিহলি হৈ থাকে। উশাহ-নিশাহ লোৱাৰ দৰেই সহজ আৰু স্বাভাৱিকভাৱে সি সেই ভাষাত তাৰ মনৰ ভাব প্ৰকাশ কৰে। পিতৃ-মাতৃ, ভাই-ভনী, চুবুৰীয়া মানুহ, আনকি চৌপাশৰ প্ৰকৃতিৰ চৰাই-চিৰিকটি, পোহনীয়া জীৱ-জন্তু — আটাইৰে লগত সি সেই ভাষাৰ জৰিয়তেই আত্মীয়তা গঢ়ি তোলে। মাতৃভাষাত ভাব প্ৰকাশ কৰা তাৰ জন্মগত অধিকাৰ। মানুহে শৈশৱতে যি ভাষাৰে কথা কোৱাত অভ্যস্ত হয়, তাকে তাৰ সহজাত মাতৃভাষাৰ শিক্ষা আৰু অনুশীলনৰ প্ৰয়োজন। ভাষাটো ক'ব পাৰিলেই বা সাধাৰণভাৱে লিখিব আৰু পঢ়িব পাৰিলেই মাতৃভাষাৰ সম্পূৰ্ণ সোৱাদ পোৱা নাযায়। শুদ্ধ আৰু উপযুক্ত শব্দৰ সহযোগত নিটোল বাক্য-ৰচনা কৰিব পাৰিলেহে মনৰ ভাব ফটফটীয়াকৈ প্ৰকাশ হয়। মাতৃভাষাৰ জ্ঞান লাভ কৰিবলৈ আৰম্ভণিৰ পৰাই যত্ন কৰিব লাগে। স্পষ্ট ভাষাত প্ৰকাশ কৰিলেহে যিকোনো বিষয়ৰ জ্ঞান স্পষ্ট আৰু কাৰ্যকৰী হয়। মাতৃভাষাৰে আমি আমাৰ সমাজখনৰ লগতো সম্পৰ্ক গঢ়ি তোলোঁ। এই ভাষাৰ সহায়েৰেই আমি আমাৰ ভাব সমাজত ব্যক্ত কৰোঁ আৰু পৰস্পৰৰ চিন্তা-ভাবনা আৰু সুখ-দুখৰ খবৰ লওঁ। এনে সম্পৰ্ক আমি লিখিত আৰু কথিত দুয়োটা ভাষাৰে গঢ়ি লওঁ। লিখিত ভাষা যিদৰে শুদ্ধ আৰু পৰিপাটি হ'ব লাগে, কথিত ভাষাও তেনে হ'ব লাগে। শুদ্ধ পৰিপাটি আৰু স্পষ্ট উচ্চাৰণেৰে মানুহৰ লগত কথা পাতিব পৰা লোকক কথাই মানুহক মুগ্ধ কৰে। সামাজিক ক্ষেত্ৰতো এনে লোকে বিশিষ্ট স্থান লাভ কৰে। মাতৃভাষাৰ প্ৰতি আগ্ৰহ থাকিলেহে আন ভাষা শিকাৰ প্ৰতিও আগ্ৰহ জন্মে। শৈশৱত মানুহে সহজতে কেইবাটাও ভাষা শিকিব পাৰে। সমাজত বিভিন্ন ভাষী মানুহ থাকে। তেওঁলোকৰ সংস্পৰ্শলৈ আহিলে তেওঁলোকৰ ভাষাও ক্ৰমে শিকিব পাৰি। যাৰ মাতৃভাষাৰ জ্ঞান পূৰ্ণ, তেনে লোকে আন ভাষা শিকি নিজৰ ভাষাটোক আৰু উন্নত কৰিব পাৰে। আন ভাষা শিকিলে মাতৃভাষা বিকৃত হ'ব পাৰে বুলি ভবাটো ভুল। অসমীয়া যিসকলৰ মাতৃভাষা তেওঁলোকে যদি অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভাষা শিকি উপযুক্ত শব্দ গ্ৰহণ কৰিব পাৰে তেনেহ'লে তাৰ দ্বাৰা অসমীয়া ভাষা চহকীহে হ'ব। স্থান আৰু কালৰ পৰিপ্ৰেক্ষিতত মানুহ আৰু তাৰ সংস্কৃতি অধ্যয়ন কৰাটো প্ৰয়োজনীয়। সংস্কৃতি হ'ল এটা জনগোটৰ জীৱন-যাত্ৰাৰ লগত জড়িত সকলোবোৰ বিষয়বস্তু। মানৱসৃষ্ট সকলো বিষয়েই সংস্কৃতিৰ অন্তৰ্গত। অসমীয়া সংস্কৃতিৰ কথা ভাবিলে পোনতেই মানসপটত ভাহি উঠে নৃত্য-গীত, চিত্ৰকলা, শিল্প-ভাস্কৰ্য, স্থপতি শিল্প আদিৰ কথা। সাংস্কৃতিক সন্ধিয়াত বৰগীত, বনগীত, বিয়ানাম, আইনাম, আধুনিক গীত আদি বিভিন্ন ধৰণৰ গীত-মাত, বিহুনাচ, ওজাপালি, কাৰ্বি নাচ, ৰাভা নাচ, ভাওনা আদি পৰিৱেশন কৰি অসমীয়া সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰা হয়। আকৌ মুগা, পাটৰ কাপোৰ, খনীয়া কাপোৰ, ফুলাম গামোচা, বাঁহ-বেতৰ কাম, হাতী দাঁতৰ কাৰুকাৰ্য, ঢোল, পেঁপা, গগনা, কাঁহৰ বাচন, অলংকাৰ-পাতি আদিয়ে সাংস্কৃতিক প্ৰদৰ্শনীত বিশেষ স্থান অধিকাৰ কৰে। এইবোৰে যে অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ তাত কোনো দ্বিমত থাকিব নোৱাৰে।

সমাজ আৰু সংস্কৃতিৰ মাজত নিবিড় সম্বন্ধ। সমাজ এখন বৰ্তি থাকে সংস্কৃতিক কেন্দ্ৰ কৰি। আকৌ সমাজ অবিহনে সংস্কৃতিৰ পৰিচয় অৰ্থহীন। বিহুক অসমীয়া জাতীয় উৎসৱ বুলি গণ্য কৰা হয়। অসমীয়া গাঁৱলীয়া সমাজ কৃষিভিত্তিক। কৃষিৰ লগত বিহু ওতপ্ৰোতভাৱে জড়িত হৈ আছে। গতিকে বিহুৰ উল্লেখ অবিহনে অসমীয়া সংস্কৃতি আৰু পৰম্পৰা লোণবিহীন আঞ্জা যেন হ'ব। বিহুগীতবোৰ অসমীয়া সংস্কৃতিৰ বৰ মূল্যবান সম্পদ। বিহুগীতৰ ওপৰতেও নানাবিধ পৰিৱেশৰ প্ৰভাৱ দেখা যায়। বিহুগীতৰ মাজেৰে প্ৰকৃতিৰ বৰ্ণনা কৰা হয়, সমাজৰ নানা দিশৰ কথা কোৱা হয়, সৌন্দৰ্যবোধৰ পৰিচয় পোৱা যায়, প্ৰেম-প্ৰীতিৰ প্ৰকাশো বৰ স্পষ্টভাৱে ওলাই পৰে।

(মহাবিদ্যালয় সপ্তাহ সমাৰোহত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধ)

■ ৰূপী শইকীয়া স্নাতক পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী





# ক'ৰোনা মহামাৰি, অসমৰ অৰ্থনীতি আৰু ইয়াৰ পুনৰুদ্ধাৰ

বীথিকা দাস

বিশেষ লেখা

৪

**ক'ৰোনা** মহামাৰিৰ কালদংশনৰ কবলত সমগ্ৰ বিশ্বৰ অৰ্থনীতিয়েই আজি কঙাল হৈ পৰিছে। উন্নত দেশসমূহৰ অৰ্থনীতিৰ ভাৰসাম্য অস্থিৰ হোৱাৰ লগতে ভাৰতৰ দৰে উন্নয়নশীল দেশৰ অৰ্থনীতি আজি প্ৰায় মন্দাৱস্থা পাইছেহি। যাৰ ফলত ক্ৰেতা-বিক্ৰেতা সকলোৱে এক কঠিন সময়ৰ সৈতে মোকাবিলা কৰিব লগাত পৰিছে। ক'ৰোনা মহামাৰিয়ে চীনৰ পৰা আৰম্ভ কৰি পৃথিৱীৰ এখনৰ পিছত এখন দেশত ত্ৰাসৰ সৃষ্টি কৰি সমগ্ৰ বিশ্বতে ধ্বংসলীলা পাতিছে আৰু ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ অসমতো পৰিছে। প্ৰতিদিনেই অসমত ক'ৰোনা আক্ৰান্ত ৰোগীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাই এক ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰিছে। ক'ৰোনাৰ পৰা হাত সাৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা লক্‌ডাউনে স্বাভাৱিক জনজীৱন স্তব্ধ কৰি পেলাইছে। দিন-হাজিৰা কৰি খোৱা মানুহখিনিৰে পৰা আদি কৰি বিভিন্ন কোম্পানীত চাকৰি কৰা শ্ৰমিকৰ পেটৰ ভাতমুঠিৰ বাবে আজি হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। কিন্তু ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈও প্ৰতিজন শ্ৰমিকেই যৎপৰোনাস্তি চেষ্টা চলাইছে।

যিহেতু অসমৰ দৰে পিছপৰা ৰাজ্যখনত উদ্যোগৰ সংখ্যা তেনেই কম সেয়ে পূৰ্বৰ পৰাই অসমীয়া মানুহে গ্ৰাম্য অৰ্থনীতিৰ প্ৰতিহে বেছি

আগ্ৰহী। অসমৰ দৰে কৃষিপ্ৰধান দেশত ৬৯% লোকেই কৃষিৰ লগত জড়িত। লক্‌ডাউনে স্তব্ধ কৰা স্বাভাৱিক জনজীৱনে এতিয়া অসমীয়া জনতাক কৃষি-পশুপালনৰ প্ৰতি বেছিহে আগ্ৰহী কৰি তুলিছে। যুৱ প্ৰজন্মও এতিয়া চাকৰিৰ আশাতে হাত সাবটি বহি থকাৰ সলনি নিজ মাটিডৰাতে ন - ন প্ৰযুক্তিৰ ব্যৱহাৰ কৰি বিভিন্ন শস্য উৎপাদন কৰি বিভিন্ন দেশলৈ ৰপ্তানি কৰাৰ লগতে নিজেও লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছে। কিন্তু লক্‌ডাউনে এতিয়া মানুহখিনিক সেই সুবিধাকণৰ পৰাও বঞ্চিত কৰিছে। যদিও কৃষকসকলে ক'ৰোনাৰ প্ৰতিষেধক মাস্ক ব্যৱহাৰ কৰি নিজ অঞ্চলটোতেই সামগ্ৰী বিক্ৰীৰ বাবে ওলাই আহিছে তাতো তেওঁলোকে উচিত মূল্য নোপোৱাৰ লগতে বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে। যাৰ ফলত বিক্ৰেতাৰ মাজত খাদ্যৰ অপচয় আৰু ক্ৰেতাৰ মাজত খাদ্যৰ অভাৱ দেখা গৈছে, যিয়ে অৰ্থনীতিৰ ভাৰসাম্য অসন্তুলিত কৰিছে।



সাম্প্ৰতিক সময়ত দেখা দিয়া অৰ্থনীতিৰ মন্দাৱস্থা দূৰ কৰিবলৈ আমি প্ৰথমতে গ্ৰাম্য অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰিব লাগিব। গ্ৰাম্য অৰ্থনীতিৰ ভেটি সুদৃঢ়কৰণৰ প্ৰথম অৱলম্বনেই হ'ল কৃষি। যদিও ৬৯% অসমীয়া কৃষিৰ লগতে জড়িত কিন্তু তাৰ পিছতো ধানক বাদ দি আন বহু শস্যৰ বাবে আমি পৰনিৰ্ভৰশীল হ'ব লগাত পৰে তথা কৃষকসকলে লাভ আৰ্জিবলৈ বা সফলতাৰ মুখ দেখিবলৈ সক্ষম নহয়। ইয়াৰ কাৰণস্বৰূপে আমি আঙুলিয়াব পাৰোঁ— প্ৰযুক্তিৰ অভাৱ, যাতায়াতৰ দুৰৱস্থা, কৃষি সামগ্ৰীৰ অনুপযুক্ত সংৰক্ষণ ভাণ্ডাৰ, উপযুক্ত বজাৰৰ অভাৱ ইত্যাদি। ইয়াৰোপৰি কৃষি বিশ্ববিদ্যালয় তথা আঞ্চলিক গৱেষণা কেন্দ্ৰবোৰে উপযুক্ত গৱেষণাৰ যোগেদি কৃষক ৰাইজক সঁচা অৰ্থত উপযুক্ত সমলেৰে বিশ্বৰ লগত ফেৰ মাৰিব পৰা কৰি তুলিলে ক'ৰোনা আক্ৰান্ত অসমৰ অৰ্থনীতি নিশ্চয় পুনৰুদ্ধাৰ কৰিব পৰা যাব।

ইয়াৰোপৰি পশুপালক অসমীয়াই গোপালন, মীনপালনকে আদি কৰি ব্ৰয়লাৰ ফাৰ্মলৈকে বিভিন্ন জীৱ পালন কৰি জীৱিকা নিৰ্বাহ কৰিছে যদিও তেওঁলোকে আজিলৈ সফলতাৰ মুখ দেখিবলৈ সক্ষম নহ'ল। ইয়াৰ কাৰণস্বৰূপে আমি লক্ষ্য কৰিলে দেখা পাওঁ বিভিন্ন বেমাৰত ফাৰ্মবোৰত জীৱসমূহৰ মাজত দেখা দিয়া মৃত্যুৰ বিভীষিকা তথা উন্নত আশ্ৰয় আৰু খাদ্যৰ অভাৱ আৰু নিখুঁত প্ৰকল্পৰ অভাৱ। যাৰ ফলত বিনিয়োগকাৰীৰ কোটি কোটি টকাৰ বিনিয়োগ অথলে যোৱা পৰিলক্ষিত হয়। সেয়ে বিনিয়োগকাৰী তথা চৰকাৰ সমন্বিতভাৱে উচিত প্ৰকল্প-পৰিকল্পনা আৰু প্ৰশিক্ষণৰ অন্তত এনে ব্যৱস্থা হাতত ল'লে লাভান্বিত






হোৱাৰ লগতে অৰ্থনৈতিক ভেটিও সুদৃঢ় হ'ব।

তদুপৰি সাম্প্ৰতিক অসমত অৰ্থনীতিৰ ঘাই খুঁটা স্বৰূপে থিয় দিছে অসমৰ চাহ উদ্যোগে। অসমৰ পৰা বছৰি প্ৰায় ১৫০ মিলিয়ন চাহ বিদেশলৈ ৰপ্তানি কৰা হয় আৰু ক'ৰোনা মহামাৰিৰ বিভীষিকাময় পৰিস্থিতিৰ মাজতো কিন্তু এই ৰপ্তানি স্তব্ধ হৈ পৰা নাই যিয়ে অসমৰ অৰ্থনীতিক পাৰ্যমানে সকাহ দিয়াৰ চেষ্টা কৰিছে। সেয়ে চৰকাৰে চাহ উদ্যোগত ন ন আঁচনি ৰূপায়ণ কৰিলে ইয়াৰ পৰা অৰ্থনীতিৰ ভেটি যথেষ্ট সুদৃঢ় হ'ব।

এই সমূহৰ উপৰি অসমৰ মুগা-পলুৰ ফাৰ্মক যদি



নিখুঁত প্ৰকল্পৰ সহায়ত বিশ্বৰ দৰবাৰত মুকলি কৰি দিয়াৰ বাবে চৰকাৰে বিনিয়োগ কৰে, তেন্তে ই অৰ্থনীতিক সবল কৰাত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব। অসমত উৎপাদন হোৱা নানা ৰকমৰ ফল-মূলসমূহ কেৱল বতৰৰ ফল হিচাপে গ্ৰহণ কৰাৰ সলনি ফলৰ ৰস তৈয়াৰ কৰি বিশ্বৰ বিভিন্ন প্ৰান্তত ৰপ্তানি কৰিলেই অৰ্থনীতিৰ প্ৰতি এক সফলতা কঢ়িয়াই আনিব। তদুপৰি অসমৰ খাদ্যসম্ভাৰ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিলে অসমৰ কৃষ্টি-সংস্কৃতিৰ বিকাশৰ লগতে অৰ্থনীতিৰ ভেটিও সবল হৈ পৰিব। সাম্প্ৰতিক সময়ত ইয়াৰ উদাহৰণস্বৰূপে আঙুলিয়াব পাৰোঁ— 'থলগিৰি অসমীয়া হোৱাৰ গৌৰৱ' আৰু 'টীম খাৰখোৱা'ক। ইয়াৰোপৰি আমাৰ সমীপৰ পাগলাদিয়া নৈৰ পাৰৰ 'কঁহুৱা ৰিজৰ্ট'ৰ কথাও আমি নুই কৰিব নোৱাৰোঁ। এই ৰিজৰ্টখন ২০১৩ চনত ই ৰিজৰ্ট হিচাপে খ্যাতি লাভ কৰে। গছ-গছনিৰে ভৰা অনাবিল প্ৰাকৃতিক সৌন্দৰ্যৰ অধিকাৰী এই ৰিজৰ্টখনে পৰ্যটনস্থলী হিচাপে অৰ্থনীতিত সহায় আগবঢ়াই আহিছে।

এনেদৰেই গ্ৰাম্য উন্নয়নৰ বাবে সৰু সৰু পদক্ষেপৰ অন্ততহে অৰ্থনীতিৰ বুনিয়াদ সবল হ'ব। কোভিড-১৯ৰ এই ভয়াবহ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত চৰকাৰে বিশিষ্ট অৰ্থনীতিবিদসকলৰ লগত আলোচনাৰ অন্তত কৃষি আৰু পশুপালন ক্ষেত্ৰখনত বিশেষ গুৰুত্ব আৰোপৰ সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰী আৰু কৃষিমন্ত্ৰী ডাঙৰীয়াই বিত্ত বিভাগৰ সৈতে আলোচনা কৰি কৃষক আৰু পশুপালকসকলৰ ক্ষতিপূৰণ দিয়াৰ কথাও ঘোষণা কৰে। ইয়াৰ উপৰি গ্ৰাম্য ভাৰতৰ বাবে আগবঢ়োৱা আৱণ্টনৰ কথা উল্লেখ কৰি অমিত শ্বাহ ডাঙৰীয়াই কয় যে 'এম জি এনৰেগাৰ' অধীনত মোদী চৰকাৰে আগবঢ়োৱা ৪০,০০০ কোটিৰ অতিৰিক্ত আৱণ্টনে কেৱল দৰিদ্ৰ লোক আৰু প্ৰৱজিত শ্ৰমিকক কৰ্মসংস্থাপনৰ সুযোগ দিয়াই নহয় তেওঁলোকক জীৱিকাৰ সম্বলো আগবঢ়াব, যিয়ে আমাৰ গ্ৰাম্য অৰ্থনীতি আৰু আন্তঃগাঁথনিক বৃহৎ পৰিমাণে উদ্‌গনি যোগাব।

মন কৰিবলগীয়া কথাটো হ'ল যে অসম প্ৰাকৃতিক সম্পদত অতীজৰে পৰা চহকী হোৱাৰ লগতে কৃষি-পশুপালন আদি ক্ষেত্ৰতো আগবঢ়া, সফলতৰা শাৰীত থিয় হ'বলৈ এতিয়া প্ৰয়োজন মাথোঁ পৰিকল্পিত প্ৰকল্প তথা বিনিয়োগৰ। ইয়াৰ বাবে চৰকাৰে ৰূপায়ণ কৰিব লাগিব আঁচনি আৰু এই আঁচনিসমূহ কেৱল কাগজে-কলমে থকাৰ সলনি ফলপ্ৰসূ কৰাৰ বাবে ওলাই আহিব লাগিব আগ্ৰহী জনতা। ক'ৰোনাৰ এই ভয়ংকৰ পৰিস্থিতিত মন্দা হোৱা অসমৰ অৰ্থনীতিৰ ভেটি সবল কৰিবলৈ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ পুনৰ্নিৰ্মাণ কৰিবই লাগিব। ইয়াৰ বাবে প্ৰয়োজন মাথোঁ নিখুঁত প্ৰকল্প, চৰকাৰী ফলপ্ৰসূ আঁচনি আৰু আগ্ৰহী জনতা, যিয়ে অসমৰ অৰ্থনীতিৰ ভাৰসাম্য পুনৰ সন্তুলিত কৰি এক নতুন দিগন্তৰ সূচনা কৰিব।

(ড' বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)

■ বীথিকা দাস সৰভোগৰ বৰনগৰ মহাবিদ্যালয়ৰ দ্বিতীয় ষাণ্মাসিকৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী



# ক'ৰোনা মহামাৰি, অসমৰ অৰ্থনীতি আৰু ইয়াৰ পুনৰুদ্ধাৰ

সীমা বেজবৰুৱা

বিশেষ লেখা ৫

অৰ্থনীতি হৈছে সমাজ বিজ্ঞানৰ এটা বিভাগ। ই এখন দেশ অথবা এটা অঞ্চলৰ দ্ৰব্য আৰু সেৱাৰ উৎপাদন যোগান, বিনিময়, বিতৰণ আৰু ভোগৰ বিষয়ে আলোচনা কৰে। মানুহৰ জীৱন ধাৰণৰ বাবে বিভিন্ন সম্পদৰ প্ৰয়োজন। সম্পদ সীমিত কিন্তু অভাৱ অসীম। এই সীমাহীন অভাৱ পূৰণৰ বাবে মানুহে যি প্ৰচেষ্টা চলাই সেই প্ৰচেষ্টা প্ৰয়োগৰ ক্ষমতা সীমাবদ্ধ। সীমিত সম্পদৰ সু ব্যৱহাৰৰ দ্বাৰা সৰ্বোত্তম অভাৱ পূৰণ অৰ্থনীতিৰ মূল বিষয়। অৰ্থাৎ সীমিত আয়েৰে ঘৰ এখন পৰিচালিত কৰা ধাৰণাটোৰ পৰাই 'অৰ্থনীতি' বা অৰ্থবিজ্ঞানৰ উৎপত্তি।

অসমৰ অৰ্থনীতি মূলতঃ কৃষিকেন্দ্ৰিক। অসমৰ ৩৯% ব্যক্তি কৃষিৰ সৈতে জড়িত। উৎপাদিত কৃষিজাত সামগ্ৰীসমূহ হৈছে— চাহপাত, মৰাপাট, ধান, কুঁহিয়াৰ ইত্যাদি। মূল উৎপাদন ধান।

অসমৰ উত্তৰণৰ অন্যতম চৰ্ত হৈছে অৰ্থনৈতিক স্বাবলম্বিতা। অৰ্থনৈতিক স্বাবলম্বিতাই অসমক সুফলা কৰি তুলিব পাৰিব। এক সবল অৰ্থনৈতিক ভেটিৰ আধাৰতহে গঢ়ি উঠিব আনন্দৰাম ঢেকিয়াল ফুকনৰ সপোনৰ অসম। মূলতঃ অৰ্থনীতিয়ে জাতি এটাৰ ভৱিষ্যৎ কিন্তু বৰ্তমান গোটেই ভাৰতবৰ্ষত বিয়পি পৰা ক'ৰোনা নামৰ মহামাৰিবিধে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আমাৰ অসমৰ অৰ্থনৈতিক খণ্ডটোকো অৱনতিৰ পিনে বোৱাই নিছে। এনে এক ভয়ানক পৰিস্থিতিত আমাৰ ৰাজ্যৰ অৰ্থনৈতিক খণ্ডটো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। গতিকে এনেকুৱা গুৰুত্বৰ পৰিস্থিতিত আমাৰ অসম ৰাজ্যৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰে অৰ্থনৈতিক দিশটোৰ পুনৰুদ্ধাৰৰ বাবে চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আহি পৰিছে। এনেক্ষেত্ৰত অসমৰ অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ বাবে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী ৰূপত পুনৰ্নিৰ্মাণ হ'লেহে ক'ৰোনা আক্ৰান্ত সমগ্ৰ অসম ৰাজ্যখনৰ পুনৰুদ্ধাৰ সম্ভৱপৰ হ'ব।



মহাত্মা গান্ধীয়ে কৈ গৈছে— ভাৰতবৰ্ষৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব ইয়াৰ গাঁওবোৰৰ ওপৰত। ঠিক তেনেদৰে আমাৰ অসম ৰাজ্যখনৰ ভৱিষ্যতো ইয়াৰ গাঁওবোৰৰ ওপৰতে নিৰ্ভৰশীল। দুৰ্ভাগ্যবশতঃ অসম এখন কৃষিপ্ৰধান ৰাজ্য হোৱা সত্বেও শতকৰা ৭০ শতাংশ লোক এতিয়াও গাঁৱতে বাস কৰি থাকিলে সামাজিক আৰু অৰ্থনৈতিক খণ্ডত বহু পিছপৰি থাকিল আজিকোপতি। গ্ৰামীণ খণ্ড নিজে মুখ্য বৰঙণি দাতা জাতীয় আয়ৰ সৰ্বমুঠ জিডিপিৰ, তথাপি গাঁওবোৰৰ উন্নতিৰ অভাৱ, ইয়াৰ অৰ্থ হ'ল অসমৰ উন্নতিৰ অভাৱ।

সমবায় সমিতিবোৰে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে আৰু গ্ৰাম্য খণ্ডৰ উন্নতিৰ কাৰণে এক সুনামৰ অংশীদাৰ হ'ব পাৰিছে যিটো চৰকাৰৰ লগতে ব্যক্তিগত খণ্ডৰ অসমৰ মুঠ অৰ্থনীতিলৈ উল্লেখযোগ্য বৰঙণি। সমবায়বোৰে গ্ৰাম্য অৰ্থনীতিৰ সকলোবোৰ কাম-কাজক সামৰি যেৰি ৰাখিছে আৰু সেয়ে আছে এক বৃহৎ সম্ভাৱনীয়তা লগতে গ্ৰাম্য অৰ্থনীতিৰ উন্নতিৰ কাৰণে চৰকাৰৰ পৰা প্ৰয়োজনীয় উৎসাহ-উদ্দীপনা পাব লাগে।

অসমৰ কৃষিভিত্তিক সমবায় সমিতিবোৰ হ'ল — গো-পালন, মীন, কৃষি উদ্যান, তাঁতশাল, পাট-মুগা, থলুৱা হস্তশিল্প আৰু শিল্পী। উদাহৰণস্বৰূপে — সৰ্থেবাৰীৰ কাঁহৰ বাচন উৎপাদন সমিতি বৰপেটা, যিটো ৰাজ্যৰ আটাইতকৈ পুৰণি পঞ্জীয়নভুক্ত সমিতি। থলুৱা শিল্পত নিযুক্ত শিল্পীসকলক এখন মঞ্চ দিয়াৰ উপৰি বজাৰৰ ব্যৱস্থা কৰি দিছে। ইয়াৰ উপৰি হিচাপ-নিকাচৰ আৰু মান নিৰূপণ কৰি আধুনিক উপায় হিচাপে সমকালীনতা ধৰি ৰাখিব পাৰিছে।

মহিলাৰ অংশগ্ৰহণেৰে গ্ৰাম্য অসমৰ সমবায় সমিতিৰ পৰিসৰ বৃদ্ধি কৰিব পাৰি। এই সম্পৰ্কত আত্ম-সহায়ক গোটবোৰৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। যেনেধৰণে তেওঁলোকে গাঁৱৰ মহিলাসকলৰ মাজত কেৱল বিত্তীয় স্বায়ত্ততা আৰু শিক্ষা অকল নানে, আনি দিয়ে এখন মঞ্চ জীয়াই থাকিবলৈ আয় উপাৰ্জন কৰিব পৰা সুবিধা, সংগঠিত হোৱাৰ সুযোগ, অধিকাৰৰ দাবী আৰু তেওঁলোকৰ পাৰস্পৰিক পাৰদৰ্শিতা আৰু শিল্পত বিকাশ আনি দিব পাৰে।

কৃষি ঋণ আৰু আন আন কৃষিভিত্তিক প্ৰয়োজনবোৰৰ উপৰি সমবায়ৰ খেতিয়কে পাই এখন বজাৰ, পণ্যাগাৰৰ সুবিধা আৰু পৰিবহণ ব্যৱস্থাৰ সমৰ্থন। সেৱামূলক সমবায় সমিতিবোৰে দুখীয়াক সহায় কৰে, প্ৰান্তৱৰ্তী খেতিয়কক ট্ৰেক্টৰ আৰু মৰণা মৰা যন্ত্ৰ ভাড়ালৈ দিয়ে। কিছুমান অঞ্চলত গ্ৰাম্য সমবায় সমিতিবোৰে এতিয়া প্ৰৱেশ কৰিছে ভূ-সম্পত্তি, বিজুলী শক্তি, জীৱন বীমা, স্বাস্থ্য যতন আৰু যোগাযোগ খণ্ডত। যদি এনেদৰে উন্নতিৰ লক্ষ্য আগত লৈ কাম কৰি গৈ থাকে তেতিয়া বেছি দিন নালাগিব অসমৰ চহৰীয়া

জীৱনৰ মানতকৈ গ্ৰাম্য জীৱনৰ মান বেছি উন্নতৰ হ'বলৈ। ঠিক সেইদৰে গ্ৰাম্য জীৱন উন্নতৰ হোৱাৰ লগে লগে সমগ্ৰ অসম ৰাজ্যখনো অৰ্থনৈতিক দিশত সবল হৈ উঠিব।

অসমত পশুপালনৰ ক্ষেত্ৰত প্ৰধান হ'ল গো-ধন আৰু ছাগলী। বৰ্তমান সময়ত আধুনিকতাৰ লগে লগে মাংস জাতীয় সামগ্ৰীৰ জনপ্ৰিয়তা ক্ৰমাৎ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে আৰু বৰ্ধিত চাহিদা পূৰণৰ বাবে চৰাই পালনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে বিভিন্ন ব্যৱসায়িকভাৱে সফল প্ৰজাতি মাংসৰ কাৰণে তথা কণী উৎপাদনৰ কাৰণে বহুলভাৱে ব্যৱহৃত হোৱা দেখা যায়।



পশুপালনক সফলভাৱে জীৱিকা অৰ্জনৰ উদাহৰণস্বৰূপে অৱলম্বন কৰিবৰ বাবে বিজ্ঞানসন্মতভাৱে ইয়াক গ্ৰহণ কৰাটো আৱশ্যক। গো-ধনৰ শ্ৰীবৃদ্ধি তথা সঠিক পৰিমাণৰ গাখীৰ উৎপাদনৰ কাৰণে বিজ্ঞানসন্মত দানা-পানীৰ যোগান ধৰাটো আৱশ্যক। দানা-পানী প্ৰস্তুত কৰোঁতে বিভিন্ন আৱশ্যকীয় খাদ্য উপাদানবোৰ ঘাইকৈ দেহৰ ওজন, বয়স তথা গাখীৰ উৎপাদনৰ পৰিমাণৰ ওপৰত নিৰ্ধাৰণ কৰা হয়। সুস্বাস্থ্যৰ বাবে গোহালিবোৰো বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা আৱশ্যক। সতেজ বায়ু চলাচলৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা তথা সূৰ্যৰ ৰশ্মি সঠিকভাৱে পৰিবৰ কাৰণে গোহালিবোৰ উত্তৰ-দক্ষিণমুৱা হোৱাটো বাঞ্ছনীয়। তদুপৰি গোহালিবোৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিও গো-ধনক বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰিব পৰা যায়। একেদৰে ব্ৰইলাৰ কুকুৰা পালনৰ ক্ষেত্ৰতো বৈজ্ঞানিক তথা লাভজনক উপায় অৱলম্বন কৰাটো দৰকাৰ। এইক্ষেত্ৰত উপযুক্ত পৰিমাণৰ দানা যোগান ধৰাটো আৱশ্যক। পশুধনক বিভিন্ন বেমাৰ আজাৰৰ পৰা ৰক্ষা কৰিবৰ কাৰণে নিৰ্ধাৰিত বয়সত টীকাকৰণ কৰাটো বাঞ্ছনীয়। পশুপালনক সফলভাৱে জীৱিকা অৰ্জনৰ উপায়স্বৰূপে গ্ৰহণ কৰিবলৈ হ'লে ইয়াক বৈজ্ঞানিক তথা সূক্ষ্মভাৱে গ্ৰহণ কৰাটো আৱশ্যক। এইক্ষেত্ৰত পশুপালকসকলে উপযুক্ত দিহা-পৰামৰ্শৰ বাবে, পশু চিকিৎসক তথা অভিজ্ঞ ব্যক্তিৰ পৰা পৰামৰ্শ ল'ব লাগে। তদুপৰি জিলাসমূহত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষিবিজ্ঞান কেন্দ্ৰসমূহৰ বিশেষজ্ঞসকলৰ দ্বাৰা পশুপালন সম্বন্ধে বিভিন্ন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয় আৰু ইয়াত প্ৰশিক্ষণ লৈ পশুপালকসকলে বিভিন্ন ধৰণে উপকৃত হ'ব পাৰে। কৃষি তদুপৰি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা বিভাগেও এইক্ষেত্ৰত সহায় কৰি এক বিশেষ ভূমিকা লোৱা পৰিলক্ষিত হয়।

সংক্ষেপে ক'বলৈ হ'লে পশুপালন অবিহনে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ কল্পনা কৰিব নোৱাৰি। সেইবাবে ইয়াক আৰু অধিক প্ৰতিষ্ঠিত কৰিবৰ বাবে পশুপালন ব্যৱস্থা সম্পূৰ্ণৰূপে বিজ্ঞানসন্মত তথা আধুনিক হোৱাটো বাঞ্ছনীয়। তেতিয়াহে অসমৰ অৰ্থনীতিয়ে সমগ্ৰ দেশখনৰ অৰ্থনীতিত এক সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিব পাৰি।

গতিকে ক'বোনা আক্ৰান্ত অসমৰ ভৱিষ্যৎ আজি গ্ৰাম্য অৰ্থনীতিৰ ওপৰত বাৰুকৈয়ে নিৰ্ভৰশীল। গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ জৰিয়তে আমাৰ ৰাজ্যখনৰ বিকাশৰ গতি অধিক ত্বৰান্বিত কৰিব লাগিব।



দুগ্ধ উৎপাদনৰ জৰিয়তে আমাৰ ৰাজ্যখনত গো-পালনৰ দ্বাৰা অগ্ৰণী ভূমিকা লোৱাৰ যথেষ্ট অৱকাশ আছে। গো-পালন আমাৰ সামাজিক পৰম্পৰা আছিল। কিছু বছৰৰ পৰা গো-পালনত মনোনিৱেশ নকৰা বাবে ৰাজ্যৰ জনসাধাৰণে বাহিৰৰ পৰা গাখীৰ আমদানি কৰি খাবলগীয়া হৈছে।

আমাৰ ৰাজ্যখনে প্ৰতিদিনে দুই লক্ষ লিটাৰ গাখীৰ বাহিৰৰ পৰা আমদানি কৰিবলগীয়া হয়। আমি যদি সকলোৱে দৃঢ় সংকল্প লওঁ তেন্তে প্ৰয়োজনীয় গাখীৰ অসমতে উৎপাদন কৰিব পৰা যাব আৰু আমাৰ শিশুসকলে ভাল গাখীৰ খাই সু-স্বাস্থ্যৰ গৰাকী হ'ব।

বৰ্তমান অসমত প্ৰতিদিনে ৫৩ হাজাৰ লিটাৰ গাখীৰ উৎপাদন হয়, সেইটো আগন্তুক দহ বছৰত ৫ লক্ষ লিটাৰ গাখীৰ উৎপাদনৰ লক্ষ স্থিৰ কৰি কামত অগ্ৰসৰ হ'ব লাগিব।

অসম চৰকাৰে ক'ভিড-১৯ৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী ৰূপত ধৰি ৰখাৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰিছে। কৃষিমন্ত্ৰী অতুল বৰাই এখন সংবাদ মেলত এই বিষয়ে মত প্ৰকাশ কৰি কয় যে, লক্ ডাউনৰ সময়ছোৱাত কৃষকসকলৰ লগতে পশু পালকসকল যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বিত্ত বিভাগৰ সৈতে আলোচনা কৰি তেওঁলোকক ক্ষতিপূৰণ দিয়া সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ লগতে বিভিন্ন আঁচনিৰ অধীনত কৃষকক অগ্ৰাধিকাৰ দিয়া হ'ব বুলিও কৃষিমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।



প্ৰাচীন কালৰে পৰা বয়ন শিল্পত অসম, ভাৰত বিখ্যাত। অসমৰ হস্ততাঁত-বস্ত্ৰ শিল্পৰ গ্ৰাম্য অৰ্থনীতিত অৰিহণা বহুত। অসমীয়া তিৰোতাসকলৰ অতীজৰে পৰা শিপিনীৰূপে এক সুকীয়া পৰিচয় আছে। এই হস্ততাঁত আৰু বস্ত্ৰশিল্প অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। এক কথাত ক'বলৈ গ'লে বয়নশিল্প অসমীয়া সংস্কৃতিৰ পৰম্পৰা আৰু এই পৰম্পৰা জীয়াই ৰখাটো প্ৰত্যেকজন অসমীয়াৰে দায়িত্ব।

বয়নশিল্প অবিহনে অসমৰ অৰ্থনীতি সুচল বুলিব নোৱাৰি। আৰু গ্ৰাম্যাঞ্চলসমূহৰ উন্নতি অবিহনে অসমৰ সামগ্ৰিক উন্নতি সম্ভৱ নহয়। এই শিল্পই অসমীয়া সংস্কৃতিৰ ঐতিহ্য আৰু জনজীৱনৰ অপৰিহাৰ্য অংগ হিচাপে ৰাজ্যখনৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসমীয়া জাতীয় জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত এই শিল্পৰ জৰিয়তে গাঁৱৰ মহিলাসকলে ৰাজ্যখনৰ অৰ্থনীতিত প্ৰচুৰ অৱদান আগবঢ়াই আহিছে। বয়নশিল্পৰ আনুষংগিক কৰ্মত নিয়োজিত হৈয়ো বহুতো লোকে কৰ্ম সংস্থাপনৰ পথ প্ৰশস্ত কৰিছে। এই শিল্পক অসমৰ অন্যতম বৃহৎ কুটিৰ শিল্প ৰূপে জনা যায়। বৰ্তমান অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ধৰণৰ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণ কৰি ৰাজ্যখনৰ অৰ্থনীতি ভিতৰৰ পৰা টনকিয়াল কৰি তোলাৰ লগতে সমাজৰ একেবাৰে নিঃস্বজনৰ মুখত হাঁহি বিৰিঙাই তুলিবলৈ সক্ষম হৈছে। হস্তশিল্প যে অসমীয়া সংস্কৃতিৰ পৰিচায়ক এই কথা সকলোৱে মনত ৰাখি এই শিল্পবিধক ধৰি ৰখা আৰু আগুৱাই নিয়া প্ৰত্যেকজন অসমীয়াৰে কৰ্তব্য, তেতিয়াহে অসমৰ অৰ্থনীতি সৰ্বতোপ্ৰকাৰে উন্নত হ'ব।

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন প্ৰবন্ধ প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)

■ সীমা বেজবৰুৱা ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ছাত্ৰী



# ক'ৰোনা মহামাৰি, অসমৰ অৰ্থনীতি আৰু ইয়াৰ পুনৰুদ্ধাৰ

অৰ্পণা কলিতা

বিশেষ লেখা ৬

বৰ্তমান সমগ্ৰ বিশ্বত ক'ৰোনা মহামাৰিয়ে ত্ৰাসৰ সৃষ্টি কৰিছে। ক'ৰোনাৰ কবলত পৰি সমগ্ৰ বিশ্ববাসীয়ে কৰ্ক্কৰ্কাই ফুৰিছে। যাৰ ফলত মানুহৰ দৈনন্দিন জীৱনযাত্ৰা অচল হৈ পৰিছে। ক'ৰোনাই যিহেতু তাংক্ষণিকভাৱে বীজাণু এজনৰ দেহৰ পৰা আন এজনলৈ বিয়পায়, সেয়েহে ক্ষণিকতে ইয়াৰ দ্বাৰা হেজাৰ হেজাৰ মানুহ আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছে। এনেকুৱা ভয়ানক ত্ৰাসৰ সৃষ্টি কৰা মহামাৰি বিধৰ কিন্তু আজিলৈকে কোনো চিকিৎসা বিজ্ঞানী বা বিশ্ব স্বাস্থ্য সংস্থাৰ তৰফৰ পৰা ভেকচিন উত্তৰ কৰিব পৰা নাই। এনেকুৱা জটিল সন্ধিক্ষণত দেশৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে দেশত লকডাউন (তলাবন্ধ) ঘোষণা কৰিছে।

চৰকাৰ বা দেশৰ প্ৰশাসনে লক্‌ডাউন ঘোষণা কৰাৰ ফলত মানুহৰ দৈনন্দিন জীৱনত ব্যাঘাত জন্মায়। মানুহে সকলো কামৰ পৰা বিৰত থাকি ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হৈছে। বিশেষকৈ গ্ৰাম্যাঞ্চলত ইয়াৰ প্ৰভাৱ চিন্তনীয়। গ্ৰাম্য অঞ্চলৰ মানুহে দৈনন্দিন উপাৰ্জিত ধনেৰে জীৱন নিৰ্বাহ কৰে। তেওঁলোকে যিহেতু দৈনিক হাজিৰা কৰি, ৰিক্সা চলাই, ঠেলা চলাই, ই-ৰিক্সা চলাই পেট প্ৰৱৰ্তাই আছে, সেয়েহে লক্‌ডাউনে শ্ৰমিক আৰু গাঁৱলীয়া লোকসকলৰ ওপৰত মাধমাৰ শোধাইছে।

গ্ৰাম্যাঞ্চলৰ লোকসকল যিহেতু আৰ্থিকভাৱে অতি পিছপৰা সেয়েহে চৰকাৰে ইয়াৰ উন্নতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত। লক্‌ডাউনে গ্ৰাম্যাঞ্চলৰ লোকসকলৰ স্বাভাৱিক জীৱনযাত্ৰাত ব্যাঘাত জন্মাইছে।

অসমৰ গ্ৰাম্য অৰ্থনীতিৰ প্ৰধান জীৱিকা হৈছে কৃষি। সেয়েহে চৰকাৰে প্ৰথমে কৃষিখণ্ডৰ উন্নতিৰ বাবে আঁচনি প্ৰস্তুত কৰিব লাগে। কেৱল আঁচনি প্ৰস্তুত কৰাই নহয় তাক পৰিকল্পিতভাৱে ৰূপায়ণ কৰি কাৰ্যকৰী কৰিব লাগে, যাতে প্ৰত্যেক মানুহে তাৰ সুবিধা লাভ কৰিব পাৰে। উন্নত মানৰ বীজ, কৃষিকাৰ্য কৰা সঁজুলি, পাৱাৰ টিলাৰ, জলসিঞ্চনৰ ব্যৱস্থা, কীটনাশক আদি যোগান ধৰিব লাগে, ইয়াৰ দ্বাৰা ক'ৰোনা মহামাৰিয়ে কোঙা কৰি পেলোৱা অসমৰ অৰ্থব্যৱস্থা কিছু পৰিমাণে উন্নত কৰিব পৰা যাব। অসমৰ প্ৰায় ৭০% মানুহ গ্ৰাম্যাঞ্চলত বাস কৰে আৰু এই লোকসকলৰ বেছিভাগেই কৃষি আৰু দিন হাজিৰা কৰি পৰিয়াল পোহ-পাল দি আছে। তেওঁলোকৰ ঘৰুৱা অৱস্থা অতিশয় শোচনীয় আৰু চৰকাৰে দিয়া তলাবন্ধৰ ফলত সেইসকল লোকৰ পানীত হাঁহ নচৰা অৱস্থা কৰাইছে। গ্ৰাম্যাঞ্চলত এনে কিছুমান লোকো আছে যিসকলৰ খেতি কৰিব পৰা মাটি নাই, সেইসকলে ঘৰৰ বাৰীতে বা আনৰ মাটি আধি হিচাপে লৈ শাক-পাচলিৰ খেতি কৰে আৰু সেই উৎপাদিত শাক-পাচলি বজাৰত বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰে। কিন্তু পৰিতাপৰ কথা যে লক্‌ডাউনে এই কৃষকসকলক শাক-পাচলি বিক্ৰী কৰাত নিষেধাজ্ঞা কৰিছিল, যাৰ ফলস্বৰূপে তেওঁলোকে নানা সমস্যাৰে জৰ্জৰিত হোৱাৰ লগতে আৰ্থিক দীনতাত ভুগিব লগা হৈছে। অসমৰ এনেকুৱা বহু ক্ষুদ্ৰ ক্ষুদ্ৰ খেতিয়ক আছে যিসকলে নেকি খেতি কৰিবলৈ নিজা মাটি নাই, লোকৰ মাটিত আধি খেতি কৰে লগতে খেতি কৰিবলৈ পৰ্যাপ্ত ধন তেওঁলোকৰ হাতত নাথাকে, তেওঁলোকে বেংক বা অন্য সংগঠনৰ পৰা টকা লোণ হিচাপে লৈ খেতি কৰে। কিন্তু ক'ৰোনা মহামাৰিয়ে তেওঁলোকৰ মুখৰ ওপৰত হতাশাৰ বতৰা কঢ়িয়াই আনিছে। অধিক পৰিশ্ৰম কৰি উৎপাদন কৰা ফচলসমূহ নিৰ্দিষ্ট বজাৰ পোৱাৰ অভাৱত মাটিতে গেলি-পচি যাব ধৰিছে। ইয়াৰ ফলত এচাম চহৰ অঞ্চলৰ মানুহে খাদ্যৰ নাটনিৰ অভাৱত ভুগিছে। আনহাতে, খেতিয়কসকল নিৰ্দিষ্ট মূলধনখিনিও ঘূৰাই নোপোৱাত হতাশাত ভুগিছে। সেয়েহে অসম চৰকাৰে খেতিয়কসকলৰ উৎপাদিত পণ্যসমূহ ৰপ্তানি কৰিবলৈ ক'ৰোনা আতংকৰ মাজতো এখন উপযুক্ত বজাৰৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া হ'লেহে ক'ৰোনা আক্ৰান্ত অসমৰ অৰ্থনীতি কিছু পৰিমাণে সবল হৈ উঠিব।

গ্ৰাম্যাঞ্চলৰ লোকসকলো কলা-কৃষ্টিত অধিক চহকী, কিন্তু তেওঁলোক আৰ্থিক অসুবিধাৰ বাবে সেই সুপ্ত প্ৰতিভা বিকশাই তুলিব পৰা নাই। গ্ৰাম্যাঞ্চলৰ লোকসকলৰ হাতৰ পৰশত প্ৰাণ পাই উঠে বিভিন্ন সু-সজ্জিত সামগ্ৰী। বাঁহ-বেতেৰে বিভিন্ন সামগ্ৰী ঘৰতে তৈয়াৰ কৰি তেওঁলোকে প্ৰতিভা বিকাশ কৰে। সেই উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী কৰি গ্ৰাম্যাঞ্চলৰ লোকসকল দুই-এপইচা গোটায়। গতিকে ক'ৰোনাৰ বাবে এইসকল লোকে এখন বজাৰৰ অভাৱত তেওঁলোকে সামগ্ৰীসমূহ বিক্ৰী কৰিব পৰা নাই। চৰকাৰে যদি এই সামগ্ৰীসমূহ বিক্ৰীৰ বাবে এখন উপযুক্ত মূল্যৰ বজাৰৰ ব্যৱস্থা কৰিব পাৰে, তেতিয়াহ'লে গ্ৰাম্যাঞ্চলৰ অৰ্থনীতি বৰ্তি থাকিব। লগতে এনেকুৱা আৰ্থিক সংকটত পৰি থকা ক্ষুদ্ৰ হস্তশিল্প ব্যৱসায়ী সকলো আৰ্থিক দীনতাৰ পৰা কিছু পৰিমাণে সকাহ পাব।

দেশ এখনৰ অৰ্থনীতি যিমানেই উচ্চ নহওক কিয় যদিহে দেশখনৰ অধিক সংখ্যক লোকেই দুৰ্ভিক্ষতাত ভুগি থাকে, সেইখন দেশক কেতিয়াও উন্নত দেশ বুলি ক'ব নোৱাৰি। একেদৰে অসমৰ ক্ষেত্ৰতো একেটা কথাকেই ক'ব পাৰোঁ। যদিহে অসমৰ গ্ৰাম্যাঞ্চলৰ লোকসকল আৰ্থিক হীনতাত ভুগি থাকে তেতিয়াহ'লে অসমৰ অৰ্থনীতি ভাল নহয় বুলি ক'ব পাৰোঁ। অসমৰ গ্ৰাম্যাঞ্চলত বহুত লোক যুব প্ৰজন্ম আছে, যিসকল নিবনুৱা সেইসকল উঠি অহা প্ৰজন্মক অসম চৰকাৰে তেওঁলোকৰ নিজ নিজ গাঁৱতে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰি দিলে হয়তো অসমৰ ক'ৰোনাৰ আতংকৰ বাবে নিম্নমানলৈ গতি কৰা অসমৰ অৰ্থনীতি ভাল দিশলৈ গতি কৰিব। 'মহাত্মা গান্ধী এনৰেগা'ৰ অধীনত নিবনুৱা যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুবিধা দিয়া হয়। মথাউৰি নিৰ্মাণ, ৰাস্তা, দলং, পকী নিৰ্মাণ কাৰ্য আদি আঁচনিৰ অধীনত সামৰি লৈ গ্ৰাম্য অঞ্চলৰ লোকসকলক কামত নিয়োগ কৰে। ইয়াৰ বাবদ তেওঁলোকে দৈনিক ভাট্টা লাভ কৰে। যাৰ ফলস্বৰূপে লোকসকলে কৰ্মসংস্থাপনৰ সুবিধা পাব। সেয়েহে এখন দেশৰ অৰ্থনীতি সুস্থিৰ কৰি ৰাখিবলৈ হ'লে প্ৰথমে গাঁওসমূহক উন্নতি কৰিব লাগিব। সেয়েহে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ পুনৰ্নিৰ্মাণেই অসমত ক'ৰোনা আক্ৰান্ত অৰ্থনীতি পুনৰুদ্ধাৰ কৰিব পৰা যাব।

(ড' বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন প্ৰবন্ধ প্ৰতিযোগিতাত তৃতীয় স্থানপ্ৰাপ্ত।)

■ অৰ্পণা কলিতা ধুপধৰাৰ বিকালী মহাবিদ্যালয় স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা) ৰ ছাত্ৰী

# সাক্ষাৎকাৰ ঃ বেদান্ত বিকাশ বৰা



তিনিটা মূলমন্ত্ৰ বুলি ক'বলৈ অসুবিধা। কিন্তু মই মূলতঃ নিজে জীয়াই থকা পৃথিৱীখনৰ ঘটনা-পৰিঘটনাসমূহৰ সম্পৰ্কে সাধাৰণ সচেতনতা, এইসমূহৰ সম্পৰ্কে নিজস্ব বস্তুনিষ্ঠ, স্পষ্ট ধাৰণা; পৰীক্ষাটোৰে কি বিচাৰে এইসম্পৰ্কে মনত স্পষ্ট ধাৰণা ৰাখি ধাৰাবাহিক অধ্যয়ন আৰু পৰিশ্ৰম— এইকেইটাকেই আটাইতকৈ গুৰুত্ব দিওঁ।

■ আপোনাৰ পৰিচয়টো আগবঢ়াব।

■ ■ মোৰ নাম বেদান্ত বিকাশ বৰা। গোলাঘাটত ঘৰ। অসম অসামৰিক সেৱাৰ বিষয়া হিচাপে বৰ্তমান নগাঁও জিলাত সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ হিচাপে কৰ্মৰত।

■ প্ৰশাসনিক বিষয়া হিচাপে নিজে নিজক প্ৰতিষ্ঠিত কৰাটোৱেই আপোনাৰ জীৱনৰ মূল লক্ষ্য আছিল নেকি?

■ ■ মধ্যবিত্ত পৰিয়ালৰ পৰা অহা হেতুকে চাকৰি অথবা জীৱিকাৰ গুৰুত্ব নিশ্চয়কৈ বুজি পাইছিলোঁ। কিন্তু জীৱিকা অথবা বৃত্তিৰ সপোনটোৱেই মোৰ ক্ষেত্ৰত জীৱনৰ 'মূল' লক্ষ্য নাছিল। ইয়াৰ কাৰণ দুটা— প্ৰথমতে, মোৰ সীমিত চখখিনি পূৰ কৰি চলি থাকিবলৈ জীৱনত কিবা নহয় কিবা এটা কৰিব পাৰিম বুলি থকা মোৰ প্ৰচণ্ড আত্মবিশ্বাস, দ্বিতীয়তে গতানুগতিক সা-সম্পত্তি, টকা-পইচা, বিলাসী ঘৰ-বাহন, ক্ষমতা আদি প্ৰশ্ন 'লক্ষ্য'বোৰৰ ঊৰ্ধ্বত এখন নিজস্ব পৃথিৱীত এক সাৰস্বত জীৱন কটোৱাৰ মনৰ দুৰ্বাৰ ইচ্ছা আৰু সৰ্বোপৰি মোৰ শিক্ষক পিতৃৰ সততা আৰু কৰ্মনিষ্ঠাই শৈশৱ-কৈশোৰতে কোমল মনত কৰা গভীৰ ৰেখাপাত। গতিকে চাকৰি এটাই মূল লক্ষ্য নাছিল। মই যি জীৱনৰ স্বপ্নবিভোৰ আছিলোঁ সেয়া সৰ্বদা সততা আৰু কৰ্মনিষ্ঠা এই দুই বুনিয়াদৰ ওপৰত প্ৰতিষ্ঠিত আছিল আৰু আজীৱন কৰ্মনিষ্ঠ আৰু সৎ হৈ থকা, নিজৰ অন্তৰ্নিহিত সীমিত প্ৰতিভাৰ সৰ্বোত্তম বিকাশ সাধনেৰে সমাজৰ উপযোগী হৈ উঠা— এইকেইটাকহে মূল লক্ষ্য বুলি ভাবি আহিছোঁ।

■ প্ৰশাসনিক বিষয়া হোৱাৰ সপোন আপুনি কেতিয়াৰ পৰা দেখিছিল?

■ ■ স্কুলীয়া দিনত এই পৰীক্ষাবোৰ সম্পৰ্কে অস্পষ্ট ধাৰণা এটা আছিল। উচ্চতৰ মাধ্যমিকৰ সময়ত এই ধাৰণা যথেষ্ট স্পষ্ট হয় আৰু তাৰ ভেটিত সপোন এটা গঢ়ি উঠে। স্নাতকৰ সময়ছোৱাত পূৰ্বৰ ধাৰণাই এক আকাৰ লাভ কৰে। অৱশ্যে এই কথা মই স্বীকাৰ কৰোঁ যে স্নাতকোত্তৰৰ সময়ত অধ্যয়ন আৰু সাধনাৰ প্ৰতি অত্যন্ত আকৃষ্ট হৈ মই অধ্যয়ন আৰু গৱেষণাতে জীৱন কটাম বুলি থিৰাং কৰিছিলোঁ। কিন্তু কালক্ৰমত এই সেৱাত যোগদান কৰোঁ।

■ এই লক্ষ্যত উপনীত হ'বলৈ আপুনি কাৰ পৰা অনুপ্ৰেৰণা পাইছিল? ইয়াৰ আঁৰত কিবা ঘটনা জড়িত হৈ আছিল নেকি? সেই বিষয়ে জনাব।

■ ■ অনুপ্ৰেৰণা অনেক। প্ৰথমে শৈশৱতেই মোৰ মা-দেউতাৰ পৰা। স্কুলীয়া সময়ছোৱাত মোৰ এজন শ্ৰদ্ধেয় শিক্ষক সঞ্জীৱ কুমাৰ ফুকন ছাৰৰ পৰা অত্যন্ত প্ৰেৰণা পাইছিলোঁ। ছাৰৰ প্ৰভাৱ ইমান প্ৰবল আছিল যে তেখেত আমাৰ আদৰ্শ ব্যক্তি আছিল। 'পিছলৈ মহাবিদ্যালয়ৰ অধ্যাপক, বৰ্তমান ড° সঞ্জীৱ কুমাৰ ফুকন, এ.চি.এছ নলবাৰীৰ সদৰ মহকুমাধিপতি'। বি. এ পঢ়িবলৈ কটনলৈ যাওঁতে লগ পাওঁ আই এ এছ বিষয়া, বিশিষ্ট লেখক ৰবেন্দ্ৰ কুমাৰ দাস ছাৰক। তেখেতৰ ব্যাপক সান্নিধ্য আৰু অফুৰন্ত প্ৰেৰণাই এই লক্ষ্যৰ প্ৰতি অত্যন্ত আগ্ৰহী কৰি তুলিছিল। তেখেতৰ লগতে আছিল অকাল বিয়োগ ঘটা গল্পকাৰ, কবি, আৰক্ষী বিষয়া, জ্যেষ্ঠ ভ্ৰাতৃপ্ৰতিম পাৰ্থবিজয় দত্ত ছাৰ। আমাৰ জীৱনত তেওঁলোকৰ প্ৰভাৱ অপৰিসীম।

■ আপোনাৰ স্কুলীয়া আৰু কলেজীয়া শিক্ষাৰ বিষয়ে জনাব।

■ ■ গোলাঘাট চহৰৰ পৰা প্ৰায় ২০ কিলোমিটাৰ নিলগৰ মোৰ জন্মস্থান থুৰাজান নামে ঠাইত মই মোৰ স্কুলীয়া শিক্ষা আৰম্ভ কৰিছিলোঁ। বিজুলীবাতি, ভিডিঅ' গেম, টি. ভি আদি আমাৰ শৈশৱত নাছিলেই; বাতৰি-কাকত, শিশু আলোচনীও মাজে-সময়েহে চহৰলৈ আহিলে দেউতাই লৈ গৈছিল। তাৰে মধুবন প্ৰাথমিক বিদ্যালয় আৰু উন্টাজান প্ৰাথমিক বিদ্যালয়ত পঢ়াৰ পিছত চতুৰ্থ শ্ৰেণীত গোলাঘাট চহৰৰ ১ নং টাউন আদৰ্শ বুনিয়াদী বিদ্যালয় 'গোলাঘাট জিলাৰ প্ৰথম প্ৰাথমিক বিদ্যালয়'লৈ আহোঁ। পৰৱৰ্তী সময়ত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক, গোলাঘাট জাতীয় মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক আৰু কটন কলেজৰ পৰা অৰ্থনীতিত বি এ পঢ়োঁ। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ শিক্ষা সম্পূৰ্ণ কৰোঁ। উল্লেখ্য যে স্নাতকোত্তৰৰ পিছত মোৰ জীৱনৰ প্ৰথম চাকৰি হিচাপে সহকাৰী অধ্যাপকৰ স্থায়ী পদত যোগদান কৰিছিলোঁ আৰু অসম অসামৰিক সেৱাত যোগদানৰ আগলৈকে প্ৰায় ডেৰ মাহ কৰ্মৰত আছিলোঁ।

■ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে আপোনাৰ দৃষ্টিত তিনিটা মূলমন্ত্ৰ বুলি ক'লে কোন কেইটাৰ বিষয়ে ক'ব?

■ ■ তিনিটা মূলমন্ত্ৰ বুলি ক'বলৈ অসুবিধা। কিন্তু মই মূলতঃ নিজে জীয়াই থকা পৃথিৱীখনৰ ঘটনা-পৰিঘটনাসমূহৰ সম্পৰ্কে সাধাৰণ সচেতনতা, এইসমূহৰ সম্পৰ্কে নিজস্ব বস্তুনিষ্ঠ, স্পষ্ট ধাৰণা; পৰীক্ষাটোৰে কি বিচাৰে এইসম্পৰ্কে মনত স্পষ্ট ধাৰণা ৰাখি ধাৰাবাহিক অধ্যয়ন আৰু পৰিশ্ৰম— এইকেইটাকেই আটাইতকৈ গুৰুত্ব দিওঁ। আৰু দেশ-বিদেশ, আকাশ-মহাকাশক জানিবলৈ আৰম্ভ

কৰা এই যাত্ৰাৰ বাবে এটা নিৰ্দিষ্ট মনোভংগী ছাত্ৰাবস্থাৰ পৰাই, নিজৰ গাঁও-নগৰ, বিদ্যালয়-বিশ্ববিদ্যালয়ক জনাৰ পৰাই গঢ় দিব পাৰে। এজন ছাত্ৰই যদি বি কে বি কলেজত পঢ়ে আৰু পুৰণিগুদামত থাকে, তেন্তে তেওঁ ড° বিৰিঞ্চিকুমাৰ বৰুৱাক জানিব লাগেই, তাৰ লগতে বাপুজী মন্দিৰ ক'ত আছে, কাৰ কাৰ উদ্যোগত কেনেকৈ এই মহাবিদ্যালয়খন আৰম্ভ হৈছিল, কোনে কেইপইচাৰে (ডাঙৰ পৰিমাণবোৰতো আছেই!) অবদান আগবঢ়াইছিল, কোনে কোনে তাত অবৈতনিক শিক্ষকতাৰে সেৱা আগবঢ়াইছিল, মহাবিদ্যালয়খনৰ বৰ্তমানৰ ঠাইত নিৰ্মাণ কৰোঁতে কোনকেইজন গঞাই কেইডাল বাঁহ দি নতুন কলেজ এখনক মৰম কৰিছিল, নতুন কলেজখনৰ প্ৰতীকটো কোনে আঁকিছিল, কোনে প্ৰথম এই কলেজত নামভৰ্তি কৰিছিল 'ছাত্ৰ-ছাত্ৰী দুয়ো', এই কলেজৰ বিভাগসমূহৰ প্ৰথম স্নাতকসকল, মহাবিদ্যালয় সংগীতটোৰ গীতিকাৰ-সুৰকাৰ কোন ইত্যাদিবোৰ কলেজে যেনেকৈ মনত ৰাখিব লাগে, ছাত্ৰ এজনেও জানিবলৈ যত্ন কৰিব পাৰে! আকৌ পুৰণিগুদামৰ দৰে অঞ্চল এটাত জানিবলৈ কত কি আছে! কলং নৈখন ক'ৰ পৰা ক'লৈ বৈ গৈছে, কোনটো ৰাজহ চক্ৰৰ মাজেৰে, তাৰ কোনটো মৌজাৰ মাজেৰে কলং সৰ্বাধিক দূৰত্ব বৈ গৈছে, আনন্দৰাম ঢেকিয়াল ফুকন সেই নদীৰেই জাহাজেৰেই নগাঁৱলৈ উজাই অহাৰ পৰা কলঙৰ ওপৰত নিৰ্মিত প্ৰথমখন কাঠৰ দলং অথবা 'কলং আজিও বয় লৈকে; সাউদ ভোলানাথ বৰুৱা, মাণিকচন্দ্ৰ বৰুৱাৰ ঘৰটো কোনখিনিত আছিলৰ পৰা তেওঁ ১৮৯৯ চনত লিখা ঐতিহাসিক প্ৰতিবেদনখনলৈকে; কপিলীপৰীয়া সাধু, সাগৰ দেখিছাৰ পৰা 'নিশাৰ শেৱালি সৰে', 'বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা'ৰ সুৰকাৰজনলৈকে তেওঁলোকে জনাৰ মানসিকতা এটা তৈয়াৰ কৰিব লাগে। আৰু কিছুদূৰ আহিলেই ঐতিহাসিক কলিয়াবৰ, শিলঘাট! শিলঘাটৰ ইপাৰে নিশ্চল হৈ বৈ আছে এসময়ৰ ব্যস্ত গণেশঘাট, পাণপুৰঘাট! বিহালীৰ ওচৰতে সেয়া সেই বিখ্যাত কাঠনিবাৰী ঘাট, মোনাবাৰী বাগিচাৰ মনোময় পথ পাৰ হৈ সেয়া আহি আছে সেই বিখ্যাত গৰুগাড়ীখন! নগাঁৱৰে আমোলাপট্টিৰ সেয়া দেখি আছে মহিম বৰাই, লিখি আছে 'কাঠনিবাৰী ঘাট'! এই বাটবোৰ সেইবাবেই অনন্য।

ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰে 'মোৰ শৈশৱ, মোৰ কৈশোৰ'ত দেখুৱাই গৈছে নিজৰ চৌপাশটো, ঘৰখনেই মানুহক কেনে এক বৰ্ণময় জীৱনানুভূতি প্ৰদান কৰিব পাৰে। এইখিনি জানিবলৈ যত্ন কৰা মন এটাই, সময়ত ভাৰত-আমেৰিকা সম্পৰ্ক, ভাৰতৰ বৈদেশিক নীতিও বুজিবলৈ নিশ্চয় মন কৰিব!

■ আপুনি এই পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাইছিল?

মই নিজেও উচ্চতৰ মাধ্যমিকৰ দুবছৰ বাদ দি, সমগ্ৰ শিক্ষা জীৱন চৰকাৰী শিক্ষানুষ্ঠানৰ
ছাত্ৰ আছিলোঁ, চৰকাৰী বিদ্যালয়তে প্ৰথম পোহৰ দেখিছিলোঁ।
এই অনুষ্ঠানসমূহে অধিক সক্ৰিয়তা প্ৰদৰ্শন কৰিব পাৰে। বহু অসুবিধা, অভাৱ-
অভিযোগ নিশ্চয় আছে, কিন্তু থকাখিনিৰে উপযুক্ত ব্যৱহাৰ কৰি এটা 'টীম' হিচাপে
প্ৰতিজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ বাবে কাম কৰা উচিত। বহুক্ষেত্ৰত 'সকলো নহয়'
আমি দেখোঁ যে নিজৰ মাজতে খাম-খেয়ালি, নৰীকেন্দ্ৰিক পৰিৱেশ, নিজৰ কৰ্মনিষ্ঠা,
সদিচ্ছা, নিয়মানুবৰ্তিতাৰ অভাৱ ইত্যাদিৰ বাবে টীম হিচাপে তেওঁলোকক কাম কৰা দেখা
নাযায়। তদুপৰি শিক্ষকসকলে নিজেও অধ্যয়ন আৰু আলোচনাৰে নিজকে সময়ৰ সৈতে
গতিশীল কৰি ৰখাটোও অত্যন্ত জৰুৰী।



■ ■ ব্যক্তিগতভাৱে মোৰ এই পৰীক্ষাৰ বাবে সু-নিৰ্দিষ্ট দীঘলীয়া সময়জোৰা কোনো প্ৰস্তুতি নাছিল। মই সেইসময়ত জে এন ইউত এম এ পঢ়ি আছিলোঁ আৰু বিশ্ববিদ্যালয়ৰ পঢ়া-শুনাৰেই অত্যন্ত হেঁচা আছিল। তথাপি সেইবোৰৰ মাজতে মাজৰাতি হ'লেও কেতিয়াবা এক ঘণ্টা লাইব্ৰেৰীত এই পৰীক্ষাৰ বাবে পঢ়িছিলোঁ। এম এৰ পৰীক্ষাৰ পিছত মূল পৰীক্ষাৰ বাবে এমাহ সময় ভালদৰে পঢ়িছিলোঁ।

যিকোনো পৰীক্ষাৰ বাবে প্ৰথম প্ৰস্তুতি মানসিক। মই এই পৰীক্ষা দিম, তাৰ বাবে এইখিনি মই কৰিব লাগিব বা এইখিনি কোনো কাৰণতেই কৰিব নালাগিব; মোৰ শক্তি আৰু দুৰ্বলতা এইখিনি, এইখিনিক এনেকৈ ঠিক কৰিম— এইখিনিয়েই প্ৰথম কৰণীয়। তাৰ লগে লগেই চিলেবাছখন আৰু অন্ততঃ যোৱা পাঁচ বছৰৰ প্ৰশ্ন কাকত খুব সূক্ষ্মভাৱে চাব লাগে। এইখিনি ভালদৰে কৰিলেই পৰীক্ষাটোত আচলতে কি পৰীক্ষা কৰা হয় গম পোৱা যাব।

পৰৱৰ্তী সময়ত প্ৰয়োজনীয় কিতাপ-পত্ৰখিনি যোগাৰ কৰি পঢ়ি যাব লাগে। যিকোনো এখন ভাল বাতৰি-কাকত অসমৰ বাবে The Assam Tribune আৰু ৰাষ্ট্ৰীয় কাকত The Hindu বা Indian Express, ভাল ৱেবচাইট ইত্যাদি চাই যাব লাগে। মাত্ৰ কিতাপ-পত্ৰ পঢ়োঁতে চাব লাগে, এখন কিতাপ দহবাৰ পঢ়া উচিত; দহখন এবাৰ পঢ়াতকৈ। কাৰণ এই পৰীক্ষাবোৰত অকল কথা এটা জানিলেই নহ'ব, সেই সম্পৰ্কে স্পষ্টতা থাকিব লাগিব।

■ এই পৰীক্ষাৰ বাবে পাঠ্যপুথিৰ বাহিৰেও আপুনি আৰু কেনেধৰণৰ গ্ৰন্থ অধ্যয়ন কৰিছিল?

■ ■ মই যিহেতু সময় কম পাইছিলোঁ, বহু বেছি পঢ়িব পৰা নাছিলোঁ। NCERT ৰ কিতাপসমূহৰ নিৰ্বাচিত কিছু পঢ়িছিলোঁ, লক্ষ্মীকান্থৰ Indian Polity, ৰাজীৱ অহিৰৰ Modern India ইত্যাদি পঢ়িছিলোঁ। বাতৰি কাকত, ভিজন আই এ এছৰ মাহিলি চলিত ঘটনা প্ৰবাহৰ সংকলন, Insightsonindia আদি ৱেবচাইট চাইছিলোঁ।

■ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ বাবে প্ৰতিদ্বন্দ্বিতা বনাম সহযোগিতা, কোনটো বাতাৱৰণ বেছি ফলপ্ৰসূ বুলি আপুনি ভাবে?

■ ■ এই পৰীক্ষাসমূহত ইমান বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয় যে কঠিন প্ৰতিযোগিতা থাকেই। গতিকে চিনাকি যি কেইজন বন্ধু-বান্ধৱীয়ে পৰীক্ষা দিছে তেওঁলোকে সহযোগিতাৰে আগবাঢ়িলে বেছি উপকাৰ হ'ব। ইমান বৃহৎ সংখ্যক পৰীক্ষাৰ্থীয়ে পৰীক্ষা দি থকাৰ পৰিপ্ৰেক্ষিতত কেৱল নিজৰ বন্ধুজনৰ সৈতে অসুস্থ প্ৰতিযোগিতা কৰি থকাটো অৰ্থহীন। আমি তিনিজন বন্ধুৱে অত্যন্ত সহযোগিতাৰে পৰীক্ষা দিছিলোঁ, মই অসমত নথকাত সময় পালে ফোনতেই আলোচনা কৰিছিলোঁ, এনেকৈ বহুখিনি উপকৃত হোৱা যায়।

■ এনে পৰীক্ষাসমূহত উত্তীৰ্ণ হ'বৰ বাবে প্ৰয়োজন

মই নিজেই উচ্চতৰ মাধ্যমিকলৈকে অসমীয়াত পঢ়িছিলোঁ। মাধ্যমটোক লৈ আৰম্ভণিতে
অভিযোজন কৰোঁতে কিছু সাধাৰণ অসুবিধা পাব পাৰে, কিন্তু সি অন্তৰায় নহয়। মই
দেখিছিলোঁ যে অসমীয়া মাধ্যমত পঢ়ি পিছত ইংৰাজীত প্ৰশ্নোত্তৰ লিখোঁতে কোনোদিন
কোনো পৰীক্ষাত শব্দৰ অভাৱত বৈ থাকিবলগীয়া হোৱা নাছিল।
একেদৰে, প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে অত্যন্ত কম শব্দত চুটি বাক্যৰে সহজ-
সৰলকৈ উত্তৰবোৰ লিখিব লাগে। ইয়াত ইংৰাজীৰ ডাঙৰ শব্দ ব্যৱহাৰ কৰিব লাগিব বুলি
কথা নাই।

হোৱা 'দীৰ্ঘসময়ৰ বাবে আত্মনিয়ন্ত্ৰণ' কেনেদৰে বতাই ৰাখিব পাৰি বুলি আপুনি ভাবে?

■■ এইটোৱেই এই পৰীক্ষাৰ মূল কথা। দুই-তিনিদিন কেইবাঘণ্টা পঢ়ি মাজত এসপ্তাহ নপঢ়িলে সফল হ'ব নোৱাৰি, ধাৰাবাহিক এক প্ৰচেষ্টাৰ প্ৰয়োজন; প্ৰচুৰ বিভিজনৰ দৰকাৰ।

মোৰ ক্ষেত্ৰত এটা কথা ক'ব লাগিব যে জে এন ইউৰ পঢ়াৰ হেঁচাত আমি ৰাতি দুপৰলৈকে প্ৰায়ে টোপনি ক্ষতি কৰি গোটেই ৰাতি পঢ়া-শুনা কৰাৰ, প্ৰেজেণ্টেচন তৈয়াৰ কৰাৰ অভ্যাস হৈ গৈছিল। তাৰ মাজে মাজেই মই এই পৰীক্ষাৰ বাবে পঢ়িছিলোঁ। ব্যক্তিগতভাৱে মই ভাল লগা গান শুনি, বন্ধু বা শিক্ষক আন কাৰোবাৰ লগত সৌহাদ্যপূৰ্ণ বাৰ্তালাপ, কিছুসময় পঢ়াৰ পিছত অলপ বিৰতি লৈ লাইব্ৰেৰী কেণ্টিনত একাপ চাহ খোৱা, কেম্পাছত গধূলি কিছু সময় খোজ কঢ়া,

নিজস্ব অনুৰাগ থকা কৰ্মক্ষেত্ৰ এখন নিৰ্বাচিত কৰি লৈ, সেইবিষয়ে আঁতি-গুৰি মাৰি জানি লৈ, নিৰন্তৰ পৰিশ্ৰম কৰি থাকিব লাগে। যদি প্ৰশাসনীয় সেৱাৰ কথা ভাবে, তেন্তে কেৱল পৰীক্ষাৰ বাবে নহয়, উত্তীৰ্ণ হোৱাৰ পিছত বৈ থকা অত্যন্ত ব্যস্ত, বহু ক্ষেত্ৰত কঠিন জীৱনটোৰ বাবেও মানসিকভাৱে প্ৰস্তুত হোৱা উচিত।

প্ৰিয় দুই-এখন চিনেমা চোৱা, বাহিৰা কিতাপ পঢ়া— এনেকৈ নিজকে সতেজ কৰি ৰাখিছিলোঁ। মই পুৱা-গধূলি কিছুসময় প্ৰাৰ্থনা কৰোঁ, ই মন ধীৰ আৰু শান্ত কৰি ৰাখে।

■ বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মাতৃভাষাতে তেওঁলোকৰ স্কুলীয়া আৰু কলেজীয়া শিক্ষা শেষ কৰে। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত মাতৃভাষাত শিক্ষা গ্ৰহণ কৰাটোক উত্তীৰ্ণতাৰ এটা প্ৰধান অন্তৰায় বুলি আপুনি গণ্য কৰে নেকি?

■■ একেবাৰেই নকৰোঁ। মই নিজেই উচ্চতৰ মাধ্যমিকলৈকে অসমীয়াত পঢ়িছিলোঁ। মাধ্যমটোক লৈ আৰম্ভণিতে অভিযোজন কৰোঁতে কিছু সাধাৰণ অসুবিধা পাব পাৰে, কিন্তু সি অন্তৰায় নহয়। মই দেখিছিলোঁ যে অসমীয়া মাধ্যমত পঢ়ি পিছত ইংৰাজীত প্ৰশ্নোত্তৰ লিখোঁতে কোনোদিন কোনো পৰীক্ষাত শব্দৰ অভাৱত বৈ থাকিবলগীয়া হোৱা নাছিল।

একেদৰে, প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে অত্যন্ত কম শব্দত চুটি বাক্যৰে সহজ-সৰলকৈ উত্তৰবোৰ লিখিব লাগে। ইয়াত ইংৰাজীৰ ডাঙৰ শব্দ ব্যৱহাৰ কৰিব লাগিব বুলি কথা নাই। এম এ পঢ়াৰ সময়ত হিন্দী মাধ্যমত প্ৰৱেশ পৰীক্ষা লিখি 'তেতিয়া এণ্ট্ৰেন্স পৰীক্ষাত বিষয়নিষ্ঠ আছিল, ২৫ নম্বৰৰ চাৰিটা প্ৰশ্নৰ উত্তৰ লিখিব লাগিছিল' উত্তীৰ্ণ হৈ অহা বিহাৰ-উত্তৰ প্ৰদেশৰ এনে বহু ছাত্ৰ-ছাত্ৰী পাইছিলোঁ যি একেবাৰে ভালকৈ ইংৰাজী লিখিব নাজানিছিল। কিন্তু এই ছাত্ৰ-ছাত্ৰীবোৰৰ ভাল কথা এইটোৱেই আছিল যে তেওঁলোক অত্যন্ত যুঁজাৰু আৰু পৰিশ্ৰমী। আমাৰ সৈতে বহুখিনি বিদেশী ছাত্ৰ-ছাত্ৰীও আছিল, কিন্তু তাৰ মাজতো তেওঁলোকে নিঃসংকোচে নিজৰ মাতৃভাষাৰ ঠাঁচত ইংৰাজীত প্ৰস্তুতি 'প্ৰেজেণ্টেশ্যন' প্ৰদান কৰিছিল। পিছলৈ তেওঁলোকৰ ইংৰাজীৰ ক্ষেত্ৰত কোনো অসুবিধা দেখা নাছিলোঁ।

■ মাতৃভাষাত শিক্ষা গ্ৰহণ কৰি প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আপোনাৰ উপদেশ কেনে ধৰণৰ হ'ব?

■■ সকলো সফল ব্যক্তিৰে কিছু দুৰ্বলতা থাকে, কিন্তু তেওঁলোকে নিজকে মূল্যায়ন কৰি সেইখিনি গম পোৱাৰ পিছত অফুৰন্ত পৰিশ্ৰম কৰি সফলতাৰ শিখৰ পায়গৈ। এই পৰীক্ষাৰ ক্ষেত্ৰতো কোনোবাই হয়তো ইংৰাজীত অসুবিধা পাব, কোনোবাই ভূগোল, বুৰঞ্জী, কলা-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, বিজ্ঞান-প্ৰযুক্তিবিদ্যা, বৈদেশিক নীতি ইত্যাদিত। সকলো সকলোতে পাৰ্গত এনে নহয়। গতিকে সেইমতে কাম কৰিব লাগে। The Assam Tribune কাকতখন স্কুলৰ দিনৰ পৰাই উবাই-ঘুৰাই পঢ়িব লাগে, প্ৰথমকেইদিনমান অসুবিধা হ'ব, প্ৰতিটো বাক্যত হয়তো অভিধান মেলিব লাগিব; কিন্তু কিছুদিন পিছত নাথাকে। বাক্যবোৰৰ আৰ্হিবোৰ চাব লাগে, একেটা কথাকে কেনেকৈ ভিন্নধৰণে ক'ব পাৰি। ব্যাকৰণৰ জ্ঞান থাকিব লাগিব। এনেদৰেই পৰিশ্ৰম কৰিলে সহজ-সৰল ইংৰাজী লিখিব পৰা হ'ব।

এইখিনিতে মই এইটোও উল্লেখ কৰোঁ যে, অসমীয়া মাধ্যমটো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিব পাৰে। কিন্তু উপযুক্ত কিতাপ-পত্ৰৰ অভাৱত ইংৰাজীৰ অধ্যয়ন সা-সামগ্ৰীখিনিয়েই পঢ়িব লাগে।

■ চৰকাৰী শিক্ষানুষ্ঠানসমূহে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিলে এই শিক্ষানুষ্ঠানসমূহত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে অধিক সফলতা অৰ্জন কৰিব বুলি আপুনি ভাবে?

■■ চৰকাৰী শিক্ষানুষ্ঠানসমূহ ভালে-কুশলে থকাটো অত্যন্ত গুৰুত্বপূৰ্ণ, কাৰণ সমাজৰ এটা বৃহৎ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সপোন এইসমূহ শিক্ষানুষ্ঠানতে অংকুৰিত হয়। মই নিজেও উচ্চতৰ মাধ্যমিকৰ দুবছৰ বাদ দি, সমগ্ৰ শিক্ষা জীৱন চৰকাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ আছিলোঁ, চৰকাৰী বিদ্যালয়তে প্ৰথম পোহৰ দেখিছিলোঁ।

এই অনুষ্ঠানসমূহে অধিক সক্ৰিয়তা প্ৰদৰ্শন কৰিব পাৰে। বহু অসুবিধা, অভাৱ-অভিযোগ নিশ্চয় আছে, কিন্তু থকাখিনিৰো উপযুক্ত ব্যৱহাৰ কৰি এটা 'টীম' হিচাপে প্ৰতিজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ বাবে কাম কৰা উচিত। বহুক্ষেত্ৰত 'সকলো নহয়' আমি দেখোঁ যে নিজৰ মাজতে খাম-খেয়ালি, লবীকেন্দ্ৰিক পৰিৱেশ, নিজৰ কৰ্মনিষ্ঠা, সদিচ্ছা, নিয়মানুবৰ্তিতাৰ অভাৱ ইত্যাদিৰ বাবে টীম হিচাপে তেওঁলোকক কাম কৰা দেখা নাযায়। তদুপৰি শিক্ষকসকলে নিজেও অধ্যয়ন আৰু আলোচনাৰে নিজকে সময়ৰ সৈতে গতিশীল কৰি ৰখাটোও অত্যন্ত জৰুৰী। মই ভাবোঁ চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰীৰ উৎসৰ্গিত দলগত প্ৰচেষ্টাই বহুখিনি উত্তৰণ সম্ভৱ কৰি তুলিব পাৰে। প্ৰতিখন বিদ্যালয়-মহাবিদ্যালয়ে গতানুগতিক শৈক্ষিক কৰ্মসূচীতে আবদ্ধ নাথাকি নিজকে কিছু চিন্তা কৰাৰ প্ৰয়োজন— যেনে সহঃ শৈক্ষিক কৰ্মসূচী কুইজ, তৰ্ক, আলোচনা আদি; বিভাগসমূহত প্ৰতি সপ্তাহে এদিন নিজৰ বিষয়ৰ লগত বজিতা খুৱাই চলিত যিকোনো ঘটনা-পৰিঘটনা সম্পৰ্কে আলোচনা, এদিন এটা শ্ৰেণী ইংৰাজীৰ কথোপকথনৰ বাবে ৰখা, ছাত্ৰ-ছাত্ৰীয়ে টান পোৱা বিষয় যেনে— ইংৰাজী, গণিত, বিজ্ঞান আদিত অতিৰিক্ত শ্ৰেণীৰ ব্যৱস্থা কৰা, অভিভাৱকৰ সৈতে যোগাযোগ ৰখা আৰু ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত মনোযোগ প্ৰদান কৰা; 'পুথিভঁৰাললৈ যাওঁ ব'লা' ইত্যাদি কৰ্মসূচী, কিতাপৰ বিষয়ে আলোচনা, সেই বিদ্যালয়-মহাবিদ্যালয় থকা ঠাইৰ আৰ্থ-সামাজিক উত্তৰণ সম্পৰ্কে আলোচনা, ছাত্ৰ-ছাত্ৰীক প্ৰতিবেদন দিবলৈ দিয়া, ইত্যাদি অনেক অভিনৱ কৰ্মসূচীয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাৰ বিকাশ আৰু এইসময়ৰ কঠিন প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰি তুলিব পাৰে।

■ শেষত প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি আপুনি কি মন্তব্য দিব?

■■ নিজস্ব অনুৰাগ থকা কৰ্মক্ষেত্ৰ এখন নিৰ্বাচিত কৰি লৈ, সেইবিষয়ে আঁতি-গুৰি মাৰি জানি লৈ, নিৰন্তৰ পৰিশ্ৰম কৰি থাকিব লাগে। যদি প্ৰশাসনীয় সেৱাৰ কথা ভাবে, তেন্তে কেৱল পৰীক্ষাৰ বাবে নহয়, উত্তীৰ্ণ হোৱাৰ পিছত বৈ থকা অত্যন্ত ব্যস্ত, বহু ক্ষেত্ৰত কঠিন জীৱনটোৰ বাবেও মানসিকভাৱে প্ৰস্তুত হোৱা উচিত। সকলোলৈকে মোৰ শুভেচ্ছা জনাইছোঁ।

সাক্ষাৎ গ্ৰহণ ঃ কৰ্ষণৰ সম্পাদনা সমিতি

# সাক্ষাৎকাৰ ঃ দীপাৱলী কুৰ্মি



প্ৰথমে কথা ভাষা কেতিয়াও ছাত্ৰ-ছাত্ৰীসকলৰ বাবে হেঙাৰ হ'ব নোৱাৰে যদিহে ছাত্ৰ-ছাত্ৰীসকলৰ ইচ্ছা থাকে। এটা মাধ্যমৰ পৰা আন এটা মাধ্যমক গ্ৰহণ কৰিব যাওঁতে অসুবিধা নোহোৱা নহয়, তাৰ বাবে কষ্টও কৰিব লাগিব। মই ইতিমধ্যে কৈছোঁৱেই ছাত্ৰ-ছাত্ৰীসকলে যি ভাষাত পৰীক্ষা দিয়ে সেইটো তেওঁলোকৰ নিজৰ দখলৰ ওপৰত কথা আনকি UPSCত অসমীয়া মাধ্যমেই দিব পাৰে। গতিকে নিজৰ দখল থকা যিকোনো ভাষাকেই প্ৰস্তুতি চলাওক। আত্মবিশ্বাস ৰাখক। সফল হ'বই।

■ আপোনাৰ পৰিচয়টো আগবঢ়াব।

■ ■ নমস্কাৰ। মোৰ নাম শ্ৰীমতী দীপাৱলী কুৰ্মী। মই বৰ্তমান শিৱসাগৰ জিলাত সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ হিচাপে কৰ্মৰত।

■ প্ৰশাসনিক বিষয়া হিচাপে নিজে নিজক প্ৰতিষ্ঠিত কৰাটোৱেই আপোনাৰ জীৱনৰ মূল লক্ষ্য আছিল নেকি?

■ ■ যেতিয়াৰ পৰাই প্ৰশাসনিক বিষয়া এজনৰ দায়বদ্ধতা সম্পৰ্কে উপলব্ধি কৰিছিলোঁ তেতিয়াৰে পৰাই নিজকে প্ৰশাসনিক বিষয়া হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ লক্ষ্য স্থিৰ কৰি লৈছিলোঁ।

■ প্ৰশাসনিক বিষয়া হোৱাৰ সপোন আপুনি কেতিয়াৰ পৰা দেখিছিল?

■ ■ দশম শ্ৰেণীৰ পৰীক্ষা দিয়াৰ পিছত যেতিয়া বিভিন্ন ধৰণৰ documents ৰ কামত উপায়ুক্তৰ কাৰ্যালয়লৈ গৈছিলোঁ তেতিয়া প্ৰতিজন বিষয়াৰ কমৰ বাহিৰত নামফলক, আৰি থোৱা আছিল আৰু তেওঁলোকৰ ওচৰলৈ বিভিন্ন ধৰণৰ কাম লৈ মানুহবোৰ আহিছিল। তেতিয়াই অনুভৱ কৰিছিলোঁ এজন প্ৰশাসনিক বিষয়াৰ দায়িত্ব কিমান। কিমান multidimensional fieldত মানুহক সেৱা কৰাৰ সুযোগ পোৱা যায়। তেতিয়াৰ পৰা প্ৰশাসনিক বিষয়া হোৱাৰ সপোন জাগিছিল।



■ এই লক্ষ্যত উপনীত হ'বলৈ আপুনি কাৰ পৰা অনুপ্ৰেৰণা পাইছিল? ইয়াৰ আঁৰত কিবা ঘটনা জড়িত হৈ আছিল নেকি? সেই বিষয়ে জনাব।

■ ■ এই লক্ষ্যত উপনীত হোৱাৰ প্ৰথম প্ৰেৰণা আছিল মা-দেউতাৰ শ্ৰম, দাদা লক্ষিন্দৰ কুৰ্মীৰ পৰা পোৱা সাহস, প্ৰতিজন প্ৰশাসনিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যালয়লৈকে প্ৰতিজন ছাৰ-বাইদেউৰ ত্যাগ, বিশেষকৈ জ্ঞান-বিজ্ঞান একাডেমীৰ অধ্যক্ষ ৰাজীৱ চাহ ছাৰ আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা সুনন্দা চাহ মেমৰ Constant guidance আছিল মোৰ বাবে অনুপ্ৰেৰণা।

এই লক্ষ্যৰ আঁৰত জড়িত ঘটনাৰ কথা ইতিমধ্যেই মই আগৰ প্ৰশ্নটোত উল্লেখ কৰিছোঁ।

■ আপোনাৰ স্কুলীয়া আৰু কলেজীয়া শিক্ষাৰ বিষয়ে জনাব।

■ ■ মোৰ প্ৰাথমিক শিক্ষাৰ আৰম্ভণি ঘটিছিল ঘামটি গাঁও প্ৰাথমিক বিদ্যালয়ত। তাৰ পিছত জকাই উচ্চ মাধ্যমিক বিদ্যালয়ত দশম শ্ৰেণীলৈকে পঢ়ি ২০১০ বৰ্ষত HSLC পৰীক্ষাত উত্তীৰ্ণ হৈছিলোঁ। বিদ্যালয়খনৰ ভিতৰত ষ্টাৰ মাৰ্ক পোৱা মই প্ৰথমগৰাকী ছাত্ৰী আছিলোঁ। তাৰ পিছত ২০১২ বৰ্ষত ডিব্ৰুগড়ৰ জ্ঞান-বিজ্ঞান একাডেমীৰ পৰা আটাইকেইটা বিষয়ত লেটাৰসহ উত্তীৰ্ণ হৈছিলোঁ যদিও মাত্ৰ দুই নম্বৰৰ কাৰণে শীৰ্ষ দহৰ স্থান লাভৰ পৰা বঞ্চিত হওঁ।

২০১৫ বৰ্ষত ডিব্ৰুগড় DHSK কানৈ মহাবিদ্যালয়ৰ পৰা নৃতত্ত্ব বিষয়ক মেজৰ হিচাপে লৈ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানৰ লগতে ডিষ্টিংচনসহ উত্তীৰ্ণ হৈছিলোঁ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে কলা শাখাৰ শ্ৰেষ্ঠ স্নাতকৰ স্থান লাভ কৰি স্নাতকোত্তৰ শ্ৰেণীৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰিছিলোঁ আৰু ২০১৭ বৰ্ষত নৃতত্ত্ব বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানসহ স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈছিলোঁ। লগতে দূৰশিক্ষাৰ মাধ্যমেৰে অসমীয়া বিষয়তো স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছোঁ। UGC ৰ NEJRF পৰীক্ষাত উত্তীৰ্ণ হৈ বৰ্তমান মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত গৱেষণা কৰি আছোঁ।

■ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে আপোনাৰ দৃষ্টিত তিনিটা মূলমন্ত্ৰ বুলি ক'লে কোন কেইটাৰ বিষয়ে ক'ব?

■ ■ প্ৰতিযোগিতামূলক পৰীক্ষাৰ মূলমন্ত্ৰ বুলি ক'লে কেইবাটাও দিশ জড়িত হৈ আছে যদিও আপুনি তিনিটা মূলমন্ত্ৰৰ বিষয়ে সুধিছে যেতিয়া মই লক্ষ্যত উপনীত হোৱাৰ ইচ্ছাশক্তিক মই পৰিশ্ৰম, অধ্যৱসায় আৰু সময়ৰ সদ্ব্যৱহাৰ এই তিনিটাক মূলমন্ত্ৰ বুলি ক'ম।

■ আপুনি এই পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাইছিল?

■ ■ যিহেতু মই আগতেই কৈছোঁ যে দশম শ্ৰেণীৰ পৰাই মই এগৰাকী প্ৰশাসনীয় বিষয়া হোৱাৰ সপোন দেখিছিলোঁ। কিন্তু এই লক্ষ্যত উপনীত হোৱাৰ বাবে কিদৰে প্ৰস্তুতি চলাব লাগে সেই বিষয়ে মই জ্ঞাত নাছিলোঁ। হায়াৰ চেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত জ্ঞান-বিজ্ঞান একাডেমীৰ অধ্যক্ষ মহোদয়ে মোক Anthropology বিষয়টো প্ৰশাসনীয় সেৱাৰ পৰীক্ষাত সহায় হয় বুলি মেজৰ ল'বলৈ দিছিল। তাৰ পিছত কলেজত পঢ়ি থাকোঁতে সুনন্দা মেমে Current affairs ৰ কাৰণে দৈনিক নিউজ পেপাৰ পঢ়াৰ উপদেশ দিছিল। Master degree পঢ়ি থাকোঁতে NCERT কিতাপবোৰ

প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বলৈ বিচৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে আত্মবিশ্বাস জাগ্ৰত কৰক। নিজকে ফাঁকি নিদিয়াকৈ সময়ৰ সদ্ব্যৱহাৰ কৰক। সফলতা, বিফলতা দুয়োটাকে গ্ৰহণ কৰি জীৱনত হাৰ নামানি আগুৱাই যাওক। ছাত্ৰ-ছাত্ৰীসকলে এটা কথা মনত ৰখা উচিত "Failure has many reasons but success has only one i.e. hard work."

পঢ়ি শেষ কৰিছিলোঁ আৰু MA Complete কৰাৰ পিছত Form fill up ৰ advertise ওলাইছিল। মযো কৰিছিলোঁ আৰু যিকোনো প্ৰকাৰে apply হ'ব লাগিব বুলি দৃঢ় মনোযোগেৰে qualify পৰ্যায়ৰ বাবে প্ৰস্তুতি চলাইছিলোঁ।

■ এই পৰীক্ষাৰ বাবে পাঠ্যপুথিৰ বাহিৰেও আপুনি আৰু কেনেধৰণৰ গ্ৰন্থ অধ্যয়ন কৰিছিল ?

■ ■ প্ৰশাসনীয় সেৱাৰ পৰীক্ষাত পাঠ্যপুথি বুলিবলৈ সাধাৰণতে নাথাকে। এই সেৱাৰ পৰীক্ষাত সামগ্ৰিক বিষয়সমূহ সাঙুৰি এটা comprehensive syllabus থাকে। তাৰ ভিতৰত আৰু বহুত topic থাকে। গতিকে আমাৰ জীৱনৰ লগত সম্পৰ্ক থকা প্ৰতিটো দিশকে সামৰি syllabus তৈয়াৰ কৰা হৈছে। পাঠ্যপুথি বুলিলে NCERT কিতাপবোৰে Foundation টো গঢ় দিয়াত সহায় কৰে। Subject অনুযায়ী standard book পোৱা যায়। ইয়াত

দায় মনটো দৃঢ় কৰি ৰাখিব লাগিব আৰু পঢ়ি আমনি লাগিলে গৈয়ে যিবোৰ কাম কৰি ভাল পাই কোনোবাই টি ভি চাই, কোনোবাই কবিতা লিখি সেইবোৰ কৰি নিজকে প্ৰতিটো মুহূৰ্ততে পঢ়াৰ বাবে আগ্ৰহী কৰি ৰাখিব লাগিব। পঢ়াটো কেৱল পৰীক্ষাত উত্তীৰ্ণ হ'বৰ কাৰণে পঢ়িছোঁ এনেধৰণৰ মনোভাবে negative প্ৰভাৱ পেলায়। মই গোটেই time period টো শিকাৰ এক প্ৰক্ৰিয়া হিচাপে গ্ৰহণ কৰিছিলোঁ। সেইমতে পঢ়াৰ সময়খিনি উপভোগ কৰিছিলোঁ আৰু সেইবাবেই হয়তো মই 1st attempt তে qualify কৰিব পাৰিছিলোঁ।

লিখিলে list দীঘলীয়া হ'ব। Current affairs ৰ কাৰণে Newspaper ৰ বাহিৰেও কিছুমান মেগাজিন আছে Yojana, Competition Success, renew, Pratiyagita darpan ইত্যাদি এইবোৰৰ বাহিৰেও Radioৰ নিউজ শুনিছিলোঁ, Youtube ৰ Channel চাইছিলোঁ। Rajya Sabha TV ৰ discussion বোৰ শুনিছিলোঁ।

■ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ বাবে প্ৰতিদ্বন্দ্বিতা বনাম সহযোগিতা, কোনটো বাতাৱৰণ বেছি ফলপ্ৰসূ বুলি আপুনি ভাবে?

■ ■ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ পৰীক্ষাৰ্থীসকলে নিজৰ মাজত কৰা প্ৰতিদ্বন্দ্বিতা। এই পৰীক্ষাসমূহত candidate নিজকে কিদৰে উপযুক্তভাৱে গঢ় দিব পাৰে, syllabus বা পৰীক্ষাৰ আৱশ্যকতাবোৰৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্দিষ্ট সময়খিনিত নিজকে কিদৰে সুদৃঢ় কৰি ৰাখে সেয়া আটাইতকৈ গুৰুত্বপূৰ্ণ। বেলেগে কিমান ঘণ্টা পঢ়িছে, কিমান syllabus complete কৰিছে সেইবোৰত গুৰুত্ব দি নিজকে হতাশ হোৱাৰ পৰিৱৰ্তে আত্মবিশ্বাস জাগ্ৰত কৰি মই কিদৰে গুণগতভাৱে পঢ়াৰ ফল লাভ কৰিছোঁ তাৰ self assessment টো বেছি প্ৰয়োজন বুলি ভাবোঁ। তথাপিও যিহেতু আলোচনাৰ বাবে Peu group এটাৰ প্ৰয়োজন নোহোৱা নহয়। গতিকে আপোনাৰ কথাখিনিক মই পাৰ্থক্যৰ মাজত নাৰাখি সহযোগিতাৰ মাজেৰে প্ৰতিদ্বন্দ্বিতা এনেধৰণৰ বাতাৱৰণ এটা বেছি ফলপ্ৰসূ বুলি ভাবোঁ।

■ এনে পৰীক্ষাসমূহত উত্তীৰ্ণ হ'বৰ বাবে প্ৰয়োজন হোৱা 'দীৰ্ঘসময়ৰ বাবে আত্মনিয়ন্ত্ৰণ' কেনেদৰে ৰতহি ৰাখিব পাৰি বুলি আপুনি ভাবে ?

■ ■ এইটো এটা খুবেই দৰকাৰী প্ৰশ্ন। এই পৰীক্ষাৰ বাবে যথেষ্ট দীঘলীয়া সময়ৰ প্ৰস্তুতিৰ প্ৰয়োজন হয়। আৰু বহুতেই প্ৰথমবাৰ উত্তীৰ্ণ হ'ব নোৱাৰিলে দ্বিতীয়বাৰ তৃতীয়বাৰ এনেদৰে last attempt টো বহুতে Qualify হয়। গতিকে দীঘলীয়া সময়ৰ বাবে আত্মনিয়ন্ত্ৰণ কৰিবলৈ তেনেদৰে মানসিক অনুশীলনবো আৱশ্যক হয়। মই নিজেও ২০১৮ বৰ্ষত Prelim, ২০১৯ত Mains আৰু ২০২০ত Personal test ৰ কাৰণে বহিছিলোঁ। গতিকে তিনিবছৰ ধৰি এটা পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ যাওঁতে মযো ৩ বছৰ ধৰি কষ্ট কৰিবলগীয়া হৈছিল। বহু সময়ত নিৰাশ হৈছিলোঁ। তেতিয়া মই নিজকে প্ৰশ্ন কৰিছিলোঁ— 'মই কিয় আৰম্ভ কৰিছিলোঁ?'



আৰু সেই 'কিয়'টোৰ মোৰ ওচৰত valid reason আছিল আৰু সেই কাৰণে মই নিজকে সংযত কৰি preparation চলাই গৈছিলোঁ। গতিকে এইক্ষেত্ৰত মই ক'ম আমি নিজৰ নিজৰ সহায়ক, আমি কি কৰিছোঁ তাৰ ওপৰত নিৰ্ভৰ কৰিছে ফলাফলবোৰ আছে। গতিকে সদায় মনটো দৃঢ় কৰি ৰাখিব লাগিব আৰু পঢ়ি আমনি লাগিলে যিবোৰ কাম কৰি ভাল পাই— কোনোবাই টি.ভি. চাই, কোনোবাই কবিতা লিখি— সেইবোৰ কৰি নিজকে প্ৰতিটো মুহূৰ্ততে পঢ়াৰ বাবে আগ্ৰহী কৰি ৰাখিব লাগিব। পঢ়াটো কেৱল পৰীক্ষাত উত্তীৰ্ণ হ'বৰ কাৰণে পঢ়িছোঁ এনেধৰণৰ মনোভাবে negative প্ৰভাৱ পেলায়। মই গোটেই time period টো শিকাৰ এক প্ৰক্ৰিয়া হিচাপে গ্ৰহণ কৰিছিলোঁ। সেইমতে পঢ়াৰ সময়খিনি উপভোগ কৰিছিলোঁ আৰু সেইবাবেই হয়তো মই 1st attempt তে qualify কৰিব পাৰিছিলোঁ।

■ বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মাতৃভাষাতে তেওঁলোকৰ স্কুলীয়া আৰু কলেজীয়া শিক্ষা শেষ কৰে। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত মাতৃভাষাত শিক্ষা গ্ৰহণ কৰাটোক উত্তীৰ্ণতাৰ এটা প্ৰধান অন্তৰায় বুলি আপুনি গণ্য কৰে নেকি ?

■ ■ নিশ্চয়কৈ নাভাবোঁ। মযো স্কুলীয়া শিক্ষা অসমীয়া মাধ্যমতেই গ্ৰহণ কৰিছিলোঁ আৰু পিছৰ পৰ্যায়ত মই যিহেতু ইংৰাজী মাধ্যমটো মোৰ আয়ত্তলৈ আনিছিলোঁ সেয়েহে মই APSC পৰীক্ষাত ইংৰাজী মাধ্যমতে দিছিলোঁ।
কিন্তু অসমীয়া মাধ্যমটো ছাত্ৰ-ছাত্ৰীয়ে APSC পৰীক্ষা দিব পাৰে। তাত কোনো বাধা নাই।

■ মাতৃভাষাত শিক্ষা গ্ৰহণ কৰি প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আপোনাৰ উপদেশ কেনেধৰণৰ হ'ব ?

■ ■ প্ৰথম কথা, ভাষা কেতিয়াও ছাত্ৰ-ছাত্ৰীসকলৰ বাবে হেঙাৰ হ'ব নোৱাৰে যদিহে ছাত্ৰ-ছাত্ৰীসকলৰ ইচ্ছা থাকে। এটা মাধ্যমৰ পৰা আন এটা মাধ্যক গ্ৰহণ কৰিব যাওঁতে অসুবিধা নোহোৱা নহয়, তাৰ বাবে কষ্টও কৰিব লাগিব। মই ইতিমধ্যে কৈছোঁৱেই ছাত্ৰ-ছাত্ৰীসকলে যি ভাষাত পৰীক্ষা দিয়ে সেইটো তেওঁলোকৰ নিজৰ দখলৰ ওপৰত কথা আনকি UPSCতে অসমীয়া মাধ্যমেই দিব পাৰে। গতিকে নিজৰ দখল থকা যিকোনো ভাষাতেই প্ৰস্তুতি চলাওক। আত্মবিশ্বাস ৰাখক। সফল হ'বই।

■ শেষত প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি আপুনি কি মন্তব্য দিব ?

■ ■ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হ'ব বিচৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে আত্মবিশ্বাস জাগ্ৰত কৰক। নিজকে ফাঁকি নিদিয়াকৈ সময়ৰ সদ্ব্যৱহাৰ কৰক। সফলতা, বিফলতা দুয়োটাকে গ্ৰহণ কৰি জীৱনত হাৰ নামানি আগুৱাই যাওক। ছাত্ৰ-ছাত্ৰীসকলে এটা কথা মনত ৰখা উচিত "Failure has many reasons but success has only one i.e. hard work."

সাক্ষাৎ গ্ৰহণ ঃ কৰ্ষণৰ সম্পাদনা সমিতি

# Interview :
# Asmita Rekha Bora



■ Could you please introduce yourself along with your current designation?

■ ■ Asmita Rekha Bora, Circle Office, Dotma Revenue Circle Kolighar (BTAD).

■ Was this your sole aim to establish yourself as an Administrative Officer? When did you dream to become an Administrative Officer?


■ ■ Not Really. My aim changed a lot from being an astronaut to an engineer right from childhood till the time I joined Jorhat Engineering College.

But in College I realized that leadership roles with ability to generate changes made me happy like nothing else. This was even asked in my interview to which I had replied, "In a simple space of 1600 in Jorhat Engineering College, there were many who were better engineer to me, but very few who were better leaders, better change makers. Hence, I decided to pursue civil service after college.

■ From whom did you get inspiration to achieve this goal? Does any special event or fact lie behind this? Please, say a few words in this regard.

**Stop only when you reach the goal which you seriously will reach if you believe in it.**

■ ■ I hadn't drawn any inspiration from anybody. I had just pursued what made me feel correct. I do remember this incident from January 2016. All my friends were likely preparing for GATE and sitting for campus interviews. And I was sitting there not participating in any of the two but just contemplating my future. So, one night I decided to lit and make a VENN diagram.




The intersection part had two options: a) NGO and b) Civil service.

And I went with civil service

■ Kindly let us know about your schooling and college education.

■ ■ From class 1 to class 2, I was in K.V Binaguri (Cant. 2), North Bengal. From class 3 to class 12, I was in K.V Khanapara, Guwahati.

My college was Jorhat Engineering College (Civil Engineering) class of 2012-16.

■ What, in your view, are the three keynotes in relation to competitive examination?

■ ■ The key to competitive exams are– Hard Work, Perseverance and Consistency.

■ How did you prepare for this examination?

■ ■ Regular study was must. I did proper research about my exam, its requirements, question pattern. Whenever I my books, I thought from the mindset of the question paper setter "What would she ask from this chapter?" and I would prepare notes in that format.

Did a lot of MCQs. A lot of paper solving, a lot of revision

■ Apart from the text books, what other books did you read?

■ ■ There is no go to book outside the syllabus. As for the new pattern ETHICS paper would require some reading in autobiographies like Gandhiji's, Nehruji's and Nelson Mandela's

**Not at all, there have been actually many few people who have walked without proper knowledge of Assamese. Assamese is being gain a great deal of importance in APSC specifically in the interviews.**

■ In between competitive and co-operative environment, which one you prefer as perfect and fruitful?

■ ■ Competiton should be with yourself, cooperatio should be others.

The ultimate competition is the exam itself. We don't have to defeat others. We have to defeat the exam.

- What do you think about maintenance of 'long term self control' which is really necessary for qualifying these types of examination?

■■ If one person is dedicated enough to his/her goal, there musn'st be any need of self control. The goal and the journey will involve the candidate so much that it will be like a self operating control.

- Most of the students complete their school as well as college education in their vernacular language. Do you consider the 'process of education in vernacular language' as a prime obstacle to qualify the competitive examination?

■■ Not at all, there have been actually very few people who have cracked without proper knowledge of Assamese. Assamese is being given a great deal of importance in APSC specifically in the interviews.

I would personally say this as coming from a Kendriya Vidyalaya background I could not study Assamese in school, but I had learnt it separately for this exam and also to function in office.

- What would be your suggestion to those students who want to appear for the competitive examinations by continuing their education in the vernacular language?

■■ Nothing special. Just as expected as you are in Assamese, you must practice half of its expertise in English as well. Handwriting should be good, spellings should be alright and you are good to go!

- What, according to you, should be the role of government educational institutions towards procuring more success by students in competitive examinations?

■■ I have come from a central school and I have cracked the exam in the first attempt. My school was a purely government school and I will take one thing that my school taught me– TO UNDERSTAND. All schools (govt or private) must really emphasize on learning through understanding, not learning through memorising; memorising does not help in the long run understanding does.

- Finally, what opinion would you like to share addressing the students who specially want to appear for these competitive examinations?

■■ Only one very important thing : There is no money, no status, no holiday or no peeks in civil service.


There are only two things dedication to serve people and satisfaction of serving them.

Do not aspire for civil service if you are not ready to sacrifice everything for people.

And once you accept civil service as your goal with its true sprit—just work on it. Keep working and never give up. Stop only when you reach the goal which you obviously will reach if you believe in it.




গল্প





মুগ্ধ নয়নেৰে পৰীয়ে
চাই থৈছে ৰণৰ
দুচকুলৈ। জীৱনত
কেতিয়াও ভাগৰি
নপৰা ল'ৰাটোলৈ।
উশাহৰ চাপৰত
প্ৰাপ্তি-অপ্ৰাপ্তিক
সদায় যোগাত্মক
দিশত গ্ৰহণ কৰিব
পৰা ল'ৰাটো,
জীৱনৰ উছৰত
প্ৰতিপল সুখী হোৱা
ল'ৰাটো। আৰুনো
কি লাগে তাইক।



# জীৱন জিন্দাবাদ

খিজুমণি শইকীয়া

গল্প

গাড়ীখনৰ পৰা নামি বেগটো কোনোমতে দাঙিলৈ বিক্সা এখনৰ ফালে খোজ ল'বলৈ ধৰোঁতেই পৰীৰ কাণত পৰিল সদা অভ্যস্ত চিঞৰটো—

ঃ ঐ ছোৱালী, আহিলি?

তাই ঘূৰি চাই দেখে ৰণ আহি আছে তাইৰ ফালে।

ঃ কি সদায় ছোৱালী ছোৱালী কৈ মাতি থাক।—খঙেৰে ক'লে পৰীয়ে।

ঃ কিয়? তই ছোৱালী নহয় নেকি?— ৰণৰ দুষ্টালিভৰা প্ৰশ্ন।

ঃ ছোৱালী হ'লেও মোৰ এটা নাম আছে।

ঃ হ'ব দে, বেগটো মোক দে, পঢ়-নপঢ় এইবাৰো সোপাকে কিতাপ ভৰাই আনিছ চাগে ন হোষ্টেলৰ পৰা।— ৰণে কৃত্ৰিম খঙেৰে ক'লে।

ঃ অ' আনিছোঁ, তোৰ কি হ'ল? বেগ দাঙিব লাগে বুলিয়ে কাম আছে বুলিয়েই যোৱা কালিয়েই গুচি আহিছিলি নহয়, এতিয়া আকৌ কিয় আহিছ?

ঃ চা, তোক মই কৈছোঁৱেই, সকলোৱে ভালৰ বাবে ভাল কাম এটা কৰিবলৈ ওলাইছোঁ, বাধা নিদিবি। গছ পুলি এটা ৰুই ডাঙৰ কৰাৰ পিছত সি পক্ষপাতিত্ব নকৰাকৈ সকলোকে সমানে ছাঁ দিয়ে। আৰু তোক সহায় কৰিবলৈকেতো মই নিজে তেজ দিয়াৰ পিছতো লগে লগেই এইখিনি পাইছোঁহি।

এৰা, পৰী এইখিনিতে দুৰ্বল তাইৰ ৰণৰ ওচৰত। সৰুৰে পৰা একেলগে ডাঙৰ হৈছে দুয়োটা। দেউতাক নথকা ৰণৰ শিক্ষয়িত্ৰী মাকে তাক প্ৰকৃত মানুহৰ সংজ্ঞাৰে পৰিপুষ্ট কৰি ডাঙৰ কৰিছে। সিহঁত দুয়োটায়ে এতিয়া বিশ্ববিদ্যালয়ত অধ্যয়নৰত। ৰণে যোৱাকালিয়েই হোষ্টেলৰ পৰা তাৰ গাঁৱৰ ঘৰলৈ গুচি আহি ৰক্তদান শিবিৰ এটাৰ আয়োজন কৰি স্থায়ী সদস্যৰে 'সংকল্প' নামেৰে ৰক্তদাতাৰ গোট এটা গঠন কৰি নিজেও ৰক্তদান কৰি এতিয়া পৰীক ঘৰলৈ আগবঢ়াই নিবলৈ আহিছে। পৰীয়ে নিশ্চুপ হৈ তাইৰ বেগটো ৰণৰ ফালে আগবঢ়াই দিয়ে।

ঃ ঐ বেগটোত কিতাপেই আছে নে অন্য কিবা জীৱ-জন্তুও ভৰাই আনিছ? ইমান গধুৰ।

কথাষাৰ কৈয়ে ৰণে বেগটো নি গাড়ীত ভৰাই তাইক গাড়ীত বহিবলৈ ইংগিত দি নিজেও ড্ৰাইভিং ছীটত বহি গাড়ী ষ্টাৰ্ট দিয়ে।

ঃ ৰণ, তই কেতিয়াও সলনি ন'হবি দেই, পৰীৰ গহীন আকাৰ।

ঃ তই যদি manufacturing change ৰ কথা কৈছ, তেতিয়াহ'লে এতিয়া আৰু সলনি হোৱাৰ উপায় নাই।

ৰণৰ উত্তৰত পৰীৰ খঙে চুলিৰ আগ পাইছিল যদিও তাই মনে মনে থাকিল। কি ক'ব? কোন বুলি ক'ব? ভাল বন্ধু নে, ভালপোৱা? নাজানে তাই। লগৰবোৰে জোকাই সিহঁতক, কিন্তু সিহঁতে কেতিয়াও এজনে আনজনক ভালপাওঁ বুলি কৈ পোৱা নাই, অথচ এটাই কষ্ট পালে আনটোৰ আৰু বেছি কষ্ট হয়। সিহঁত দুয়োটা একেখন গাঁৱৰে, পৰীৰ মাক-দেউতাক আৰু ৰণৰ মাকৰ মাজত খুবেই ভাল সম্পৰ্ক। দুয়োটাৰে অধ্যয়নৰ বিষয় তথা বিভাগ একেই। পৰীৰ মাক-দেউতাকে তাই ৰণৰ লগত থাকিলে একো চিন্তাই নকৰে। পৰীয়ে কেতিয়াবা তাইৰ প্ৰতি ৰণৰ চকুত চাব বিচৰাখিনি দেখিও যেন আকৌ নেদেখা হয় সেইখিনি। সেয়েহে বিশেষ জটিলকৈ একো নাভাবি তাই তাক বন্ধুত্বৰ দলিচাত আটোমটোকাৰিকৈ সাঁচি ৰাখিছে অতদিনে।

ঃ ঐ ছোৱালী, ঘৰ পালিহি, নাম। হঠাৎ ৰণৰ মাতত পৰীৰ তন্ময়তা ভাগিল।

ঃ অ' পালোঁহি, তই যা, তেজ দিছ নহয় অকণ বেষ্ট ল'বি।

ৰণে একো নোকোৱাকৈ তাইৰ দুচকুলৈ চাই লাহেকৈ হাঁহিলে।

দেওবাৰৰ দিনটোত মাকৰ লগত দুই-এটা ঘৰুৱা কাম কৰি দি ভাত খাই উঠি ৰণ বিছনাত উঠিল, টোপনি আহিল তাৰ। হঠাৎ বাজি উঠা ফোনটোৰ শব্দত ৰণৰ টোপনি ভাঙিল। ফোনটো ৰিচিভ কৰিলে—

ঃ ঐ ছোৱালী, ক'চোন।

ঃ তই শুই আছিলি নেকি? ফোনৰ সিপাৰে পৰী।

ঃ ও, সাৰ পালোঁ, ক'চোন তই।

ঃ আজি সন্ধিয়ালৈ হয়তো আমাৰ ৰিজাল্ট ওলাব— পৰীয়ে ক'লে।

ঃ দিয়ক দে, সোনকালে M.A.টো হৈ গ'লে মই মোৰ কামত একচেটিয়াকৈ লাগি যাম—ৰণৰ উত্তৰ।

ঃ কি কাম অ' তোৰ? মানৱ সেৱা?— পৰীৰ প্ৰশ্ন।

ঃ মানৱ সেৱা নে কি ক'ব নোৱাৰিম। কিন্তু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সেই কথাষাৰ বিশ্বাস কৰোঁ যে মানুহ সকলোৱে ঘৰত জন্মে, কিন্তু মনুষ্যত্ব সকলোৱে ঘৰত নজন্মে। মই জীৱনৰ কাৰিকৰ, জীৱনটোৰ প্ৰতিটো পল সৰ্বোচ্চভাৱে ব্যৱহাৰ কৰিম সৎ কামত, সমাজৰ আৰ্তজনৰ বাবে।

ঃ তোৰ ৰিজাল্টৰ টেনচন নাই? পৰী যেন অবাক।

ঃ ভালকৈ পঢ়িছোঁ, ভাল হ'ব আৰু কি? ঐ ছোৱালী, নিজৰ কষ্ট আৰু কৰ্মৰ ওপৰত বিশ্বাস কৰিবলৈ শিক, তেতিয়াহে সফল হ'বি। নিজক চিনি পালেহে এদিন সমাজে তোক চিনি পোৱাকৈ কিবা এটা কৰিব পাৰিবি। আগতে নিজক ভালকৈ চিনি ল', এই পৃথিৱীত নিজতকৈ বেছি নিজৰ প্ৰেমিককোনো হ'ব নোৱাৰে।

ঃ হ'ব দে, এতিয়া উঠ আৰু অকণ ওলাই আহ, আজি আমাৰ নৈখনৰ ফালে খোজ কাঢ়িবলৈ যাওঁ ব'ল।— পৰীয়ে ৰণক লগ ধৰিলে।

ঃ ঠিক আছে বাৰু, তই গৈ থাক মই গৈ আছোঁ বুলি ৰণে ফোনৰ লাইন কাটি দিলে। ৰণে শোৱাৰ পৰা উঠি মাকে দিয়া চাহ কাপ খাই ওলাই গ'ল নৈৰ ফালে। এৰা, নৈখন তাৰ খুবেই প্ৰিয়, নৈ ভালপোৱা মানুহে হেনো নিজকে নৈৰ

দৰেই সময়ৰ সোঁতত বোৱাব জানে। গাঁৱৰ দক্ষিণপাৰেৰে বৈ যোৱা এই নৈখন সাক্ষী হৈ আছে তাৰ শৈশৱ-যৌৱনৰ, সফলতা-বিফলতাৰ, প্ৰাপ্তি-অপ্ৰাপ্তিৰ। সি লাহেকৈ গৈ ইতিমধ্যে আহি বহি থকা পৰীৰ কাষতে বহিলগৈ।

ঃ আহি পালি।— পৰীয়ে সুধিলে।

ঃ পালোঁহি, নৈখন সদায় একে থাকে ন, কেৱল কেতিয়াবা চহকী হয় আৰু কেতিয়াবা ৰিক্ত, ঠিক মানুহৰ জীৱনবোৰৰ দৰেই।

ঃ তই ঠিকেই কৈছ, আৰু নৈয়েহে জানে এৰি যোৱা ঘাটৰ বেথা তথা প্ৰাপ্তিৰ গাঁথা।— পৰীৰ ভাবুক উত্তৰ।

ঃ আচলতে কি জাননে, নৈখনে আমাক শিকাইছে স্বাৰ্থহীনভাবে কৰ্ম কৰি যাবলৈ, আমি আমাৰ নথকা গুণখিনিৰ বাবে দুখ নকৰি থকা গুণখিনিৰ সৎ ব্যৱহাৰ কৰিয়েই বহুখিনি কৰিব পাৰোঁ। জীৱনত কৰোঁ বুলি ভাবিলে উত্তৰণৰ অৱকাশ বহুত আছে। সেয়েহে মই তোক কওঁ, জীৱন-জিন্দাবাদ।

ঃ সুখৰ সংজ্ঞা সকলোৰে বাবে বেলেগ। মোৰ বোধেৰে সুখী হ'বলৈ মানুহক বহুত বেছি কিবা লাগে বুলি নাভাবোঁ। মোৰ সীমিত যোগ্যতাৰে মই জীৱনমুখী উছৱৰ অংশীদাৰ হ'ব পাৰিছোঁ।

ঃ তই ঠিকেই কৈছ। ঐ ঢেৰ দিনৰ পিছত নামঘৰত ডবা কোবোৱা শুনিছোঁ ন। 'নমো' কৰ। পৰীৰ কথাত ৰণে কাণপাতি শুনি হাঁহিলে আৰু তাইৰ কথামতেই সেৱা এটা কৰিলে।

ঃ সন্ধিয়া হ'ল, ব'ল ঘৰলৈ যাওঁ। তোক থৈ মই wildlifeৰ project এটাৰ বাবে অনলাইন এপ্লাই এটা কৰিব লাগিব আজি।

তাৰ কথামতে পৰী বহাৰ পৰা উঠিল, দুয়োটাই খোজ ল'লে ঘৰলৈ।

স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ কৰি উঠি ৰণে গাঁৱৰ বিশজন ল'ৰা লগত লৈ প্ৰায় ডেৰশ বিঘা মাটিত বাণিজ্যিক ভিত্তিত খেতি কৰা আৰম্ভ কৰে। সি 'সংকল্প' নামেৰে গঠন কৰা ৰক্তদাতাৰ যোগেদি গোটটোৰ সামাজিক স্থিতি বিস্তৃত হ'ল। বিজাল্টৰ আঠমাহ পিছতে স্থানীয় মহাবিদ্যালয়খনত অধ্যাপিকা হিচাপে জইন কৰা পৰীয়ে লগত আৰু দুজনমান শিক্ষিত যুৱক-যুৱতীক লৈ পুৱা-গধূলি গাঁৱৰ পুথিভঁৰালটোত বিনামূলীয়াকৈ পাঠদান কৰি উঠি অহা প্ৰজন্মক সহায় আগবঢ়াইছে। সঁচাকৈয়ে, সপোনে ভাগৰি নিদিয়া মনবোৰত বহুত বেছি কৰ্মস্পৃহা নিহিত থাকে। কমন কামত অকলে অকলে বহি থাকি স্মৃতিৰ প্ৰহেলিকা আঁতৰাই কথাবোৰ ভাবি থাকোঁতেই পৰীৰ ফোনটো বাজি উঠিল, ৰিচিভ কৰিলে তাই—

ঃ ক'চোন ৰণ, ক'ত আছ?

ঃ ঐ ছোৱালী শুনচোন, মই গুৱাহাটী যাওঁ এতিয়া, অহাকালি ৰাতিপুৱা সাত বজাৰ ফ্লাইটত দিল্লী যাম, আমাৰ wildlife protection and conservationৰ লগত জড়িত প্ৰজেক্টটো যে, তাৰ সমন্বয়ক হিচাপে মোৰ তিনিদিনৰ এটা কৰ্মশালা হ'ব, তোক আহি লগ পাম।

ঃ হয় নেকি? যা তেতিয়াহ'লে। ভালকৈ যাবি আৰু ফোন কৰি থাকিবি। তোৰ কৰ্মশালাৰ সময়ত মই ফোন কৰি আমনি নকৰোঁ, সময় পালে তই নিজেই ফোন কৰিবি।

ঃ হ'ব দে।— ৰণে ফোনৰ সংযোগ কাটি দিলে।

প্ৰথম দিনাৰ কৰ্মশালাৰ দুপৰীয়া আহাৰৰ বিৰতিত ৰণে পৰীলৈ ফোন কৰিলে যদিও তাই ৰিচিভ নকৰিলে। বিশেষ একো নাভাবি সন্ধিয়া সময়ত সি অকণ জিৰণি ল'বলৈ হোটেলৰ বিছনাখনতে বাগৰ দিলে। হঠাৎ ফোনটো বাজি উঠিল, সি ৰিচিভ কৰিলে—

ঃ অ' মা, কোৱা।

ঃ কি কৰিছ? কিবা এটা খালিনে?— মাকৰ সিফালৰ পৰা প্ৰশ্ন।

ঃ অ' মা, খালোঁ, তুমি ঔষধ সময়ত খাইছানে?

ঃ মই ঠিকেই আছোঁ, তই পৰীৰ ফোনত ফোন কৰিছিলি নেকি?

ঃ অ' মা, দুপৰীয়া সময়ত এবাৰ কৰিছিলোঁ, তাই ৰিচিভ নকৰিলে, ঠিককৈ গালি দিম ব'বা তাইক। এতিয়ালৈকে তাই মোক ঘূৰাই ফোন এটাও কৰা নাই জানানে মা।— ৰণৰ মাতত অভিমান সুস্পষ্ট।

ঃ তই তাইক গালি পাৰিব নালাগে ব'বিচোন। আজি ৰাতিপুৱা তাই কলেজলৈ যাওঁতে বাটতে তাইৰ এক্সিডেন্ট হ'ল। আমি সকলো হস্পিতালতে আছোঁ এতিয়াও, তাই মূৰত আঘাত পাইছে। এতিয়া সাত বজাত তাইৰ অপাৰেচন হ'ব। ডাক্তৰে তেজ যোগাৰ কৰিব কৈছে। তই গঠন কৰা ৰক্তদাতাৰ গোটটোৰ দুজন সদস্য আহিছে ইয়ালৈ তাইক তেজ দিবলৈ।

ঃ মা তুমি কি কৈছা এইবোৰ? কেনেকৈ হ'ল? মই কি কৰোঁ এতিয়া? মই গ'লেও যে অহাকালিলৈহে যাব পাৰিম ৰাতিপুৱাৰ ফ্লাইটত।

ঃ তই অধৈৰ্য নহ'বি, ভগবান আছে নহয়।— মাকে তাক সান্ত্বনা দিবলৈ চেষ্টা কৰি কওঁতেই ডাক্তৰ আহিছে ব'চোন তোক পিছত ফোন কৰিম বুলি ফোনৰ সংযোগ কাটি দিলে।

ৰণৰ মগজুৰে অস্থিৰতাত কি কৰিব একো ধৰিব পৰা নাই। যিজনী ছোৱালীক সি সদায় আৱৰি ৰাখে, আজি তাইৰ ইমান ডাঙৰ বিপদটোত সি তাইৰ কাষত নাই। সময়ৰ চাকনৈয়াত দূৰত্বৰ শিকলিত বান্ধ খাই আছে সি এই মুহূৰ্তত। পৰীৰ ভাষাৰেই সি তাইৰ বাবে ভগৱানৰ ওচৰত কাতৰে 'নমো' কৰিছে এতিয়া।

ৰাতি দহ বজাত মাকে ফোনযোগে জনালে যে পৰী এতিয়া বিপদমুক্ত আৰু সি তাৰ কৰ্মশালাটোৰ বাকী দুদিন সম্পূৰ্ণ কৰি ঘৰলৈ আহক। ৰণে উপলব্ধি কৰিলে যে শিক্ষকৰূপী সময়ে শিকাই দিয়ে পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ। মানসিক অস্থিৰতা আৰু নিজৰ দায়িত্বৰ মাজত ভাৰসাম্য ৰক্ষা কৰি ৰণে আৰু দুটা দিন প্ৰজেক্টৰ কৰ্মশালাত উপস্থিত থাকি ঘৰলৈ উভতিল। সি বাহিৰে বাহিৰে হস্পিতাল পালেগৈ। পৰীৰ কাষত বহি তাইৰ মুখলৈ চাবলৈ যে তাৰ বৰ কষ্ট হৈছে। সি অহাৰ উমান পাই পৰীয়ে দুচকু মেলি লাহেকৈ ক'লে—

ঃ আহি পালি, তই কই থৈ যোৱা গছপুলিটোৱে মোক ছাঁ দি আৱৰি ৰাখিলে তই নথকা সময়তো। মোৰ জীৱন দিলে তোৰ 'সংকল্প'ই।

তাইৰ কপালত হাত ফুৰাই ৰণে কেৱল কৈ উঠিল—

ঃ সোনকালে ভাল হৈ উঠ।

আজি প্ৰায় দুবছৰ পিছত দুয়োটা সিহঁতৰ মৰমৰ নৈখনৰ পাৰত বহিছেহি। সিহঁত দুটা শিশুৰ পৰা দুজন প্ৰাপ্তবয়স্ক লোক হোৱালৈ সাক্ষী এই নৈখন।

ঃ ৰণ, তই জীৱনটোত সুখীনে? পৰীৰ প্ৰশ্নত ৰণে হাঁহি মাৰি ক'লে—

ঃ সুখৰ সংজ্ঞা সকলোৰে বাবে বেলেগ। মোৰ বোধেৰে সুখী হ'বলৈ মানুহক বহুত বেছি কিবা লাগে বুলি নাভাবোঁ। মোৰ সীমিত যোগ্যতাৰে মই জীৱনমুখী উছৱৰ অংশীদাৰ হ'ব পাৰিছোঁ। জীৱনৰ পাঠশালাত মই এটায়ে বুজিছোঁ যে কৰ্মৰ যোগেদি মানুহ সুখী হয়। মই সুখী।

ঃ তই বিয়া নাপাত? পৰীৰ যেন আজি ঢেৰ প্ৰশ্ন গোট খাই আছে।

ঃ মই জীৱন যুদ্ধত সহযোদ্ধা বিচাৰোঁ। জীৱনৰ শিকাৰু হৈ মানুহ হোৱাৰ কৰ্মশালাত চিৰবন্দী মই। তথাপি কেতিয়াবা তেওঁক সুধিবলৈ মন যায়, পাৰিবানে তেওঁ বাহ্যিকতা আৰু প্ৰদৰ্শনমূলকতাৰ উৰ্দ্ধত সদায় এতিয়াৰ দৰেই হৈ থাকিব?

ঃ তই বিচাৰি পাইছ 'তেওঁক'।— পৰীৰ মাতত ভয় তথা শংকা।

ঃ বুকুতে থাকক 'তেওঁ' গুপুতে।— ৰণৰ জটিলতাসনা উত্তৰ।

ঃ তাৰ মানে? পৰীৰ সন্দেহ আৰু বাঢ়ে।

ঃ মানে আৰু কি? কিছুমান কথা নোকোৱাকৈ থাকিলে তাৰ সৌন্দৰ্য মই বেছি যেন অনুভৱ কৰোঁ। ক'ব পাৰ অনুভৱ শব্দৰ আশ্ৰিতনহয় আৰু কি জাননে, স্বাৰ্থৰ উৰ্দ্ধত যদি কাৰোবাৰ অনুভৱৰ একোণত ঘৰ সাজিব পাৰিছ, তেন্তে তই ভাগ্যৱান।

ঃ মই আছোঁনে তোৰ অনুভৱত? হেৰুৱাৰ আশংকাত পৰীয়ে ভয়ে ভয়ে সুধিলে।

ঃ সদায় আছিলি, সদায় থাকিবি।— ৰণৰ স্পষ্ট উত্তৰ।

মুগ্ধ নয়নেৰে পৰীয়ে চাই ৰৈছে ৰণৰ দুচকুলৈ। জীৱনত কেতিয়াও ভাগৰি নপৰা ল'ৰাটোলৈ। উশাহৰ চাপৰিত প্ৰাপ্তি-অপ্ৰাপ্তিক সদায় যোগাত্মক দিশত গ্ৰহণ কৰিব পৰা ল'ৰাটো, জীৱনৰ উছৱত প্ৰতিপল সুখী হোৱা ল'ৰাটো। আৰুনো কি লাগে তাইক।

কাষ চাপি আহি ৰণে পৰীৰ হাতখন নিজৰ হাতত লৈ কৈ উঠিল—

ঃ এই জীৱনটো পোৱা নোপোৱাৰ অভিযোগ কৰিবৰ বাবে নহয়। নদীৰ দৰেই বৈ যাবলৈ জীৱন, ঘাত-প্ৰতিঘাতত উত্থান-পতন হৈও পাৰ হৈ যাবলৈ জীৱন। জীৱন নিপুণ চিন্তাৰে গঢ় দিয়া অনুপম ভাস্কৰ্য।

পৰীৰ সন্মুখত তেতিয়া জীৱনমুখী সহযোদ্ধাৰ ৰূপত ৰণ যেন জীৱন উদীপ্ত কৰা এটি সোণালী আভা। অস্তাচলৰ আকাশত উৰি যোৱা নীড়মুখী চৰাইজাকেও যেন হেঙুলী আভাত মিহলি হৈ জীৱন উদ্‌যাপনৰ কল্লোল কৰি কৈ গ'ল— জীৱন সুন্দৰ, জীৱন জিন্দাবাদ।

■ মিঠুমণি শইকীয়া ড' বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপিকা

# জাৰজ

চিৰঞ্জিৎ মেধি

ঃ মাক-বাপেকৰ কোনো পৰিচয় নাই, ঘৰ ক'ত কেনেও নাজানে। এনেকুৱা অনাথ ল'ৰাক ভালপোৱাৰ আগত এবাৰ হ'লেও ভাবি চাব লাগিছিল বিয়া...

ঃ But Papa...?

ঃ Shut up! আৰু একো তৰ্ক নকৰিবা। এটা জাৰজ ল'ৰালৈ মোৰ ছোৱালীক বিয়া দি মই Socityৰ আগত তলমূৰ কৰিব নোৱাৰোঁ।

আৰু একো শুনাৰ ধৈৰ্য নহ'ল তাৰ বহি থকা চোফাখনৰ পৰা উঠি আহি একেবাৰেই বাইক ষ্টাৰ্ট দি কম পালেহি। গোটেই বাটটো কেৱল এটা কথাই তাৰ কাণত আহি থাকিল 'জাৰজ'।

ঃ ঐ...

কাৰোবাৰ চিঞৰত সি টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে চক্ খাই ব্ৰেক মাৰি দিলে। জোৰত ব্ৰেক মাৰিছিল যদিও সন্মুখৰ পৰা অহা টেম্পুখনত খুন্দা এটা মাৰি সি ৰাস্তাত চুঁচৰি গ'ল। ওচৰৰ মানুহখিনিয়ে তাক হস্পিতাললৈ লৈ গ'ল। তাৰ এক্সিডেণ্টৰ খবৰ পাই কাৰ্পি খুৰা খৰধৰকৈ আহি ওলাল। কাৰ্পি খুৰা, সি ডাঙৰ হোৱা অনাথ আশ্ৰমখনৰ মালিক, কেয়াৰটেকাৰ— সকলো। সৰুতে সি ৰাস্তাৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰিছিল। তাৰ পৰাই এদিন তাক লৈ



তাৰ পৰা ওলাই আহিয়েই সেয়া এক্সিডেণ্ট। তুইৰ দেউতাকে কিবা মিছা কৈছিলু? সঁচাই তাৰ পৰিচয় কি? সি অনাথনে জাৰজ?



পিছদিনা ৰাতিপুৱা কাৰ্পি খুৰা, তাৰ লগৰ দুজনমান আৰু তুইৰ বান্ধৱী দুজনীমানৰ উপস্থিতিত সিহঁতে ক'ৰ্ট মেৰেজ কৰিলে, তাৰ পৰা মন্দিৰলৈ গৈ নীতি-নিয়মৰ মাজেৰে সামাজিকভাৱে বিবাহপাশত আবদ্ধ হ'ল। বিয়াৰ এসপ্তাহমানৰ পিছতেই সিহঁতৰ ওচৰতে কোনোবাই কৰা পাপৰ ভুল লুকুৱাবলৈ এটি নৱজাতক পেলাই থৈ গ'ল।

আহিছিল এই কাৰ্পি খুৰাই। তাৰ পৰাই পঢ়া-শুনা কৰি সি এতিয়া প্ৰাইভেট কোম্পানীত চাকৰি কৰি আছে। তাৰ মাক-দেউতাক, অভিভাৱক সকলো কাৰ্পি খুৰা।

ঃ তই বাইক চলাই চলাই টোপনি গৈছিলি নেকি? ভালকৈ চলাব নোৱাৰ?— খুৰাৰ প্ৰশ্নত তাৰ উত্তৰ হিচাপে মৌনতা। তাৰ এইবোৰ কথা একো সোমোৱা নাই, আনকি এক্সিডেণ্টত কিমান ক'ত দুখ পালে সেয়াও সি গম নাপায়। মগজুত মাত্ৰ এটা কথাই ঘূৰি আছে 'জাৰজ'। দুদিন হস্পিতালত থাকি ৰুমলৈ আহিল। তাৰ কেইদিনমানলৈ বাইক চলোৱা মানা আছিল। ৰুমতে কাৰ্পি খুৰাই খোৱা-বোৱা যোগাৰ দি যায়। ৰুমত শুই থাকোঁতে তাৰ মনত বহু কথাই আমনি কৰি থাকিল। সি জন্ম হোৱাৰে পৰা ঘূৰি ফুৰা গলিকেইটা, ৰাতি শোৱা ফুটপাথটো, কাৰ্পি খুৰা, অনাথ আশ্ৰমখন আৰু বিয়া!

বিয়া যাক লগ পাইছিল সি কলেজত পঢ়ি থকা দিনত Youth fastival-অলৈ যাওঁতে। দুয়ো একে চহৰৰ আছিল যদিও, কলেজ বেলেগ বেলেগ হোৱাত লগ পোৱা নাছিল। Youth fastival-অত প্ৰথম দিনাই Regis-tration-অৰ সময়ত লগ পাইছিল। একেখন চহৰৰ হোৱাৰ বাবে তাইৰ লগত চিনাকি হৈছিল সি। প্ৰথমে তাইৰ প্ৰতি তেনেকুৱা একো বিশেষ অনুভৱ অহা নাছিল যদিও, উৎপতীয়া ছোৱালীজনীৰ প্ৰতি সেই তিনিদিনতে যথেষ্ট আকৰ্ষিত হৈছিল সি। কোনোধৰণৰ প্ৰসাধন সামগ্ৰী ব্যৱহাৰ নকৰা একেবাৰেই সাধাৰণকৈ থকা ছোৱালীজনীৰ প্ৰতি তাৰ মনত কিবা এটাই খুন্দিয়াবলৈ ধৰিলে। Youth fastival শেষ হোৱাৰ পিছতো সিহঁত এটাই আনটোৰ লগত যোগাযোগ ৰাখিলে। লাহে লাহে সিহঁতৰ কথা-বতৰা গভীৰ হ'বলৈ ধৰিলে, ইটোৱে সিটোক সময় দিব ধৰিলে। এটাই আনটোক খং, অভিমান কৰিব পৰা হ'ল। সেইখিনি সময়তে সি তাইৰ আগত তাৰ বিষয়ে সকলো কথা খুলি ক'লে। তাইয়ো ক'লে যে সিটো এটা মানুহ হয়। তাৰ Family background এইবোৰ চাই তাৰ লগত কথা পতা নাই। তাইৰ স্পষ্টবাদিতা তাৰ বহুত ভাল লাগিল। এনেদৰে সিহঁতৰ সম্পৰ্কটো প্ৰেমলৈ ৰূপান্তৰিত হ'ল। সিহঁতৰ সম্পৰ্কটো লৈ বিয়াৰ লগৰবোৰে কিথাকিথি কৈছিল যদিও তাই সেইবোৰ গুৰুত্ব নিদিলে। কাৰণ এই তাৰ প্ৰেমত বিচাৰি পাইছিল সেই সকলোবোৰ, যিবোৰ এজনী ছোৱালীয়ে এটা ল'ৰাৰ পৰা বিচাৰে। এনেদৰেই সিহঁতৰ প্ৰেমৰ জীৱন চলি থকাৰ মাজতেই কলেজীয়া জীৱন সমাপ্ত হ'ল এতিয়া আহি পৰিল তাৰ হাতত বহু দায়িত্ব। বেলেগৰ নহয়, বিয়াৰ। কাৰণ গোটেই জীৱন মৰমেৰেতো পেট নভৰে। সি এটা প্ৰাইভেট কোম্পানীত সোমাই ল'লে। তাৰ ৰিজাল্ট ভাল হোৱাৰ কাৰণে প্ৰথমেই সি এটা পোষ্ট পালে। সেইটো সময়তে বিয়াইয়ো LLB ত নাম লগাই ল'লে। তাইৰ দেউতাকে তাইক বাহিৰত পঢ়িব যোৱা কথা কৈছিল যদিও তাই তাৰ পৰা আঁতৰি থাকিবৰ মন নকৰিলে। তাইৰ LLB সম্পূৰ্ণ হোৱৰ সময়লৈ সিয়ো প্ৰমোচন পালে। তাৰ দৰমহাৰ পৰিমাণ বাঢ়িল। সি এতিয়া তাৰ নিজৰ লগতে বিয়াৰো খৰচ বহন কৰিব পৰা জোখাৰে সামৰ্থ হ'ল। সকলোবোৰ ঠিকেই চলি থকা দেখি সিহঁত দুয়োটাই আলোচনা কৰি তাই দেউতাকৰ



আগত কথাটো ক'বলৈ গ'ল। প্ৰথমতে দেউতাকে একো কোৱা নাছিল যদিও তাৰ পৰিচয় পোৱাৰ পিছত খঙত অগ্নিশৰ্মা হ'ল। তাৰ সন্মুখতেই তাৰ বিষয়ে বিভিন্ন কথা ক'বলৈ ধৰিলে। যিবোৰ সি শুনি সহ্য কৰিব নোৱাৰিলে। তাৰ পৰা ওলাই আহিয়েই সেয়া এক্সিডেন্ট। তাইৰ দেউতাকে কিবা মিছা কৈছিল? সঁচাই তাৰ পৰিচয় কি? সি অনাথনে জাৰজ? কোনোবা প্ৰেমাস্পদৰ যৌৱনৰ দুবাৰভলিত কৰা ভুলৰ পৰিমাণ নেকি সি? নে অকালতেই আপোনক হেৰুৱাই সৰ্বস্বান্ত হোৱা এক অনাথ। তাৰ হাতত কোনো উত্তৰ নাই তাৰ জীৱনটোৱেই যেন প্ৰশ্নবোধক।

ঃ বু...

কাবোবাৰ মাতত বাস্তৱলৈ ঘূৰি আহি দেখে দুৱাৰমুখত ৰিয়া বৈ আছে। লগত এটা ট্ৰলী বেগ। সি কিবা বুজি পোৱাৰ আগতো তাই আজি তাক সাৱটি ধৰিছিল আৰু হুকহুকাই কান্দিছিল।

ঃ তুমি ইয়াত?... সি আচৰিত হৈ প্ৰশ্ন কৰিলে।

ঃঅ' তোমাক লগ কৰিবলৈ হস্পিতাললৈ যাব ওলাইছিলোঁ। কিন্তু পাপাই মোক ঘৰৰ পৰা ওলাব দিয়া নাছিল। আজি পাপা নথকাৰ সুবিধাত একেবাৰেই গুচি আহিলোঁ, বু...

ঃ কিন্তু, এনেকৈ...

ঃ কোনো কিন্তু নাই, আমি দুয়োটা প্ৰাপ্তবয়স্ক। গতিকে আমাৰ সিদ্ধান্ত আমি নিজে লোৱাৰ অধিকাৰ আছে। মই লগৰজনীক লৈ সকলো কাগজ প্ৰস্তুত কৰি আনিছোঁ, ব'লা আজিয়েই আমি আইনীভাৱে বিবাহপাশত আবদ্ধ হ'ম। তাইৰ কথা শুনি হতবাক হৈ গ'ল। সি তাইক বহুত বুজাবলৈ চেষ্টা কৰিছিল, কিন্তু তাইৰ জেদৰ আগত আৰু একো ক'ব নোৱাৰিলে সি। তাইৰ কথা মানি ল'ব লগা হ'ল।



পিছদিনা ৰাতিপুৱা কাৰ্পি খুৰা, তাৰ লগৰ দুজনমান আৰু তাইৰ বান্ধৱী দুজনীমানৰ উপস্থিতিত সিহঁতে কৰ্ট মেৰেজ কৰিলে, তাৰ পৰা মন্দিৰলৈ গৈ নীতি-নিয়মৰ মাজেৰে সামাজিকভাৱে বিবাহপাশত আবদ্ধ হ'ল। বিয়াৰ এসপ্তাহমানৰ পিছতেই সিহঁতৰ ওচৰতে কোনোবাই কৰা পাপৰ ভুল লুকুৱাবলৈ এটি নৱজাতক পেলাই থৈ গ'ল। হুলস্থূল, মিডিয়া, পুলিচ আদিৰে ঠাইডোখৰ ভৰি পৰিল। সিহঁতে ওলাই গৈ দেখিলে নৱজাতকটোৱেই মাতৃত্বৰ চেনেহৰ পৰা বঞ্চিত হৈ চিঞৰি কান্দি আছে। সেই কান্দোন শুনি ৰিয়া বৈ থাকিব নোৱাৰিলে। বুকুৰ মাজত সুমুৱাই তাক ঘৰলৈ লৈ আহিল। আগে আগে নৱজাতকটোক লৈ নিচুকাই যোৱা ৰিয়ালৈ চাই গৰ্বত তাৰ চকুৰে চকুপানী নিগৰি আহিল।

বহুত সুখী সি আজি। এই নৱজাতকটোৱে আগলৈ নিজৰ পৰিচয় বিচাৰি হাবাথুৰি খাই ফুৰিব নালাগে? আগলৈ সি জাৰজ বুলি মানুহৰ আগত ঘৃণা, সমালোচনাৰ পাত্ৰ হ'ব নালাগে। তাৰ এটা নিজা পৰিচয় থাকিব আৰু সেই পৰিচয় দিব সিহঁতে। অন্ততঃ ডাঙৰ হোৱাৰ পাছত তাৰ জীৱনটো জাৰজ নে অনাথৰ মাজত প্ৰশ্নবোধক হৈ থাকিব নালাগে। এইবোৰ ভাবি তাৰ ওঁঠেৰে এটা হাঁহি বাগৰি গ'ল।

এই হাঁহি প্ৰাপ্তিৰ হাঁহি,
এই হাঁহি এটা নতুন পৰিচয়ৰ হাঁহি.....!

হুলস্থূল, মিডিয়া, পুলিচ আদিৰে ঠাইডোখৰ ভৰি পৰিল। সিহঁতে ওলাই গৈ দেখিলে নৱজাতকটোৱেই মাতৃত্বৰ চেনেহৰ পৰা বঞ্চিত হৈ চিঞৰি কান্দি আছে। সেই কান্দোন শুনি ৰিয়া বৈ থাকিব নোৱাৰিলে। বুকুৰ মাজত সুমুৱাই তাক ঘৰলৈ লৈ আহিল। আগে আগে নৱজাতকটোক লৈ নিচুকাই যোৱা ৰিয়ালৈ চাই গৰ্বত তাৰ চকুৰে চকুপানী নিগৰি আহিল।

■ চিৰজিৎ মেধি ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ







# সেন্দূৰে আঁকা ছবি

চাজিনা ইয়াচবিন

নিৰ্লয় জন্ম হোৱাৰ পিছৰে পৰা বিৱৰ্ত ছবিবোৰ স্পষ্ট হ'বলৈ ল'লে তাইৰ চকুত লাগি থকা মায়াইহে জাল বান্ধিছিল চকুত। দেখা নাছিল। চাবও খোজা নাছিল। সম্ভৱতঃ এনে দৃশ্য কোনো পত্নীয়ে দেখিবও নিবিচাৰে।

**ঘৰখনত** বিভূতি-বৈভৱৰ অভাৱ নাই। ধনকৰা মানুহৰ পৰা লৈ গাড়ীৰ ড্ৰাইভাৰলৈকে সকলো আছে। মাৰ্বলৰ মজিয়া দিয়া অট্টালিকা সদৃশ ঘৰ। ইচ্ছা কৰিলে মহিমাই পানী এগিলাচো লৈ খাব নালাগে, মাত এষাৰো দিব নালাগে, চালেও হ'ব। চাৰিওফালে ধনকৰা মানুহেৰে ঘৰটো গিজ্‌গিজাই আছে। মানুহে কয় তাইৰ সৌভাগ্য হেনো সেয়া। দুটা ল'ৰা সন্তানেৰে চৰকাৰী বিষয়া হেমেন তাইৰ স্বামী। শাহু, ননদ কোনো নথকা ঘৰখনত তায়ে একমাত্ৰ হুকুমকাৰী। সকলোফালে জয়জয়, ময়ময় অন্ততঃ বাহ্যিক দৃষ্টিত। এনে এখন ঘৰ কোনে নিবিচাৰে। মানুহৰ মতে তাই এনে বিৰাট ভাগ্যৰ গৰাকী। মধ্যবিত্তৰ ঘৰৰ পৰা অহা তাই একে ৰাজপৰিয়াল সদৃশ ঘৰতহে স্বামী পালে। তায়ো সৌভাগ্য অনুভৱ নকৰাকৈ থকা নাছিল। বিয়াৰ পিছৰ পৰা প্ৰথমটো সন্তান নিৰ্লয় জন্ম হোৱালৈকে সকলো ঠিকেই আছিল। তাই ভাবিছিল গিৰীয়েক হেমেন চৰকাৰী কামত মাহৰ পিছত মাহ ঘৰত নাথাকে। সংসাৰ চলোৱাৰ ইমান ডাঙৰ চিন্তা বাদ দি, গিৰীয়েক ঘৰত নাথাকে সেই লৈ মাথা-ঘমোৱাৰ সময় আৰু শক্তি দুয়োটাই নাই তাইৰ। নতুন বিশালকায় ঘৰখনত, ঘৰখনৰ চকচকীয়া বয়-বস্তুৰ মাজত নিজকে খাপ-খুৱাবলৈ তাইৰ সময় লাগিল। যিমানে নহওক তাই মধ্যবিত্তৰ ঘৰৰ। ইমান সুখ তাইৰ কল্পনাৰো অতীত। সময় মানে অলপ বেছিয়ে সময় ল'লে তাই, সম্ভৱতঃ হেমেনৰ ওপৰত থকা পত্নীসুলভ বিশ্বাসৰ বাবেই। নিৰ্লয় জন্ম হোৱাৰ পিছৰে পৰা বিৱৰ্ত ছবিবোৰ স্পষ্ট হ'বলৈ ল'লে তাইৰ চকুত লাগি থকা মায়াইহে জাল বান্ধিছিল চকুত। দেখা নাছিল। চাবও খোজা নাছিল। সম্ভৱতঃ এনে দৃশ্য কোনো পত্নীয়ে দেখিবও নিবিচাৰে। দেৱতুল্য স্বামীৰ মহিমাময় ছবিখনত দাগ লগাটো নিবিচাৰে কোনো পত্নীয়ে। অন্যথা দাগ চৰিত্ৰতকৈ অধিক মনতহে লাগে, সম্পৰ্কত লাগে। তায়ো বিচৰা নাছিল সিহঁতৰ সম্পৰ্কটোৰ মাজত দাগ লগাটো। লাগিল। সময়ৰ সোঁতত দাগটো অধিক সুস্পষ্ট হ'ল। তাইৰ ঘৰখনতো আৰম্ভ হ'ল তেতিয়াৰে

পৰা পুৰুষতান্ত্ৰিক সমাজৰ চিৰাচৰিত দমন, কণ্ঠৰোধ, নিৰ্যাতন— শাৰীৰিক, মানসিক।

বিশালকায় শালকাঠৰ সুশ্ৰী বিছনাখনৰ চুকটোৰ এটা খুঁটাত আঁউজি মাৰ্বলৰ পকা মজিয়াত লেপেটা খাই বহি আছে তাই। চকুপানী টোপাল কেইটাও বৈ যোৱা নাই, মাৰ্বলৰ মজিয়া বুলি। মাৰ্বলৰ মজিয়াত টোপালকেইটাও সুন্দৰ দেখাইছে। সন্মুখত ওলমি থকা ঘড়ীটোৱে সময় কৈছে এয়া ৰাতি তিনি বজা।

নিশব্দে উচুপি থকা তাইৰ চকুপানীৰ প্ৰতি কাৰো কাণসাৰ নাই। বিছনাখনৰ ওপৰত শুই শুই মোবাইল টিপি থকা স্বামীৰো নাই অথবা মালিকনীৰ নিত্য-নৈমিত্তিক দুৰ্ভাগ্যৰ ওপৰত এটাও মন্তব্য কৰিব নোৱৰা উজাগৰী ভৃত্যৰো নাই। সময়ো তাইৰ বাবে আপোন নহয়। সদায় দিনৰ পিছত ৰাতি হয় উজাগৰী তাইৰ বাবে। সদায়ে যে হেমেনে তাইক মাৰ-পিট কৰে তেনে নহয়। কেৱল নিশাবোৰে উজাগৰে কটোৱাটো তাইৰ অভ্যাস হৈ গৈছে অন্যথা ক'ব পাৰি টোপনিজাক নাহে ওচৰত বিশ্বাস নোহোৱা প্ৰাণী এজন থাকিলে। বহুদিন তাই ভাবিছেও বিশালকায় ঘৰটোত দুজনে দুটা পৃথক কোঠা লোৱাৰ। পিছে মোহো এৰিব নোৱাৰে উমৈহতীয়া কোঠাটোৰ, কোঠাটোৰ সৈতে থকা স্মৃতিবোৰ, নিৰ্লয়হঁতৰ প্ৰথম কান্দোনবোৰ, বিয়াৰ প্ৰথম দিনাই নিজৰ বুলি পোৱা কোঠাটোৰ। এইবোৰেই কাৰণ। সম্ভৱতঃ আৰু কাৰণ আছে। তাই ঘৰখন এক কৰি ৰাখিছে বুলি থকা সুনামটো কিদৰে নিঃশেষ কৰে। এইবোৰ কথা ঘৰৰ বাহিৰলৈ ওলালে কম বদনাম হ'বনে? হেমেনৰ পূৰ্বসূৰীৰ পৰা উত্তৰসূৰীলৈ সকলোৱে সুনাম মান যাব এই বদনামৰ ভৰত। পুতেক দুজনকে কি বুলি ক'ব? সিহঁতক সদায় তাই বাপেকৰ শুদ্ধ ছবি এখনেই দিছে। সিহঁতেই বা কি ভাবিব? বাপেক এনে কু-চৰিত্ৰৰ মানুহ বুলি সিহঁতৰেই চৰিত্ৰত কি প্ৰভাৱ পৰিব? কি বুলি সিহঁতে সগৰ্বে থিয় দিব হেমেন বৰুৱাৰ পুত্ৰ বুলি? নোৱাৰিব। নাই নাই তায়ো নোৱাৰিব পতি-পুত্ৰক বদনামৰ ভাগি কৰিব। নোৱাৰিব তায়ো পুতেকহঁতৰ সগৰ্বিত শিৰ নত কৰিব। নাই নোৱাৰিব চাকৰিয়াল স্বামীৰ বাহ্যিক ছবিখন নষ্ট কৰিব। এই ছবি নষ্ট হোৱাৰ ভয়তে তাই সন্ধিয়াই আহি নিজৰ কামত সোমায়। কোন সময়ত হেমেন আহি ঘৰ সোমাইছি সেয়া সময়োতো তাই নাজানে। গতিকে আগতীয়াকৈ নিজলে চাৰিবেৰৰ মাজত বন্দী কৰাই ভাল। অন্ততঃ উচুপনি আৰু বদনাম দুয়োটাই পকী বেৰৰ মাজত থাকিব। নতুবা লিকচৌৱে শুনিলেও বেয়া লাগে। অন্ততঃ তাই ভাবে সিহঁতে একো নাজানে বুলি। মুখত-গালত পৰা ক'লা দাগবোৰ কিন্তু সদায় বাথৰুমত দুখ পালোঁ, পালেঙৰ খুঁটাত লাগিল বুলি লুকুৱাব নোৱাৰে তাই। কেতিয়াবা নহয়, নহয় প্ৰায় সদায়ে এমোকোৰা বহল হাঁহিৰ প্ৰলেপ সানি কয় তাই। সিহঁতে কিন্তু নোসোধে অথবা মন্তব্যও নকৰে। হাজাৰ হওক তাই গৰাকী ঘৰৰ। মালিকনী যদিও তাই শিহৰিত হয় সিহঁতৰ তীক্ষ্ণ চাৱনিত। যেতিয়া তাই দেখে সিহঁতৰ চকুযোৰ তাইৰ হনুৰ ক'লা দাগটোত নিবদ্ধ হৈ আছে, সিহঁতক অন্য একো ভবাৰ অৱসৰ নিদি তাই অজলা হাঁহিটো মাৰি কথাষাৰ সলাই দিয়ে। হাজাৰ হওক এয়াতো আৰু কাকো ক'ব নোৱাৰি। দুৰ্নাম কথা ওলালে এবাৰ আৰু গোটেই অঞ্চলে জানিব। দুৰ্নাম বিয়পিব, সন্মান ক্ষতি হ'ব। এনে কুলনাশিনী হ'ব নোৱাৰে তাই। তাই এইবোৰৰ সলনি পাবে নিশব্দে সকলোখিনি সহ্য কৰিব, তাইৰ কষ্ট আৰু বেদনাৰ বিনিময়ত গিৰীয়েকৰ সন্মান অক্ষুণ্ণ ৰাখিব, তাইৰ অকণমান ত্যাগৰ বিনিময়ত পুতেকহঁতক এটা সন্মানীয় ভৱিষ্যৎ দিব।

এলাম ঘড়ীটোৰ টং টং শব্দটোতহে তাই বাস্তৱ পৃথিৱীখনলৈ ঘূৰি আহিল। মূৰ তুলি দেখে পুৱা পাঁচ বাজিল। আৰু এটা নিশা পাৰ হ'ল উজাগৰে। কোনো কথা নাই, দিনটো তাইৰ চকুত টোপনিয়ে আমনি নকৰে। তায়ো কথাতেই কয় 'অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ।' তায়ো এতিয়া মহাৰথী নিদ্ৰাবিহীন ৰাতিয়ে পেলোৱা চকুৰ গুৰিৰ ক'লা দাগবোৰ লুকুৱাত। এতিয়া পুৱা হ'ল। এটা সুখী দিনৰ অভিনয় কৰাৰ সময় হ'ল। চকুপানীৰ নিৰ্লিপ্ত দাগবোৰ ধুই পেলোৱাৰ সময় হ'ল। সময় হ'ল মুখত এজোলোকা সতেজতা আৰু মুখ আঁকি লোৱাৰ। চকুৰ গুৰিত পৰা ক'লা দাগবোৰ ক্ৰীম-পাউদাৰেৰে লুকুওৱাৰ সময় হ'ল। তেওঁৰ আঙঠিত লাগি কপালত পৰা ক'লা দাগটোত তাই আজি ডাঙৰকৈ সেন্দুৰৰ ফোঁট এটা আঁকিব যাতে ফোঁটটোৰ তলত গিৰীয়েকৰ পাশৱিক ছবিখন লোপ পায়। ফোঁটটো দেখি যেন পুতেকহঁতে মাক সুখৰ ঠিকেই অনুমান লগাব পাৰে।

অ' এতিয়া তাই সেন্দুৰৰ ফোঁটটোৰে সমৃদ্ধিশালীকৈ আঁকিব। মানুহৰ দৃষ্টিত তাইৰতো আৰু সৌভাগ্যৰ অভাৱ নাই...।

(মহাবিদ্যালয় সপ্তাহ সমাৰোহত প্ৰথম স্থান প্ৰাপ্ত গল্প)

■ চাজিনা ইয়াচমিন স্নাতক ষষ্ঠ ষাণ্মাসিকৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী





কেতিয়াবা এশ-ডেৰশ টকা পাওঁ, খাওঁতেই যায়। কালি মাত্ৰ পঞ্চাশ টকা পাইছিলোঁ সেয়ে আজি দোকান নুখুলিলোঁ। গাঁওবুঢ়াৰ ঘৰত হাজিৰাকে কৰিলোঁ। অন্ততঃ তিনিশ টকা পালোঁ, তাৰে এশ টকা ঘন দাইটিক দি আহিছোঁ মাৰৰ দৰৱৰ বাবে, কিবা বোলে কিনিব লাগিব।



# হেপাঁহৰ ঘৰখন

**লনী শইকীয়া**

আজি বহু দিনৰ পৰা মালতীৰ গাটো অত্যন্ত বেয়া। ভাত খাবলৈ ভাতৰ পাতত বহিলেই কাহ এটাই আহি হেঁচা মাৰি ধৰেহি। গিলোঁ বুলিও ভাত পেটলৈ নাযায়, বাহিৰলৈ ওলাই আহে। দিনক প্ৰথমে নিমোনিয়া বুলি মংগলী জেঠাইৰ পৰা দৰবো আনি খাইছিল। কিন্তু ভাল নহ'ল। দিনক দিনে মালতী দুৰ্বল হৈ আহিল। ঘৰৰ কাম-কনবোৰো কৰিব নোৱৰা হ'ল। আজিও বৰ জীয়েক নিকিতাই বাঢ়ি দিয়া ভাতকেইটাও মুখৰ আগত লৈ বৈ থাকিবলগীয়া হৈছে। জীয়েক নিকিতাই মাকৰ ওচৰতে বহি পিঠিফালে হাতখনে মোহাৰি মাকৰ ভাত খোৱা চাই আছে।)

ঃ মা আৰু দুগৰাহমান খোৱাচোন। (জীয়েক নিকিতাই মাকৰ ওচৰতে বহি পিঠিফালে

ঃ তই নাখাৱ?

ঃ দেউতা আহিলে দেউতাৰ লগত একেলগে খাম, তুমি খোৱাচোন।

ঃ দেউতা ক'লৈ গ'লনো।

ঃ কামৰ পৰা আহিয়েই তোমাৰ বাবে দৰৱ আনিবলৈ ঘন ককাৰ ঘৰলৈ গৈছে। জীয়েক নিকিতাই ক'লে।

ঃ এতিয়া ন বাজিল। ইমান দেৰি ইমান সময় লাগেনে দৰৱকণ আনোতে, ঘৰত যে বেমাৰী মানুহ এজনী আছে, সেই কথা পাহৰি যায় দেউতাৰে।

মালতীয়ে কথাৰ লগে লগে মুখত এগৰাহ ভাত লওঁতেই বমি হৈ ভাতখিনি ওলাই আহিল। বমিৰ লগতে মানুহজনীয়ে কাহি কাহি অৱশ হৈ পৰিল।

ঃ হ'ব মা, তুমি অকণ শোৱাচোন। আজি দেউতাই দৰৱ আনিব নহয়, তোমাৰ ভাল হৈ যাব। আমাৰ ককাই কৈছে ঘন ককাৰ দৰৱ বোলে বৰ প্ৰমাণিত। ব'লা এতিয়া শুই থাকিবা। বৰ জীয়েক নিকিতাই মাকক ধৰি বিছনালৈ লৈ গ'ল।

ঃ ভনীয়েৰ আৰু ভায়েৰে ভাত খালেনে?

ঃ সিহঁতে খালে মা, দুয়োটাই আঠ বজাত ভাত খাই শুলে।

মালতীৰ ল'ৰা-ছোৱালী তিনিটা। ডাঙৰ দুজনী ছোৱালী আৰু সৰুটো ল'ৰা। ল'ৰাটো দ্বিতীয় শ্ৰেণীত পঢ়ে যদিও ডাঙৰ জীয়েক নিকিতা কলেজ পাইছেগৈ, মাজু জীয়েক বৰ্ষা ষষ্ঠ শ্ৰেণীত পঢ়ে।

ঃ এতিয়া দেখিছোঁ মোৰ বেমাৰৰ বাবেই তঁহতৰ পঢ়া-শুনাও সকলো যাব। মালতীয়ে দুখ মনেৰে কথাকেইটা ক'লে।

ঃ তুমি অলপ মনে মনে শুই থাকাচোন, দেউতাই দৰৱ আনিলে খাব লাগিব। দৰৱে ভাল নকৰে। সিদিনা কলিমন বেজে আহিও পানী জাৰি খুওৱাৰ লগতে গা ধুবলৈ পানী কাটি দিছিল। ক'তা, অলপো আৰোগ্য নহ'ল। আজিও মানুহটোৱে তাইৰ বাবে দৰৱ আনিবলৈকে গৈছে। তাইক মানুহটোৱে বৰ মৰম কৰে, তাইৰ বেমাৰ আৰম্ভ হোৱাৰ পৰা বেজ-জ্ঞানী-ডাক্তৰৰ দুৱাৰে দুৱাৰে মানুহটো ঘূৰি ফুৰিছে। নগাঁৱৰ ডাক্তৰে গুৱাহাটীলৈ লিখি দিছিল। নিছিলোঁ। কিন্তু ধনৰ অভাৱত মানুহজনে চিকিৎসা সম্পূৰ্ণ কৰিব নোৱাৰিলে। প্ৰায় এটা মাহ চিকিৎসাত ৰাখি ডাঙৰ ডাঙৰ মেচিনৰ সন্মুখত বহুৱাই লৈ বহু ধৰণৰ চিকিৎসা কৰিলে। এবাৰ এটা মেচিনৰ ভিতৰত সুমুৱাই দিওঁতে মালতীৰ উশাহ বন্ধ হোৱাত মৰিম যেন হৈ চিঞৰি দিছিল। দৰৱো বহুত খালে। তথাপিও মালতীৰ বেমাৰ আৰোগ্যৰ ফালে নগ'ল। এইকেইদিন মালতীৰ গিৰীয়েকে পাগলৰ দৰে পইচা বিচাৰি ঘূৰি ফুৰিছে। কিন্তু কেনিও সুবিধা কৰিব পৰা নাই। সেয়ে এতিয়া বনদৰৱ, পানী জৰা বিচাৰি মানুহটো হায়ৰাণ হৈ পৰিছে।

ঃ মালতী, টোপনি গ'লি নেকি?— মালতীৰ গিৰীয়েকে বিছনাখনৰ কাষত বৈ লাহেকৈ মাত দিলে। মালতীয়ে ঘূৰি গিৰীয়েকৰ ফালে চালে।

ঃ দৰৱ পালে।

ঃ নাই অ', প্ৰথমে মানুহজন ঘৰত নাছিল। মানুহজনক পাবলৈ বহি থাকোঁতেই ইমান বেলি হ'ল। পিছত আহিল যদিও দৰৱটো বোলে তুলি থোৱা নাই, শনিবাৰেহে দিব পাৰিব, — গিৰীয়েক নগেনে কথাকেইটা কৈ মালতীৰ কাষতে বহি পৰিল।

ঃ আজি কেনেকুৱা পাইছ? ভাত খালিনে?

ঃ ভাত দুগৰাহমান খাব পাৰিলোঁ। — মালতীয়ে গিৰীয়েকে ভাল পাবলৈকে মিছাকৈ ক'লে।

ঃ কিন্তু কাহটোৱে অলপ আমনি কৰিছিল।

নগেনে মালতীৰ চুলিখিনিত আঙুলি বুলাই মৰম কৰি দিলে। মালতীয়ে চকুকেইটা মুদি দিলে।

ঃ যাওক, ভাতকেইটা খাই লওকগৈ। ডাঙৰ মাও আপোনালৈ বৈ আছে।

ঃ তোৰ বৰ কষ্ট হৈছে ন মালতী, মই হাৰি গৈছোঁ অ', কি কৰিম ক'। তোৰ বেমাৰটো আঁজুৰি মোৰ শৰীৰলৈ আনিব পৰা হ'লে লৈ আহিলোঁহেঁতেন। — শেষৰ কথা কেইটা কওঁতে গিৰীয়েক নগেনৰ মাতটো থোকাথুকি হৈ আহিছিল।

মালতীয়ে নগেনৰ হাতখনত খামুচি ধৰিলে।

ঃ দেউতা ভাত খোৱাহি। নগেনক বৰ জীয়েক নিকিতাই পাকঘৰৰ পৰাই চিঞৰিলে।

ঃ আজি বোলে মাৰে দুগৰাহমান খাব পাৰিলে হয়নে ডাঙৰ মা?

ঃ নাই দেউতা, আজি এগৰাহো পেটলৈ নগ'ল। তুমি মাক গুৱাহাটীৰ ডাক্তৰৰ ওচৰলৈ আকৌ কিয় লৈ নোযোৱা দেউতা?

ঃ নিব লাগিব অ' ডাঙৰ মা, হাতত পইচাকেইটামান নোহোৱাকৈনো কেনেকৈ আকৌ গুৱাহাটী যাব? মাটি বিক্ৰী কৰি পোৱা পইচাকেইটাৰ মাৰক গুৱাহাটীলৈ নিওঁতেই শেষ হ'ল। মোৰো জানো মাৰৰ অৱস্থা দেখি ভাল লাগে ক'চোন। কিন্তু কি কৰিবি, চাইকেলৰ দোকানখনো প্ৰায় নচলাৰ দৰেই। কেতিয়াবা এশ-ডেৰশ টকা পাওঁ, খাওঁতেই যায়। কালি মাত্ৰ পঞ্চাশ টকা পাইছিলোঁ সেয়ে আজি দোকান নুখুলিলোঁ। গাঁওবুঢ়াৰ ঘৰত হাজিৰাকে কৰিলোঁ। অন্ততঃ তিনিশ টকা পালোঁ, তাৰে এশ টকা ঘন দাইটিক দি আহিছোঁ মাৰৰ দৰৱৰ বাবে, কিবা বোলে কিনিব লাগিব। গুৱাহাটীলৈ আকৌ নিবলৈ ভালেখিনি ধন লাগিল। তই এতিয়া ডাঙৰ হৈছ, সেয়ে কথাবোৰ কৈছোঁ। দুবিঘা মাটিৰ এবিঘা ইতিমধ্যেই

গুৱাহাটীলৈ আকৌ নিবলৈ ভালেখিনি ধন লাগিল। তই এতিয়া ডাঙৰ হৈছ, সেয়ে
কথাবোৰ কৈছোঁ। দুবিঘা মাটিৰ এবিঘা ইতিমধ্যেই বিক্ৰী কৰিলোঁ। মাৰৰ এটা এটা
পৰীক্ষাত ২০-২৫ হেজাৰ জাননে? পূৰ্বে যি কেঞ্চাৰৰ দৰৱ আঠ হেজাৰ টকা
আছিল, সি এতিয়া একলাখ আঠ হাজাৰ হ'ল।

বিক্ৰী কৰিলোঁ। মাৰৰ এটা এটা পৰীক্ষাত ২০-২৫ হেজাৰ জাননে? পূৰ্বে যি কেঞ্চাৰৰ দৰৱ আঠ হেজাৰ টকা আছিল, সি এতিয়া একলাখ আঠ হাজাৰ হ'ল।

ঃ কিয় কালি স্বাস্থ্যমন্ত্ৰীয়ে চিকিৎসালয়ত সকলো দৰৱ বিনামূলীয়াকৈ দিয়া হৈছে বুলিচোন বৰদেউতাহঁতৰ টিভিটোত কোৱা শুনিলোঁ। — নিকিতাই ক'লে।

ঃ সেইবোৰ টিভিৰ কথা অ'। তই জানো শুনা নাছিলি নিৰ্বাচনৰ আগতে যে কৈছিল বস্তুৰ দাম কমিব, আমাৰ দৰে মানুহবোৰৰ অৱস্থা পৰিৱৰ্তন হ'ব। হ'ল জানো? বৰঞ্চ আজি মই দাইল এপোৱা লওঁ বুলি টকা বিশটা উলিয়াই দিওঁতে দীপ্তি ককাইটিয়ে আৰু দহ টকা বিচাৰিছিল, সেয়ে ননকৈয়ে গুচি আহিলোঁ। যোৱা সপ্তাহত আলু দহ টকা কিলো আছিল, আজি পঁচিশ টকা বিচাৰিলে।

ঃ দেউতা, ভাত দুটামান দিওঁ?

ঃ নালাগে অ' হ'ব। আজি বাবুৱেই কৈছে বোলে গুৱাহাটীত বি. বৰুৱা কেঞ্চাৰ হস্পিতাল এখন আছে। খৰচ কম। তালৈ নিলে বোলে মাৰৰ ভাল হ'ব। জনাহেঁতেন প্ৰথমবাৰেই নিলোঁহেঁতেন। সেয়ে গাঁওবুঢ়া দাইটিৰ ঘৰত এতিয়া বাকী থকা মাটিকণো বিক্ৰী কৰাৰ কথা পাতি আহিছোঁ। মূৰৰ ওপৰত মাৰক বচাব লাগিব বুইছ ডাঙৰ মা। মাটি-বাৰী পিছত হৈ থাকিব।

মালতীয়ে শোৱাপাতিৰ পৰা বাপেক-জীয়েকৰ কথাবোৰ শুনি আছিল। তাইৰ মূৰটো ঘূৰাবলৈ ধৰিলে। তাৰ মানে তাইৰ কেঞ্চাৰ হৈছে। তাইৰ চিকিৎসাৰ বাবে বিপদৰ সাৰথি হৈ থকা মাটিকণো বেচিলে। তাইৰ কাষতে শুই থকা পুতেকৰ মূৰত হাতখন বুলাই দিলে। যিকণ মাটি আছে যদি সেইকণো নাথাকে ইহঁতে কি খাব? দুবিঘা মাটিৰ ধানৰে পাঁচটি প্ৰাণীক অন্ততঃ আঠ-ন মাহ খাবলৈ জুৰিছিল। এতিয়া কি হ'ব? মানুহটোৱে তাইক নজনোৱাকৈ মাটিকণ তাইৰ বাবে বিক্ৰী কৰিলে। মালতীয়ে আজিহে জানিব পাৰিলে যে তাইৰ কেঞ্চাৰ হৈছে। এই বেমাৰ হ'লে বচাৰ আশা নাই। মালতীহঁতৰ নিচিনা দুখীয়া মানুহটো আৰু নাবাচে। মালতীৰ ভিনিহিয়েকৰো এই বেমাৰ হৈছিল। ভিনিহিয়েক ধনী বাবে বাহিৰত নি ভাল কৰি আনিলে। কিন্তু তাইক নগেনে বাহিৰলৈ দূৰৰ কথা, গুৱাহাটীলৈ নিবলৈ দুনাই ধন নাই। মালতী শোৱাৰ পৰা উঠি বিছনাত বহি পৰিল। দুগালেদি দুধাৰি চকুলো কেতিয়ানো বৈ আহিল তাই ধৰিবকে নোৱাৰিলে। তাইৰ শৰীৰটো ছটি-ফুটি কৰিবলৈ ধৰিলে। মালতীয়ে সন্মুখত অন্ধকাৰ দেখা পালে। তাইৰ অসুখৰ বাবে যোৱা কেইবাদিনো ধৰি ডাঙৰ জীয়েক কলেজলৈ যাব পৰা নাই। তাইৰ লগতে লাগি থাকিব লাগে। গিৰীয়েক ঘৰত থাকিলে নহ'ব, নহ'লে পাঁচটি প্ৰাণী লঘোণত মৰিব লাগিব।

হঠাতে লাইনটো গুচি গ'ল। মালতীৰ সন্মুখত

পৃথিৱীখন আৰু আন্ধাৰ হৈ পৰিল। পুতেকৰ মুখখন আন্ধাৰতে চাবলৈ মালতীয়ে বৰ যত্ন কৰিলে। ইতিমধ্যে গিৰীয়েকে চাকিটো লৈ ভিতৰলৈ সোমাই আহিল।

ঃ কিয় বহি আছ? টোপনি অহা নাই?

মালতীয়ে একো উত্তৰ নিদিলে। তাই চাকিৰ পোহৰত গিৰীয়েকৰ মুখলৈ চালে। মানুহটোৰ তাইৰ বাবে বৰ কষ্ট হৈছে। বিগত দুমাহে তাই হাঁহ-কুকুৰা পুহিও গিৰীয়েকক সকাহ দিব পৰা নাই বৰঞ্চ অধিক কষ্টহে দিছে।

মালতীয়ে সদায় ভাত খোৱাৰ পিছত পাকঘৰটো মচি আনে। এই অভ্যাস জীয়েকেও শিকিছে। তাই ঘৰখন ধৰিব পাৰিব। কিন্তু মাটিকণ নহ'লে সিহঁতে খাব কি? নাই, গিৰীয়েকক তাই মাটি বিক্ৰী কৰিবলৈ নিদিয়ে।

ঃ মালতী, তোক মই আকৌ গুৱাহাটীলৈ লৈ যাম অ'।

ঃ নালাগে ব'বচোন। আজি দুগৰাহমান ভাত খাব পাৰিছোঁ আৰু শনিবাৰে ঘন দাইটিয়ে দৰৱ দিব নহয়। নিশ্চয় ভাল হ'ব। ঘন দাইটিৰ দৰৱ বৰ ভাল বোলে। —মালতীয়ে গিৰীয়েকক সাহস দিবলৈ মিছা প্ৰয়াস কৰিলে। নগেন মালতীৰ বিছনাৰ কাষতে টুলখনত বহি পৰিল।

মালতীৰ কাষত বহি নগেনে মালতীলৈ চাই চিন্তাৰ সাগৰত বুৰ গ'ল— কি অপৰূপ চেহেৰাৰ মানুহজনী কি হৈ গ'ল। মোটোহা মোটোহ হাত-ভৰিত এতিয়া মঙহৰ সচ নাই।

ঃ গুৱাহাটীত এনে ডাঙৰ হস্পিতাল আছে বোলে, তোক তালৈ নি ভাল কৰি আনিম বুজিছ? পইচাকেইটামান পালেই যাম। তই এতিয়া টোপনি যাবলৈ চেষ্টা কৰ।

মালতীয়ে গাৰুটোত মূৰটো থৈ শুবলৈ চেষ্টা কৰিলে। কিছু সময়ৰ পাছত নগেন উঠি গৈ কাষৰ


ঃ ডাঙৰ মা, মই গাঁওবুঢ়াৰ ঘৰৰ পৰা আহোঁ। তই সৰু মা আৰু পোনাকণক ভাতকেইটা দি স্কুললৈ পঠাবি। —মালতীয়ে গিৰীয়েকৰ মাতত সাৰ পালে। সাৰ পালে যদিও তাই গাৰুৰ পৰা মূৰ দাঙিবলৈ মন নগ'ল। তাৰমানে এখেত মাটি বিক্ৰীৰ বাবে গাঁওবুঢ়াৰ ঘৰলৈ ওলাইছে —মালতীয়ে মনতে ভাবিলে।


বিছনাখনত শুই পৰিল। দিনটো কষ্ট কৰা নগেনক সোনকালেই টোপনিয়ে হেঁচা মাৰি ধৰিলে। মালতী পুনৰ বিছনাত বহি পৰিল। মালতীয়ে ভাল পাই ঘৰৰ অমতত বিয়া পাতি অনাৰ পৰা নগেনে তাইক কষ্ট পাবলৈ দিয়া নাই। সি বেছি কাম কৰি হ'লেও তাইক দুবেলা-দুমুঠি পেট ভৰাই খুৱাইছে। তিনিটাকৈ সন্তানৰ মাক হোৱাৰ গৌৰৱ অধিকাৰ কৰিছে। দুবিঘা মাটিত সিহঁত দুটাই সমানে কাম কৰি বছৰটোলৈ ভাতমুঠি যোগাৰ কৰি আহিছে। এতিয়া তাইৰ বাবে গিৰীয়েকে মাটি বিক্ৰী কৰিব লগা হৈছে।

ঃ মইতো মৰিমেই, ঘৰৰ বাকীকেইটা প্ৰাণীক মৰিবলৈ দিব নোৱাৰি। ইহঁতৰ জীয়াই থকাৰ ব্যৱস্থা কৰিব লাগিব। —মালতীয়ে মনৰ ভিতৰতে ভাবি-গুণি বিছনাৰ পৰা নামি আহিল। তেনেতে লাইনটো আহিছিল।

ঃ ডাঙৰ মাই লাইটটো নুমুৱাব পাহৰিলে। —মালতীয়ে খুপি খুপি দুয়োজনী জীয়েক শুই থকা কাষৰ কোঠাটোৰ ফালে আগবাঢ়িল। আঁঠুৱাখন দাঙি মালতীয়ে দুয়োজনী জীয়েকৰ মুখ দুখন চালে। মালতীৰ হুক্‌হুকাই কান্দিবলৈ মন গ'ল। সৰু জীয়েক বৰ্ষাৰ ফ্ৰকটো ফটা, শৰীৰৰ এফাল ওলাই আছে। মালতীয়ে দুয়োজনী জীয়েকৰ মূৰত হাত বুলাই মৰম কৰি দিলে। লাইটটো নুমুৱাই মালতী পুনৰ গিৰীয়েকৰ বিছনাৰ কাষ পালেহি। মালতীয়ে গিৰীয়েক নগেনৰ কাষতে বহি একান্ত মনে নাক বজাই শোৱা মানুহটোৰ মুখখনলৈ চাই ৰ'ল।

ঃ বুজিছ মালতী তোক মই ইমানেই মৰম কৰিম ওচৰ-চুবুৰীয়াই ঈৰ্ষা কৰিবলৈ বাধ্য হ'ব। —বিয়াৰ প্ৰথম দিনা নগেনে মালতীক কোৱা এইকেইটা কথা তাইৰ আজিও মনত আছে। লাহে লাহে মালতীৰ হাতখন নগেনৰ মূৰৰ ফাললৈ আগবাঢ়িল। চুলিত হাতখন স্পৰ্শ কৰাৰ আগতেই মালতীয়ে হাতখন ঘূৰাই আনিলে। শুই থকা গিৰীয়েকক আমনি কৰিবলৈ মন নগ'ল। নাই, নগেনে বিগত দিনত মালতীক কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাই। খং উঠিলেও মানুহটো মনে মনে থাকে। তাই গিৰীয়েকৰ বিছনাৰ পথানলৈ গৈ ভৰি দুটাত লাহেকৈ ধৰি সেৱা কৰিলে। তাই নগেনৰ কাষৰ পৰা খুপি খুপি পাকঘৰৰ ফাললৈ আগবাঢ়িলে। তাই লাইট জ্বলাই পাকঘৰটো এপাক চালে। বিয়াৰ পিছত এইটো পাকঘৰতে তাই সুদীৰ্ঘ দিন কটাইছে। নিজৰ একান্ত বান্ধৱীৰ দৰে পাকঘৰটোৰ লগত তাই কথা পাতিছে। পাকঘৰৰ এচুকত থকা কেৰাচিনৰ বটলটো লৈ তাই শোৱা কোঠা পালেহি। গাৰুৰ তলৰ পৰা তাই মেচ্ছৰ বাকচটো উলিয়াই ল'লে।

এইখন সমাজত কেতিয়া সকলো মানুহে নিজে বিচৰা ধৰণে থাকিবলৈ পাব বা থাকিবলৈ পাব? দিনটো হাড়ভঙা শ্ৰম কৰিও যদি দুবেলা-দুমুঠি খাবলৈ নহয়, সন্তানক উপযুক্ত শিক্ষা দিবলৈ নহয়, বেমাৰ হ'লে ডাক্তৰৰ ওচৰলৈ যাব নোৱাৰি, তেতিয়াহ'লে এইখন পৃথিৱীত জীয়াই থাকি কি লাভ। এতিয়া দুবেলা-দুমুঠি খাবৰ বাবে থকা মাটিকণো চিকিৎসাৰ বাবে বিক্ৰী কৰিব লাগিব। মালতীৰ এইবোৰ চিন্তাই মূৰটো ঘূৰাই গ'ল। তাই বিছনাখনতে বহি পৰিল। থিয় হৈ থকা সামান্য শক্তিকণো হেৰুৱাই পেলালে। ইয়াৰ পাছত তাইৰ মনটো ডাঠ কৰি থিয় হ'ল। নাই, মানুহজনক আৰু মাটি বিক্ৰী কৰিবলৈ দিব নোৱাৰি। মই মোৰ পোনাকণটোক এবিঘা মাটিৰ গৰাকী কৰি থৈ যাব লাগিব। সি ভূমিহীন ডাল-দৰিদ্ৰ হোৱাৰ ভাগ্য কাৰণ মই হ'ব নোৱাৰোঁ। —মালতীয়ে এক মৌন চিৎকাৰ কৰি উঠিল। হাতত জুইশলাটো তুলি ল'লে। জুইশলাডাল হাতত তুলি ল'বৰ পৰতে মালতীৰ মুখেৰে এক আৰ্তনাদ ওলাই গৈছিল নেকি? তাই ধৰিব নোৱাৰিলে। বিছনাত শুই থকা পোনাকণে গেঙনি এটা মাৰি চকু মেলি মাকক চালে। তাৰ পিছত সি জাঁপ মাৰি বিছনাত বহি পৰিল।

ঃ তুমি শোৱা নাই মা?

পুতেকৰ প্ৰশ্নত থতমত খালে মালতীয়ে। ক'লে— 'বাহিৰলৈ গৈছিলোঁ। এতিয়া আহিলোঁ নহয়, তই শো।

পুতেক আকৌ শুই পৰিল।

মালতীয়ে অপৰাধীৰ দৰে লৰালৰিকৈ কেৰাচিনৰ বটলটো বিছনাৰ তলত থৈ পোনাকণৰ কাষতে শুই পৰিল। পোনাকণে মাকৰ গাত জোৰকৈ সাৱটি ধৰিলে। মালতীয়ে পুতেকৰ গাত হাত বুলাই মৰম কৰিবলৈ ধৰিলে। মালতীৰ পৰিকল্পনাত আউল লাগিল। পিছত পুতেকৰ টোপনি আহিল যদিও মালতীৰ পিছে আত্মহত্যা চিন্তাৰে আৰু আগবাঢ়িবলৈ মন নগ'ল। তাইৰ বাবে বাবে ৰঞ্জিতৰ এষাৰ কথা মনলৈ আহিল— আমিবোৰ নিজে মৰি যাওঁ,আনক্যে মাৰি যাওঁ। আনক জীয়াই ৰখাৰ চিন্তা নকৰোঁ। সি কৈছিল— মৰাৰ পিছতো হেনো আমি জীয়াই থাকিব পাৰোঁ। মৰণোত্তৰ দেহ দানৰ কথা কৈছিল। মানুহ মৰিলে নজ্বলাই বা পুতি নথৈ দান দিলে সেয়া কিছু কিছু অংগ অসুস্থ মানুহৰ দেহত খুৱাই মানুহজন সুস্থ কৰিব পাৰি। মানুহজন যিমান দিন জীয়াই থাকিব সিমান দিনলৈকে অংগখিনিও জীয়াই থাকিব। কি আচৰিত কথা। কেনেকৈ দেহ দান কৰিব পাৰি মালতীয়ে সুধিছিল। ৰঞ্জিতে দুখন কাগজ আনি তাইক দেখুৱাইছিল। সেয়া দেহ দান দিয়াৰ সন্মতি পত্ৰ। তাই কিয় ৰঞ্জিতৰ দৰে কৰিব নোৱাৰিলে? কথাটো বহুবাৰ ঘূৰাই-পকাই ভাবি মালতীয়ে সিদ্ধান্ত ল'লে যে তায়ো ৰঞ্জিতৰ দৰে কৰিব। সিদ্ধান্তটো লৈ তাইৰ মনটো ভাল লাগি গ'ল। দূৰণিৰ চাহ বাগিচাৰ পৰা কৰম পূজাৰ ঝুমুৰ আৰু মাদলৰ মাত ভাহি আহিছে। এটি প্ৰশান্ত মন লৈ এসময়ত তাই টোপনিৰ কোলাত ঢলি পৰিল।

ঃ ডাঙৰ মা, মই গাঁওবুঢ়াৰ ঘৰৰ পৰা আহোঁ। তই সৰু মা আৰু পোনাকণক ভাতকেইটা দি স্কুললৈ পঠাবি। —মালতীয়ে গিৰীয়েকৰ মাতত সাৰ পালে। সাৰ পালে যদিও তাই গাৰুৰ পৰা মূৰ দাঙিবলৈ মন নগ'ল। তাৰ মানে এখেত মাটি বিক্ৰীৰ বাবে গাঁওবুঢ়াৰ ঘৰলৈ ওলাইছে —মালতীয়ে মনতে ভাবিলে।

ঃ হেৰি শুনকচোন, আপুনি গাঁওবুঢ়াৰ ঘৰলৈ যাব নালাগে।

ঃ কিয়?

ঃ ৰঞ্জিতৰ লগত কথাখিনি পাতি লোৱা হ'লে ভাল আছিল।

গিৰীয়েক ৰৈ গ'ল। মালতীৰ কথা শুনিলে। কিন্তু

কথাখিনিয়ে মানুহজনক আশ্বস্ত কৰিব নোৱাৰিলে। কেন্সাৰৰ বিনামূলীয়া চিকিৎসা ক'ৰবাত কোনোবাই কৰিব এই কথা বিশ্বাস কৰিব নোৱাৰি। ৰঞ্জিতে ক'ৰ পৰা বিনামূলীয়া চিকিৎসা কৰিব পাৰিব। 'বাৰু চাই লওঁচোন'— বুলি কৈ গিৰীয়েক ওলাই গ'ল।

মালতীয়ে কেতিয়াও পিছদিনৰ পৰা নিচিএৰে। আজি পিছে চিএৰিলে— গৈছে যাওঁক বাৰু। কিন্তু কথা দি নাহিব। পাৰিলে ৰঞ্জিতক মাতি আহিব। ৰঞ্জিতৰ লগত কথাখিনি পাতি ল'লে ভাল আছিল।

ঃ মা আমি স্কুললৈ যাওঁ।

সৰু দুটাই মাত দিয়াত মালতী উঠি বহিল।

ঃ তহঁতে যাওঁতে বা আহোঁতে জুনিয়ৰ কলেজত যে কাম কৰে ৰঞ্জিত, তহঁতক যে পঢ়াইছিল, তাক কালিলৈ মই মাতিছোঁ বুলি ক'বিচোন।

কিয় মাতিছে কাৰণ নুসুধি সিহঁতে শলাগিলে আৰু যাবলৈ ওলাল।

ঃ ৰঞ্জিত দাক কিয় মাতিছা মা। কালিলৈ নাথাকোঁ। কলেজলৈ যাম। মেজৰৰ ছাৰে মাতি পঠাইছে। বৰ জীয়েক নাথাকোঁ বোলাত মালতীয়ে ভাবেই পালে। ক'লে— তই নাথাকিলেই ভাল। জীয়াই থাকোঁতেই হেন্ত-নেন্ত এটা কৰি যাব লাগিব। কথাখিনি কওঁতে মালতীয়ে মুখত এটা হাঁহি বিৰিঙাবলৈ চেষ্টা কৰিলে। হাঁহিটো দেখি নিকিতাৰ মনটো ভাল লাগি গ'ল। ৰঞ্জিতক তাইৰ ভাল লাগে। একা-বেঁকা মাকক তাই কথাটো কৈছিল। মাকে তাইক চল্লিলে হাত মেলা বুলি কৈ কথাটো সিমানতে সামৰি থৈছিল। মাকে হেন্ত-নেন্ত এটা কৰি যাব লাগিব বুলি কৈছে মানে নিশ্চয় তাইৰ বিয়াৰ কথাকে বুজাইছে।

পিছদিনা ৰঞ্জিত আহিল। ঘৰত কোনো নাছিল। হেঁপাহ পলুৱাই মালতীয়ে মৰণোত্তৰ দেহদানৰ বিষয়ে কথা পাতিলে। ৰঞ্জিতৰ কান্ধত ওলমি থকা মোনাত থকা দেহদানৰ ফ্ৰম দিব খোজা নাছিল। ঘৰৰ সকলোৰে লগত কথাটো আলোচনা হোৱা ভাল। নিৰুপায় হৈ সি ফ্ৰম আগবঢ়াই দিলে। মালতীয়ে পাচ্ছটাকে ফ্ৰম পূৰাই ৰঞ্জিতৰ হাতত তুলি দিলে। দেহৰ পীড়া যেন বহু পৰিমাণে কমি আহিছে, এনে অনুভৱ হ'ল মালতীৰ। মালতীৰ মনৰ এই পৰিৱৰ্তন ঘৰৰ সকলোৱে লক্ষ্য কৰিলে।

গিৰীয়েকে সুধিলে—

ঃ মনটো দেখোন মুকলি। গাটো অকণমান মুকলি পাইছ নেকি?

ঃ হয়, গাটো অকণমান ভাল লাগিছে। ৰঞ্জিত অহাৰ পাছৰে পৰা গাটো ভাল। সি মোক পানী জাৰি খাবলৈ দিলে। তাৰ পিছৰে পৰা মোৰ গাটো ভাল। গিৰীয়েক নগেনে মালতীৰ কথা বিশ্বাস নকৰিলে। সি ভালকৈয়েই জানে ৰঞ্জিত কোন। জৰা- ফুকাক অন্ধবিশ্বাস বুলি বাদ দিবলৈ ৰঞ্জিতে কোৱা সি বহুতবাৰ শুনিছে। এনেকুৱা এটা মানুহে পানী জাৰি খাবলৈ দিব এয়া অসম্ভৱ। মালতীয়ে বাগৰ দি থকা বিছনাতে নগেন বহিল। মালতীয়ে উঠি বহিল। প্ৰকৃততে ৰঞ্জিত আহি কৰিলেহি কি তাইক সুধিলে। মালতীয়েও তাক কথাৰে বান্ধি ল'লে— 'মই সকলো কম, কিন্তু আপুনিও মোক মই বিচৰা বস্তু এটা দিম বুলি বচন দিব লাগিব।'

ঃ দিব পৰা বস্তু হ'লেতো দিমেই। ক ৰঞ্জিতে কি ক'লে?

ঃ ক'ম। আগতে মই বিচৰা বস্তুটো দি লওক।

ঃ বাৰু ক'চোন তোক কি লাগে।

মালতীয়ে গিৰীয়েকৰ হাতখন নিজৰ মূৰত ৰাখি ক'লে—

ঃ মোৰ মূৰত ধৰি বচন দিয়ক, যিকণ মাটি আছে, সেইকণ নেবেচো বুলি। কথা দিয়ক, মই আজি কৰা কামটোক আপত্তি নকৰোঁ বুলি।

প্ৰথমে নগেন মান্তি হোৱা নাছিল। পিছত কিন্তু সি হাৰি গ'ল। মালতীয়ে যেতিয়া কথাবোৰ কৈ গ'ল তাৰ চকুৰ পৰা হৰহৰকৈ চকুপানী ওলাবলৈ ধৰিলে।

দহদিনৰ পিছত মালতী ঢুকাল।

গিৰীয়েক নগেনে গাঁৱৰ ৰাইজক মালতীৰ শবটো সৎকাৰ কৰিবলৈ নিদিলে।

(মহাবিদ্যালয় সপ্তাহ সমাৰোহত দ্বিতীয় স্থান প্ৰাপ্ত গল্প)


■ লনী শইকীয়া ষষ্ঠ যাণ্মাসিকৰ শিক্ষা বিভাগৰ ছাত্ৰী





# মানৱীয়তা

নয়নমণি গায়ন



ৰিমিৰ মুখত হাঁহি বিৰিঙি উঠিল অকণমান উপকাৰে যে মানুহক ইমান আনন্দ দিব পাৰে ৰিমিয়ে উপলব্ধি কোনো দিনেই কৰা নাছিল। ৰিমিয়ে ছোৱালীজনী যোৱাৰ ফালে একান্ত মনে চাই থাকিল।

বাচন এসোপামান বেচিনত পোত খাই আছে। কালিৰ খণ্ডতে উচাট্ মাৰি ৰিমি পাকঘৰ পালেগৈ। আজি আৰু ৰিমিৰ ধৈৰ্য নোহোৱা হৈছে। কামখিনি ঠিককৈ চলি গ'ল। আজিও নাহিব চাগৈ। মানুহবোৰো যে! কাম মালতী বাই দুদিন হ'ল কাম কৰিবলৈ অহা নাই, আজিও নাহিব চাগৈ। মানুহবোৰো যে! কাম কৰা মানুহ ৰাখিলেও বিপদ নাৰাখিলেও বিপদ। সৰু পৰিয়ালটোৰ দহবছৰীয়া ল'ৰা নীলিম এইবাৰ ক্লাছ চিক্সত আৰু আৰু ছোৱালী চাৰিবছৰীয়া নীতা এইবাৰ স্কুললৈ গৈছে। ওজৰ-আপত্তি নথকা স্বামী বিকাশ বৰা অফিচলৈ গৈছে। এইকেইজনক যা-যোগাৰত কোনো অসুবিধা নাই। যোৱা ৰাতি কালি হঠাৎ আলহীৰ আগমন। লগত কাম কৰাজনীয়ে সৈতে আঠজন। প্লাছ, প্লেট, কাপ বেছিকৈ উলিয়াব লগা হৈছে। ৰাতি পলম হোৱাত ৰিমিৰ ধুব মন নগ'ল, তদুপৰি আলহী ল'ৰা-ছোৱালীকেইটাৰ লগত নীলিম আৰু আৰু নীতি লগ লাগি যি পাইছে য'তে-ত'তে পেলাইছে। বিছনা চাদৰ, গাৰু-ওৱাৰ, টাবেল গোটেইবোৰ ওৱাচিং মেচিনটোত ভৰাই দিছে। ভাগ্যভাল কালি ৰন্ধা সকলো ফ্ৰিজত ভালদৰে ভৰাই থোৱা আছে। ৰাতিপুৱা ৰন্ধা ভাত অলপো আছেই।

এইবোৰ চিন্তা কৰি থাকোঁতেই হঠাৎ কলিং বেলটো বাজি উঠিল। সন্মুখৰ দুৱাৰখন খুলি দেখা পালে এজনী ন-দহ বছৰীয়া ছোৱালী। প্ৰথম দৃষ্টিতে কোনোবা অভাৱগ্ৰস্ত মানুহৰ ছোৱালী যেন লাগিল, গাত এযোৰ ইউনিফৰ্ম। ৰিমিয়ে তাইক মূৰৰ পৰা ভৰিলৈকে লক্ষ্য কৰিলে। ৰিমিয়ে সুধিলে—

ঃ কি লাগে তোক?

ছোৱালীজনীয়ে উত্তৰ দিলে—

ঃ মাৰ পঁইহিৰ পৰা জ্বৰ উঠিছে কাৰণে আহিব পৰা নাই সেয়ে মোক কামকেইটা কৰি যাবলৈ দিছে।

ঃ তাৰ মানে তই মালতীবাইৰ ছোৱালী?

ঃ হয়। —তাই মূৰ জোকাৰিলে।

ঃ তেতিয়াহ'লে তই কালি নাহিলি কিয়?

ঃ মাৰ লগত চৰকাৰী হস্পিতাললৈ গৈছিলোঁ, অলপ দেৰি হ'ল। সেয়ে নাহিলোঁ।

ঃ আৰু আজি এই বাৰবজাত মানে ইমান দেৰিকৈ আহিছ কিয়?

ঃ মই স্কুললৈ গৈছিলোঁ।

কৃপাময় কৃপা কৰা মালতীবাই ছোৱালী স্কুলত পঢ়ে। বিমিয়ে মনে মনে চিন্তা কৰিলে— যি নহওক তাইৰ পৰা অকণমান সহায় পালেও বহুত।

ছোৱালীজনীক জোতা-মোজা খুলি হাত-মুখ ধুই ল'বলৈ ক'লে।

ঃ তই পাকঘৰৰ বেচিনটোত থকা বাচনকেইটা ধুই ল। তাৰ পাছত পাকঘৰটো সাৰি শুকানকৈ মচি পেলাবি। মই কিন্তু লেতেৰা কাম বেয়া পাওঁ।

বিমিয়ে আচলতে এই কাম কৰা মানুহবিলাকৰ পৰা অলপ দূৰতে থাকে। তাই ভাবে যে সিহঁতৰ শৰীৰত বেমাৰৰ বীজাণু থাকে।

তাই মালতী বাইৰ লগতো ঘৰুৱা কথা-বতৰাও নাপাতে। মালতীবাইৰ পৰা দূৰতে থাকে। মালতী বাইৰ যে এজনী ছোৱালী আছে আজিহে জানিছে।

বিমি গা ধুই আহি দেখে বাচনবোৰে চিক্‌চিকাই আছে। পাকঘৰৰ মজিয়াখনো ধুনীয়াকৈ সাৰি-মচি থৈছে। যেনেকুৱা আদেশ তেনেকুৱা কাম। ছোৱালীজনীৰ কামত বিমি সন্তুষ্ট হ'ল ছোৱালীজনীয়ে কাম শেষ কৰি যাবলৈ ধৰাত বিমিয়ে সুধিলে—

ঃ তোৰ নামটো কি?

ঃ পাহি।

ছোৱালীজনী লেতেৰাই লেতেৰাই চিৰিকেইটাৰ পৰা নামিল।

ঃ তোৰ ভৰিত কি হ'ল?

ঃ ৰাস্তাত পৰোঁতে দুখ পালোঁ।

ঃ চাওঁ মোক চাবলৈ দে।

বিমি কুঁজা হ'ল। ছোৱালীজনীৰ আঁঠুৰ বঙা মঙহ ওলাই গৈছে। লাজ লাজকৈ স্কুল এবাই যোৱা বঙা পৰি থকা আঁঠুটো দেখুৱাৰ লগা হোৱাত ছোৱালীজনীয়ে সেপ গিলিলে।

বিমিৰ সৰ্বশৰীৰ কঁপি উঠিল, মূৰটো ঘূৰোৱা যেন লাগিল। ছোৱালীজনীয়ে কেনেকৈ ইমান কষ্ট সহ্য কৰি অকণো আপত্তি নকৰাকৈ কাম কৰি যাবলৈ ধৰিছে। যদি নীতাৰ তেনে কিবা এটা ঘটনা হোৱা হয় নিশ্চয় বিমি ডাক্তৰৰ ওচৰ পালেগৈ হয়। ছোৱালীজনীৰ প্ৰতি বিমিৰ দয়া উপজিল।

ঃ তই সেই সৰু টুলখন লৈ আহচোন। মই তোলৈ অকণমান ঔষধ লৈ আহোঁ।

বিমিয়ে কপাহ, ডেটলৰ বটল আৰু এটা মলমৰ টিউব আনি টুলখনত বহি থকা ছোৱালীজনীৰ আঁঠুটো শুশ্ৰূষা কৰাত লাগিল। সেই মুহূৰ্তত বিমিয়ে বনকৰা মানুহৰ ওপৰত থকা অবিশ্বাস আৰু বেমাৰৰ বীজাণু সংক্ৰমণৰ কথা আদি সকলো পাহৰি গৈছিল।

বিমিৰ ফট্‌ফটীয়া শাৰীখনত দুটোপালমান তেজৰ ছিটিকণি ছিটিকি পৰিছে। বিমিয়ে তালৈ ভ্ৰূক্ষেপ কৰা নাই। ছোৱালীজনীৰ শুশ্ৰূষাত ব্যস্ত হৈ পৰিছে বিমি।

বিমিয়ে ফ্ৰিজৰ পৰা অলপ খোৱা বস্তু আৰু নীতাৰ ফ্ৰক দুটামান দিলে আৰু ছোৱালীজনীক যাবলৈ দিলে।

ঃ মেমচাহাব আহোঁ বুলি তাই দুপিয়াই দুপিয়াই চিৰিৰ পৰা নামি গ'ল। বিমিৰ মুখত হাঁহি বিৰিঙি উঠিল অকণমান উপকাৰে যে মানুহক ইমান আনন্দ দিব পাৰে বিমিয়ে উপলব্ধি কোনো দিনেই কৰা নাছিল। বিমিয়ে ছোৱালীজনী যোৱাৰ ফালে একান্ত মনে চাই থাকিল।

(মহাবিদ্যালয় সপ্তাহ সমাৰোহত তৃতীয় স্থান প্ৰাপ্ত গল্প)

■ নয়নমণি গায়ন স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ





# জীৱন অনুপম

জেচমিন চুলতানা



তিনি নাৰীয়ে ইজনীয়ে সিজনীক সাবটি ধৰিছে। পূৰ্ণতাৰ আভাই তিনিওৰে মুখমণ্ডল চুই গৈছে। পশ্চিম আকাশৰ বেলিটিয়ে তেতিয়াও সেই দিনটোৰ দৰেই হেঙুলী বহণেৰে হাঁহি হাঁহি বিদায় লোৱাৰ যো-জা চলাইছে!

ফাগুনৰ পছোৱা জাক তেতিয়া বিৰ্‌বিৰকৈ বলিছিল। পশ্চিমৰ অস্তগামী সূৰ্য্যে হেঙুলীয়া বহণেৰে বিদায়ৰ যো-জা চলাইছিল।

হস্পিতালৰ প্ৰসূতিকক্ষত তেতিয়া মানুহজনী প্ৰসব বেদনাত কাতৰ। যমজ সন্তানৰ মাতৃ হ'বলৈ ওলোৱা মানুহজনীৰ মনত আহিবলগীয়া সন্তানৰ বাবে কোনো লিংগভেদ নাছিল। মাথোঁ আশা আছিল কলিজাৰ টুকুৰাকেইটা পৃথিৱীলৈ আহি তেওঁক পৰিপূৰ্ণ কৰক।

কিছুসময় পাছত কক্ষৰ দুৱাৰ খোল খালে, 'প্ৰথম ছোৱালীজনী লওক। কিছু সময়ৰ পাছত দ্বিতীয় সন্তানটিও আহিব। চিন্তাৰ কোনো কাৰণ নাই। মাক ভালে আছে।'

কক্ষৰ সন্মুখত কুঁচি-মুচি বহি থকা মানুহজনীৰ বৃদ্ধ মাকে আলফুলকৈ কেঁচুৱাটি দাঙি ল'লে। কিছু আঁতৰত উদ্বিগ্নতাত পায়চাৰি কৰি ফুৰা কেঁচুৱাজনীৰ দেউতাক থমকি ৰ'ল। নৱজাতকলৈ অৱজ্ঞাৰ দৃষ্টি এৰি পুনৰ প্ৰসূতিকক্ষৰ দিশে মূৰ কৰি অপেক্ষাত ৰ'ল। পাঁচ মিনিট পাছত দ্বিতীয় সন্তানটি পৃথিৱীলৈ আহিল। নাৰ্ছে আলফুলকৈ গুলপীয়া পুতলাটি আগবঢ়াই দিলে।

'লক্ষ্মী-সৰস্বতী আহিল সেই ঘৰলৈ।'

এলান্ধুকলীয়া হৈ থকা মলয় দুৱৰাৰ মুখমণ্ডলে কেইবাটাও ৰং সলালে। খঙত ৰঙা হৈ পৰা দুচকুৰে নৱজাতক কন্যা সন্তান দুটিলৈ অৱহেলাৰ দৃষ্টি নিক্ষেপ কৰি ঘৰলৈ ফোন লগালে।

ঃ অতি সোনকালে মোৰ দ্বিতীয় বিবাহৰ ব্যৱস্থা কৰা। মাক-জীয়েক তিনিজনীক পোহপাল দিবলৈ মোৰ কোনো ধনৰ ভঁৰালকেইটা নাই। ইহঁতক এই মুহূৰ্ততে ত্যাগ কৰিলোঁ মই।

নিমিষতে উপেক্ষিতা হৈ পৰিল মাথোঁ পৃথিৱীত ভৰি থোৱা সন্তান দুটি। দোষ এটাই— কন্যা সন্তান হোৱাৰ চিৰপৰিচিত দোষ।

হস্পিতালৰ পৰা বাহিৰ হৈ অন্তৰত সীমাহীন বেদনা লৈ মানুহজনী বৃদ্ধা মাকৰ লগত এটি অনিশ্চিত ভৱিষ্যতৰ দিশে বাওনা হ'ল। কিন্তু ভাই-ককাইৰ বোজা হৈ থাকিব নিবিচাৰিলে মানুহজনীয়ে। কোঠা দুটা ভাড়ালৈ লৈ পুৰণি চিলাই কলটো ঠিক-ঠাক কৰি এটা কোঠাত পাতিলে। আনটো কোঠাত থাকিবলৈ ল'লে। ধনে-ধানে পিজ্‌পিজাই থকা ঘৰৰ উত্তৰাধিকাৰী লক্ষ্মী আৰু সৰস্বতীক লৈ মাকৰ এক সংগ্ৰামপূৰ্ণ জীৱনৰ আৰম্ভণি ঘটিল।

পূৰ্বতে দায়িত্বৰ ভু নোপোৱা মানুহজনীয়ে দুটি সন্তানৰ সৈতে সংসাৰ

যুদ্ধত কক্ষবকাই ফুৰিলে। প্ৰত্যেকটো দুখৰ দিনে মানুহজনীৰ মনলৈ আত্মবিশ্বাসহে কঢ়িয়াই আনিলে। ছোৱালী দুজনীক পুৰুষতান্ত্ৰিক সমাজখনৰ ধূৰ্ততা, বিশ্বাসঘাতকতাৰ বিষয়ে প্ৰত্যেক দিনাই উনুকিয়াই গ'ল। শিশুকালৰ পৰাই সিহঁতৰ মনত সুমুৱাই দিলে যে সিহঁত মানুহ হ'বই লাগিব। কেৱল নাৰী হোৱাৰ বাবে পোৱা অৱহেলাৰ উত্তৰ দিবই লাগিব।

অভাৱগ্ৰস্ততাৱে লক্ষ্মী-সৰস্বতীকো বয়সতকৈ বহু অভিজ্ঞ কৰি তুলিলে। কিন্তু ভাগ্য মুকলি হ'বলৈ বেছি দিন নালাগিল। এটি চিলাই কলেৰে আৰম্ভ কৰা দোকানখন লাহে লাহে ডাঙৰ হ'ল আৰু কেইবাটাও কল কিনি দুৰ্ভগীয়া নাৰী কেইবাগৰাকীকো কৰ্মসংস্থাপন দিব পাৰিলে। যমজ ছোৱালী দুজনী পঢ়াই-শুনাই হাতে-কামে সকলো ফালৰ পৰা কৰ্মঠ কৰি তুলিলে।

এয়া বহুকেইটা বছৰৰ আগৰ কথা। ক্ৰমে ৰূপালী বৰণ ল'বলৈ ধৰা চুলিটাৰিৰে ডাঠ ফ্ৰেমৰ চছমা পিন্ধা মানুহজনী অতীতত বুৰ গৈ থাকোঁতেই আজি বহু সময় পাৰ হৈ গ'ল। ইমূৰকৈ সোমাই অহা জীয়ৰীৰ মাততহে সম্বিৎ ঘূৰি আহিল।

ঃ মা তুমি বেডি হোৱাই নাই এতিয়ালৈকে। সকলো সাজু হ'ল। ব'লা সোনকালে'।

ঃ এৰা... আজি সৰস্বতীৰ বৰ্ধদিনীয়া সপোন পূৰ্ণ কৰি আৰম্ভ কৰা বৃদ্ধাশ্ৰমখনৰ শুভ উদ্বোধন কৰা হ'ব। তাৰেই মুখ্য অতিথি মানুহজনী। মাথোঁ এসপ্তাহ আগত বৰজীয়ৰী লক্ষ্মীয়ে এ পি এছ চি পৰীক্ষাত উত্তীৰ্ণ হৈ পুলিচ অধিকাৰ হিচাপে চাকৰি জীৱনৰ আৰম্ভণি কৰিছে। তায়ো আজি ভনীয়েকৰ সফলতাৰ শুভাকাংক্ষী হৈ উপস্থিত হৈছেহি। সমাজৰ বাবে কাম কৰি ইতিমধ্যে জনাজাত তথা বহুকেইটা পুৰস্কাৰৰ পাত্ৰী হোৱা সৰস্বতীৰ বৰ্ধদিনীয়া সপোন মাকৰ নামত এখনি বৃদ্ধাশ্ৰম খোলাৰ। যিটো বৰ্তমান সময়ত বহু দৰকাৰী হৈ পৰিছে। সময়ে মানুহক ইমান যে এলাগী কৰি তোলে! জন্মদাতা পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থ'বৰ বাবে সন্তানৰ হেতা-ওপৰাৰ অন্ত নাই।

সময়ত দুই জীয়ৰীয়ে গাড়ীৰ পৰা নমাই দুই হাতে ধৰি মানুহজনীক সভাস্থলীলৈ লৈ গ'ল। কিছুপৰ পাছত এজন অতিশয় বৃদ্ধলোক আগবাই আহিল। কঁপা কঁপা হাত দুখন যোৰ কৰাৰ ভংগিমাৰে মানুহজনীৰ ভৰিৰ ওচৰত বহি পৰিল।

বৃদ্ধজনৰ অৱস্থাই বহু কথা কৈ গ'ল মানুহজনীক। চছমা খুলি চকুযুৰি মচি ল'লে। লক্ষ্মী, সৰস্বতীয়ে বৃদ্ধ মানুহজনক তলত বহি পৰা দেখি ততাতৈয়াকৈ ধৰি সযতনে উঠাই দিলে। দৃঢ় কণ্ঠেৰে মানুহজনীয়ে জীয়ৰীহঁতক কৈ উঠিল— 'এয়াই মলয় দুৱৰা।'

লক্ষ্মী আৰু সৰস্বতীয়ে অবাক হৈ বৃদ্ধ মানুহজনৰ ফালে চাই ৰ'ল। মলয় দুৱৰা তেতিয়া এটি মাথোঁ ভগ্ন সত্তা। শৰীৰেৰেও, মনেৰেও। পুনৰ দুহাত জোৰ কৰি তেওঁ হুক্‌হুকাই কান্দি কান্দি ক'লে— 'নাৰী বুলিয়েই তোমালোকক কৰা অৱহেলাৰ ফল মই আজি হাতে হাতে পালোঁ। সেয়া চোৱা মোৰ ল'ৰা গ'লগৈ... মোক বৃদ্ধাশ্ৰমৰ দুৱাৰমুখত পেলাই.. কোনো দিন নহাৰ প্ৰতিশ্ৰুতিৰে গ'লগৈ। গোটেই জীৱন বহুত কষ্ট খালোঁ। মানুহজনীও ল'ৰাৰ অতপালি সহিব নোৱাৰি সোনকালেই গ'লগৈ।

'আইহঁত অ' তহঁতৰ ওচৰত ক্ষমা খোজাৰো যোগ্য নহয় মই।'

মানুহজনী তেতিয়াও দৃঢ়। মাথোঁ কথাৰ ভৰ সহিব নোৱাৰি মূৰ পেলাই দিছে বহা ঠাইতে। লক্ষ্মী, সৰস্বতীয়ে মলয় দুৱৰাক তাতে এৰি মাকক সাৱটি ধৰিলে।

ঃ মা, চোৱা আজি তোমাৰ জয় হৈছে। তুমি নাৰী... কিন্তু মেৰুদণ্ডহীন লতা নহয়, আত্মবিশ্বাসেৰে পৰিপূৰ্ণ এজুপি বৰগছ। যাৰ ছত্ৰছায়াত আমাৰ দৰে আৰু দুজুপি বৰগছক গঢ়ি তুলিলা। কোনো পুৰুষতান্ত্ৰিক সমাজে এই গছৰ শিপা ভৰিৰে মোহাৰি মৰিমূৰ কৰিব নোৱাৰে।

আমি কৰিম মা। মলয় দুৱৰাক জীৱনৰ শেষ সময়খিনি ভালদৰেই প্ৰতিপালন কৰিব। কাৰণ আমি নাৰী। সময়ত যেনেকৈ দুৰ্গা হ'ব পাৰোঁ, তেনেকৈ মমতাৰো আকৰ। সেই মানুহজনৰ ৰক্তবীৰ্য আমাৰ শৰীৰত আছে। কিন্তু সেইবুলি নহয়, মানৱীয়তাৰ ধৰ্ম পালন কৰিম। তোমাৰ সংস্কাৰৰ নাম ৰাখিম।

তিনি নাৰীয়ে ইজনীয়ে সিজনীক সাৱটি ধৰিছে। পূৰ্ণতাৰ আভাই তিনিওৰে মুখমণ্ডল চুই গৈছে। পশ্চিম আকাশৰ বেলিটিয়ে তেতিয়াও সেই দিনটোৰ দৰেই হেঙুলী ৰহণেৰে হাঁহি হাঁহি বিদায় লোৱাৰ যো-জা চলাইছে।

■ জেচমিন চুলতানা তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী




গল্প

# ব্যোম

ত্ৰিদিপ বৰা

ক'ৰবাত কিবা কামৰ সন্ধান পাই বুলি পুৰাই ওলাই যোৱা ৰমেন আবেলিমানে ঘূৰি আহিল। গাঁৱৰ চাৰিআলিটোত চাইকেলখন থৈ সি স্কুলৰ দমকলটোৰ ফালে আগবাঢ়ি গ'ল। বটজোপাৰ তলতে সি হঠাৎ পোনাকণক দেখিলে মাত ফুটা-নফুটা ল'ৰাটোৱে হাতত দুটা নেমুটেঙা লৈ বহি আছে।



আকাশখনৰ ফালে চাওঁতে সি দেখিলে - হেঙুলীয়া চাদৰ পিন্ধি আকাশে এই দিনটোক বিদায় জনাইছে আৰু এটি নতুন পুৱাৰ আশাৰে বৰ্ণিল আলপনা আঁকিছে। এই সকলোবোৰ কিন্তু তাৰ চকুত অস্পষ্ট হৈ ধৰা দিলে। সি কেৱল দেখিলে চাৰিওফালে শূন্য; আকাশ, ব্যোম, বাৰিধি- সকলো শূন্য!

জুহালঘৰৰ খুঁটাটো ফালি ৰমেনে তাৰ পৰা খুচুৰা পইচাবোৰ উলিয়াই গণিলে— দুকুৰি দহ টকা পালে। লগতে দুখন এশটকীয়া কাগজৰ নোট। ৰমলাক ভাত বাঢ়িবলৈ ডাক দি সি কুঁৱাৰ পাৰলৈ গ'ল। চেঁচা পানী এবাল্টি গায়ে-মূৰে ঢালি কোবাকুবিকৈ তিতা কাপোৰ সলাই সি গোসাঁই থাপনালৈ খোজ দিলে। দুৱাৰডলিত মূৰ দোঁৱাই গোসাঁইঘৰ হেন ভগা কোঠাটোত গা ধুই উঠি এফাকি ঘোষা গোৱাটো তাৰ বাপেকে শিকোৱা দিনৰে নিয়ম। 'যিকোনো বিপদত পৰিলেই একান্তমনে ঈশ্বৰত শৰণ ল'বি, তেহে তেৱেঁই উদ্ধাৰ কৰিব।'— এইবুলি বাপেক শলীয়া বায়নে বৈকুণ্ঠলৈ যোৱাৰ পৰত তাক অস্পষ্ট মাতেৰে সোঁৱৰাই দিয়া এতিয়াও তাৰ মনত স্পষ্টকৈয়ে আছে। আজি থাপনাৰ বন্তিগছি জ্বলাবলৈ লওঁতেই সি দেখিলে চুলিটোত তেল নাই। লিৰিকি-বিদাৰি এটোপাল তেলৰো অৱস্থিতি ধৰা পেলাব পৰা নগ'ল। চল্‌চলীয়া চকুহালেৰে সি কাকুতি ঘোষাভাগ কেনেবাকৈ খোকাথুকি মাতেৰে গাই শেষ কৰি বাহিৰলৈ ওলাই আহিল। ইফালে ৰমলা ভাত বাঞ্চি-বাঢ়ি আজৰি হৈ ৰৈ আছে। সি মজিয়াত বহাত তাই ভাতৰ কাঁহীখন আগবঢ়াই দিলে— দুটা কেঁচা জলকীয়া, দুআঙুলমান নিমখ আৰু চাৰি-ছয় গৰাহ ভাত। কালি দিনৰ দিনটো বৰুৱানীৰ ঘৰত চাউল জাৰি সেইকেইটাকে আনি ৰান্ধিছে— তাইলৈ নোজোৰে। তথাপি সেই কথাৰ উমান ৰমেনক দিয়া নাই। পোনাকণে মনৰ বেজাৰতে ভাত নাখাই উঠি গ'ল। দুবছৰীয়া ল'ৰাটোৱেনো কিমান খালী ভাত খাব!

ৰমেনে যোৱা বছৰেই এটা কৃষিঋণ লৈ ঘৰৰ পাছফালৰ দুবিঘা মাটিত শাক-পাচলিৰ খেতি আৰম্ভ কৰিছে। মাটি বুলিবলৈ সেই দুবিঘাই শালিখেতিৰে পেট পোহপাল দিয়া দূৰৰে কথা, ট্ৰেক্টৰ লগোৱা ধন-বিত দিবলৈয়ে নহয়গৈ। সেয়ে এইবাৰ এটা নতুন আঁচনি লৈ কামত ধৰিছিল যদিও ফচল সকলোখিনি খেতিতেই নষ্ট হ'বলৈ ধৰিছে। সমগ্ৰ পৃথিৱীত ক'ৰোনা বোলা ৰোগটোৱে ত্ৰাসৰ সৃষ্টি কৰিছে বুলি সি শুনিছে, এদিন দুলালৰ ঘৰৰ ৰেডিঅ'ত আৰু এদিন গাঁৱৰ মাজেৰে ঘোষণা কৰি যোৱা মানুহজনৰ মুখত। কিন্তু, ইয়াৰ ভয়াবহতা যে ইমান বেছি হ'ব যাৰ কাৰণে সিহঁতৰ ঘৰখনেই চলাটো টান হৈ পৰিব এনে অনুমান সিহঁতে কাহানিও কৰিব পৰা নাছিল। ঘৰ ধৰিব পৰা বয়স হোৱাৰ দিন ধৰি ৰমেন খেতিত জড়িত। পত্নী কমলাই ওচৰৰ মানুহকেইঘৰতে ইটো-সিটো কৰি দি কিবা এটা পায়। তেনেকৈ সিহঁতৰ জীৱনলৈ পোনাকণো আহিল। দিনবোৰ ঠিকেই গৈ আছিল; কিন্তু হঠাতে অহা এই অন্ধকাৰ সময়ে সিহঁতৰ কাচিজোনৰ পোহৰতেই পূৰ্ণিমা দেখা ঘৰখন আঁউসীৰ অটল গহ্বৰলৈ লৈ গ'ল।



সেইদিনা খেতিলৈ গৈ ৰমেনে চকুৰ আগতে পচিবলৈ ধৰা সপোনবোৰ দেখি ভাগৰি পৰিল। লহপহকৈ বাঢ়ি অহা ফচলবোৰ বেচিবলৈ বজাৰো নাই— কিনিবলৈ গ্ৰাহকো নাই। কমলা এতিয়া ঘৰে ঘৰে কাম বিচাৰি যাব নোৱাৰে। বেমাৰ সংক্ৰমণৰ ভয়ত মানুহবোৰে তলাবদ্ধ জীৱন অতিবাহিত কৰিছে। বাকী খোৱা দোকানখনেও এতিয়া বাকী দিব নোৱৰাত পৰিছে। এয়া খাটি খোৱা শ্ৰেণীৰ বাবে দুৰ্বিসহ সময়।

ক'ৰবাত কিবা কামৰ সন্ধান পাই বুলি পুৱাই ওলাই যোৱা ৰমেন আবেলিমানে ঘূৰি আহিল। গাঁৱৰ চাৰিআলিটোত চাইকেলখন থৈ সি স্কুলৰ দমকলটোৰ ফালে আগবাঢ়ি গ'ল। বটজোপাৰ তলতে সি হঠাৎ পোনাকণক দেখিলে মাত ফুটা-নুফুটা ল'ৰাটোৱে হাতত দুটা নেমুটেঙা লৈ বহি আছে। ৰমেনে তাক দেখা পাই সুধিলে, পিতাই! তই ইয়াত অকলে কি কৰি আছহি? হাতত সেই দুটা টেঙাও আছেহোন!' সি আধাফুটা মাতেৰে উত্তৰ দিলে —'দেতা- টেঙা দুটা বেচি পোৱা পইচাৰে আমি দালি কিনি ভাত খাম দে।' ৰমেনে আৰু কিবা শুনাৰ আগতেই তাৰ বুকুৰে এছাটি বিজুলী বতাহ বৈ গ'ল। দুচকুৰে বান্ধহীনভাৱে নিগৰা চকুলো মচি মচি সি পোনাক সাৱটি ধৰিলে। আকাশখনৰ ফালে চাওঁতে সি দেখিলে —হেঙুলীয়া চাদৰ পিন্ধি আকাশে এই দিনটোক বিদায় জনাইছে আৰু এটি নতুন পুৱাৰ আশাৰে ৰঙীন আলপনা আঁকিছে। এই সকলোবোৰ কিন্তু তাৰ চকুত অস্পষ্ট হৈ ধৰা দিলে। সি কেৱল দেখিলে চাৰিওফালে শূন্য; আকাশ, ব্যোম, বাৰিধি-সকলো শূন্য!

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন গল্প প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)

■ ত্ৰিদিপ বৰা নলবাৰী মহাবিদ্যালয়ৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ





# নিষ্ঠুৰ নিয়তি

তনশ্ৰী বৰা

কান্দি কান্দি অৱস হৈ অৱশেষত মানুহজনী শুই পৰিল। পুৱা উঠি কপালখন ৰাঙলী কৰাৰ সময়তহে মনত পৰিল তেওঁৰ কপালৰ ৰঙা বেলিটো যে চিৰদিনৰ বাবে অস্ত গ'ল। আকৌ এবাৰ চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল যদিও নোৱাৰিলে। ল'ৰা-ছোৱালীকেইটাৰ মুখলৈ চাই পাৰ্যমানে মনৰ ভিতৰতে পাগুলিয়াইছে কথাবোৰ ক'ৰ পৰা কি হ'ল তাকে ভাবি ভাবি মানুহজনী স্থানু হৈ ৰ'ল। মানুহজনীৰ স্বামী মধুমেহ ৰোগী আছিল। ডাক্তৰে পৰামৰ্শ কৰি সিদ্ধান্ত লৈছিল 'ডাইলেছিছ'ৰ। সপ্তাহত দুদিনকৈ কৰোৱা হৈছিল। মানুহজনীয়ে অকলেই তেওঁৰ স্বামীক 'ডাইলেছিছ' কৰিবলৈ অনা-নিয়া কৰিছিল। ঘৰত আছিল মেট্ৰিক দিব লগা তেওঁলোকৰ কন্যা। হাজাৰ চিন্তায়ো মানুহজনীক উলাব পৰা নাছিল। খুঁজিছিল নিয়তিৰ সৈতে, ভাগ্যৰ লগত ফেঁপেৰি পাতিছিল। হাৰিব খোজা নাছিল কাহানিও। বহু কষ্ট হাঁহি হাঁহি হেলাৰঙে সহি গৈছিল মানুহজনীয়ে। ছাঁটোৰ দৰে লাগি ফুৰিছিল মানুহটোৰ সৈতে। মানুহটো যেন কেঁচুৱা হৈ পৰিছিল, মানুহজনীৰ অবিহনে এখোজো দিবলৈ সাহ কৰা নাছিল। সুখ-দুখেৰে দিনবোৰ বাগৰিছিল। লাহে লাহে বিশ্বত ক'ৰোনা (Covid-19) নামৰ এক মহামাৰিয়ে ছানি ধৰিলে। সমগ্ৰ বিশ্ব ত্ৰাসমান হৈ পৰিল। লাহে লাহে বিশ্বৰ দেশসমূহে লকডাউনৰ (তলাবদ্ধ) ঘোষণা কৰিলে। ভাৰত চৰকাৰেও মহামাৰিৰ ভয়াবহতা বুজি 'তলাবদ্ধ' ঘোষণা কৰিলে। সমগ্ৰ বিশ্ব স্তব্ধ আৰু শংকিত। নিয়তিৰ লগত হোৱা যুঁজখনত মানুহজনী বৰ বেয়াকৈ হাৰি গৈছিল। হস্পিতালে হস্পিতালে ঘূৰি ঘূৰি মানুহজনী হতাশ হৈছিল। সাধাৰণ এটা ভাইৰাছে মহামাৰি ৰূপ ধাৰণ কৰাত সকলো শংকিত হৈছিল। ক'ৰোনা ৰোগীৰ সংখ্যা বাঢ়ি গৈছিল কাৰণে হস্পিতালসমূহত বেলেগ ৰোগীৰ প্ৰৱেশ প্ৰায় নিষিদ্ধ আছিল। বহু কাকুতি-মিনতিৰ অন্তত এখন চিকিৎসালয়ত মানুহজনৰ চিকিৎসা চলিল। বেমাৰী দেহাটোৱে আৰু মানুহজনৰ প্ৰাণটো ধৰি ৰাখিব নোৱাৰিলে। গুচি গ'লগৈ অজান মুলুকলৈ বুলি মানুহজনীৰ মানুহটো। নিয়তিও যে কি নিষ্ঠুৰ অকলশৰীয়া মানুহজনীক সকাহ বা সান্ত্বনা দিবলৈয়ো ঘৰৰ পৰা কোনো আহিব নোৱাৰে কাৰণ 'লকডাউন'। দোভাগ ৰাতি অকলেই মানুহটোৰ নিঠৰ শৰীৰটো এম্বুলেন্সত উঠাই লৈ আহিছিল মানুহজনীয়ে। ঘৃণা উপজিছিল তেওঁৰ ভগৱানৰ ওপৰত। চোতালত শুৱাই দিয়া নিঠৰ শৰীৰটো চাই কান্দোনত ভাগি পৰিল মানুহজনী। জীৱনত কোনোদিন হাৰি নোপোৱা মানুহজনী আজি মাত্ৰ এটা সামান্য ভাইৰাছৰ বাবে হাৰি গ'ল। উকা হৈ ৰোৱা সেন্দূৰীয়া আলিটো দাপোণত চাই চাই তেওঁ আন এখন যুঁজলৈ সাজু হ'ল কাৰণ এতিয়া যে তেওঁ বিধৱা।

(লকডাউনৰ সময়ত আমাৰ মাজৰ পৰা হেৰাই যোৱা মামাৰ স্মৃতিত এই গল্পটি উৎসৰ্গা কৰিলোঁ। সত্য ঘটনাৰ ওপৰত গল্পটি আধাৰিত)


(ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন গল্প প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)

■ তনুশ্ৰী বৰা দৰং মহাবিদ্যালয়ৰ ছাত্ৰী

গল্প

# মানৱীয়তা

পংখীমণি শইকীয়া



মাধৱৰ কথাবোৰ শুনি সেই সময়ত পুলিচজনৰ মাধৱৰ ওপৰত দয়া উপজিল আৰু তেওঁ মাধৱক কান্দিবলৈ বাধা দি প্ৰথমে তেওঁ লগত থকা পানী বটলটো আগবঢ়াই দি পানী খাবলৈ দিলে। তাৰপাছত তেওঁৰ লগত যিখিনি খোৱাবস্তু আছিল তেওঁ সেইখিনি মাধৱৰ হাতত দিলে আৰু তাৰ লগতে তেওঁ পকেটৰ পৰা টকাকেইটামান উলিয়াই মাধৱৰ হাতত দি মাধৱক তেওঁ পৰিয়ালৰ ওচৰলৈ পঠাই দিলে।



মাধৱ এজন দৰিদ্ৰ লোক। মাধৱে কাম বিচাৰি তেওঁৰ পৰিয়ালৰ সৈতে চহৰলৈ আহিছিল। তেওঁৰ পৰিয়ালটোৰে এসাঁজ খাবৰ বাবে সদায় যিকোনো কাম কৰিব লগা হৈছিল। মাধৱ অতি পৰিশ্ৰমী ব্যক্তি আছিল। তেওঁৰ দিনটো ঠেলা চলোৱা, ৰিক্সা চলোৱা, জাৰৰ চাফা কৰা, কোৰ মৰা আদি যি কাম পাইছিল তাকে কৰিছিল। যিদিনা তেওঁ কোনো এটা কামেই বিচাৰি নাপায় সেইদিনা তেওঁলোকে ভোকতে থাকিবলগীয়া হয়। তেওঁলোকে বহুত কষ্টত খোৱা-বোৱা কৰিব পাৰিছিল। এনেকৈয়ে তেওঁলোকৰ দিনবোৰ গৈ আছিল। এনেকৈ এদিন তেওঁলোকৰ পৰিয়ালটোৱে দিনটো পৰিশ্ৰম কৰি ৰাতি ফুটপাথৰ কাষতে বনোৱা জুপুৰিটোত শুই থাকিল। পিছদিনা মাধৱে যেতিয়া আগৰ দৰেই কাম বিচাৰি ওলাই গৈছিল তেতিয়া তেওঁ সকলো খালী খালী দেখিছিল। ৰাস্তাত তেওঁ এজন মানুহকো লগ পোৱা নাছিল। আনকি দূৰ-দূৰণিতো তেওঁ কাকো দেখা পোৱা নাছিল। দোকান-বজাৰ, স্কুল-কলেজ সকলো বন্ধ আছিল। মাধৱে অলপ আগলৈ গৈ চাবলৈ ধৰিলে। হঠাৎ পিছৰ পৰা জোৰকৈ তেওঁৰ পিঠিত এটা লাঠিৰ কোব পৰিল। তেওঁ ভয় খাই ঘপকৈ পিছলৈ চাই দেখে যে তেওঁক এজন পুলিচে মাৰিছে।

ঃ ছাৰ, ছাৰ কিয় মাৰিছে?

ঃ তই ক'ত ঘূৰি ফুৰিছ? যা ইয়াৰ পৰা। গম পোৱা নাই নেকি লক্‌ডাউন হৈ আছে বুলি; গোটেই দেশ বন্ধ হৈ আছে, যদি আৰু দ্বিতীয়বাৰ ইয়াত এনেকৈ দেখোঁ বহুত মাৰিম। যা এতিয়াই।

ঃ কিন্তু ছাৰ; এই লক্‌ডাউন কি ছাৰ? আৰু এই দোকান-বজাৰ, স্কুল-কলেজ এই সকলোবোৰ কিয় বন্ধ ছাৰ?

ঃ ঐ তই কোনখন পৃথিৱীত আছ হা? ইয়াত ক'ৰোনা নামৰ এটা মহামাৰি আহিছে, মহামাৰি। যদি ঘৰৰ পৰা বাহিৰলৈ ওলাই এনেকৈ ঘূৰি ফুৰ তেতিয়া এই বেমাৰত আক্ৰান্ত হৈ মৰিবি। যা ইয়াৰ পৰা। নাজানো ক'ৰ ক'ৰ পৰা এইবোৰ মানুহ আহে।

এনেকৈ কৈ পুলিচজনে আকৌ এবাৰ তেওঁৰ পিঠিত কোব মাৰিলে।

বেচেৰা মাধৱে ভয় খাই দৌৰি দৌৰি তেওঁৰ পৰিয়ালৰ ওচৰ পালেগৈ। তাৰপাছত যেতিয়া তেওঁ পত্নী গীতাই সুধিলে তেতিয়া তেওঁ কয় যে মহামাৰি আহিছে, যিটো কাৰণত গোটেই দেশ এতিয়া বন্ধ হৈ আছে, তেওঁলোক বাহিৰলৈ যাব নোৱাৰে। তেতিয়া তেওঁ ডাঙৰ ল'ৰাটোৱে কয় যে— "কিন্তু আমি যদি বাহিৰলৈ গৈ একো এটা কামেই বিচাৰিব নোৱাৰোঁ; আমি কেনেকৈ খাবলৈ পাম দেউতা?" মাধৱ চিন্তিত হৈ পৰিল। বেচেৰা মাধৱে চিন্তা কৰিবলৈ ধৰিলে যে তেওঁ এতিয়া কৰিব কি? তেওঁ নিৰুপায় হৈ পৰিল।

দুদিন পাৰ হৈ গ'ল। তেওঁলোক ভোকতে আতুৰ হৈ পৰিছে। তেওঁৰ সৰু ল'ৰা-ছোৱালী দুটাই ভোকতে কান্দিব ধৰিলে। তেতিয়া তেওঁৰ পত্নী গীতাই কয় যে— 'যদি এনেকৈ হৈ থাকে আমিচোন ভোকতে মৰি থাকিম।' মাধৱে তেওঁ পৰিয়ালৰ এনে অৱস্থা দেখি সহ্য কৰিব পৰা নাই। কিন্তু তেওঁ কৰিবনো কি? তেওঁৰ ইমানকণো সামৰ্থ্য নাছিল যে তেওঁ কষ্ট কৰি পোৱা ধনেৰে দুদিনমানৰ খোৱাবস্তু তেওঁ যোগাৰ কৰি ৰাখিব পাৰে। মাধৱে এবাৰ বাহিৰলৈ ওলাই চাই যদিও দূৰ-দূৰণিতো কোনো এজনক দেখা নাপালে যিয়ে তেওঁক কিবা এটা কাম দি সহায় কৰিব পাৰে। তেওঁ কামৰ সলনি পুলিচৰ পিটনহে খাব লগা হয়। কিন্তু তেওঁৰ ল'ৰা-ছোৱালী আৰু পৰিয়ালৰ এইটো অৱস্থা তেওঁ চাই থাকিব পৰা নাছিল। তেওঁ সহ্য হোৱা নাছিল। মাধৱে তেওঁৰ ল'ৰা-ছোৱালীৰ কান্দোন দেখি আকৌ এবাৰ ৰাস্তালৈ ওলাই যায়। এনেকৈ ৰাস্তাৰ ফালে ওলাই যাওঁতে তেওঁ গেটৰ সন্মুখত এজন মানুহক দেখি গেটৰ বাহিৰৰ পৰাই মানুহজনক কিবা এটা কাম বিচাৰিলে কিন্তু মানুহজনে তেওঁক কোনো এটা কামেই দিবলৈ মান্তি নহ'ল। শেষত মাধৱে সেই মানুহজনৰ পৰাই গম পাই যে চৰকাৰে দৰিদ্ৰ লোকসকলক ৰেচন দি আছে। মাধৱে ততালিকে তালৈ যায় আৰু গৈ মাধৱে গম পাই যে ৰেচন কেৱল সেইসকলেহে পাইছে যিসকলৰ ৰেচন কাৰ্ড আছে। কিন্তু বেচেৰা মাধৱ তেওঁ থকাটোৰেই কোনো ঠিকনা নাই, তেওঁ ৰেচন কাৰ্ড ক'ৰ পৰা থাকিব। মাধৱে নিৰাশ হৈ তাৰ পৰা গুচি যায়। মাধৱে এনেকৈ গৈ থাকোঁতে বাটতে গম পালে যে চৰকাৰী স্কুল এখনত দুখীয়া লোকসকলৰ কাৰণে খোৱা-বোৱা দিয়া ব্যৱস্থা কৰিছে। তেওঁ যেনে-তেনে কৰি পায়গৈ। তাত গৈ তেওঁ দেখা পায় যে মানুহবোৰে হাতত বাচন লৈ দীঘল শাৰী পাতি ৰ'দতে থিয় দি আছে। তাৰপাছত মাধৱেও তেওঁলোকৰ পাছতে শাৰীটোত থিয় হৈ ৰ'ল। শাৰীটো ইমান দীঘল আছিল যে তেওঁ প্ৰায় পাঁচ-ছয় ঘণ্টা সময় থিয় হৈ থাকিব লগা হৈছিল।

দুপৰীয়া তিনি বাজি গ'ল। বেচেৰা মাধৱে ইমান ৰ'দত খালী ভৰিৰে ইমান সময় থিয় দি ৰৈ আছে যাতে কিবা অলপ খোৱাবস্তু পালেই তেওঁ ভোকত থকা ল'ৰা-ছোৱালীকেইটাক এমুঠি খাবলৈ দিব পাৰে। যেতিয়া তেওঁ নম্বৰ আহে তেতিয়া তেওঁ গম পায় যে মানুহৰ সংখ্যা তাত ইমান বেছি আছিল যে তেওঁ নম্বৰ অহালৈ খোৱা বস্তু শেষ হৈ গ'ল। বেচেৰা মাধৱৰ অন্তৰখন দুখেৰে ভৰি পৰিল। তেওঁ নিৰাশ হৈ খালী হাতেৰে নিজৰ পৰিয়ালৰ ওচৰলৈ ঘূৰি যাবলৈ ধৰিলে। তেওঁ ৰাস্তাৰে পৰিয়ালৰ ওচৰলৈ গৈ থাকোঁতে তেওঁক আকৌ পুলিচে লগ পায় ধৰে আৰু কয় —

ঃ ঐ ঐ তোক এবাৰ ক'লে বুজি নাপাৱ নেকি? কিয় ৰাস্তাত ঘূৰি ফুৰিছ?

মাধৱে কান্দি কান্দি পুলিচক কয়—

ঃ ছাৰ, ছাৰ আপুনি এটা কাম কৰক। আপুনি মোক একেবাৰে মাৰি পেলাওক। ছাৰ, মোৰ ল'ৰা-ছোৱালী, পত্নীয়ে দুই-তিনিদিনৰ পৰা ভোকত আছে ছাৰ; মোৰ ল'ৰা-ছোৱালীকেইটা ভোকত আতুৰ হৈ পৰিছে। আমাৰ খোৱাটো বাদেই পিবলৈকো পানী এটোপা নাই। ছাৰ, এই মহামাৰিয়ে আমাক মাৰিবনে নামাৰে নাজানো কিন্তু এইটো সঁচা যে এই পেটৰ ভোকত আমাৰ নিশ্চয় মৃত্যু হ'ব। ছাৰ, মই মোৰ পৰিয়ালটো এনে অৱস্থা, এনেকৈ ভোকত মৃত্যু হোৱাটো চাই থাকিব নোৱাৰোঁ ছাৰ। ইয়াতকৈ আপুনি মোক একেবাৰে মাৰিয়েই পেলাওক।

এনেকৈ কৈ মাধৱে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

মাধৱৰ কথাবোৰ শুনি সেই সময়ত পুলিচজনৰ মাধৱৰ



ওপৰত দয়া উপজিল আৰু তেওঁ মাধৱক কান্দিবলৈ বাধা দি প্ৰথমে তেওঁ লগত থকা পানী বটলটো আগবঢ়াই দি পানী খাবলৈ দিলে। তাৰ পাছত তেওঁৰ লগত যিখিনি খোৱাবস্তু আছিল তেওঁ সেইখিনি মাধৱৰ হাতত দিলে আৰু তাৰ লগতে তেওঁ পকেটৰ পৰা টকাকেইটামান উলিয়াই মাধৱৰ হাতত দি মাধৱক তেওঁ পৰিয়ালৰ ওচৰলৈ পঠাই দিলে।

মাধৱ যেতিয়া ঘৰলৈ উভতি আহিছিল তেতিয়া তেওঁ আঁতৰৰ পৰাই দেখে যে তেওঁ ল'ৰা-ছোৱালীকেইটাই জুপুৰিটো কাষতে বহি তেওঁলৈ বাট চাই আছে। দেউতাক অহা দেখিয়েই তেওঁ সৰু ল'ৰা-ছোৱালী দুটাই দৌৰি গৈ দেউতাকৰ হাতত খোৱাবস্তু দেখি সুধিছে— 'দেউতা আমালৈ খোৱাবস্তু আনিলা। আমি তোমালৈ বাট চাই আছোঁ।' সেই সময়তে মাধৱৰ দুচকুৰে চকুলো ব'বলৈ ধৰে। তেওঁ ভাবিবলৈ ধৰিলে— যদি আজি পুলিচজনে তেওঁক সহায় নকৰিলে হয়; তেওঁ যদি এই খোৱাবস্তুখিনি নাপালে হয় তেওঁ ল'ৰা-ছোৱালীকেইটাক কি বুলি ক'লে হয়, কেনেকৈ তেওঁলোকৰ ভোক গুচালে হয় আদি নানা কথা তেওঁ মনলৈ আহিছিল। তেনেতে ডাঙৰ ল'ৰাটোৱে মাকক চিঞৰি চিঞৰি ক'লে— মা, মা দেউতাই খোৱাবস্তু আনিছে চোৱাহি, আহা ওলাই আহা। মাক ওলাই আহি সিহঁতক খাবলৈ দিলে। তাৰপাছত খাই-বৈ সকলোৱে আগৰ দৰে সেই জুপুৰিটোতে শুই পৰিল।

কিন্তু মাধৱৰ সেইদিনাও ৰাতি টোপনি নাহিল। তেওঁ চিন্তা আজি বাৰু তেওঁ কিবা কৰি তেওঁলোকক খোৱাৰ যোগাৰ দিলে। কিন্তু এনেকৈ যদি লকডাউন হৈ থাকে, যদি তেওঁ কোনো এটা কামেই নাপাই তেওঁ পৰিয়ালটোক পোহ-পাল দিব কেনেকৈ?

লক্‌ডাউন সকলোৰে কাৰণে একে নহয়। আমাৰ দেশত এনেকুৱা কিছুমান লোক আছে যিসকলৰ থাকিবলৈকো এটা ঘৰ নাই, ফুটপাথত নিশা কটাবলগীয়া হয়, এসাঁজ খাবৰ বাবে দিনটো কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়। যদি কাম নাপায় তেওঁলোকে ভোকতে দিন-ৰাতি কটাবলগীয়া হয়। এই দুৰ্দশাগ্ৰস্ত জীৱনত তেওঁলোকে আগৰপৰাই বিভিন্ন সমস্যাত জৰ্জৰিত হৈ আহিছে তাতে আকৌ এই ক'ৰোনা মহামাৰি। কোনোবাইতো লক্‌ডাউন কি তাকে বুজি নাপায়। য'ত আমি সকলোৱে নিজৰ নিজৰ সুৰক্ষিত কাৰণে খোৱাবস্তু, বিভিন্ন প্ৰয়োজনীয় বস্তু আৰু নিজৰ সুৰক্ষিত বাবে ঘৰৰ ভিতৰতে আছোঁ তেনে সময়ত কিছুমান দুখীয়া লোকে দুই-তিনি দিনৰ ভিতৰত এসাঁজহে খাবলৈ পাইছে, ৰাস্তাতে নিশা কটাইছে। লক্‌ডাউনৰ কাৰণে তেওঁলোকে যেনেকুৱা সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে সেইটো আমি অনুভৱেই কৰিব নোৱাৰোঁ। এই ভয়ংকৰ মহামাৰিতকৈ তেওঁলোকে যিটো মহামাৰি লগত যুঁজি আছে সেইটো হৈছে ভোক। এই ক'ৰোনা মহামাৰি কাৰণে তেওঁলোকৰ মৃত্যু হ'বনে নহয় নাজানো কিন্তু ভোকত তেওঁলোকৰ মৃত্যু নিশ্চিত। এই সমস্যা সমাধানৰ উপায় মাত্ৰ দুটাই — এটা হৈছে ক'ৰোনা মহামাৰি ৰোধ কৰা আৰু আনটো হৈছে মানৱীয়তা।

(ড' বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন গল্প প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)

■ পংকীমণি শইকীয়া আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰী





# অভিজাত্যৰ প্ৰলেপ

চাজিনা ইয়াচমিন

দোপালপিটা বৰষুণজাকৰ কাৰণে তাই শোৱাৰ পৰা উঠি আহিল। ঘৰৰ চালখনৰ পৰা পানী নিগৰি মজিয়াখন পিছল হ'ল। পকা মজিয়া অজানিতে গছক পৰিলে পিছলি পৰি কঁকালৰ জোৰা লৰিব। এনেয়ে দোকান-পোহাৰবোৰ বন্ধ, কঁকাল ভাগিলেও হস্পিতাললৈ যোৱাটো বৰ ভয়ৰ কথা। আচল কথাটো হ'ল তাইক হস্পিতাললৈ নিওঁতা আৰু ধনক চাওঁতা কোনো নাই। ধনৰ পিতাক থকালৈকে তাই ইমান কষ্ট কৰিবলগীয়া নহৈছিল। তেতিয়া চালেৰে পানীও নপৰিছিল। মানুহজনে কেৰাণী কৰা দিনতে ঘৰটো পকীকে বনোৱালে হয়, ৰং-তুলি কৰোৱাবলৈ নহ'ল আৰু। ৰং নকৰাকৈও কিন্তু লাগতিয়াল বয়-বস্তু সকলোখিনি গোটালে— ফ্ৰিজ, গেছ, চ'ফা, পালেং সকলোখিনি। যিমানে নহওক চৰকাৰী চাকৰিয়ালৰ আভিজাত্যৰ কথা আছে। সেই আভিজাত্যৰ চমকনিতে তাইৰো বিয়া হ'ল তেওঁলৈ। তাই আহোঁতে ঘৰখন বেছ সুচল আছিল। হ'লেও সেয়া হ'বলা এতিয়াৰ কথা। ১১ বছৰ হ'ল তেখেত ঢুকোৱাৰ। ১ বছৰীয়া ধন আৰু ২২ বছৰীয়া তাইক এৰি তেখেত গুচি গ'ল। সপোন সপোন যেনহে লাগে তাইৰ সেয়া, এদিন যেতিয়া তেখেতে দপ্তৰৰ লগুৱাৰ দ্বাৰাই ঘৰৰ বজাৰ অনাইছিল এতিয়া আৰু সেই দিন নাই; তেওঁৰ মটৰ দুৰ্ঘটনাত মুৰ ফাটি ঢুকোৱাৰ পিছত তাইজনী একেবাৰে অকলশৰীয়া হ'ল। অফিচ আৰু কাছাৰীলৈ যোৱা বাটৰ বন মাৰিলে তাই। হ'লেও কিন্তু পেঞ্চনকেইটা উলিয়াব নোৱাৰিলে। হয়তো, কাছাৰীৰ মানুহবোৰৰ ধনখোৱা জোলোঙাটো ডাঙৰ, সেয়ে তাইলৈ নাচিলে। তায়ো লাগি থাকিব নোৱৰা হ'ল। ধনো তেতিয়া একবছৰীয়াহে মাথোন। অকলশৰীয়া তাইজনীয়ে একবছৰীয়া তাক লৈ বেছি ঘূৰা-পকা নকৰিলে। এক বছৰমানলৈ একো উপায় নোপোৱাত জমা টকাকেইটাকে শেষ কৰিলে। তাৰ পিছৰ পৰা চলিবৰ বাবে টিউচন চেণ্টাৰ এটা খুলিয়ে যেন তেওঁ চলি আছিল। মাকৰ ঘৰৰ পৰা অনা থুবীয়াবোৰ বন্ধকী

আঠৈশ বছৰীয়া সেই ছিৰিৰে সিহঁতেও খোজ পেলালে। কোনো পূৰ্ব পৰিকল্পনা নোহোৱাকৈ, কেৱল বাট ভুল কৰি উপস্থিত হোৱা সেই ছিৰিবোৰৰ আৱাহনী মুদ্ৰাৰ সন্মুখত যেন দুয়ো ভকতে আত্মসমৰ্পণহে কৰিলে।



থৈছে যেনে-তেনে চাবিযোৰ চকী-মেজ হ'লগৈ। মানুহে অৱশ্যে সেয়া কথাৰ ওৰ নাপায়। তাইৰ ঘৰৰ পকীবেৰ কেইখনৰ তলত লুকাই যায় এয়া কথা। মানুহে তাইৰ দুখ-দাৰিদ্ৰ নেদেখে, দেখে কেৱল চাদ দিয়া পকী ঘৰটো, বৰ্তি নথকা অতীতৰ আভিজাত্যখিনি। মানুহে তাইৰ পানী পৰি পিছল হোৱা মজিয়াখন নেদেখে কাৰণ তাই মচি পেলায় মজিয়াখন, সদৃশভাৱে বৈ অহা চকুলোখিনিও। গিৰীয়েকৰ বংশৰ আভিজাত্য বজায় ৰখাৰ উদ্দেশ্যেই তাই কাৰো ওচৰত হাত পাতিব নোৱাৰে। সেই আভিজাত্যৰ প্ৰকোপত আজিও ধনটোৱে শুদা পেটে শুলেও কাৰো ঘৰৰ পৰা এমুঠি চাউল খুজিব নোৱাৰে। বিষম অসহায়বোধ কৰে তাই মিছা আভিজাত্যৰ ঢাক-ঢোল বজায়। কিন্তু তাই সেয়া বজাই ৰাখিবই লাগিব কাৰণ সমাজখনৰ কাম্যই শ্ৰেষ্ঠ, তাইৰ অসহায়তাৰ মূল্য বিচাৰি পোৱা নাই।

১৬ তাৰিখে বন্ধ ঘোষণা হোৱা দিনাই তাইৰ ধাতু উৰি গৈছিল। সাঁচতীয়া ধন নাই যে তাই বহি বহি ঘৰ চলাব। কিন্তু জীৱনটোতকৈনো সাঁচতীয়া আৰু কি আছে। ধনে আৰু তাই নিজৰ নিজৰ জীৱনকেইটা সাঁচি ৰাখিব লাগিব অন্ততঃ ইজনে সিজনৰ বাবে। কিন্তু তাকেইনো কৰে কেনেকৈ তাই। মহামাৰিৰ আতংকেই যিমান ত্ৰাস সৃষ্টি কৰা নাই তাইৰ মনত যিমান ত্ৰাস সৃষ্টি কৰিছে ভোকৰ আতংকেই। তাইৰ বাবে একমাত্ৰ বেংকৰ দুৱাৰেই খোলা অন্যথা সকলো বন্ধ— সুলভ মূল্যৰ দোকানৰ দুৱাৰ যিদৰে বন্ধ, সেইদৰেই বন্ধ দানী পৰোপকাৰী মানুহবোৰৰ নেত্ৰদ্বাৰো। সাঁচতীয়া পইচাও জমাব নোৱাৰিলে তাই। অহা-যোৱা কৰি থকা পইচাকেইটাৰে কথমপি প্ৰাণ আৰু আভিজাত্য বজাই ৰাখিছিল।

চাওঁতে চাওঁতে এয়া মে' মাহ সোমালেহি, তাইৰ উপাৰ্জন আৰু বেংকৰ জমাকেইটা শেষ হোৱাৰ পিছত যোৱা দুদিনে পানীত হাঁহফুৰা অৱস্থা হৈছে। এসাঁজৰ ভাত ৰান্ধি ধনক চাৰি সাঁজ কৰি খুৱাইছে। উপায় নাই সমস্যাবোৰ বহ জোৰা-টাপলি দি বিপদৰ দিনকেইটা পাৰ কৰাহে কথা। তাইৰ টিউটৰিয়েলতনো ক'ৰপৰা আহিব ল'ৰা-ছোৱালী এই সময়খিনিত। এই বিপদসংকুল পৰিস্থিতিত কোন মাতৃয়ে বুকু উদং কৰি শিক্ষাৰ কামনা কৰিব ল'ৰা-ছোৱালীৰ। সকলোখিনিৰে যেন সমাপ্তি সমাগত। ওৰ পৰিব বহু কিবা-কিবি। ওৰ পৰিছে তাইৰ ঘৰ চলাব পৰা সামৰ্থ্য, ওৰ পৰিছে টেমাৰ চাউল, ওৰ পৰিছে কিমানজনৰ জীৱনৰ মায়া, ওৰ পৰিব হাজাৰ হাজাৰ বয়স্ক আয়ুস, ওৰ পৰিছে আপোনজনৰ চিৰপ্ৰিয় সংগ।

'অহ, ওৰ পৰিছে বহুত কিবাকিবি।' ঘপ্‌কৈ মুখেৰে বাক্য এটা ওলাই তাইকে চক খুৱালে। অন্য মনস্কভাৱে এইবোৰ ভাবি থাকোঁতেই তাই ধনে কেল্‌কেলাই থকা কথাকেইটা নুশুনিলে। মন দি শুনাতহে গম পালে বৰুৱানী বাইদেৱে ধাৰলৈ অনা চাউল দুটেমাটো খুজি পঠিয়াইছে। হয়তো এই সময়কণত নিজে চলাটোৱেই ডাঙৰ কথা, আনক সহায় কৰাটো কম বিলাসিতা নহয়। যি নহওক, খুজি পঠিয়াইছে যেতিয়া দিবই লাগিব। একেবাৰে নথকাত ৰাখী চুকেদি আদান-প্ৰদান হোৱা এই চাউলকেইটাও কম ভৰসাৰ স্থল নহয়। বৰুৱানী বৌজনীৰো অসুবিধা হৈছে হ্যাগে। বৌৰ অসুবিধা হওক-নহওক, তাইৰ অসুবিধা হ'ব ইমানদিনে প্ৰাণটাকি ৰক্ষা কৰা স্বাভিমানৰ লংঘন হ'লে।

পকা ৰ'দত শাৰীত থিয় দি থাকি মূৰটো ঘূৰোৱা যেন লাগিছে তাই। ৰ'দৰ প্ৰকোপতেই নে বংশানুক্ৰমিক আভিজাত্য লংঘন কৰিয়ে তাইৰ গা অসুখ কৰিছে ধৰিব পৰা নাই তাই। ভোকৰ তাড়নাত থিয় দি আছেহি তাই সাহায্য টোপোলা বিচাৰি দীঘলীয়া শাৰীত। নিজৰ পেটৰ ভোকটো যেনে-তেনে সহিব পাৰিলেও ধনটোক তাই খালী পেটে শুৱাব নোৱাৰে। তাৰ ফুলকুমলীয়া দেহাটোত ভোকৰ আঁচোৰ দেখাৰ আগত মৃত্যুৱেই কাম্য। কেৱল তাই বুলিয়ে নহয় কোনো মাতৃৰ পক্ষে সেয়া সম্ভৱপৰ নহয়। যোৱা দুদিন ধৰি এখন এখন বিস্কুট খাই পেট প্ৰবৰ্তাই আছে সি। মাকৰ অচলতা সিয়ো বুজি পাইছে। বয়স কম যদিও জীৱনে শিকাইছে তাকো। কিন্তু তাই থকালৈকে যেনেকৈ নহওক সি এসাঁজ হ'লেও খোৱাটো কাম্য। ধনৰ পেটত উক্‌মুকাই থকা ভোকতকৈ ডাঙৰ একো হ'ব নোৱাৰে, মিছা আভিজাত্য, বিলাসিতাৰ জাক্‌জমকতা অথবা পৰচৰ্চাকাৰী কটু উক্তি।

'বিপাশা বৰা, আহিব'

নামটো শুনাৰ লগে লগে তাই আগুৱাই গ'ল চুবুৰীয়াৰ বু-বু বা-বা আৰু মিছা আভিজাত্যৰ লক্ষ্মণ ৰেখাডাল চেৰায়।

■ চাজিনা ইয়াচমিন ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ
স্নাতক ষষ্ঠ ষাণ্মাসিকৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী





# কবিতা



## নিষ্ঠুৰ মানৱ

**স্বপনজ্যোতি ওজা**
স্নাতক তৃতীয় ষাণ্মাসিক

ধিক্কাৰ মানৱ জীৱন
হত্যা লুণ্ঠন অশ্লীলতা
মানৱতাৰ সমাজত যেন কিম্ভুত কিমাকাৰ!
সংঘৰ্ষ বানপানী ভূমিকম্প
সকলোৰেই যেন আজি প্ৰতিযোগিতাত ব্যস্ত।
প্ৰকৃতিৰ কিনদীয়া সৌন্দৰ্য যেন ঠেহ পাতিব ধৰিছে,
চাৰিওফালে মাথোঁ হাহাকাৰ!
সন্ত্ৰাস ধৰ্ষণ আদিয়েই নেকি পৰিচয় মানৱতাৰ?
এয়ে নেকি কলিৰ শেষত
কল্কি অৱতাৰ?
পাবনে কেতিয়াবা এইবোৰৰ পৰা নিস্তাৰ?
পাবনে মানৱ জাতিয়ে আকৌ 'মানৱ' বুলি
কোৱাৰ অধিকাৰ?

সন্ত্ৰাস ধৰ্ষণ আদিয়েই নেকি পৰিচয়
মানৱতাৰ?
এয়ে নেকি কলিৰ শেষত
কল্কি অৱতাৰ?

সিদিনা যে তুমি দিছিলা
তেনে এপাহি গোলাপ তেজৰঙা,
আজিও সাঁচি থৈছোঁ জানা!

## তোমাৰ মৰম

**আবু চাফিন**
আই. টি. (প্ৰথম ষাণ্মাসিক)

সিদিনা যে তুমি দিছিলা
তেনে এপাহি গোলাপ তেজৰঙা,
আজিও সাঁচি থৈছোঁ জানা।
তাৰেই গোন্ধেৰে আমোলমোল
মোৰ হৃদয়ৰ সৰু খোটালি,
য'ত তোমাৰ বসতি।
অভিমানবোৰো যে আৰু
বাৰে বাৰে আহে;
অৱশ্যে নাহিবনো কিয়,
ফাগুন যদি প্ৰেম পছোৱা তাৰ স্নেহ।
ফাগুনে হৃদয় বান্ধে
পছোৱাই কাষ চপাই আনে।
ব'হাগে ৰহণ সানে শাওণে জীপাল কৰে,
আৰু আহিনে
আহিনে কান্দোন জুৰে
যি কান্দোনে চকুহাল মেলে
কণমানি এপাহি ফুল হৈ।



## মহান নাৰী

**ৰিমা মুদৈ**
স্নাতক প্ৰথম ষাণ্মাসিক, অৰ্থনীতি বিভাগ

হে মহান নাৰী!
নৰৰূপী পিশাচৰ দলবোৰক
নাশিবৰ সময় হ'ল।
ভয় নকৰি সাহস গোটাবৰ হ'ল
দেশৰ জীয়াৰীয়ে আকাশত উৰিব পৰা হ'ল
তেতিয়া হ'লে তুমি ক'ত?
হে সাহসী নাৰী!
নিজৰ দুবাহুৰ সাহস দেখুওৱা...
নহ'লে এদিন তুমিও নৰৰূপী পিশাচৰ মাজত
সোমাই চিএৰি থাকিবা।
সেই সময়লৈ অপেক্ষা নকৰিবা...
তাৰ আগতেই জাগ্ৰত হোৱা।
দুৰ্বল নহয় সাহসী হোৱা
ভয় নকৰি আগবাঢ়ি যোৱা
তল মূৰ নকৰি মূৰ দাঙি খোজ দিব শিকা
তাৰ বাবে এতিয়াও সময় আছে... সকলো ওলাই আহা।

ভয় নকৰি আগবাঢ়ি যোৱা
তল মূৰ নকৰি মূৰ দাঙি খোজ দিব শিকা

## ফাগুন

**ভাস্কৰজ্যোতি ভূঞা**
ষষ্ঠ ষাণ্মাসিক

ফাগুন মই বৰ ভাল পাওঁ জানা
সেই যে পচোৱা বতাহজাটি,
ক'ৰবাত যে ৰিঙিয়াই মাতে
স্মৃতিৰ এজাক উম্‌না বতাহে।
ফাগুনৰ ধুলিয়ৰি বতাহে
ৰঙা শিমলুৰ সৌন্দৰ্যই
মোক বৰ উন্মনা কৰে জানা
সেই যে লঠঙা গছৰ গাত পৰা
ৰিম্ ৰিম্ বৰষুণৰ সুবাস
আবেলি ধূলি উৰুৱাই অহা
সেই কজলা গৰুজাক
মোৰ বৰ ভাল লাগে জানা।
চঞ্চলা ফাগুনে মোক
বৰকৈ আমনি কৰে জানা
সেয়ে ফাগুন মই বৰ ভাল পাওঁ।
ফাগুন মোৰ বৰ প্ৰিয়...
ফাগুনৰ প্ৰথমজাক বৰষুণৰ স্পৰ্শত বিলীন মন-মগজু
পচোৱাৰ ভাঁজে ভাঁজে বৈ যায় সপোনৰ তৰংগ
তাৰ লগে লগে, তোমাৰ মেঘালী চুলিটাৰি ঢৌ খেলি
নাচি উঠে...
মন মোৰ চঞ্চলা হৈ পৰে
তোমাৰ মিঠা হাঁহিত মুকুতা সৰে...
পলাশৰ ৰঙে বুকুত ছটিয়াই ভাল পোৱাৰ অনুভূতি
লাহে লাহে ফাগুন বৈ যায়
পলাশৰ ৰঙো শুকাই
সৰা পাতে কাহিনী লিখি
স্মৃতিৰ বোজনি বিলায়।

(মহাবিদ্যালয় সপ্তাহ সমাৰোহত প্ৰথম স্থান প্ৰাপ্ত কবিতা)

ফাগুনৰ প্ৰথমজাক বৰষুণৰ
স্পৰ্শত বিলীন মন-মগজু
পচোৱাৰ ভাঁজে ভাঁজে বৈ যায়
সপোনৰ তৰংগ
তাৰ লগে লগে, তোমাৰ মেঘালী
চুলিটাৰি ঢৌ খেলি
নাচি উঠে...

## স্তব্ধ জীৱন

**নৱজ্যোতি ভূঞা**
স্নাতক প্ৰথম ষাণ্মাসিক

মোৰ সপোন আছে আকাশ চোৱাৰ
জগত জিনাৰ সমাজত নিজকে প্ৰতিষ্ঠা কৰা
সু-চিন্তাৰে অৰ্থ উপাৰ্জন কৰা
মাদকতাৰে জীৱন জীয়াৰ
কিন্তু এই ব্যস্ততাৰে পৃথিৱীত
ক'ত পাম ক'ত পাম মই মোৰ এই বিশাল সপোনবোৰ?
নুবুজোঁ মই কোন সঁচা, কোন মিছা...
মাথোঁ এটাই জানো নিজৰ প্ৰতিষ্ঠা
মোক সুযোগ লাগে জননীৰ জয়গান গোৱাৰ...
মোক লাগে এটি উচিত পথ নিজকে
আগুৱাই নিয়াৰ...
চিলাৰ দৰে উৰিব খোজোঁ মই
কিন্তু, চিলাৰ দৰে খহিব নোখোজোঁ মই...
মোৰ আছে হেজাৰ সপোন
আছে মোৰ আত্মবিশ্বাস
নাই মোৰ উচ্ছৃংখলতা
যাম মই আগুৱাই
গঢ়িম মই মোৰ সপোন...

> চিলাৰ দৰে উৰিব খোজোঁ মই
> কিন্তু, চিলাৰ দৰে খহিব নোখোজোঁ মই...

> দেউতা এনে এজন মানুহ যিজনে মোক
> সঠিক পথৰ সন্ধান দিয়ে,

## দেউতা

**জিমলি কাকতি**
পঞ্চম ষাণ্মাসিক

দেউতা এনে এজন মানুহ যি মোৰ
হাঁহিৰ বাবে নিজৰ দুখবোৰ লুকুৱাই ৰাখে,
দেউতা এনে এজন মানুহ
যি মোৰ জীৱনৰ প্ৰিয় নায়ক,
দেউতা এনে এজন মানুহ যিজনৰ দুচকুত
মোৰ সফলতাৰ সুখৰ চকুলো বিৰিঙে,
দেউতা এনে এজন মানুহ
যিজনে মোক সদায় বিশ্বাস কৰে,
দেউতা এনে এজন মানুহ যিজনে মোক
মোৰ প্ৰতিটো বিপদত সহায় কৰে,
দেউতা এনে এজন মানুহ যিজনে মোক
সঠিক পথৰ সন্ধান দিয়ে,
দেউতা এনে এজন মানুহ
যিজনৰ মৰম মোৰ বাবে অন্তহীন।



## নিৰাশা

**মমতাজ বেগম**
পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

কিয় বাৰু আজি আকাশখন
ইমান উদাস।
মোৰ মনটোক কৰিছে হতাশ
তুমিও নুবুজিলা মোৰ মনৰ কথা,
আঁতৰি গুচি গ'লা মোৰ কাষৰ পৰা।
ভাবিছিলোঁ তুমি মোৰ
জীৱনৰ নতুন প্ৰেৰণা,
এতিয়াহে বুজিলোঁ আছিল সেয়া
মোৰ ভুল ধাৰণা।
নিসংগতা মানুহৰ বাবে কিমান ভয়ানক,
তাতকৈ ভয়ানক এই ঠগ প্ৰবঞ্চক।
মই লিখিছোঁ আজি তোমাৰ কবিতা
কি বুজিবা মোৰ জীৱনৰ যন্ত্ৰণা।

> নিসংগতা মানুহৰ বাবে কিমান ভয়ানক,
> তাতকৈ ভয়ানক এই ঠগ প্ৰবঞ্চক।

## নিশাৰ আৰ্তনাদ

**মৃন্ময়জ্যোতি বৰা**

ৰুদ্ধ এই সময়
ছবিয়ে কথা কোৱা এটি সাধু
আমি দেখোঁ আৰু শুনো
অথচ আমি মৌন।
কিয় কিয় কিয়?
দুবেলা দুমুঠি ভাতৰ বাবে হাহাকাৰ
দেখিও নেদেখাৰ ভাও দি থকা
আমি একো একোজন পৃথিৱীৰ
নষ্ট বাটৰুৱা।
পদে পদে তেওঁলোকৰ খোজৰ ভাঁজত
প্ৰকাশ পাই এক নতুন কাহিনীয়ে।
কাহিনীটো সঁচাকৈয়ে ভয়ংকৰ
একেটা নিশা শান্তিৰে কটাবৰ বাবে
তেওঁলোকৰ কত আৰ্তনাদ
ৰেলৰ আলিয়ে আলিয়ে
ৰাস্তাৰ কাষে কাষে।
তথাপিতো স্তব্ধবিহীন এই যাত্ৰা
আমি বাৰে বাৰে চাই ৰওঁ তেওঁলোকলৈ
কিন্তু আহৰি যে নাই আমাৰ
নিজে নিজৰ অভিনয়ত ব্যস্ত।
তেওঁলোক কেতিয়াবা বন্দী হয়
আমাৰ দৰে মানুহৰ ঘৃণাৰ চকুৰ।
প্ৰশ্ন সেইসকললৈ বুলি
কিয় বাৰু কিয়?
তেওঁলোকৰ হাতৰ পৰশতে যে প্ৰাণ পাই
এক নতুন পৃথিৱীয়ে।
কলমৰ চিয়াঁহীৰে চকুলো টুকি
আমি মাথোঁ নীৰৱ দৰ্শক
ভালে থাকক তেওঁলোক
ভালে থাকক সকলো!

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিক অনলাইন কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত)

■ মৃন্ময়জ্যোতি বৰা কলিয়াবৰ মহাবিদ্যালয়ৰ চতুৰ্থ ষাণ্মাসিক

## ব'হাগ

**কুঁৱলী বৰা**
শিক্ষা বিভাগ, পঞ্চম ষাণ্মাসিক

তই আহিবি বুলি চ'তৰ শেষত
তোৰ খবৰ দিবলৈ
কুলি কেতেকীয়ে বিনালে।

এইবাৰ ছাগে সিহঁতে
গমকে নাপালে অ',
আমাৰ অসমীয়া জাতিয়ে কান্দিছে বুলি।

তই আহিবি বুলি
কপৌ কেতেকীও ফুলিলে,
এইবাৰ সিহঁতেও গম নাপালে
নাচনীৰ খোপাত থাকিবলৈ নাপাম বুলি।

দুখ নকৰিব অ'
ঘৰৰ ভিতৰত হ'লেও
তোক আদৰি আনিম
দুখ নকৰিবি তই
আঁহতৰ তলত অকলশৰে থাকি,
আমাকো বিচাৰিয়াই মাতিছে
যাৰ নোৱাৰোঁ অ' ব'হাগ।

বুজিছ, এইবাৰ তোক ডেকা-গাভৰুৱে
ঘৰতেই আদৰি ল'ব
তই তালৈকে আহিবি দে।

কিন্তু কি তই নুবুজিবি,
এইবাৰ ক'ৰোনা মহামাৰিয়ে
সকলোকে ঘৰত আৱদ্ধ কৰি ৰাখিলে।

দুখ নকৰিবি তই ব'হাগ
দুখ নকৰিবি অ', তই আহিবি
তহঁতক চাই হাঁহিম মই
হাঁহিবি তহঁতেও হাঁহিব অসমীয়াই
তই যে ব'হাগ, প্ৰাণৰো প্ৰাণৰ ব'হাগ।

> হে মোৰ দেশৰ শ্ৰমজীৱী মানুহৰ দল
> তোৰ হাতৰ মুঠিতে আছে মোৰ দেশৰ
> অৰ্থনীতিৰ গণিতৰ সংজ্ঞা ...

## শ্ৰমিক

**ৰমজান আলী**

ৰ'দ-বৰষুণত
শ্ৰম আৰু ঘামেৰে জীৱন উদ্‌যাপন কৰা মানুহৰ
কোনে বুজিব জীৱনৰ সংজ্ঞা!
সম্প্ৰতি দুৰাৰোগ্য মহামাৰিত
কোঙা সমস্ত পৃথিৱী
শ্ৰমজীৱী মানুহে
বুকুত শত সহস্ৰ বিষণ্ণতাৰ বোজা লৈ
পদপথে ঘৰমুখী যাত্ৰা।
পদপথত এতিয়া কচুপাতৰ পানী যেন জীৱনযুঁজ
সৰাপাতৰ ছন্দেৰে ঘূৰিছে
জীৱন-মৃত্যুৰ ঘড়ীৰ কাঁটা।
ভোকত, পদপথত
হউলি পৰা কোঙা মানুহৰ পেটত ভোকৰ জুই
পানীৰে জানো পেটৰ জুই নুমুৱাব পাৰে?
এতিয়া পানীয়ে জানো প্ৰাণ।
খাটিখোৱা মানুহৰ কৰুণ গাঁথা
প্ৰতিনিয়ত কোলাৰ শিশুৰ
ভোক-মহামাৰিত মৃত্যুৰ উশাহ
জীৱনযুঁজত ভাগৰি নপৰিবি
হে মোৰ দেশৰ শ্ৰমজীৱী মানুহৰ দল
তোৰ হাতৰ মুঠিতে আছে মোৰ দেশৰ
অৰ্থনীতিৰ গণিতৰ সংজ্ঞা ...



## কি হ'ব এই জীৱন?

**জৰামণি বৰা**
চতুৰ্থ ষাণ্মাসিক

কি হ'ব এই জীৱন?
কি হ'ব এই শ্ৰমিকসকলৰ
জীৱনৰ দুৰ্দশা।
দুবেলা দুমুঠিৰ কাৰণে কিয়
হাহাকাৰ কৰি উচুপি উঠিল
বিশ্বৰ সমগ্ৰ মানৱ জাতি।
আজিৰ বতাহে, বৰষুণে
গান নাগায়, সেই যে নিজঞ্জাল
জোনটোৱে আইতাৰ মুখৰ
সাধু কথা নকয়
আজিৰ সময় সেউজীয়া নহয়
বুকু দুক্ দুক্ কঁপে
আজিৰ সেই বাতৰি কাকতৰ
সেমেকা পৃষ্ঠা দেখি।
হাঁহিবোৰ মৰে, য'ত দেখা পাওঁ
অজস্ৰ দুখ-বেদনাৰ কৰুণ দৃশ্য।
কোনে ৰচিব আজিৰ দেশৰ গীত
আইতাৰ বুকুৰ মাণিক হেৰাল।
অজস্ৰ মানুহ, বাস্তাই ঘাটে,
অলিয়ে-গলিয়ে মানুহ, সকলো কেৱল
ব্যস্ত আছিল নিজৰ নিজৰ জীৱন সংগ্ৰামত
কিন্তু কি হ'ব, ক'ত গ'ল সেই সময়বোৰ।
কিয় আজি আৱদ্ধ হ'ব লগা হ'ল ঘৰৰ ভিতৰত?
এনেকৈ হ'লে কি হ'ব, এই শ্ৰমিকসকলৰ
খন্তেকীয়া জীৱনৰ কৰুণ গাঁথা।

> কোনে ৰচিব আজিৰ দেশৰ গীত
> আইতাৰ বুকুৰ মাণিক হেৰাল।

## পদযাত্ৰী শ্ৰমিকৰ কৰুণ গাথা

**ত্ৰিদিপ বৰা**

শিলে কটা গোৱোহাৰ
সিৰা ফাটি নিগৰা
বাটে বাটে তেজ মৰা
খোজৰ চিনবোৰে
তোৰ বুকু গলায় নে ভাদৈ?
মোৰ চুলি আগে জীউ যায়!
কণমান কলিজাৰ ঘন্টা জোলোঙাটোত
বান্ধি লোৱা আশাবোৰেৰে
দেহ টৌৱা ঘাম সৰি চোতাল খন্দাৰ দিনা
উলটি আহিবলৈ মন গীত গাওঁ।
বাটে বাটে সৰু শিল
পিন্ধি অহা চামৰাই তলুৱাৰ তলিলৈ
গুৰুমুৰাই সুমুৱাই দিয়ে কেইবাটিও হুল
সেই হুল বিষৰহল।
তথাপি —
মৰীচিকা খেদি খেদি, বাট বুলি আহোঁতে
কোঁচৰ কণমায়ে বৰ দুখ পায়!
কাষৰীয়া দোকানে দান দিয়া দৰৱ
সানি দিয়ো বিষত তৰণি নাপাওঁ।
সৌৱা নঙলামুখত মোৰ আই, ভাই, 'তাই'।
সিহঁতৰ মুখনিত বৈ থকা সপোনে
মোক আজি জীয়াই যায়!
মই সেইদিনা দুয়োভৰি হেৰুৱাই কলাতলত ৰওঁ
আয়ে মোৰ ফটা মঙহত
কুঁৱাৰ পানী ঢালি চৰণ ধুৱায়।
সেই ৰাতি ভুখৰীয়া হাঁহিৰেই কাতি।
আকাশত তেতিয়া উত্তাল মেঘৰ কাণফলা আৰ্তনাদ।

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)

■ ত্ৰিদিপ বৰা নগাঁও মহাবিদ্যালয়ৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ

# পদযাত্ৰী শ্ৰমিকৰ কৰুণ গাথা

নিকিতা চক্ৰৱৰ্তী

আইৰ বুকুৰ মাজলৈয়ো হেনো
অসুখৰ ঢল নামিছে
দৈনিক বতাহজাকে সকলোতে
এই খবৰ বিয়পাইছে।
নিজ ঘৰ, নিজ মাতৃক এৰি
দুবৈত অন্নৰ সন্ধানত যোৱা শ্ৰমিকৰ
জীৱনলৈয়ো যেন ঘোৰ দুৰ্যোগ নামিছে।
সকলোৱে ঘৰত নিৰাপদে যেতিয়া
শান্তিৰ উম লৈছে
সেই সময়ত শ্ৰমিকজাকে
শ যোজন দূৰত্ব ৰোমন্থন কৰিছে।
যন্ত্ৰবৎ দুভৰিৰ ফটা আঙুলিত
তেজৰ কৰাল,
ক্ষুধা পিয়াহে জৰ্জৰিত শৰীৰৰ
কান্ধত কণমানি সন্তান,
উদং জেপলৈ চাই চকুলো নামিছে,
ক'ৰবাত পুলিচৰ সোধ-পোছ
ক'ৰবাত সাংবাদিকৰ পুতৌজনক প্ৰশ্ন,
ক'ৰবাত ৰ'দত দেহা পুৰিছে
ক'ৰবাত বৰষুণত তিতি কঁপিছে
ঘাম আৰু বৰষুণৰ মাজত
চকুলোবোৰ যেন লুকাই গৈছে
আই-পিতাইৰ ভগা পঁজাটিলৈ
গৈ পোৱাৰ এৰা নাই আশা তথাপি
শ্ৰমিকৰ শেষ সম্বল এতিয়া
তেওঁলোকৰ শীৰ্ণকায় দুহাত-দুভৰি।

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)

■ নিকিতা চক্ৰৱৰ্তী অভয়াপুৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী

ক'ৰবাত ৰ'দত দেহা পুৰিছে
ক'ৰবাত বৰষুণত তিতি কঁপিছে
ঘাম আৰু বৰষুণৰ মাজত
চকুলোবোৰ যেন লুকাই গৈছে

# জীৱনচক্ৰ

সুৰজ নায়ক

জীৱনচক্ৰ,
কিবা যেন শিকাই থৈ যায়
কিবা যেন দি থৈ যায়
ই শিকাই থৈ যায়
বিলাসিতাপূৰ্ণ জীৱনত
অৰ্থ, সা-সম্পত্তিহে গুৰুত্বপূৰ্ণ
তাতকৈ কিন্তু অধিক গুৰুত্বপূৰ্ণ
মূল্যবোধ, মূল্যবোধ মানবৰ,
মূল্যবোধ মানবীয়তাৰ।
এই যে অৰ্থ, সা-সম্পত্তি
দুই এদিনৰ মায়াৰ খেলহে।
জীৱনচক্ৰই দি থৈ যায়
সুখ-দুখৰ দলিচাখনি,
আদি-অন্তৰ খেলখনি,
আজি কালিৰ প্ৰশ্নখনি,
মুক্ত আকাশৰ দুৱাৰখনি,
আৰু যে কত কি
শিকাই থৈ যায়
আৰু যে কত কি
দি থৈ যায়
জীৱনচক্ৰই।

■ সুৰজ নায়ক বিৰিঞ্চি কুমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ



# বিৰহ যাত্ৰা

বীথিকা দাস

১
কি যে দুঃসহ সময় সমাগত।
সভ্য সমাজৰ প্ৰাচুৰ্যত,
অসহায় শ্ৰমিকৰ ক্ৰন্দনত,
শ শ মাইল পদব্ৰজৰ অন্তত
এয়া শ্ৰমিকৰ তেজধোৱা ইতিহাসৰ পত্ৰ।

২
প্ৰতিপদে লাঞ্ছিত শ্ৰমিকৰ
সিক্ত দুচকুৰে দুগালত আজি অশ্ৰুবন্যা;
প্ৰতিজন শ্ৰমিকৰ অন্তৰত
দপ্‌দপাই জ্বলিছে আজি যন্ত্ৰণাৰ লেলিহান জুইশিখা
প্ৰতিপলে দৃশ্যমান শত শত
পদব্ৰজ শ্ৰমিকৰ এয়া যেন বিৰহ যাত্ৰা।

৩
যন্ত্ৰণাৰ প্ৰতিক্ষণে অংকিত
এতিয়া অগণন শ্ৰমিকৰ হৃদয় বিদাৰিত চিত্ৰ।
পথৰ দাঁতিত অসহ্য প্ৰসৱ বেদনাত
কোনোৱে যদি লভিছে মাতৃত্বৰ গৌৰৱ,
আন কোনো মাতৃহাৰা কণমানি
হৈছে আজি দিশহাৰা।

৪
চৌদিশ আজি বিভীষিকাময়।
এয়া যেন এখনি কুৰুক্ষেত্ৰ যুঁজৰ আখৰা।
ছিগা চেণ্ডেল খামুচি ধৰা
হাড়ে-চালে লগা নায়কসূচক
ভৰি দুখনৰ বিপক্ষত আজি
খলনায়ক হৈ পৰিছে
শ শ মাইলজুৰি দিগন্ত।

৫
শ শ মাইল পদব্ৰজৰ অন্তত
জন্মভূমিত খোজ দি
লাঞ্ছিত শ্ৰমিক এতিয়া
স্বদেশপ্ৰেমীৰ কৰুণ আদৰ্শ।
ইয়াৰ পিছতো তুমি যদি অজ্ঞাত
কলুষিত তোমাৰ নিষ্ক্ৰিয়তা,
ধিক্ তোমাৰ মানৱীয়তা।

শ শ মাইল পদব্ৰজৰ অন্তত
জন্মভূমিত খোজ দি
লাঞ্ছিত শ্ৰমিক এতিয়া
স্বদেশপ্ৰেমীৰ কৰুণ আদৰ্শ।

প্ৰতিজন শ্ৰমিকৰ অন্তৰত
দপ্‌দপাই জ্বলিছে আজি যন্ত্ৰণাৰ লেলিহান
জুইশিখা

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন কবিতা প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)

■ বীথিকা দাস সৰভোগৰ বকুলৰ মহাবিদ্যালয়ৰ দ্বিতীয় ষাণ্মাসিকৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী

# সুগন্ধি পখিলা

(হীৰেন ভট্টাচাৰ্যৰ স্মৃতিত)

স্নেহা দে
ইংৰাজী বিভাগ, পঞ্চম ষাণ্মাসিক

সিদিনা সমীৰণে আহি
কৈ গ'ল কাণে কাণে,
শুনিছানে অসমীয়া
'সুগন্ধি পখিলা'
নাহে আৰু ঘূৰি।
কোনেনো ক'বহি আহি...
বহু দেশৰ
অৰণ্যে দৰণ্যে ঘূৰি
সাগৰৰ তীৰ আৰু
খেজুৰৰ তলত বহি
জিৰণি ল'লোঁ;
পুনৰ আকৌ ঘৰৰ ল'ৰা
ঘৰলৈ আহিলোঁ।
কোনে ক'ব আজি
অনৈক্যৰ মাজত ঐক্য হৈ
বিৰোধৰ মাজত সংহতিৰ
সম্ভাৱনা হৈ মোৰ দেশ
মোৰ প্ৰাণ বুলি ক'ব।
আজি...
অসমৰ আকাশে কান্দিছে
অসমৰ বতাহে কান্দিছে,
কান্দিছে অসমী প্ৰাণে
কৰযোৰ কৰি মিনতি কৰিছে,
আকৌ ঘৰৰ ল'ৰা ঘৰলৈ বুলি
আকৌ যেন আহাগৈ ঘূৰি।

# জোনাক

প্ৰীতিৰেখা শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক

ৰাতিৰ আকাশৰ জোনাকটি
ইমান সুন্দৰ যে কেতিয়াও
চকু আঁতৰাবই নোৱাৰোঁ
জোনাক তুমি ইমান সুন্দৰ কিয়?
তোমাৰ ওচৰে-পাঁজৰে
ইমান সুন্দৰ তৰা জিলিকে
যে ৰাতিৰ আকাশখন এখন স্বৰ্গহে,
সম্পূৰ্ণ জোনাকৰ মুখখন যে
ইমান সম্পূৰ্ণ চাৰিওকাষে
থাকে সূৰ্যৰ আশাৰ ৰাতৰি
জোনাকৰ ৰাতি এটি মনোমোহা দৃষ্টি
জোনাক তুমি ইমান সুন্দৰ কিয়?
পূৰ্ণিমাৰ ৰাতিটো যেন চন্দ্ৰৰ বজা
এই ৰাতিটো যেন
সকলো জীৱৰ বাবে এটি
স্বৰ্গৰ পৰিৱেশ
জোনাক তুমি যেন সদায় জিলিকি
থাকা সপোনৰ আকাশৰ বুকুত
মোক লগত লৈ যোৱা
তুমি ইমান মনোমোহা
তুমি ইমান সুন্দৰ
পূৰ্ণিমাৰ সম্পূৰ্ণ নিশাটি উজাগৰে থাকিলেও
নালাগে আমনি।



# English



He passed B. Sc from Cotton College securing second class 14th position in Physics (honours) in 1927. In 1929 Mahi Miri along with Madhab Bhattacharya was selected for Imperial Forest Service and sent to Rangoon (presently Yangoon) for training in Forest College there. They were the first Assamese selected for covetous Imperial Forest Service.



# Mahi Chandra Miri
## The Man behind Kaziranga

**Dr. Ghanashyam Taid**
Dept. of Education




Lady Curzon

Mahin Chandra Miri was born in 1903 at village Alimur of Dhakuwakhana in Lakhimpur district. Mahi Miri's father was Doley Miri, a leading man of his community. He was a disciple or Pitambar Dev Goswami of Garmur Satra of Majuli. Mahi Miri was brought up in the midst of scenic beauty of nature that shaped his young mind. He was tell and handsome. He loved outdoors sports like snake catching and different types of games that were in vogue in those days. Mahi Miri was admitted in Sivsagar Town Government High School. His father's economic condition was not strong to meet schooling cost. Mahi spent his school days along with his younger brother in a makeshift thatched cottage at Sivsagar. In 1923, he passed his matriculation exam with flying colours and got admitted in Cotton College, Guwahati. He stayed at Cotton Hindu Hostel 3rd Mess where he met Dr. Hiranya Bhuyan, who went on to become the principal of Cotton College, late Hrendra Nath Baurah an illustrious journalist, Punyeswar Sharma, former mouzadar of Japihugia of Sibsagar district, and many other luminaries as his fellow boarders. He was good athletic and a tennis player.




It was Milroy who stopped the indiscriminate poaching of rhinos and elephants in Manas Reserve Forest in the 1930s by placing a platoon of Assam Rifles there. It was also Milroy who opened for the first time Kaziranga to visitors in 1938 when Mahi Miri was very much present in Kaziranga Reserve Forest.

Besides being a brilliant student Mahi Miri was soft spoken well disciplined and always regular in his studies. He passed B. Sc from Cotton College securing second class 14th position in Physics (honours) in 1927. In 1929 Mahi Miri along with Madhab Bhattacharya was selected for Imperial Forest Service and sent to Rangoon (presently Yangoon) for training in Forest College there. They were the first Assamese selected for covetous Imperial Forest Service. After training at Rangoon, Mahi Miri was posted at Guwahati in 1931 as extra assistant conserver of forest. In 1932, Mahi Miri was married to Indira Miri, one of the re-known and leading women personalities of Assam. Around 1934, Mahi Miri was transferred to Bagari range of the then Kaziranga game sanctuary with headquarters at Golaghat. Miri was entrusted with the chanllenging task of surveying and organizing the sanctuary. Immediately after his arrival, Mahi Miri made his temporary camp at Bagari, being a convenient place to look after the game sanctuary. AJ Milroy, a veteran British forester whose contribution for the preservation of Assam forest and its wealth was immense, was instrumental in deputing Miri to Kaziranga. It was Milroy who stopped the indiscriminate poaching of rhinos and elephants in Manas Reserve Forest in



the 1930s by placing a platoon of Assam Rifles there. It was also Milroy who opened for the first time Kaziranga to visitors in 1938 when Mahi Miri was very much present in Kaziranga Reserve Forest. When Mahi Miri joined Kaziranga it was "all swamp and leeches". EP Gee, a British naturalist and manger of Assam Tea Company mentioned in his famous book 'Wild Life of India' that even elephants would not venture at Kaziranga. Gee also mentioned that the sanctuary got a facelift due to the energetic leadership of Milroy and Mahi Miri. When Miri joined at Bagari the sanctuary was virtually inccessible without any network of roads, etc. Miri's presence in Kaziranga was a meteor-burst. He found dozens of empty



During service Mahi Miri was never gone for long leave for the sake of his dear Kaziranga. He devoted himself in inhuman labour in the inhospitable place like Kaziranga. Because of it, he caught the dreaded black water fever and

makeshift thatched shelters of poachers scattered on the banks of the beels inside Kaziranga where poachers reigned supreme. Miri by virtue of his constant vigit and tremendous labour could put a check on poaching. He used to get up at dawn and then kept vigil on the sanctuary on elephant back to check poaching. He used to sit on top of a nearby hill of Karbi Anglong district equipped with binoculars and no sooner did he see poachers, he rushed on elephant back to catch them and sometimes at the risk of his own life. He found poachers' camp at every small lake and 40 carcasses of rhinos with horn removed. The two years Bagari was really tough for Miri. For sometimes, he was posted as DFO at Jorhat. During this time Miri caught the first live rhino in Kaziranga and sent it to the USA. After the illegal shooting was brought under control to some extent, Miri shifted his HQ to Golaghat. In the 1970s that hilltop was named after him as 'Mahi Miri Tower'. During service Mahi Miri was never gone for long leave for the sake of his dear Kaziranga. He devoted himself in inhuman labour in the inhospitable place like Kaziranga. Because of it, he caught the dreaded black water fever and finally succumbed to the diseases, leaving behind wife and three kids in 1939. In his death, conserver Makernnes Sahab wrote: "We have lost the jewel of the forest department." EP Gee also urged, "We have lost the man who put Kaziranga in the World Map."




finally succumbed to the diseases, leaving behind wife and three kids in 1939.



# The New Farms Act 2020 and Farmer's Protest

**Ajay Kumar Subba**
ex-student, Dr. BKB College




On 27th September, 2020 the president of India gave his assent to the three farms bills, those were proposed and passed by both the houses of Parliament. The name of these three new farms act are- The Farmer's Produce Trade and Commerce (Promotion and Facilitation) Act, 2020, The Farmers (Empowerment and Protection) Agreement on Price Assurance and Farm Services Act, 2020 and The Essential Commodities (Amendment) Act,2020, combinedly known as "New Farms Act 2020".

**The Farmer's Produce Trade and Commerce (Promotion and Facilitation) Act, 2020:**

The highlighted phrase trade and commerce (Promotion and Facilitation) talks about trading of farm goods outside the premises of Mandis which we formally call "Agricultural Produce Market Committee" (APMP) yards . Earlier agricultural trade could be conducted only on the APMC yards like ware-houses,and cold storages of Mandis. But this new Act will provide the farmers

freedom to sell their product anywhere within the state or outside the state and if this happens then states like Punjab and Haryana could lose a big source of revenues. We must have heard people going to Mandis and other agricultural supplies on Saturday or Sunday to buy vegetables. Now these Mandis spread across the nation and the farmers sell their agricultural produce in these Mandis and these Mandis are controlled by the state government through APMC. There are restrictions for the farmers to sell their agricultural produce outside Mandis. It is because the products that have a minimum support price (MSP) need to compulsorily go through APMC. Otherwise, small farmers can sell directly to consumers. But, if you are a large scale farmer and if you want your produce to be protected by the government then you have to notify APMC or trade with only APMC license trader. So anyhow this Act will allow barrier free trade in agricultural produce outside the notified APMC Mandis. With the help of this Act, the state government will not impose taxes on sale and purchase of farm produce outside the Mandis and give farmers freedom to sell their produce at a good price. Comparatively, this Act is beneficial for big farmers because they will have more choice and they can sell their products to the private players. For small farmers, this Act will hardly make a difference as they are anyhow selling their products outside the Mandis. Besides, due to transportation and logistics costs small farmers do not have any incentive to go a long distance or intra-state to sell the goods. So, some big farmers will get better choices and also this Act provides a way for the government to get out of the agricultural business. Once the farmers manage to get into the markets, they can sell to anyone and earn more. However, farmer's income will also depend upon fluctuations of the market. Suppose the demand for a particular product in the market is low. Due to low demand, the price of a product will fall and the cost of cultivation remains the same. Now, the farmers will be flattened between the cost of cultivation and low prices of their products. In this situation, the government will not intervene by giving any kind of subsidies or procurements to the farmers.

**The Farmers (Empowerment and Protection) Agreement on Price Assurance and Farm Services Act 2020:**

The first part of the title of the Act (i.e. Empowerment and Protection) suggests that it looks on protection on the farmers through legal trading. Since there are two parties- one is the farmer and the other is the trader. Now, if the trader wants to buy the products of the farmers, they would need to get into a legal agreement with the farmers. This legal agreement is for the interest of the farmers to prevent them from any unfair practices. A farmer can be cheated in many ways. Suppose the trader wants to buy one ton of rice at scheduled price. Latter, if he tells the farmer that half of the commodity (rice) is not of good quality and hence he would change the price now. The farmer would be in loss. To prevent this kind of exploitation, this Act provides dispute settlement mechanism between a buyer and a seller by an established authority. So far everything looks good, now we pay attention to the last two words of the



Act- 'Price Assurance and Farm Services'. By Price Assurance we mean that whatever price is fixed on an agreement that should be paid to the farmers. On the other hand, farm services means that as if the buyer can specifically tell the farmers what quality of good is required, when to deliver the products and there could be many more demands. This is called contract farming. The Agreement will outline the conditions for the production of farm products and for their delivery to the buyer's premises. The farmers then agree to supply the products based on the quality standards and delivery requirement of the purchasers and in return the buyer which is usually accompany agrees to buy the products at a price that is established in advance. Thus, it is clear that the primary purpose of this Act is contract farming and the secondary purpose is to provide a nationwide legal framework wherein a farmer can produce crops as per contracts with corporate investors. With a mutually agreed remuneration, the government says that this Act will transform Indian agriculture and attract private investments. The Act does attract private investments because profit oriented companies often agree to support farmers through supplying inputs, assisting land preparation, providing production advice and transporting its products to its premises. However, if we look at the farmer's side, their fear is that a powerful corporate investor would legally dominate them and put the liability on them. As we know everything now-a-days come with the condition applying that many of the educated people find it difficult to follow up. So obviously there are chances where a private company can exploit the farmers very easily with legal clauses.

**The Essential Commodities (Amendment) Act, 2020:**

This one is not a new act, central government has made an amendment on the existing essential commodities act. This Act basically controls the production, supply and distribution of certain commodities, basically essential commodities, as the title says. These commodities are such things if you illegally store them for creating artificial demand or you do illegal trading of such commodities, it will affect the normal life of the people. Certain essential food, medicine, fuel, petroleum products etc. are the list of the items of the Act. With the help of this Act, the central government can list new commodities as the need arises and can also take them out of the list once the situation improves. Suppose, there is a shortage of onions and some traders or wholesalers have kept lot of onion on stock in order to create artificial demand. This will raise the demand leading to price hike. So the whole idea behind creating artificial demand is to sell a product at a higher price. Now, what the central government can do is to bring onion under the act to make sure that onions are available to the people at right price. Recently, in March 2020, the central government brought masks and hand sanitizer under the Act to provide these products to the people at the right price and in the right quality during the pandemic in India. From 1$^{st}$ of July, 2020, the government again removed mask and hand sanitizer from essential commodity list. Now, the amendment that has been suggested and added to this bill is regarding the removal of certain commodities as essential. So what the government of India did was that it removed

certain commodities regarded as essential so that the government will only regulate supply and prices in case of war, famine, high price hike or natural calamities. These commodities are food items including cereals, onions, potato, edible oil etc. As we see these commodities are consumed on daily basis by every household and now these commodities are removed from the essential list. That means obviously their prices will go up and the government says these items will be added beck into the essential commodity list only during situations like war, famine, extraordinary price rise or natural calamities. So on the one hand, by removing these commodities from essential commodities list, the government has taken a good step towards boosting farmer's income. But if we look at foodstuffs like pulses, onions and edible oil, they are important part of every household essential commodity. Now the government is not going to regulate the supply of such food items, so there is high chance of hoarding. The new Amendment also states that government will regulate the stocks of these items based on rising prices but there are conditions to it. If we see pulses, cereals, edible oils, these are non-perishable items that they can be stored at room temperature for months or a year as they have longest self-life. The government is saying that it will only interfere and bring these items again in the essential commodity list if there is 50 percent increase in their retail prices of these non-perishable items. For example, let's say the cost of your favourite dall is Rs. 100 per kg and dall is now not in the essential commodity list. Tomorrow if the cost of dall goes more than 50 percent, that is, Rs. 151 per kg, only then the government will interfere and bring dall back into the essential commodity list in order to control its price. So 50 percent is the limit set for non –perishable items. But for perishable items like onions, potato, the limit is set at 100 percent. That means the cost of onions today is say Rs. 50 per kg and if the cost goes more than 100 percent tomorrow say Rs. 101 per kg, then only the government will interfere and bring it back to the essential commodities act list to control its price. So 100 percent is the limit set for perishable items. On the other hand, if we look there will be a price hike and risk of high chance of hoarding and black marketing will increase and that might lead to monopoly of few individuals over price of certain goods. Let's say you are a trader or a big agricultural company or a private retailer like Reliance and Spencer's of the food market. You can now go to buy agricultural products directly, give the farmers best price and come back to city and earn a profit between 50 percent to 100 percent depending upon the perishability of the commodity. For example, as said above if tomorrow the cost of dall goes up more than Rs. 151 per kg, as per this new Amendment only then the government will interfere to its price. But as a private company you have the liberty to set the price of dall anywhere between Rs. 100 to Rs. 150 per kg. Of course as a private company you can not blindly set the highest price because then you will loose a good numbers of customers. Also, assuming farmers are smart and they also increase their prices of products while selling to the private players. If that is the case, still the private companies sell it at a higher price to make profits. Ultimately it is going to pinch yours and mine pocket.

**Farmer's Protest Against The Act**

Since the introduction of the farm acts the farmers have been protesting against the acts. To understand why they are protesting against these acts, we need to look at the conditions of Indian agriculture as well as the situation of Indian farmers. Since independence the overall condition of Indian agriculture has not improved much. Because, as per the 2011 census, 110 million cultivators are enumerated farming as their main occupation. But, it has been decreasing continuously since then. It was falling to 103



millions in 2001 and further drops to 96 millions in 2011. Indian agriculture provides employment to 46 percent and contributes less than 20 percent to GDP. The average size of land holding of our farmers also declining. It was 2.10 hectare in 1970-71, falls to 1.15 hectare in 2010-11 and further drops to 1.08 hectare in 2015-16. Again top 10 percent households are cultivating almost 50 percent of India's cultivable land and bottom 50 percent households are cultivating less than 0.5 percent of cultivable land. So, for farmers who are already in bad condition, it is not easy for them to accept the drastic change in the agricultural system.

Moreover, farmers are least interested in the promises done by the government in creating ecosystem where they enjoy great freedom in selling their products. Also farmers are unwilling to any change in the existing system of MSP. So, it creates a trust deficit among the farmers for the government. Subsequently, the government has deregulated its authority on agriculture market by giving private players a free hand to deal and we know that private players are profit oriented. So, farmers fear that big companies will bind them with unfavourable contracts and they will become helpless to fight any legal battle against the private players. Especially, the marginal farmers will be the real sufferers here. Again promoting trade outside APMC will reduce the significance of Mandis. Currently, APMC Mandis act as a reference for private sector in doing business with farmers, moving all the transactions out of APMC premises will make APMC non-functioning after few years. If this happens then it will have two adverse implications. Firstly, the state government could not levy any fees on transactions done in APMC which lead to huge revenue loss. Secondly, the middle-mans working in the Mandis now lose their income and livelihood. Thus, small farmers will be left with no option to return to APMC.

# QUIZ

Pranab Biswas
1t Semester


1. Which is the purest form of carbon?
   Ans. Diamond
2. Who is the first Indian Scientist?
   Ans. C. V. Raman



3. Which year Dr. C. V. Raman Awareded by the 'Lenin Peace Prize'?
   Ans. 1957
4. Which year World Science day celebrated first time?
   Ans. 2002
5. Who is honoured as Father of Modern Chemistry?
   Ans. Antoine Lavoisier
6. Which is the most abundant gas in the earth's atmosphere?
   Ans. Nitrogen
7. Which is called white poison?
   Ans. Sugar
8. Which gas is found in Soda Water?
   Ans. Carbon dioxide.
9. Brain of Computer is?
   Ans. CPU (Central Processing Unit)
9. Who was the first man to walk on the moon?
   Ans. Neil Armstrong



10. Which language is spoken in Austrulia?
    Ans. English
11. What is the longest snake in the world?
    Ans. Python
12. What is the highest mountain in Great Britain?
    Ans. Ben Nevis.
13. What is the capital of New Zeeland?
    Ans. Wellington
14. When is Earth Day Celebrated?
    Ans. April 22
15. Who discovered the theory of relativity?
    Ans. Albert Einstein.



16. What is the Smallest ocean in the world?
    Ans. Arctic
18. What instrument does a doctor use to learn a person has a fever?
    Ans. Thermometer.
17. Which artist painted the Mona Lisa?
    Ans. Leonardo da Vinci







ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ



সম্পাদকসকলৰ
বাৰ্ষিক
প্ৰতিবেদন

# সভাপতিৰ প্ৰতিবেদন



যিসকল মহান মনীষীৰ ত্যাগ আৰু কৰ্মৰ ফলত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়খন বৰ্তমান এই অৱস্থাত উপনীত হৈছে, তেওঁলোকক মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে নিবেদিছোঁ। ইমান এক মহান অনুষ্ঠানৰ ছাত্ৰ একতা সভাৰ সভাপতি পদটিৰ বাবে মোক যোগ্য বুলি ভাবি ইমান মৰম আৰু আশীৰ্বাদ দিয়া বাবে অশেষ ধন্যবাদ।

আগতে এনেকুৱা বিশেষ অভিজ্ঞতা নাছিল যদিও মহাবিদ্যালয়ৰ আৰু ছাত্ৰ-ছাত্ৰীৰ হকে কিবা এটা কৰাৰ আশা লৈয়ে ২০১৯ বৰ্ষৰ ৫ নৱেম্বৰ তাৰিখে ছাত্ৰ একতা সভাৰ সভাপতিৰূপে শপত গ্ৰহণ কৰোঁ।

৬ নৱেম্বৰ Memorial lecture আৰু ৩১ নৱেম্বৰ ২০১৯ তাৰিখে Dr. B.K.Baruah Study Centre য়ে অনুষ্ঠিত কৰা 'গল্পকথা' নামৰ অনুষ্ঠানটোত সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াবলৈ পাই মই যথেষ্ট জ্ঞান আৰু অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হওঁ।

২৯ জানুৱাৰী তাৰিখে সৰস্বতী পূজা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ উন্নতি ছাত্ৰ-ছাত্ৰী তথা ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ মঙ্গলৰ কাৰণে বিদ্যাদেৱীৰ ওচৰত আশিস লওঁ।

১৭ ফেব্ৰুৱাৰীৰ পৰা ২৪ ফেব্ৰুৱাৰীলৈকে মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ অনুষ্ঠিত কৰা হয়। বিগত বৰ্ষৰ দৰে বৃহৎ সংখ্যক প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীয়ে সপ্তাহ সমাৰোহত অংশ গ্ৰহণ কৰে। বিশেষকৈ সাংস্কৃতিক সম্পাদকৰ প্ৰচেষ্টাত এইবাৰ মিষ্টাৰ বিকেবি আৰু মিছ বিকেবি নামেৰে প্ৰথমবাৰৰ বাবে নতুন প্ৰতিযোগিতা সৃষ্টি হয়। আন্তঃমহাবিদ্যালয় ভিত্তি হোৱা বহু প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। আমাৰ মহাবিদ্যালয়ত প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী যথেষ্ট আছে যদিও তেওঁলোকৰ আগ্ৰহ, কষ্ট আৰু পথ-প্ৰদৰ্শনকাৰীৰ অভাৱত প্ৰতিভাসমূহ সঠিক ৰূপত বিকশিত হ'ব পৰা নাই।

২৭ জুলাই তাৰিখে ক'ৰোনা মহামাৰি আৰু বানে বিধ্বস্ত কৰা কাজিৰঙা (কঠৰী) অঞ্চলত উপস্থিত হৈ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ আৰু বাইজৰ সহযোগত প্ৰায় ২৫০ ৰো অধিক পৰিয়ালক সহায়ৰ হাত আগবঢ়াবলৈ সক্ষম হওঁ।

এই সময়তে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা গায়ত্ৰী বাইদেউ, নকুল ছাৰ আৰু কুতুবুদ্দিন আহমেদে কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

ক'ৰোনা মহামাৰিৰ বাবে আমাৰ কাৰ্যকালত বিশেষ একো অগ্ৰগতি লভিব নোৱাৰিলোঁ। খোৱাপানীৰ সমস্যা সমাধানৰ বাবে অধ্যক্ষ মহোদয়ৰ লগত আলোচনাত মিলিত হৈছিলো আৰু অধ্যক্ষ মহোদয়ে আমাৰ প্ৰতি সঁহাৰি জনাই কাৰ্যব্যৱস্থা গ্ৰহণৰ চেষ্টা কৰিছিল।

সদৌশেষত মহাবিদ্যালয় পৰিয়ালবৰ্গ, ছাত্ৰ-ছাত্ৰীক মোৰ এই কাৰ্যকাল সুচাৰুৰূপে পৰিচালিত কৰিবলৈ আশীৰ্বাদ আৰু সহায়-সহযোগিতা কৰাৰ বাবে অশেষ ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**ৰিতুল আমিন চৌধুৰী**



# উপ-সভাপতিৰ প্ৰতিবেদন



জয়জয়তে ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মোৰ প্ৰতিবেদনৰ পোন প্ৰথমতে কলঙৰ দুয়োপাৰ উজ্জ্বল কৰি তুলিবলৈ কষ্ট, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত মহাবিদ্যালয়খন প্ৰতিষ্ঠিত কৰা ব্যক্তিসকলক মোৰ শ্ৰদ্ধা আৰু প্ৰণাম জনাইছোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়খনত ভৰি দিয়াৰ পৰা মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে সকলোৰে মাজত নিজক চিনাকি কৰিবৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিলোঁ। লাহে লাহে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, অফিচ-কৰ্মচাৰী আৰু বন্ধুবৰ্গৰ লগত চিনাকি হৈ পৰিছিলোঁ।

বিগত বৰ্ষৰ দৰে সেইবছৰত মহাবিদ্যালয়ত নিৰ্বাচনৰ এক কুচ-কাৱাজ চলিছিল। এইবাৰ মহাবিদ্যালয়ত উপ-সভাপতিৰ পদটো প্ৰথমবাৰৰ বাবে স্থায়ী কৰোৱা হৈছিল। মই সেইবাবে ২০১৯-২০ বৰ্ষত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত উপ-সভাপতি পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সুযোগ পালোঁ আৰু মহাবিদ্যালয়ৰ সকলোৰে সহযোগিতাত মই উপ-সভাপতিৰ পদত নিৰ্বাচিত হ'লোঁ। যাৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে প্ৰতি মই চিৰকৃতজ্ঞ। উপ-সভাপতি পদত জয়যুক্ত হৈ ২০১৯ চনৰ ৫ নৱেম্বৰ তাৰিখে আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰোঁ আৰু দায়িত্বভাৰ গ্ৰহণ কৰি সকলোৰোৰ কাম সুন্দৰকৈ আৰু নিয়াৰিকৈ চলাবলৈ মই চেষ্টা অব্যাহত ৰাখিছিলোঁ। যদিওবা এই ক্ষেত্ৰত কিমান দূৰ সফল হৈছোঁ নাজানো।

২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সকলো সদস্য আৰু শিক্ষাগুৰুসকলৰ ভিতৰত সৰস্বতী পূজা, স্বাধীনতা দিৱস, গণৰাজ্য দিৱস, বিশ্ব পৰিবেশ দিৱস।

মহাবিদ্যালয়ত ১৭-২-২০ তাৰিখৰ পৰা সপ্তাহজোৱা কাৰ্যসূচীৰে সপ্তাহ সমাৰোহ অনুষ্ঠিত কৰা হৈছিল। সপ্তাহ সমাৰোহত এক বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হৈছিল। সপ্তাহ সমাৰোহত বিভিন্ন খেল আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হৈছিল।

ইয়াৰ লগে লগে বিশ্বজুৰি ক'ৰোনা মহামাৰিৰ বাবে মহাবিদ্যালয়সমূহ বন্ধ দিয়া হৈছিল, যাৰ ফলত আমি কৰিবলগীয়া বহুখিনি কাম কৰাত বাধা আহি পৰিছিল। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ক'ভিড মহামাৰিৰ সময়ছোৱাত সম্পূৰ্ণ সামাজিক দূৰত্ব মানি কাজিৰঙা কুঠৰীৰ বান বিধ্বস্ত অঞ্চলত সাহায্য বিতৰণ কৰা হয়, ৩১-৭-২০ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে ছাত্ৰ একতা সভাৰ উদ্যোগত ক'ভিডৰ সময়ছোৱাত গল্প, প্ৰবন্ধ আৰু কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয় খোলাৰ পিছত ১০-১১-২০ তাৰিখে বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ ওপজা দিন পালন কৰা হয়।

আমাৰ কাৰ্যকালৰ সময়ছোৱাত দুজন অধ্যাপক-অধ্যাপিকা আৰু দুজন কাৰ্যালয় সহায়কৰ অৱসৰ হয়। ৭-১-২০ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত NCC Cadet আৰু NSS Volunter ৰ সহযোগত চাফাই অভিযান কাৰ্যসূচী পালন কৰা হয়। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত যিসমূহ কাম কৰা হৈছিল সকলোতে সাধ্য অনুসৰি কৰিবলৈ চেষ্টা কৰিছিলোঁ।

ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মই মোৰ কাৰ্যকালত যিসকল ব্যক্তিৰ সহায়-সহযোগিতা লাভ কৰিছিলোঁ তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। বিগত বৰ্ষটোত কাৰ্য পৰিচালনাৰ সময়ত মোৰ বৈ যোৱা ত্ৰুটি-বিচ্যুতিৰ বাবে মাৰ্জনা বিচাৰিলোঁ। সদৌ শেষত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰিলোঁ।

জয়তু বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

**পাম্মা খাউণ্ড**

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সোণালী বৰ্ষ অতিক্ৰম কৰা ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আৰু মহাবিদ্যালয়খনৰ বৰ্তমানৰ এই অৱস্থাত থিয় হৈ থাকিবলৈ সক্ষম কৰি তোলা প্ৰত্যেকজন মহান ব্যক্তি তথা শিক্ষাগুৰুক এই পবিত্ৰ ক্ষণত শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

২০১৮ চনত মহাবিদ্যালয়ৰ লগতে NCC গোটত নামভৰ্তি কৰোঁ, যাৰ ফলত মহাবিদ্যালয়ত বহুতো অনুষ্ঠানত সক্ৰিয়ভাৱে জড়িত হোৱাৰ সুযোগ লাভ কৰিছিলোঁ। এনেদৰেই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সৈতে এক মধুৰ সম্পৰ্ক গঢ়ি তুলিবলৈ সক্ষম হৈছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা বিভিন্ন সমস্যাসমূহ দেখি আৰু আগৰ ছাত্ৰ একতা সভাৰ মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ হকে কৰা কাম, চিন্তাধাৰাবোৰ দেখি ময়ো মহাবিদ্যালয়খনৰ হকে কিবা পূৰণৰ আশাতে ২০১৯ চনৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক পদটিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰোঁ আৰু সকলোৰে আশীৰ্বাদত জয়ী হ'বলৈ সক্ষম হওঁ। মোৰ এই বৃহৎ জয়ৰ আঁৰত থকা সন্মানীয় দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টি সকলোকে অশেষ ধন্যবাদ।

২০১৯ চনৰ ৫ নৱেম্বৰ তাৰিখে শপত গ্ৰহণ কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ আশীৰ্বাদত মোৰ কাৰ্যকালৰ শুভাৰম্ভণি কৰোঁ।

২৫ নৱেম্বৰ ২০১৯ তাৰিখে মহাবিদ্যালয়ত 'NCC Day'ৰ লগত সংগতি ৰাখি আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত ছাত্ৰ একতা সভাৰ সকলো উপস্থিত থাকি অংশগ্ৰহণ কৰে।

বিগত বৰ্ষসমূহৰ দৰে এইবাৰো মহাবিদ্যালয়ত সৰস্বতী পূজা, ২৫ জানুৱাৰী দিনটো উলহ-মালহৰে উদ্‌যাপন কৰা হয়।

১৭ ফেব্ৰুৱাৰীৰ পৰা ২৪ ফেব্ৰুৱাৰীলৈকে সপ্তাহজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ উলহ-মালহৰে পালন কৰা হয়। সপ্তাহ সমাৰোহৰ বঁটা বিতৰণী অনুষ্ঠান কপহী মহাবিদ্যালয় অধ্যক্ষ ড° বি এন পটনায়ক তথা বহুকেইজন অতিথি উপস্থিত থাকে।

১৪ নৱেম্বৰ, ২০১৯ শিশু দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ Women is Foreem আৰু Eco clubৰ ব্যৱস্থাপনাত পূৰ্ব কাৰ্বি আংলঙৰ পাৰকোপ পাহাৰ বি কে বি উচ্চ মাধ্যমিক বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই সভাৰ বিশিষ্ট অতিথি আছিল প্ৰসিদ্ধ কবি, গল্পকাৰ ৰশ্মিৰেখা বৰা আৰু ধৰণীধৰ বড়ো।

৫ মাৰ্চ, ২০২০ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপিকা দুইগৰাকী, ছাত্ৰ-ছাত্ৰীৰ লগতে ছাত্ৰ একতা সভাৰ বহুকেইজন সদস্য বিধান সভাত শিক্ষাৰ্থীৰে সৈতে কৰা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মত-বিনিময় অনুষ্ঠানত অংশ গ্ৰহণ কৰা সুযোগ লাভ কৰিছিলোঁ। এই অনুষ্ঠানত মই নিজেও উপস্থিত থাকি বিধান সভাৰ ভিতৰৰ বহুতো নজনা কথাৰ বিষয়ে জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিলোঁ।

৫ জুন বিশ্ব পৰিবেশ দিৱস হিচাপে ক'ৰোনা মহামাৰিৰ কাৰণে বিশেষ একো কৰিব নোৱাৰিলেও মহাবিদ্যালয়ৰ প্ৰাঙ্গণত অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ দ্বাৰা একো একোটা গছ পুলি ৰোপণ কৰা হয়।

৩১ জুলাই, ২০২০ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসটি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা পতাকা উত্তোলন আৰু সক্ৰিয় ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰা হয়।

২৭ জুলাই, সোমবাৰে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু স্থানীয় ৰাইজৰ সহযোগত ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে নিমিষতে উটুৱাই লৈ যোৱা কজিবঙা (কুঠৰী)ৰ প্ৰায় ২৫০ টা বানাক্ৰান্ত পৰিয়ালৈ খাদ্য সামগ্ৰীৰ টোপোলা, খোৱাপানী আৰু বস্ত্ৰ যোগান ধৰা হয়।

ক'ৰোনা মহামাৰিৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বৰ দৰে কিছুমান অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা নাছিলোঁ বা অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰা হৈছিল যদিও মহাবিদ্যালয় বিভিন্ন বিভাগসমূহে বিভিন্ন সময়ত অনুষ্ঠিত কৰা অনুষ্ঠানসমূহত সাধাৰণ সম্পাদক হিচাপে অংশ গ্ৰহণ কৰিবলৈ পাই মই সঁচাই সুখী অনুভৱ কৰোঁ।

৭ নৱেম্বৰ ২০২০ তাৰিখে মহাবিদ্যালয় প্লাষ্টিকমুক্ত কৰা আৰু চাফা কৰাৰ উদ্দেশ্য আগত ৰাখি ছাত্ৰ একতা সভা আৰু সমূহ শিক্ষকবৃন্দৰ উদ্যোগত NSS আৰু NCC গোটৰ সহযোগত এক চাফাই অভিযান হাতত লোৱা হয়। এই অনুষ্ঠানতেই ৯ টাকৈ ডাষ্টবিন অধ্যক্ষ মহোদয়ৰ দ্বাৰা মুকলি কৰি দিয়া হয়।

২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণৰ পিছৰে পৰা বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰাত আমাৰ সাহস আৰু সহায়ক হিচাপে আমাৰ কাষত থিয় হৈ থকা অধ্যক্ষ মহোদয় তথা অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল বিশেষকৈ সমূহ ছাত্ৰ-ছাত্ৰীক অশেষ ধন্যবাদ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত যদি জ্ঞাত বা অজ্ঞাতে কৰা কাম বা কথাই যদি কৰোবাৰ মনত আঘাত দিছে তেন্তে মোক ক্ষমা কৰি দিয়ে যেন। নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত দিয়া সকলোবোৰ প্ৰতিশ্ৰুতি বাস্তৱত পৰিণত কৰিব নোৱাৰিলেও কিছু সংখ্যক পূৰণৰ চেষ্টা কৰিছিলোঁ। আশা কৰোঁ, অনাগত দিনবোৰত নৱপ্ৰজন্মই ন ন চিন্তাৰে মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ হকে কাম কৰি মহাবিদ্যালয়খনক উন্নতিৰ পথত আগুৱাই লৈ যায়।

সদৌ শেষত মহাবিদ্যালয়খনৰ লগত সকলো সময়তে ওতপ্ৰোতভাৱে জড়িত হৈ থকাৰ প্ৰতিশ্ৰুতিৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

জয় আই অসম।

চিদানন্দ বৰা

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ হকে নিস্বাৰ্থ সেৱা আৰু ত্যাগ আগবঢ়োৱা সকলো ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

বৃহৎ পুৱণিগুদাম অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ উত্তম স্বৰূপ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীৰ লগতে মোৰ শুভাকাংক্ষীসকলক মোক ইমান মৰম আৰু সাহস দিয়াৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। এনে এক পবিত্ৰ অনুষ্ঠানৰ অংশীদাৰ আৰু ২০১৯-২০ বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদকৰূপে মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত নিস্বাৰ্থে সেৱা আগবঢ়াবলৈ পাই মই নিজকে গৌৰৱবোধ কৰোঁ।

২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপে মই নিজে কিমান সফল হ'ব পাৰিছোঁ নাজানো কিন্তু মই প্ৰতিটো সময়ত মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ হকে মাতি আহিছিলোঁ।

২৭ জুলাইত বান বিধ্বস্তসকলক ছাত্ৰ একতা সভা, মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ আৰু বাহিৰৰ সহযোগত আমি সহায়ৰ হাত আগবঢ়াইছিলোঁ। তাত মই নিজেও উপস্থিত থাকি প্ৰায় ২৫০ টা পৰিয়ালৰ মাজত খাদ্যৰ টোপোলা, বিশুদ্ধ খোৱাপানী আৰু কাপোৰ যোগান ধৰোঁ।

সৰস্বতী পূজা, মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ আদি বিভিন্ন অনুষ্ঠানত ছাত্ৰ একতা সভাক সহায় কৰিবলৈ পাই মই সঁচাকৈয়ে আনন্দিত।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুলৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

গুলজাৰ হুচেইন





# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ স্থাপনৰ পৰা বৰ্তমানলৈকে মহাবিদ্যালয়খন উন্নতিৰ সাপেক্ষে ত্যাগ আৰু শ্ৰমদান দিয়া ব্যক্তিসকলক মোৰ ফালৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

এক সুন্দৰ পৰিৱেশত স্থাপিত অসমৰ এগৰাকী বিখ্যাত পণ্ডিতৰ নামত উৎসৰ্গিত আমাৰ এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা মোৰ মৰমৰ বন্ধু-বান্ধৱী আৰু ভণ্টি-ভাইটিসকলে মোক ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক পদটিৰ বাবে মোক যোগ্য বুলি ভাবি জয়যুক্ত কৰা সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

কাৰ্যকালৰ আৰম্ভণিতে সৰস্বতী পূজাৰ আয়োজনত ছাত্ৰ একতা সভাৰ সদস্যসকলৰ লগতে মোৰ প্ৰায়বিলাক বন্ধু-বান্ধৱীয়ে সহায়ৰ হাত আগবঢ়োৱাৰ লগতে উৎসাহ যোগাইছিল ইয়াৰ ঠিক পিছতে আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ। বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ লগতে আমি প্ৰথম বাৰ Miss BKB আৰু Mr. BKB প্ৰতিযোগিতা পাতিবলৈ সক্ষম হৈছিলোঁ। সপ্তাহ সমাৰোহৰ কাম-কাজবোৰ সুচাৰুৰূপে পৰিচালনা কৰাত মোৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ বাইদেউ সকলেও যথেষ্ট সহায় কৰিছিল। কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে প্ৰতিটো ক্ষণতে মোক সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰীবৃন্দ লগতে ছাত্ৰ-ছাত্ৰীসকলকো মোৰ কৃতজ্ঞতা জনালোঁ। লগতে সকলো জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম।

সিদ্ধাৰ্থ সিংহ

# ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন



নমস্কাৰ। প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা যাচিব বিচাৰিছোঁ, যিসকল ব্যক্তিৰ ত্যাগৰ বিনিময়ত বৰ্তমান ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় এক বৃহৎ শিক্ষানুষ্ঠান হিচাপে নিজকে চিনাকি দিবলৈ সক্ষম হৈছে।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ দৰে সেই মহান অনুষ্ঠানৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এজন ক্ৰীড়া সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মহাবিদ্যালয়ৰ সকলো ধৰণৰ কামত আগভাগ লৈছিলোঁ। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা বিভিন্ন আকৰ্ষণীয় খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। ইয়াৰ ভিতৰত নতুনকৈ সংযোজিত কৰা ছোৱালী ক্ৰিকেট, ছোৱালী কেৰম, ডিচকাচ, ৰিলে, জেভলিন থ্ৰ' আদি বিভিন্ন প্ৰতিযোগিতাৰ যোগেদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ৰীড়াত বিকাশ ঘটাবলৈ প্ৰয়াস কৰিছিলোঁ। মোৰ ইচ্ছাৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সঁহাৰি দেখি মই কাম কৰাৰ ক্ষেত্ৰত অধিক উৎসাহিত হৈছিলোঁ। মোৰ কাৰ্যকালত মিৰ্জাৰ ডি কে গাৰ্লছ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বেডমিণ্টন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ তৰফৰ পৰা তিনিজনীয়া এটি দলে অংশ গ্ৰহণ কৰিছিল আৰু লগতে ৰূপহী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছোৱালী কাবাদী খেলতো ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু অসমীয়া বিভাগৰ শ্ৰীযুত শান্তনু বৰদলৈ ছাৰ আৰু ভূগোল বিভাগৰ শ্ৰীযুতা দেবিতা কেম্প্ৰাই বাইদেউৰ সহায়-সহযোগিতাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। যদিও আমাৰ কোনো ধৰণৰ অনুশীলন নাছিল তথাপি আমি বেডমিণ্টন আৰু কাবাদীত চেমি ফাইনেল পৰ্যন্ত উন্নীত হৈছিলোঁ।

কাৰ্যকালত থকাৰ অৱস্থাত মহাবিদ্যালয়লৈ বহুতো সুনাম কঢ়িয়াই আনে ক্ৰীড়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে। এনেদৰে অনাগত সময়ত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগ দোপতদোপে আগুৱাই যাওক তাৰেই কামনা কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। অনাগত সময়ত মহাবিদ্যালয়খন উন্নতিৰ পথেৰে আগুৱাই যাওক এই কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম।

মানসজ্যোতি ৰাজখোৱা





# সহকাৰী ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন

নমস্কাৰ। প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা যাচিব বিচাৰিছোঁ যিসকল ব্যক্তিৰ ত্যাগৰ বিনিময়ত বৰ্তমান ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় এক বৃহৎ শিক্ষানুষ্ঠান হিচাপে নিজকে চিনাকি দিবলৈ সক্ষম হৈছে।

ড° বিৰিঞ্চিকুমাৰ মহাবিদ্যালয়ৰ দৰে এই মহান অনুষ্ঠানৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহকাৰী ক্ৰীড়া সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এগৰাকী সহকাৰী ক্ৰীড়া সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মহাবিদ্যালয়ৰ সকলো ধৰণৰ কামত আগভাগ লৈছিলোঁ।

মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহত মোৰ বিভাগৰ পৰা বিভিন্ন আকৰ্ষণীয় খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। ইয়াৰ ভিতৰত নতুনকৈ সংযোজিত কৰা— ছোৱালী ক্ৰিকেট, ছোৱালী কেৰম, ডিচকাচ, ৰিলে, জেভলিন থ্ৰ' আদি বিভিন্ন প্ৰতিযোগিতাৰ যোগেদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ৰীড়াত বিকাশ ঘটাবলৈ প্ৰয়াস কৰিছিলোঁ। মোৰ চেষ্টাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি দেখি মই কাম কৰাৰ ক্ষেত্ৰত অধিক উৎসাহিত হৈছিলোঁ। মোৰ কাৰ্যকালত মিৰ্জাৰ ডি. কে. গাৰ্লছ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বেডমিণ্টন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ তৰফৰ পৰা ৩ জনীয়া এটি দলে অংশ গ্ৰহণ কৰিছিল আৰু লগতে ৰূপহী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছোৱালী কাবাদী খেলো ছাত্ৰীসকলে অংশ গ্ৰহণ কৰে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু অসমীয়া বিভাগৰ শ্ৰীযুত শান্তনু বৰদলৈ ছাৰ আৰু ভূগোল বিভাগৰ শ্ৰীযুতা দেবিতা কেম্প্ৰাই বাইদেউৰ সহায়-সহযোগিতাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। যদিও আমাৰ কোনো ধৰণৰ অনুশীলন নাছিল তথাপি আমি বেডমিণ্টন আৰু কাবাদী চেমি ফাইনেল পৰ্যন্ত উন্নীত হৈছিলোঁ।

কাৰ্যকালত থকাৰ অৱস্থাত মহাবিদ্যালয়লৈ বহুতো সুনাম অৰ্জন কঢ়িয়াই আনে ক্ৰীড়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে। এনেদৰে অনাগত সময়ত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগ দোপতদোপে আগুৱাই যাওক তাৰেই কামনা কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। অনাগত সময়ত মহাবিদ্যালয়খন উন্নতিৰ পথেৰে আগুৱাই যাওক এই কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

গীতাঞ্জলি তেৰাংপী

# তৰ্ক সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয়, সমূহ অধ্যাপক-অধ্যাপিকা আৰু মহাবিদ্যালয় স্থাপনৰ পৰা বৰ্তমান সময়লৈকে মহাবিদ্যালয়খনৰ উন্নতিৰ সাপেক্ষে ত্যাগ আৰু শ্ৰমদান দিয়া সেইসকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

২০১৯-২০ বৰ্ষৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক সম্পাদিকা পদটিৰ বাবে মোক যোগ্য বুলি ভাবি মনোনীত কৰি উক্ত পদত মহাবিদ্যালয়ৰ হৈ কিছু কাম কৰিবলৈ সেৱা আৰু সুযোগ দিয়াৰ বাবে মই সকলোৰে ওচৰত চিৰকৃতজ্ঞ। মই এই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত তৰ্ক বিভাগৰ তত্বাৱধায়িকা শ্ৰীলালপিংমেয়ী ছাংচান বাইদেউৰ লগতে ছাত্ৰ একতা সভাৰ সকলো সদস্যই মোক যথেষ্ট সহায় কৰিছিল। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে মোক বহুতো উৎসাহ-উদ্দীপনা আগবঢ়াইছিল। কাৰ্যকালৰ আৰম্ভণিতে তত্বাৱধায়িকাৰ সহযোগত নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত হৈ যোৱা আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হৈছিল। বিগত বৰ্ষবোৰৰ দৰে ২০১৯ বৰ্ষত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সপ্তাহ সমাৰোহৰ লগত সংগতি ৰাখি তৰ্ক প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতাসমূহ চলাই নিয়াৰ ক্ষেত্ৰত মোৰ তত্বাৱধায়িকা লালপিংমেয়ী ছাংচান বাইদেউৰ লগতে মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা শ্ৰীচুমী ডেকা বাইদেউ তথা ছাত্ৰ-একতা সভাৰ প্ৰায়খিনি সদস্যই যথেষ্ট সহায়ৰ হাত আগবঢ়াইছিল। তেওঁলোকৰ সহায়তে মই ২০১৯-২০ বৰ্ষৰ কাৰ্যভাৰ সুকলমে শেষ কৰিলোঁ লগতে এই বৰ্ষটোৰ জৰিয়তে বহুতো নতুন অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হ'লোঁ যিয়ে এক সোণালী স্মৃতি হৈ মোৰ জীৱনত চিৰদিন সজীৱ হৈ ৰ'ব। মোৰ সাধ্যানুসাৰে কিমানখিনি কৃতকাৰ্য হ'ব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য।

প্ৰতিবেদনৰ শেষত মই কৃতজ্ঞতা জনাইছোঁ তৰ্ক বিভাগৰ তত্বাৱধায়িকা লালপিংমেয়ী ছাংচান বাইদেউক লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সকলো সময়তে পৰামৰ্শ তথা সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকাসকলক। লগতে মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলবোৰৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।

সদৌ শেষত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয় আই অসম।

**দিপ্তী নায়ক**



# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন



ঐতিহাসিক ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মই মহাবিদ্যালয়ৰ বাবে কিছু সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে শিক্ষাগুৰু আৰু সমূহ ছাত্ৰ-ছাত্ৰী আৰু সতীৰ্থবৃন্দক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যক্ষ মহোদয়লৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত ছাত্ৰ জিৰণি কোঠাটোৰ ভিতৰভাগ সম্পূৰ্ণৰূপে নতুনকৈ ৰং কৰা হ'ল আৰু লগতে ছাত্ৰৰ সুবিধাৰ বাবে এটা নতুন ইলেক্ট্ৰনিক ফিল্টাৰৰ ব্যৱস্থা কৰা হয় আৰু ছাত্ৰ জিৰণি কোঠাতো সম্পূৰ্ণভাৱে বাহিৰে ভিতৰে চাফা কৰা হ'ল। ছাত্ৰ জিৰণি কোঠাৰ এই প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক বিনম্ৰ অনুৰোধ জনাওঁ যাতে সকলোৱে জিৰণি কোঠা লগতে মহাবিদ্যালয়ৰ চৌপাশ চাফ-চিকুণ আৰু সুন্দৰকৈ ৰখাৰ প্ৰয়াস কৰে।

শেষত মোৰ কাৰ্যকালত মই কৰা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম।

**আবু চাফিন**

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে মই যিসকল মহান ব্যক্তিৰ কষ্ট, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ে জন্ম লাভ কৰিছিল সেইসকল ব্যক্তিলৈ মোৰ শতকোটি প্ৰণাম জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জ্ঞাপন কৰিছোঁ।

পুৰণিগুদাম অঞ্চলৰ কলংপাৰত অৱস্থিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ দৰে এক ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰিবলৈ পাই আৰু এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যৰূপে সকলো কৰ্মত নিয়োজিত হ'বলৈ পাই মই নিজকে সৌভাগ্যবান অনুভৱ কৰিছোঁ।

মই ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰূপে ৫ নৱেম্বৰ তাৰিখে শপত গ্ৰহণ কৰিছিলোঁ। দায়িত্বভাৰ গ্ৰহণ কৰা পিছৰ পৰাই ছাত্ৰ একতা সভাৰ সকলো সদস্য, ছাত্ৰ-ছাত্ৰীসকল আৰু বিশেষকৈ শিক্ষাগুৰুসকলৰ আশীৰ্বাদ মূৰত লৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ লগতে বিভিন্ন কাম-কাজবোৰ আগুৱাই নিয়াত ছাত্ৰ একতা সভাৰ সদস্যসকলৰ সৈতে মিলি চেষ্টা কৰোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই ছাত্ৰীসকলৰ বিভিন্ন সমস্যাসমূহ দূৰ কৰিবলৈ চেষ্টা কৰিছোঁ।

মই কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। তাৰ ভিতৰত মেহেন্দি প্ৰতিযোগিতা, ৰঙ্গোলী প্ৰতিযোগিতা, পিঠা-পনা প্ৰতিযোগিতা ইত্যাদি।

৮ মাৰ্চ, নাৰী দিৱসৰ দিনা ছাত্ৰীসকলৰ বাবে পেড মেচিনটো উন্মোচন কৰা হয়। ছাত্ৰীসকলৰ বাবে আৰু বহুতো কাম কৰা ইচ্ছা আছিল, কিন্তু দেশত ক'ৰোনা মহামাৰিয়ে সংহাৰী ৰূপ লোৱাৰ বাবে লক্‌ডাউনৰ ব্যৱস্থা কৰাত বহুতো কাম কৰাত বাধাৰ সৃষ্টি হ'ল। বৰ্তমানেও চেষ্টা কৰি আছোঁ যাতে সকলোখিনি কাম মই ভবাৰ দৰে কৰি যাব পাৰোঁ।

এইদৰে ছাত্ৰী জিৰণি কোঠাটোৰ নতুনত্ব পৰিবৰ্তন দেখি, কিঞ্চিৎ সেৱা আগবঢ়াবলৈ সুযোগ পাই নিজৰে মনটো ভাল লাগে। এই ক্ষেত্ৰত মোক উৎসাহ জনোৱা, সহযোগিতা আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস ছাৰক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে দেৱিতা বাইদেউ, আকাশী বাইদেউ, চুমি বাইদেউ সকলোলৈকে ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিটো অনুষ্ঠানতে মই ছাত্ৰ একতা সভাৰ সদস্যসকলক সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াইছোঁ। মোক সকলো কাৰ্যত সহায়-সহযোগিতা আগবঢ়োৱা প্ৰাক্তন আৰু বৰ্তমানৰ দাদা, বাইদেউ, ভণ্টি, ভাইটি, বন্ধু-বান্ধৱী, ছাৰ-বাইদেউ, ছাত্ৰ একতা সভাৰ সদস্যসকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। অনাগত সময়ত মহাবিদ্যালয়খন উন্নতিৰ পথেৰে আগুৱাই যাওক, এই কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

হিমাদ্ৰী শইকীয়া



# ব্যায়ামাগাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ মহান ব্যক্তিসকলক সুঁৱৰিছোঁ, যিসকল ব্যক্তিৰ অশেষ শ্ৰম আৰু ত্যাগৰ ফলত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হ'ল। লগতে অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৯-২০২০ বৰ্ষৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ব্যায়ামাগাৰ সম্পাদক পদৰ বাবে মোক যোগ্য বুলি বিবেচনা কৰি উক্ত পদত মহাবিদ্যালয়খনৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে মই সকলোৰে প্ৰতি অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২০ বৰ্ষৰ ব্যায়ামাগাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই মই আজি নিজে গৌৰৱবোধ কৰিছোঁ।

প্ৰতিবেদনৰ শেষত কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ ব্যায়ামাগাৰ বিভাগৰ তত্বাৱধায়ক বিশাল শইকীয়া ছাৰৰ লগতে দেৱিতা কেম্প্ৰাই বাইদেউ, ঘনশ্যাম টাইড ছাৰ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি সমূহ অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জনালোঁ।

২০২১-২০২২ বৰ্ষত গঠন হ'বলগীয়া ছাত্ৰ একতা সভৰ সদস্য ব্যায়ামাগাৰ সম্পাদকে নিষ্ঠা আৰু সততাৰে কাম কৰি মহাবিদ্যালয়ৰ ব্যায়ামাগাৰ শৰীৰ চৰ্চাৰ উন্নতিৰ পথত আগুৱাই নিব বুলি আশা কৰিলোঁ।

মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

হিমাংশু শৰ্মা

# সমাজসেৱা সম্পাদিকাৰ প্ৰতিবেদন



জয় জয়তে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা নিবেদিলোঁ। মোৰ সতীৰ্থসকল আৰু মোৰ শুভাকাংক্ষী শিক্ষাৰ্থীসকলক নমস্কাৰ আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২০১৯ চনৰ ৫ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা পদত শপত গ্ৰহণ কৰি বিদ্যালয়ৰ হকে কাম কৰিবলৈ সুযোগ পাওঁ। তাৰে ভিতৰত বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা, খোৱাপানীৰ সুব্যৱস্থাকৰণ, মহাবিদ্যালয়ত ডাষ্টবিনৰ ব্যৱহাৰ কৰা আদি সৰু প্ৰচেষ্টাৰ কামবোৰ কামবোৰ হাতত লোৱা হয়। এইসমূহৰ উপৰি ছাত্ৰ একতা সভাৰ ঐক্যভাৱৰ ফলশ্ৰুতিত বানপীড়িতসকলৰ বাবে মহাবিদ্যালয়ৰ তৰফৰ পৰা সাহায্য প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। ২০১১ চনৰ ৩০ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ৰ NSS গোটৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত চাপানলাত 'আজাদি কা অমৃত মহোৎসৱ' কাৰ্যসূচী হাতত লৈ স্বচ্ছ ভাৰত অভিযান অংশ গ্ৰহণ কৰা হয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু অধ্যাপক-অধ্যাপিকাসকলে সহায়-সহযোগ আগবঢ়ায়। এইবোৰৰ উপৰি মহাবিদ্যায়লৰ ছাত্ৰীসকলৰ প্ৰতি দৃষ্টি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণিকোঠাত 'চেনটেৰী নেফকিন বক্সা'ৰ ব্যৱস্থা কৰা হয়।

মোৰ কাৰ্যকালত দায়িত্ব পালনত কিমান দূৰ সফলহৈছোঁ সেয়া আপোনালোকে বিচাৰ কৰিব। বিগত সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত জ্ঞাতে-অজ্ঞাতে বিভিন্ন ভুল-ভ্ৰান্তি ৰ'ল। সেইবাবে সকলোৰে ওচৰতে মই ক্ষমাপ্ৰাৰ্থী। শেষত সকলোলৈকে মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰি মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যৎ কামনা কৰিলোঁ।

জয়তু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

প্ৰমিলা পাল



## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৯-২০ বৰ্ষ
পুৰণিগুদাম ঃ নগাঁও ঃ অসম, পিন - ৭৮২১৪১

**সভাপতি**
বিতুল আমিন চৌধুৰী

**উপ-সভাপতি**
পান্না খাউণ্ড

**সাধাৰণ সম্পাদক**
চিদানন্দ বৰা

**সহকাৰী সাধাৰণ সম্পাদক**
গুলজাৰ হুছেইন

**সাংস্কৃতিক সম্পাদক**
সিদ্ধাৰ্থ সিংহ

**সহকাৰী সাংস্কৃতিক সম্পাদক**
পংকজ বৰা

**ক্ৰীড়া সম্পাদক**
মানসজ্যোতি ৰাজখোৱা

**সহকাৰী ক্ৰীড়া সম্পাদিকা**
গীতাঞ্জলি তেৰাংপী

**আলোচনী সম্পাদিকা**
প্ৰিয়াংকী বৰুৱা

**তৰ্ক সম্পাদিকা**
দীপ্তি নায়ক

**ব্যায়ামাগাৰ সম্পাদক**
হিমাংশু শৰ্মা

**সমাজসেৱক সম্পাদিকা**
প্ৰমিলা পাল

**ছাত্ৰ জিৰণি কোঠা সম্পাদক**
আবু চাফিন

**ছাত্ৰী জিৰণি কোঠা সম্পাদিকা**
হিমাদ্ৰী শইকীয়া

# ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ সপ্তাহ সমাৰোহৰ ফলাফলসমূহ ঃ

বেটুপাত অংকন প্ৰতিযোগিতা
প্ৰথম - ভাস্কৰ পুৰ্ণ গায়ন (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় - মালবিকা মুণ্ডা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় - বিশাল দাস (চতুৰ্থ ষাণ্মাসিক)

চিত্ৰাংকণ প্ৰতিযোগিতা (গাঁৱলীয়া পৰিৱেশৰ প্ৰতিচ্ছবি)
প্ৰথম - বিশাল দাস (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - চাজিনা ইয়াচবিন (ষষ্ঠ ষাণ্মাসিক)
তৃতীয় - ৰাজীৱ বৰ্মন (চতুৰ্থ ষাণ্মাসিক)

গল্প প্ৰতিযোগিতা
প্ৰথম - চাজিনা ইয়াচবিন
গল্প ঃ সেন্দুৰে অঁকা ছবি (পঞ্চম ষাণ্মাসিক)
দ্বিতীয় - লনী শইকীয়া
গল্প ঃ হেঁপাহৰ ঘৰখন (পঞ্চম ষাণ্মাসিক)
তৃতীয় - নয়নমণি গায়ন
গল্প ঃ মানবীয়তা (তৃতীয় ষাণ্মাসিক)

প্ৰবন্ধ প্ৰতিযোগিতা
প্ৰথম - চাজিনা ইয়াচবিন (পঞ্চম ষাণ্মাসিক)
দ্বিতীয় - লুনা ভূঞা (পঞ্চম ষাণ্মাসিক)
তৃতীয় - লনী শইকীয়া (পঞ্চম ষাণ্মাসিক)

থিতাতে লিখা কবিতা প্ৰতিযোগিতা
প্ৰথম - ভাস্কৰজ্যোতি ভূঞা (পঞ্চম ষাণ্মাসিক)
দ্বিতীয় - মৃদুপৱন শইকীয়া (পঞ্চম ষাণ্মাসিক)
তৃতীয় - জবামণি বৰা (তৃতীয় ষাণ্মাসিক)

কবিতা আবৃত্তি প্ৰতিযোগিতা
প্ৰথম - তৰালী ফুকন (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় - চাজিনা ইয়াচবিন (ষষ্ঠ ষাণ্মাসিক)
তৃতীয় - ৰমজান আলি (চতুৰ্থ ষাণ্মাসিক)

প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা
প্ৰথম - অসমীয়া বিভাগ
দ্বিতীয় - ভূগোল বিভাগ
তৃতীয় - অৰ্থনীতি বিভাগ

ভেশচন প্ৰতিযোগিতা
প্ৰথম - বিশ্বৰ্ণা গগৈ (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - লনী শইকীয়া (ষষ্ঠ ষাণ্মাসিক)
ৰমজান আলি (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - পান্না খাউণ্ড (চতুৰ্থ ষাণ্মাসিক)
হিমাংশু বৰা (ষষ্ঠ ষাণ্মাসিক)
নীলাক্ষি বৰদলৈ (ষষ্ঠ ষাণ্মাসিক)

দবা-কইনা প্ৰতিযোগিতা
প্ৰথম - ৰমজান আলি (দবা) (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - নয়নমণি গায়ন (দবা) (চতুৰ্থ ষাণ্মাসিক)
প্ৰথম - জুবলী বৰঠাকুৰ (কইনা) (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - বিমঝিম শইকীয়া (কইনা) (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় - পান্না খাউণ্ড (কইনা) (চতুৰ্থ ষাণ্মাসিক)

মিষ্টাৰ বিকেৰি
ৰমজান আলি (চতুৰ্থ ষাণ্মাসিক)

মিছ বিকেৰি
জুবলী বৰঠাকুৰ (ষষ্ঠ ষাণ্মাসিক)
মৌচুমী বৰা (দ্বিতীয় ষাণ্মাসিক)

নাটক প্ৰতিযোগিতাৰ ফলাফল
প্ৰথম শ্ৰেষ্ঠ দল - আলাপ
দ্বিতীয় শ্ৰেষ্ঠ দল - জোনাকত হেৰুৱা গান
শ্ৰেষ্ঠ পৰিচালক - দীপজ্যোতি শইকীয়া
নাটক - আলাপ (ষষ্ঠ ষাণ্মাসিক)
শ্ৰেষ্ঠ অভিনয় শিল্পী (পুৰুষ) - দীপজ্যোতি শইকীয়া
নাটক - আলাপ, চৰিত্ৰ - ল'ৰা (ষষ্ঠ ষাণ্মাসিক)
শ্ৰেষ্ঠ অভিনয় শিল্পী (নাৰী) - পম্পী হাজৰিকা
(নাটক - আলাপ, চৰিত্ৰ - ছোৱালী) (ষষ্ঠ ষাণ্মাসিক)
সহ অভিনেত্ৰী - ৰবী ভূঞা, চৰিত্ৰ - ৰীমা
(চতুৰ্থ ষাণ্মাসিক)
সহ অভিনেতা - মৃদুপৱন শইকীয়া, চৰিত্ৰ - অনিৰুদ্ধ
(ষষ্ঠ ষাণ্মাসিক)
বিচাৰকৰ বিশেষ বঁটা - মুনমী বৰা, চৰিত্ৰ-সীমা,



নাটক - আমি যদি হেৰাই যাওঁ (ষষ্ঠ ষাণ্মাসিক)

শ্ৰেষ্ঠ গায়ক
- মৃন্ময় প্ৰাণ বৰা (দ্বিতীয় ষাণ্মাসিক)

জ্যোতি সংগীত
প্ৰথম - মৃন্ময় প্ৰাণ বৰা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় - দিগন্ত ফুকন (ষষ্ঠ ষাণ্মাসিক)
তৃতীয় - প্ৰশান্ত বৰা (চতুৰ্থ ষাণ্মাসিক)
লিজা দাস

বিষ্ণু ৰাভা সংগীত ঃ
প্ৰথম - মৃন্ময় প্ৰাণ বৰা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় - প্ৰশান্ত বৰা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - লক্ষী মজিন্দাৰ (ষষ্ঠ ষাণ্মাসিক)

ভূপেন্দ্ৰ সংগীত
প্ৰথম - হীৰকজ্যোতি নাথ (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - মৃন্ময় প্ৰাণ বৰা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় - লিজা দাস (দ্বিতীয় ষাণ্মাসিক)
লক্ষী মজিন্দাৰ (ষষ্ঠ ষাণ্মাসিক)

আধুনিক গীত
প্ৰথম - মৃন্ময় প্ৰাণ বৰা (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - লক্ষী মজিন্দাৰ (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - দিগন্ত ফুকন (ষষ্ঠ ষাণ্মাসিক)
বৰ্ষশ্ৰেষ্ঠ গায়ন - মৃন্ময় প্ৰাণ বৰা (দ্বিতীয় ষাণ্মাসিক)
বিচাৰকৰ শ্ৰেষ্ঠ বঁটা - পংকজ বৰা, ৰাকেশ হালৈ

শ্ৰেষ্ঠ নৃত্যশিল্পী
ৰ'জি বৰা (ষষ্ঠ ষাণ্মাসিক)

নৃত্য প্ৰতিযোগিতা
লোকনৃত্য
প্ৰথম - জুবলি বৰঠাকুৰ (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - কস্তুৰিকা বৰা (ষষ্ঠ ষাণ্মাসিক)

ধ্ৰুপদী নৃত্য
প্ৰথম - ৰ'জি বৰা (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - পাৰেল দাসগুপ্তা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - সুকন্যা বৰা (চতুৰ্থ ষাণ্মাসিক)

আধুনিক নৃত্য
প্ৰথম - ৰিমঝিম শইকীয়া (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় - সৌৰভ বৰা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - মৰমী শইকীয়া (দ্বিতীয় ষাণ্মাসিক)

ম'বাইল ফটোগ্ৰাফী
প্ৰথম - কস্তুৰিকা বৰা (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - সৌৰভ বৰা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় - নিৰজ আনচাৰী (ষষ্ঠ ষাণ্মাসিক)

কুইজ প্ৰতিযোগিতা
প্ৰথম - মনোবিজ্ঞান বিভাগ (ষষ্ঠ ষাণ্মাসিক)
ৰশ্মি বৰা (চতুৰ্থ ষাণ্মাসিক)
সৌৰভ বৰা (চতুৰ্থ ষাণ্মাসিক)
শুভম চক্ৰবৰ্তী (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - ৰাজনীতি বিজ্ঞান (ষষ্ঠ ষাণ্মাসিক)
ৰমজান আলি (চতুৰ্থ ষাণ্মাসিক)
তৰালি ফুকন (দ্বিতীয় ষাণ্মাসিক)
মুন তাছা
তৃতীয় - বুৰঞ্জী বিভাগ (ষষ্ঠ ষাণ্মাসিক)
বিকাশ দাস
চান্তু দাস
মাইকলেন সুৰিন

ৰঙ্গুলী প্ৰতিযোগিতা
প্ৰথম - কস্তুৰিকা বৰা (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় নাচিৰা খাতুন (ষষ্ঠ ষাণ্মাসিক)
তৃতীয় - নন্দিতা শৰ্মা (ষষ্ঠ ষাণ্মাসিক)

মেহেন্দি প্ৰতিযোগিতা
প্ৰথম - নন্দিতা শৰ্মা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় - পূজা বৰা
তৃতীয় - নাচিৰা খাতুন (ষষ্ঠ ষাণ্মাসিক)

পিঠাপনা প্ৰতিযোগিতা
প্ৰথম - মুনমী বৰা (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - ৰিম্পি দাস (দ্বিতীয় ষাণ্মাসিক)

দৌৰ প্ৰতিযোগিতা (ছাত্ৰ)

৩২০০ মিটাৰ
প্ৰথম - দিগন্ত ফুকন (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - অদিত ৰাভা
তৃতীয় - প্ৰাণজিৎ বৰা (চতুৰ্থ ষাণ্মাসিক)

৮০০ মিটাৰ
প্ৰথম - মাধুৰ্য্য বৰা (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - অদিত ৰাভা
তৃতীয় - দিগন্ত ফুকন (ষষ্ঠ ষাণ্মাসিক)

৪০০ মিটাৰ
প্ৰথম - মাধুৰ্য্য বৰা (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - অদিত ৰাভা
তৃতীয় - আজাহাৰ উদ্দিন (চতুৰ্থ ষাণ্মাসিক)

২০০ মিটাৰ
প্ৰথম - মাধুৰ্য্য বৰা (ষষ্ঠ ষাণ্মাসিক)

দ্বিতীয় - অনিত ৰাভা
তৃতীয় - ৰাজেন দেশৱা (চতুৰ্থ ষাণ্মাসিক)

**১০০ মিটাৰ**

প্ৰথম - মাধুৰ্য্য বৰা (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - অনিত ৰাভা
তৃতীয় - আজাহাৰ উদ্দিন (চতুৰ্থ ষাণ্মাসিক)

**দৌৰ প্ৰতিযোগিতা (ছাত্ৰী)**

**১০০ মিটাৰ**

প্ৰথম - ডেইজী বেগম
দ্বিতীয় - অঞ্জুমা বেগম (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - নয়নমণি বৰা (ষষ্ঠ ষাণ্মাসিক)

**১০০ মিটাৰ**

প্ৰথম - ডেইজী বেগম
দ্বিতীয় - চুলতানা বেগম
তৃতীয় -মশফিকা বেগম

**৪০০ মিটাৰ**

প্ৰথম - ডেইজী বেগম
দ্বিতীয় - অঞ্জুমা বেগম
তৃতীয় -চুলতানা বেগম

**ছাত্ৰৰ ৰেলী দৌৰ প্ৰতিযোগিতা**

**বিজয়ী দল**

মাধুৰ্য্য বৰা (ষষ্ঠ ষাণ্মাসিক)
দিগন্ত ফুকন (ষষ্ঠ ষাণ্মাসিক)
অনিত ৰাভা
আজাহাৰ উদ্দিন

**প্ৰথম ৰাৰ্ণছ্ আপ**

ৰমজান আলি (চতুৰ্থ ষাণ্মাসিক)
ৰাকেশ দেশৱা (ষষ্ঠ ষাণ্মাসিক)
প্ৰাণজিৎ বৰা (চতুৰ্থ ষাণ্মাসিক)
দীপজ্যোতি বৰা (চতুৰ্থ ষাণ্মাসিক)

**দ্বিতীয় ৰাৰ্ণছ্ আপ**

দীপক বৰদলৈ (চতুৰ্থ ষাণ্মাসিক)
শান্তনু শৰ্মা (ষষ্ঠ ষাণ্মাসিক)
ৰূপজ্যোতি বৰদলৈ (চতুৰ্থ ষাণ্মাসিক)
নেজি হাজে

**কাঁহী দলিওৱা (ছাত্ৰ)**

প্ৰথম - মানস প্ৰতিম কলিতা
দ্বিতীয় - মেজি হাজে

**কাঁহী দলিওৱা (ছাত্ৰী)**

প্ৰথম - লনি শইকীয়া (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - ৰীমা বেগম (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - গুলনাজ বড়ো

**একক কেৰম প্ৰতিযোগিতা (ছাত্ৰ)**

বিজয়ী - ছাইবুৰ আলি (দ্বিতীয় ষাণ্মাসিক)
ৰাণাৰ্চ্ছ আপ -চাকিল হুছেইন (দ্বিতীয় ষাণ্মাসিক)

**একক কেৰম প্ৰতিযোগিতা (ছাত্ৰী)**

প্ৰথম - দিশা শৰ্মা (দ্বিতীয় ষাণ্মাসিক)
ৰাণাৰ্চ্ছ আপ -প্ৰিয়াশ্ৰী শইকীয়া (দ্বিতীয় ষাণ্মাসিক)

**দ্বৈত কেৰম প্ৰতিযোগিতা (ছাত্ৰ)**

প্ৰথম - এজাজ হক
শ্ৰীমন্ত ৰবিদাস
ৰাণাৰ্চ্ছ আপ -হাবিবুৰ আলম
চাকিল হুছেইন

**একক বেডমিণ্টন প্ৰতিযোগিতা (ছাত্ৰ)**

প্ৰথম - নয়নমণি বৰা
ৰাণাৰ্চ্ছ আপ -হৰিছ্ তনবীৰ হক
চাকিল হুছেইন

**দ্বৈত বেডমিণ্টন প্ৰতিযোগিতা (ছাত্ৰ)**

প্ৰথম - নয়নমণি বৰা
আবু চাফিন
ৰাণাৰ্চ্ছ আপ -বিশাল শইকীয়া
কমলেন্দ্ৰ শইকীয়া

**একক বেডমিণ্টন প্ৰতিযোগিতা (ছাত্ৰী)**

প্ৰথম - পক্ষী বৰা
ৰাণাৰ্চ্ছ আপ -মিনহাজ চুলতান

**ছাত্ৰীৰ ৰিলে দল.**

বিজয়ী ঃ মাসফিকা বেগম
ডেইজী বেগম

প্ৰথম ৰাণাৰ্চ্ছ আপ ঃ লনি শইকীয়া (ষষ্ঠ ষাণ্মাসিক)
নয়নমনি বৰা (ষষ্ঠ ষাণ্মাসিক)
পক্ষী বৰা (ষষ্ঠ ষাণ্মাসিক)
ৰিমা বেগম (চতুৰ্থ ষাণ্মাসিক)

দ্বিতীয় ৰাণাৰ্চ্ছ আপ ঃ গুলনাজ বড়ো
ৰুকিয়া বেগম (চতুৰ্থ ষাণ্মাসিক)
নৱস্মিতা হাজৰিকা (চতুৰ্থ ষাণ্মাসিক)
আচমিনা বেগম

**ক্ৰিকেট (ছাত্ৰ)**

বিজয়ী দল ঃ নয়নমণি বৰা
কমলেন্দ্ৰ শইকীয়া



বিশাল শইকীয়া
কমল দাস
প্ৰণৱজ্যোতি ভূঞা
জ্যোতিৰ্ময় শৰ্মা
মেজি হাজে
কল্পজ্যোতি বৰা
চিন্টু আলি
কমল দাস
অমৃত দাস

ৰাণাৰ্চ্ছ আপ দল ঃ সিদ্ধাৰ্থ সিংহ
ঈশান জ্যোতি বৰা
মানসজ্যোতি ৰাজখোৱা
চাকিল হুছেইন
ৰাজা আহমেদ
হৰিছ্ তনবীৰ হক
আলোক তাঁতী
ৰাকেশ দেশৱা
বিতুল তাঁতী
ইফতিকাৰ হুছেইন
সৌৰভ বৰা

**ক্ৰিকেট (ছাত্ৰী)**

বিজয়ী দল ঃ নিকিতা বৰদলৈ
গীতাঞ্জলি তেৰাংপী
জবামণি বৰা
গোলাপী নেওগ
বিদিশা বৰা
আছমিনা বেগম
জুনমনি বৰা
ৰিমলি নন্দী
বিশ্ববৰ্ণা গগৈ
জ্যোতিৰূপা বৰা
দিশা শৰ্মা

**দাবা (ছাত্ৰ)**

বিজয়ী ঃ লক্ষী মজিন্দৰ (ষষ্ঠ ষাণ্মাসিক)
ৰাণাৰ্চ্ছ আপ ঃ মাধুৰ্য বৰা (ষষ্ঠ ষাণ্মাসিক)

**শ্বটফুট (ছাত্ৰী)**

প্ৰথম - মনীষা খাকলাৰী
দ্বিতীয়- ৰিমা বেগম (চতুৰ্থ ষাণ্মাসিক)
তৃতীয়- লনি শইকীয়া (ষষ্ঠ ষাণ্মাসিক)

**শ্বটফুট (ছাত্ৰী)**

প্ৰথম- মানস প্ৰতিম কলিতা (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - বিদ্যুৎ শইকীয়া

**দীঘল জাঁপ (ছাত্ৰী)**

প্ৰথম - চুলতানা বেগম
দ্বিতীয় - ৰীমা বেগম (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - পক্ষী বৰা

**দীঘল জাঁপ (ছাত্ৰ)**

প্ৰথম - চাকিল হুছেইন (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় - দীপজ্যোতি বৰা
তৃতীয়- মাধুৰ্য বৰা (ষষ্ঠ ষাণ্মাসিক)

**ভাৰোত্তোলন (ছাত্ৰ)**

৭০ কেজি - ৮০ কেজি
প্ৰথম- মৃদুল শইকীয়া (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় - জাবেদ আলী (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় - মানস প্ৰতিম কলিতা (চতুৰ্থ ষাণ্মাসিক)
৬০ কেজি - ৭০ কেজি
প্ৰথম- দিগন্ত ফুকন (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় - হিমাংশু শৰ্মা (দ্বিতীয় ষাণ্মাসিক)
৫০ কেজি - ৬০ কেজি
প্ৰথম - বিতুল আমিন চৌধুৰী (ষষ্ঠ ষাণ্মাসিক)

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃমহাবিদ্যালয় ভিত্তিত অনলাইন কবিতা, গল্প আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

**কবিতা প্ৰতিযোগিতা**

প্ৰথম ঃ ত্ৰিদিপ বৰা (নগাঁও মহাবিদ্যালয়)
দ্বিতীয় ঃ ১) মৃণ্ময়জ্যোতি বৰা (কলিয়াবৰ মহাবিদ্যালয়)
২) নিকিতা চক্ৰবৰ্তী (অভয়াপুৰী মহাবিদ্যালয়)
তৃতীয় - বীথিকা দাস (বৰনগৰ মহাবিদ্যালয়)

**প্ৰবন্ধ প্ৰতিযোগিতা**

প্ৰথম ঃ বীথিকা দাস (বৰনগৰ মহাবিদ্যালয়)
দ্বিতীয় ঃ সীমা বেজবৰুৱা (ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়)
তৃতীয় ঃ অৰ্পণা কলিতা (বিকালী মহাবিদ্যালয়)

**গল্প প্ৰতিযোগিতা**

প্ৰথম ঃ ত্ৰিদিপ বৰা (নগাঁও মহাবিদ্যালয়)
দ্বিতীয় ঃ তনশ্ৰী বৰা (দৰং মহাবিদ্যালয়)
তৃতীয় ঃ পংখীমণি শইকীয়া (আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়)





## মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ




ড° নৃপেন চন্দ্ৰ দাস



ড° কমল চন্দ্ৰ শইকীয়া

## মহাবিদ্যালয় গৌৰৱ

# Achievement of Teachers & Student, 2019-2020

**Dr. Mallika Bora**, Associate Professor
Ph.D. Received from GU
awarded on 8 July, 2019

**Dr. Ghanashyam Taid**, Assistant Professor
Ph.D. Received from from GU
awarded on 8 July, 2019



**Book Published**
Development and Regional Planning,
Editor- Abinash Bharali, ISBN : 978-93-84679-59-0

**Madhurjya Bora, Gold Medal**
22 to 23 of February, 2020
University Inter College Athletics and Boxing Championship

**Ahadur Hoque, Gold Medal**
Open National Karate Championship, 2019

**Kamal Borah, Gold Medal**
26 and 27 December 2019
2nd International Karate Championship, 2019

**Diganta Phukan, Gold Medal**
26 and 27 December 2019
2nd International Karate Championship, 2019

**Dipankar Barik, Gold Medal**
26 and 27 December 2019
2nd International Karate Championship, 2019

**Achyut Pratim Saikia, Gold Medal**
26 and 27 December 2019
2nd International Karate Championship, 2019

**Sajina Yeshbin**
**Best Graduate, 2020**
Major in Economics (8·9)





### মহাবিদ্যালয় ছাত্র একতা সভা

বাঁওফালৰ (বহি) পৰা ক্ৰমে ঃ ৰিতুল আমিন চৌধুৰী (সভাপতি), চিদানন্দ বৰা (সাধাৰণ সম্পাদক), সিদ্ধাৰ্থ সিংহ (সাংস্কৃতিক সম্পাদক)
বাঁওফালৰ (থিয় হৈ) পৰা ক্ৰমে ঃ গীতাঞ্জলি তেৰাংপী (সহঃ ক্ৰীড়া সম্পাদিকা), দীপ্তি নায়ক (তৰ্ক সম্পাদিকা)
প্ৰমিলা পাল (সমাজসেৱা সম্পাদিকা), প্ৰিয়াংকী বৰুৱা (আলোচনী সম্পাদিকা), হিমাদ্ৰী শইকীয়া (ছাত্ৰী জিৰণি কোঠা সম্পাদিকা),
পাম্মা খাউণ্ড (উপ-সভাপতি), আবু চাফিন (ছাত্ৰ জিৰণি কোঠা সম্পাদক), হিমাংশু শৰ্মা (ব্যায়ামাগাৰ সম্পাদক),
গুলজাৰ হুছেইন ( (সহঃ সাধাৰণ সম্পাদক)
অনুপস্থিত ঃ মানসজ্যোতি ৰাজখোৱা (ক্ৰীড়া সম্পাদক), পংকজ বৰা (সহঃ সাংস্কৃতিক সম্পাদক)




### মহাবিদ্যালয় আলোচনী কৰ্ষণৰ সম্পাদনা সমিতি

বাঁওফালৰ (বহি) পৰা ক্ৰমে ঃ শ্ৰীজুলি ঠাকুৰীয়া (গ্ৰন্থাগাৰিক), ড° কমল চন্দ্ৰ শইকীয়া (উপাধ্যক্ষ), ড° নৃপেন চন্দ্ৰ দাস (অধ্যক্ষ),
ড° মল্লিকা বৰা (শিক্ষক-সদস্য) ড° অবিনাশ ভৰালী (তত্বাবধায়ক), শ্ৰীশ্ৰদ্ধাঞ্জলি ভট্টাচাৰ্য (শিক্ষক-সদস্য)
বাঁওফালৰ (থিয় হৈ) পৰা ক্ৰমে ঃ শ্ৰীপ্ৰিয়াংকী বৰুৱা (সম্পাদিকা), শ্ৰীহিমাদ্ৰী শইকীয়া (সদস্য),
শ্ৰীচিদানন্দ বৰা (সদস্য), শ্ৰীজ্ঞানদীপ হাজৰিকা (সদস্য) (অনুপস্থিত)



২০২০ বৰ্ষৰ প্ৰথম স্থান পোৱা প্ৰাচীৰ-পত্ৰিকা






ছাত্ৰ জীৱনৰ স্বৰ্ণিল সময়ৰ সদ্ব্যৱহাৰ কৰিব লাগে শিক্ষাৰ্থীয়ে

বিধানসভাত শিক্ষাৰ্থীৰে মুখ্যমন্ত্ৰী সোণোৱালৰ মত বিনিময়



২০২০ বৰ্ষৰ দ্বিতীয় স্থান পোৱা প্ৰাচীৰ-পত্ৰিকা



২০২০ বৰ্ষৰ তৃতীয় স্থান পোৱা প্ৰাচীৰ-পত্ৰিকা



পুৱণিগুদাম বি কে বি কলেজত 'গল্পকথা'ৰ এক ব্যতিক্ৰমী অনুষ্ঠান সম্পন্ন

## ২০১৯-২০২০ বৰ্ষৰ মহাবিদ্যালয়ৰ কেইটিমান সোণালী মুহূৰ্ত

























BLOOD DONATION CAMP


ELF EMPLOYMENT WITH
DIGENOUS RESOURCES:
A PERSPECTIVE OF RURAL
ECONOMY








BOOK EXHIBITION
Organised by
CENTRAL LIBRARY
Central Library






বান সাহায্য বিতৰণ


































গণতন্ত্ৰ দিবসৰ এটি মুহূৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে
ছাত্ৰ একতা সভা আৰু এন.চি.চি গোটৰ সদস্যসকল




Bishal Das
B.A. 4th Sem



Sajina Yeshbin
B.A. 6th Sem



Rajib Kr. Barman
B.A. 2nd Sem




Nasira Khatun
B.A. 6th Sem



Kasturika Borah
B.A. 6th Sem



Bishal Das
B.A. 4th Sem




Bhaskajya Purna Gayan
B.A. 2nd Sem



Nayanmoni Gayan
B.A. 4th Sem




Sajina Yeshbin
B.A. 6th Sem




Bhaskajya Purna Gayan
B.A. 2nd Sem



Jahnabi Bhuyan
B.A. 5th Sem



Swapan Bora
B.A. 1st Sem



Nasira Khatun
B.A. 6th Sem



Jumon Boa
B.A. 1st Sem

মুদ্ৰণ ঃ কুঁহি গ্ৰাফিক্স এণ্ড প্ৰিণ্টিং আৰু বিৰিখ
লাওখোৱা পথ, মাজৰ আটী চাৰিআলি, নগাঁও